গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত


জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৫৬ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ৪ আগষ্ট, ২০২২, ১৮ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 356 Dainandin Barta ■ Guwahati, Thursday ■ 4 August, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only







## ‘গৰীয়সী’ৰ প্ৰচ্ছদ কাহিনী— ‘ই-জোনাকী যুগ’

■ ড° বুলজিৎ বুঢ়াগোহাঁই

ড° ৰীতা চৌধুৰী বাইদেউৰ সম্পাদনাত প্ৰকাশ হোৱা ‘গৰীয়সী’ আলোচনীখনৰ আগষ্ট, ২০২২ সংখ্যাটোৰ প্ৰচ্ছদ কাহিনী হ’ল ‘ই-জোনাকী যুগ’। এই বিষয়ত প্ৰকাশ হোৱা লেখাবোৰ হ’ল— মনজিৎ নাথ আৰু ড° সত্যকাম দত্তৰ ‘ই-জোনাকী যুগ’, সত্যজিৎ নাথৰ ‘ডিজিটেল জগতত অসমীয়াৰ কিছু কাম’, পল্লৱ শইকীয়াৰ ‘সঁফুৰা, শব্দ আৰু আমেৰিকাত অসমীয়া স্কুল’, বিক্ৰম মজিন্দাৰ বৰুৱাৰ ‘XOBDO.ORG-ৰ ■ ৮ পৃষ্ঠাত

## অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক হিচাপে ড° ৰঞ্জিত ৰথৰ দায়িত্ব গ্ৰহণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** আই আই টি বম্বে আৰু আই আই টি খড়গপুৰৰ প্ৰাক্তন ছাত্ৰ ড° ৰঞ্জিত ৰথে ২ আগষ্টত নয়দাত ভাৰতৰ দ্বিতীয় বৃহত্তম ৰাষ্ট্ৰীয় অন্বেষণ আৰু উৎপাদন প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ (অইল) নতুন অধ্যক্ষ আৰু পৰিচালন সঞ্চালক হিচাপে দায়িত্ব গ্ৰহণ কৰে। ড° ৰথে ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰা সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা লাভ কৰি ■ ৮ পৃষ্ঠাত



### আজাদি কা অমৃত মহোৎসৱ

৫-১৫ আগষ্টলৈ সকলো স্মৃতিসৌধত বিনামূলীয়া প্ৰৱেশ, ঘোষণা কেন্দ্ৰ— টিকট থকা সকলো কেন্দ্ৰীয়ভাৱে সুৰক্ষিত স্মৃতিসৌধ, সংগ্ৰহালয়, আৰু প্ৰত্নতাত্ত্বিক স্থানত দেশীয় বা বিদেশী দৰ্শকৰ পৰা কোনো ধৰণৰ মাচুল লোৱা নহ’ব।

## ২৫ বছৰৰ ভিতৰত ভাৰত বিশ্বগুৰুত পৰিণত হ’ব ঃ অমিত শ্বাহ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ৩ আগষ্ট ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পুনৰ এইবুলি মন্তব্য কৰিছে যে অহা ২৫ বছৰৰ ভিতৰত ভাৰত বিশ্বগুৰু হৈ পৰিব। অমিত শ্বাহে এই আশা ব্যক্ত কৰি কয়— ‘২০৪৭ চনত ভাৰত কেনে হ’ব? শিক্ষা, স্বাস্থ্য আৰু বিকাশৰ ক্ষেত্ৰত ভাৰতৰ অৱস্থা কেনে হ’ব? এই বছৰটো ভাৰতক প্ৰতিটো ক্ষেত্ৰত উন্নত কৰাৰ বছৰ। যদি আমি এই মূল খণ্ডবোৰত ভালদৰে কাম কৰোঁ তেন্তে অহা ২৫ বছৰত ভাৰত বিশ্ব গুৰু হ’ব’। নতুন দিল্লীত এক অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এনেদৰে কয়। ‘হৰ ঘৰ তিৰংগা’ অভিযানৰ সময়ত (১৩ ৰ পৰা ১৫ আগষ্ট) প্ৰতিজন নাগৰিকক তেওঁলোকৰ ঘৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাই অমিত শ্বাহে কয় যে এই কাৰ্যসূচীয়ে দেশৰ সমৃদ্ধিৰ বাবে ভাৰতৰ জনসাধাৰণৰ সংকল্পৰ কথা বিশ্ববাসীক জনাব পাৰিব। তেওঁ কয় যে আজাদী কা অমৃত মহোৎসৱৰ অধীনত প্ৰতিখন ঘৰত পতাকা ■ ৮ পৃষ্ঠাত

## বাংলাদেশ

### ■ সমাজকৰ্মীৰ চৰজমিন তদন্তত ওলাল ভয়াৱহ তথ্য ■

# হিন্দুক অত্যাচাৰৰ নতুন কৌশল



*চাৰ্য নৃত্য পৰিৱেশন এটি শিশুৰ*

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ৩ আগষ্ট ঃ** ভাৰতৰ চুবুৰীয়া দেশ বাংলাদেশত চলিয়েই আছে হিন্দু লোকৰ ওপৰত অত্যাচাৰ। শেহতীয়াকৈ এগৰাকী সমাজকৰ্মীৰ তদন্তত ওলাল সেই ভয়াৱহ তথ্য। ‘হিন্দু মহিলাসকলে কান্দি আছিল, ঘৰ আৰু দোকানত জুই লগোৱা হৈছিল। প্ৰতিখন মুখতে ফুটি উঠিছিল কেৱল ভয়ৰ ছবি। বাংলাদেশৰ হিন্দুসকলে কেইবা দশক ধৰি এই ভয়ৰ মাজতে জীয়াই আছে, কিন্তু এতিয়া এই আতংক আনকি সেই অঞ্চলবোৰলৈ বিয়পিছে য’ত আগতে এনে হোৱা নাছিল।’ এনেদৰেই মন্তব্য কৰিছে সমাজকৰ্মীগৰাকীয়ে। বাংলাদেশত হিন্দুসকলৰ অধিকাৰৰ বাবে কাম কৰা সমাজকৰ্মী নিৰ্মল চেটাৰ্জীয়ে শেহতীয়াকৈ হিন্দু লোকৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনাৰ সাক্ষী নাদাইল জিলাৰ দগিল গাঁও ভ্ৰমণ কৰি কেতবোৰ তথ্য প্ৰকাশ কৰিছে। এটা বিতৰ্কিত ফেচবুক পোষ্টৰ পিছতে দুসপ্তাহ সেই স্থানত বাস কৰা হিন্দুসকলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছিল। হিন্দুসকলৰ ঘৰ আৰু দোকান লুট কৰা হৈছিল বুলি নিৰ্মল চেটাৰ্জীয়ে প্ৰকাশ কৰিছে। বাংলাদেশত এইটোৱেই হিন্দুসকলৰ ওপৰত হোৱা আক্ৰমণৰ প্ৰথম ঘটনা নহয়। এই বছৰৰ মাৰ্চ মাহত মৌলবাদীয়ে এটা হিন্দু মন্দিৰত আক্ৰমণ কৰিছিল। ২০২১ চনৰ অক্টোবৰ মাহত দেশখনৰ কেইবাখনো জিলাত হিন্দুসকলৰ ওপৰত আক্ৰমণ হৈছিল। দুৰ্গা পূজাৰ সময়ত হোৱা আক্ৰমণত কমেও ■ ৮ পৃষ্ঠাত



## আজাদী কা অমৃত মহোৎসৱৰ উদ্‌যাপনৰ অংশ হিচাপে কয়দীৰ কাৰাবাসৰ ম্যাদ ৰেহাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে উদযাপন কৰা আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি অসম চৰকাৰে অহা ১৫ আগষ্টত প্ৰথম পৰ্যায়ত ১৮ গৰাকী বিভিন্ন দোষত দোষী সাব্যস্ত কয়দীক নিৰ্দ্ধাৰিত নীতিৰ আধাৰত মুকলি কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুসৰি মুঠ কাৰাবাসৰ সময়সীমাৰ ৫০ শতাংশ কাল সম্পূৰ্ণ কৰা ৫০ বছৰ আৰু ততোধিক বয়সৰ মহিলা কয়দী আৰু তৃতীয় লিংগৰ ব্যক্তি, মুঠ কাৰাবাসৰ ■ ৮ পৃষ্ঠাত

## মৃত্যুৰ পিছত আত্মায়ো ক্ষমা নোখোজে জেহাদীৰ সমৰ্থকক ঃ পীযূষ হাজৰিকা


### নগাঁৱত পুনৰ গঢ়ি উঠা ড্ৰাগ্‌ছৰ ঘাটি উৎখাত কৰাৰ বাবে জিলা প্ৰশাসনক কঠোৰ নিৰ্দেশ মন্ত্ৰী পীযূষ হাজৰিকাৰ



### আমিনুল-কৰিমুদ্দিনৰ দৰে মানুহক মই কিয়, মোৰ চৈধ্য গোষ্ঠীয়েও ক্ষমা নোখোজে ঃ এ আই ইউ ডি এফৰ নেতাক ক্ষমা খোজাতকৈ মৰি যোৱাই ভাল- মন্ত্ৰী পীযূষ হাজৰিকা ঃ সামাজিক মাধ্যমত কংগ্ৰেছে ডি পি লগোৱা সন্দৰ্ভত কটাক্ষ মন্ত্ৰী পীযূষ হাজৰিকা আৰু অশোক সিংহলৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩ আগষ্ট ঃ** আমিনুল ইছলাম, কৰিমুদ্দিন বৰভূঞাৰ দৰে মানুহক ক্ষমা খোজাতকৈ মৰি যোৱাই ভাল। মই কিয়, মোৰ চৈধ্য গোষ্ঠীয়েও সেইবোৰ মানুহৰ ওচৰত কেতিয়াও ক্ষমা নোখোজে বুলি আজি তেজপুৰত স্পষ্ট কৰি দিলে মন্ত্ৰী পীযূষ হাজৰিকাই। উল্লেখ্য যে, জেহাদী সম্পৰ্কত মন্তব্য কৰা মন্ত্ৰী পীযূষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱাক এই আই ইউ ■ ৮ পৃষ্ঠাত

## অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, বিশিষ্ট লিপিবিদ যতীন গোস্বামীৰ বিয়োগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** আজি পুৱা ৪ বজাত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ অসম প্ৰদেশ কমিটীৰ প্ৰতিষ্ঠাপক প্ৰাক্তন সভাপতি, বিশিষ্ট লিপিবিদ, সাহিত্যিক, স্বাধীনতা সংগ্ৰামী, গুৱাহাটীৰ নৰগ্ৰহ নিবাসী যতীন গোস্বামীৰ (৯৮) ■ ৮ পৃষ্ঠাত

## চৰকাৰে প্ৰত্যাহাৰ কৰিলে ব্যক্তিগত তথ্য সুৰক্ষা বিধেয়ক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ৩ আগষ্ট ঃ** অৱশেষত বহু প্ৰতিবাদৰ অন্তত কেন্দ্ৰীয় চৰকাৰে আজি প্ৰত্যাহাৰ কৰিলে ব্যক্তিগত তথ্য সুৰক্ষা বিধেয়ক। এই বিধেয়কখন আইনত পৰিণত হ’লে চৰকাৰে দেশবাসীৰ যিকোনো ব্যক্তিগত তথ্য লাভ কৰিবলৈ সক্ষম হ’লহেঁতেন। এখন যুটীয়া সংসদীয় সমিতিয়ে বিধেয়কখনত ৮১টা সংশোধনৰ পৰামৰ্শ দিয়াৰ পিছতে বিধেয়কখন প্ৰত্যাহাৰ কৰা হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি যুটীয়া সংসদীয় সমিতিৰ প্ৰতিবেদন পৰ্যালোচনা কৰাৰ পিছত এক আইনী পৰিকাঠামো প্ৰস্তুত কৰা হৈছে। এই পদক্ষেপে এখন নতুন বিধেয়কৰ পথ প্ৰশস্ত কৰিব বুলি ধাৰণা কৰা হৈছে। বিধেয়কখনে ব্যক্তিগত তথ্য লাভত সহায় কৰিলেহেঁতেন। যাৰ ফলত এজন ব্যক্তিৰ চিনাক্তকৰণত সহায় সহায় হ’লহেঁতেন। বিৰোধী দলবোৰে এইবুলি অভিযোগ কৰিছিল যে বিধেয়কখনে নাগৰিকসকলৰ ব্যক্তিগত তথ্য নিৰীক্ষণ কৰাটো সহজ কৰি তুলিব। বিধেয়কখন ২০১৯ চনত প্ৰথমে বিশেষ পেনেললৈ প্ৰেৰণ কৰা হৈছিল। ব্যক্তিগত তথ্য সুৰক্ষা বিধেয়কখনৰ বিৰুদ্ধে তেতিয়া বিৰোধী কংগ্ৰেছ ■ ৮ পৃষ্ঠাত




*স্বাস্থ্য বিভাগৰ অস্থায়ী কৰ্মচাৰীৰ প্ৰতিবাদ, গুৱাহাটীত বুধবাৰে*

### নগাঁৱত অৰুণোদয় আঁচনিৰ পৰীক্ষণ সদস্য-পৰ্যবেক্ষকৰ প্ৰশিক্ষণ আৰম্ভ বিত্তমন্ত্ৰী অজন্তা নেওগৰ

## ঘৰে ঘৰে গৈ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী পুনৰীক্ষণ কৰা হ’ব



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ আগষ্ট ঃ** আজি নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অৰুণোদয় আঁচনিৰ পৰীক্ষণ দলৰ সদস্য আৰু পৰ্যবেক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰি বিত্তমন্ত্ৰী অজন্তা নেওগে কয় যে মহিলা সবলীকৰণৰ উদ্দেশ্যে তেওঁলোকক আৰ্থিক দিশত সকাহ দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পোষকতাত ৰাজ্য চৰকাৰে ২০২০ চনতে অৰুণোদয় নামৰ আভিলাসী আঁচনিখন হাতত লৈছে। এই আঁচনিৰ অধীনত ৰাজ্যখনৰ ২০ লাখ মহিলা ইতিমধ্যে উপকৃত হৈছে। বিশেষকৈ মহিলাসকলৰ স্বাস্থ্য, শিক্ষা আদি দিশত উত্তৰণৰ ক্ষেত্ৰত অৰুণোদয় আঁচনিৰ ধনে নিশ্চিতভাৱে সহায় কৰিছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰী সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰকৃত হিতাধিকাৰীয়েহে পাব অৰুণোদয় আঁচনি। ঘৰত তিনি-চাৰিচকীয়া বাহন, ৰেফ্ৰিজাৰেটৰ ■ ৮ পৃষ্ঠাত

## লাহোৱালত নিয়ন্ত্ৰণ হেৰুৱাই তীব্ৰবেগী বাহনে মহটিয়ালে তিনিজনক, থিতাতে নিহত দুই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৩ আগষ্ট ঃ** আজি পুৱা প্ৰায় ৫.৩০ বজাত লাহোৱালত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। লাহোৱাল ■ ৮ পৃষ্ঠাত

## বৰপেটা থানাত সন্দেহযুক্ত জেহাদীৰ আত্মসমৰ্পণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৩ আগষ্ট ঃ** মঙলবাৰে নিশা এজন সন্দেহযুক্ত জেহাদীয়ে আত্মসমৰ্পণ কৰে। আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰা সন্দেহযুক্ত জেহাদীটোৰ নাম আবুবক্কৰ ছিদ্দিক (৪২)। ■ ৮ পৃষ্ঠাত

## নগৰবেৰাত হাতে-লোটে ধৰা পৰে ঘোচখোৰ লাট মণ্ডল মদন কুমাৰ নাথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩ আগষ্ট ঃ** ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় নে দুৰ্নীতিৰ পাইকাৰী প্ৰতিষ্ঠান? নগৰবেৰাত ভিজিলেঞ্চ এণ্ড এণ্টি কৰাপচনৰ বিশেষ অভিযান, জালত পৰিল ঘোচখোৰ লাট মণ্ডল। এমুৰৰ পৰা গেলিছে নগৰবেৰা ৰাজহ চক্ৰ কাৰ্যালয়। কাৰ্যালয়ত এতিয়া যেন মুকলিকৈ চলে দুৰ্নীতিৰ মুকলি প্ৰতিযোগিতা। প্ৰাপ্ত তথ্য অনুসৰি আজি নগৰবেৰা ৰাজহ চক্ৰ কাৰ্যালয়ত চি এম ভিজিলেঞ্চ আৰু দুৰ্নীতি নিবাৰক শাখাৰ অভিযানত কাৰ্যালয়টোৰ লাট মণ্ডল মদন কুমাৰ নাথক ঘোচ লৈ থকা অৱস্থাত হাতে-লোটে ধৰা পেলায় দুৰ্নীতি নিবাৰক শাখাই। ৰাইজে অভিযোগ উত্থাপন ■ ৮ পৃষ্ঠাত





### হিন্দু যুৱ-ছাত্ৰ

## ‘শ্বেৰমান আলী ইছলামিক জেহাদীৰ অন্যতম সংগঠক’

### অখিল গগৈ নিজে এজন মানসিক ৰোগী ঃ বলেন বৈশ্য




**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩ আগষ্ট ঃ** শ্বেৰমান আলী হৈছে অসমৰ ইছলামিক সাম্ৰাজ্যবাদী আৰু জেহাদীৰ অন্যতম সংগঠক। এই দাবী হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমৰ। বুধবাৰে বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদ মেলত এই মন্তব্য কৰে পৰিষদৰ কেন্দ্ৰীয় সভাপতি বলেন বৈশ্যই। বাঘবৰ সমষ্টিৰ বিধায়ক ■ ৮ পৃষ্ঠাত



### নতুন দিল্লীত বিহু নৃত্যৰ বিকৃত পৰিৱেশন সন্দৰ্ভত সাংস্কৃতিক মন্ত্ৰীৰ উদ্বিগ্নতা

## বিভাগীয় সাংস্কৃতিক সচিবক প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** নতুন দিল্লীৰ পালামা বিমান বন্দৰত ভাৰত ভ্ৰমণলৈ অহা মালদ্বীপৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম মহম্মদ চালিমক আদৰাৰ সময়ত ১ আগষ্টত অসমৰ বিহু নৃত্যক বিকৃত ৰূপত পৰিৱেশন কৰা কাৰ্য ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান দপ্তৰৰ মন্ত্ৰী বিমল বড়াৰ দৃষ্টিগোচৰ হৈছে। বিহু গীত আৰু নৃত্যৰ এনে উপস্থাপনত মন্ত্ৰী বড়াই উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখ্য, মালদ্বীপৰ ৰাষ্ট্ৰপতিগৰাকীৰ ■ ৮ পৃষ্ঠাত

### জনজাতিকৰণৰ দাবী

## মটক যুৱ-ছাত্ৰ সন্মিলনৰ ৰে’ল অৱৰোধ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৩ আগষ্ট ঃ** জনজাতিকৰণৰ দাবীত মটক যুৱ-ছাত্ৰ সন্মিলনে আজি ডিব্ৰুগড় চাবুৱাত ৰে’ল অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। সন্ধিয়া ৭ বজাৰ পৰা তিনিঘণ্টীয়া ৰে’ল অৱৰোধ কৰি নৰেন্দ্ৰ মোদী ■ ৮ পৃষ্ঠাত

### যোগীঘোপাত অসম বিধানসভাৰ ৰাজহুৱা উদ্যোগ সমিতিৰ প্ৰতিনিধিৰ দল ঃ অশোক কাগজ কল-লজিষ্টিক হাব পৰিদৰ্শন

## পৰিচালনাৰ অৱহেলাৰ বাবে অশোক কাগজ কল ধ্বংস হ’ল ঃ বিধায়ক কলিতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৩ আগষ্ট ঃ** অসম চুক্তিত সন্নিৱিষ্ট বঙাইগাঁও জিলাৰ যোগীঘোপাৰ ঐতিহাসিক অশোক কাগজ কলৰ দৰে এনেকুৱা এটা উদ্যোগ আজি এই অৱস্থালৈ আহিল, তাৰ বহুত কাৰণ আছে। এই কাৰণবিলাক ■ ৮ পৃষ্ঠাত

# দিল্লীত বিহু বিকৃত ৰূপত পৰিৱেশন কৰা কাণ্ডক বিহু সুৰক্ষা সমিতি, সাহিত্য সভা, আপকুৰ তীব্ৰ গৰিহণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৩ আগষ্ট ঃ** মালদ্বীপৰ ৰাষ্ট্ৰপতিৰ ভাৰত আগমন উপলক্ষে দিল্লীৰ পালাম বিমানবন্দৰত অনুষ্ঠিত হোৱা চৰকাৰী অনুষ্ঠানত অসমৰ বিহুৰ নামত যি নাচ পৰিৱেশন কৰা হ'ল, সেয়া দেখি অসমৰ ৰাইজৰ চকু কপালত উঠিছে। অসমৰ বাপতি-সাহোন, অসমীয়া জাতিৰ স্বাভিমান, অসমৰ জাতীয় উৎসৱ বিহুৰ অদ্ভুত সাজ-সজ্জা,অদ্ভুত নৃত্য ভংগী, বিহুঢোলৰ নামত এটা বেলেগ বাদ্যৰে সম্পূৰ্ণ বিকৃত কৰি বিহু নাচক এইদৰে পৰিৱেশন কৰাৰ অধিকাৰ এই চৰকাৰী অনুষ্ঠানটিক কোনে দিলে? ইয়াৰ আগতেও দিল্লীৰ কে'বাটাও চৰকাৰী অনুষ্ঠানত অসমৰ বিহুটিক বিকৃত ৰূপত উপস্থাপন কৰা হৈছিল । অসমৰ কলা- সংস্কৃতি এইদৰে বাৰে বাৰে অপমানিত হৈয়ে থাকিব নেকি বাৰু ? এনেধৰণৰ এটা জাতি জাতীয় উৎসৱৰ সৈতে সংপৃক্ত এটা নাচক ইচ্ছাকৃতভাৱে বিকৃত কৰি উপস্থাপন কৰা কাৰ্যক তীব্ৰ গৰিহণা জনাই বিহু সুৰক্ষা সমিতি ওদালগুৰি জিলাই তীব্ৰ প্ৰতিবাদ কৰিছে। লগতে ইয়াৰ সৈতে জড়িত সংশ্লিষ্ট কৰ্তৃপক্ষক জবাবদিহি কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম চৰকাৰক ওদালগুৰি জিলা বিহু সুৰক্ষা সমিতিৰ সভাপতি নৰজিৎ দাস আৰু সম্পাদক অপূৰ্ব ডেকাই টানি অনুৰোধ জনায়। আনহাতে, ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতা, সম্পাদক ড° পবিত্ৰ শৰ্মা, ওদালগুৰি জিলা প্ৰেছ ক'ৰেছপণ্ডেণ্টছ চমুকৈ আপকুৰ সভাপতি দীপক ডেকা, সম্পাদক ফটিক নন্দন ৰাভা, ওদালগুৰি জিলা যুৱ সংসদৰ সম্পাদক অৰূপ বড়ো, টংলা কবি সন্মিলনৰ সম্পাদক জ্যোতিপ্ৰসাদ কলিতা, সাংস্কৃতিক মহাসভা, অসমৰ কাৰ্যকৰী সভাপতি ড° হৰিৰাম দাসেও বিহু বিকৃতকৰণ কৰা কাৰ্যক তীব্ৰ ধিক্কাৰ দিছে।

### বন্যাৰ্ত অঞ্চল চেঙেলীয়াঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৰোগীৰ বিৰ দি বাট নোপোৱা অৱস্থা

## চিকিৎসা বিষয়া ডাঃ আৰিফা আহমেদাই চম্ভালিব লগা হৈছে ডেৰ-দুইশ ৰোগীক



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩ আগষ্ট ঃ** এগৰাকী চিকিৎসা বিষয়া সুদূৰ হাজোৰ পৰা আহি দৰঙৰ পশ্চিমাঞ্চলৰ বৃহত্তৰ চেঙেলীয়াঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য সেৱা আগবঢ়াই আছে। মানৱ সেৱাকেই শ্ৰেষ্ঠ ধৰ্ম হিচাপে গ্ৰহণ কৰা এইগৰাকী সু-চিকিৎসা বিষয়া ডাঃ আৰিফা আহমেদাৰ জৰিয়তে অঞ্চলটোৰ ৰাইজ বাৰুকৈ উপকৃত হোৱা বুলি ৰাইজৰ পৰা জানিব পৰা গৈছে। লক্ষণীয় কথাটো হ'ল যে দৈনিক ডেৰ শৰ পৰা দুশ ৰোগীক চিকিৎসা সেৱা আগবঢ়াইছে। চিকিৎসক হিচাপে ৰাইজক সেৱা কৰি ভাল পোৱা আহমেদাই ৰোগীসকলক লৈ কোনোদিনে ভাগৰি পৰা নাই। জানিব পৰা মতে কোনো ৰোগীক ফোন কৰিও মাতি নি স্বাস্থ্য সেৱা আগবঢ়াই থকা বুলি প্ৰকাশ। ৰোগীসকলৰ পৰা ভাল ব্যৱহাৰ পোৱা বুলিয়েই জানিব দি ৰোগীসকলক প্ৰয়োজনীয় ঔষধ-পাতি পৰা পক্ষত কিনিব নলগাকৈয়ে চিকিৎসালয়ৰ পৰা দিয়াৰ ব্যৱস্থা কৰি ৰাইজৰ মাজত আদৰ্শনীয় তথা আপোন হৈ পৰা বুলি প্ৰকাশ। ডাঃ আৰিফা আহমেদালৈ আমাৰ ফালৰ পৰাও থাকিল শুভেচ্ছা।

### মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তত বিশেষ গাঁওসভা সম্পন্ন

## '১৩-১৫ আগষ্টত গাঁও পঞ্চায়ত এলেকাৰ প্ৰতি ঘৰে ঘৰে ত্ৰিৰংগাৰ পূৰ্ণ প্ৰস্তুতি


**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ৩ আগষ্ট ঃ** মঙলবাৰে উজনি মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তৰ সভাগৃহত এখন গুৰুত্বপূৰ্ণ গাঁওসভা অনুষ্ঠিত হৈ যায়। লুইতপৰীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী মৃণালিনী গাম মিলিৰ



সভাপতিত্বত অনুষ্ঠিত হোৱা গাঁওসভাৰ প্ৰথম কাৰ্যসূচী অনুসৰি পুৱা ১১ বজাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়তৰ জিপিচি হেমন্ত দাসে। দ্বিতীয় কাৰ্যসূচীত 'হৰ ঘৰ ত্ৰিৰংগা' সন্দৰ্ভত ভাষণ প্ৰদান কৰে মাজুলী জিলা মীন বিষয়া বিমল শৰ্মাই। উক্ত ভাষণ প্ৰসংগত ৭৫ বছৰীয়া স্বাধীন ভাৰতৰ নাগৰিক হিচাপে প্ৰতি ঘৰে ঘৰে ত্ৰিৰংগা উদ্‌যাপনৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে চমুকৈ আলোচনা কৰে। তৃতীয় কাৰ্যসূচীত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সন্দৰ্ভত আলোকপাত কৰে উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া ৰোহিতেশ্বৰ শইকীয়াই। চতুৰ্থ কাৰ্যসূচী মতে পিএম কিষাণ সন্দৰ্ভত পুংখানুপুংখ আলোচনা কৰে মাজুলী জিলা মীন বিভাগৰ বিষয়া বিমল শৰ্মা আৰু উজনি মাজুলীৰ খণ্ড উন্নয়ন বিষয়া ৰোহিতেশ্বৰ শইকীয়াই। উক্ত আলোচনাত কয়, প্ৰধানমন্ত্ৰী কৃষি কল্যাণ আঁচনিৰ অধীনত প্ৰকৃত কৃষকসকলে ধানৰ উপযুক্ত মূল্য লাভ কৰিছে। ফুলনিস্থিত ধান বিক্ৰী কেন্দ্ৰত ইতিমধ্যে ৭০ শতাংশ কৃষকে ধান বিক্ৰী কৰি পিএম কিষাণ আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰিছে। আৰু যিসকলে এই অৰ্থসাহায্যৰ পৰা বঞ্চিত হৈ আছে তেখেতসকলে আধাৰ কাৰ্ডযুক্ত নথি-পত্ৰসমূহ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত জমা দি কৰ্মমুখী হ'বলৈ আহ্বান জনায়। পঞ্চম কাৰ্যসূচী মতে প্ৰধানমন্ত্ৰী শ্ৰমযোগী মানধন যোজনাৰ সন্দৰ্ভত ৰাইজৰ জ্ঞাতাৰ্থে আলোকপাত কৰে জিলা মীন বিষয়া বিমল শৰ্মাই। e-shram কাৰ্ডৰ যোগেদি শ্ৰমজীৱীসকলে কেনেকৈ চৰকাৰী বীমা লাভ কৰিব পাৰি এই সম্পৰ্কে বক্তব্য প্ৰদান কৰে শৰ্মাই। ষষ্ঠ কাৰ্যসূচীত অমৃত সৰোবৰ সন্দৰ্ভত পঞ্চায়ত কমিটিৰ বাবে পঞ্চায়ত প্ৰতিনিধি নিৰ্বাচন আৰু PMGAY/ AWAS PLUSৰ তালিকাৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। উল্লেখযোগ্য যে উক্ত সভাত ৪ শতাধিক লোকৰ লগতে কাউন্সিলৰ প্ৰবীণ মিলি, ৱাৰ্ড সদস্য অমৰ পাংগিং, হেমেন্দ্ৰ টায়ে, সমাজকৰ্মী ভাস্কৰ পেগু, লুইতপৰীয়া আঞ্চলিক টিএমপিকেৰ সম্পাদক ৰাহুল গাম, এমএমকেৰ সভাপতি মহেন্দ্ৰ পায়েং, সহঃ সম্পাদক যোগেন মিলি আৰু সাংবাদিক প্ৰাঞ্জল গাৰে আদি উপস্থিত থাকে।

## কাজিৰঙাত মহকুমাধিপতিয়ে বিক্ৰী কৰিলে ৰাষ্ট্ৰীয় পতাকা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৩ আগষ্ট ঃ** ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে দেশজুৰি উদ্‌যাপিত হৈ থকা আজাদী কা অমৃত মহোৎসৱৰ অংশস্বৰূপ 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক অনন্য কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচী বোকাখাত মহকুমাত সফল ৰূপায়ণৰ উদ্দেশ্যে আৰু জনসাধাৰণৰ হৃদয়ত দেশপ্ৰেমৰ অনুভূতি জাগ্ৰত কৰাৰ লগতে ৰাষ্ট্ৰীয় পতাকাৰ ওপৰত সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে মহকুমাধিপতি ডাঃ নেহা যাদৱে নিজে



কাজিৰঙাৰ কেন্দ্ৰস্থল কঁহৰা চাৰিআলিত স্থানীয় ব্যৱসায়িক প্ৰতিষ্ঠানত আমাৰ স্বাভিমান আৰু গৌৰৱৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা নিজহাতেৰে বিক্ৰী কৰে আৰু কৃতজ্ঞতা স্বৰূপে তেওঁ প্ৰতিজন ক্ৰেতাক এটিকৈ গছপুলি উপহাৰ দিয়ে।

## লাহোৱালত কোৰোনা মহামাৰীৰ ভেকচিন কাৰ্যসূচীত বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৩ আগষ্ট ঃ** আজি লাহোৱাল প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপস্থিত হয় বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা। স্বাস্থ্য কেন্দ্ৰটোত উপস্থিত হৈ স্বাস্থ্য কেন্দ্ৰটোৰ পৰিস্থিতিৰ বুজ লয় বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে। লগতে এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণ কৰি ক'ভিড ভেকচিন গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি সকলোকে booster dose ল'বলৈ আহ্বান জনায়। এই কাৰ্যসূচীত সংগ দিয়ে লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকা, ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাই। উক্ত সভাত উপস্থিত থাকি ঝাৰখণ্ড চৰকাৰক লৈ ৰাজ্যিক সভাপতিগৰাকীয়ে কয় যে ঝাৰখণ্ড চৰকাৰ ভঙা-পতাক লৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সিদ্ধান্ত নহয়। নিজৰ মাজত সংঘটিত বিসম্বাদক লৈ অসমৰ মুখ্যমন্ত্ৰীক সাঙুৰি লোৱা কাৰ্য সমৰ্থনযোগ্য নহয়। ঝাৰখণ্ডত নিজৰ নিজৰ দল নিজে ঠিক কৰক।

### ছিপাঝাৰৰ চেঙেলীয়াঝাৰ-বুঢ়া-ব্যাসপাৰাত আজাদী কা অমৃত মহোৎসৱ উপলক্ষে হৰ ঘৰ ত্ৰিৰংগা, বিশেষ গাঁওসভা অনুষ্ঠিত

## প্ৰতিঘৰ পৰিয়ালত ত্ৰিৰংগা উত্তোলন কৰিবলৈ আহ্বান অভিযন্তা বিনোদ চহৰীয়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে হৰ ঘৰ ত্ৰিৰংগা উপলক্ষত দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ গাঁও পঞ্চায়তে পঞ্চায়তে আজি অনুষ্ঠিত হয় বিশেষ গাঁওসভা। একেটা দিনতে ইয়াৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত দিনৰ ২ বজাত পঞ্চায়ত সভানেত্ৰী অলিদা বেগমৰ সভাপতিত্বত অনুষ্ঠিত হয় এক গাঁওসভা। পঞ্চায়ত সচিব ৰমেশ বেজবৰুৱাই উদ্দেশ্যে ব্যাখ্যা কৰা সভাত ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়া উপস্থিত থাকি কয় যে আমি স্বাধীন দেশৰ ভাৰতীয় নাগৰিক, আমি সকলোৰে দেশৰ সেৱা আৰু দেশক সন্মান জনোৱাটো উচিত তথা কৰ্তব্য। স্বাধীনতাৰ ৭৫ বছৰত দেশ উপনীত হোৱাত ভাৰতীয় হিচাপে আমি প্ৰত্যেকেই গৌৰৱান্বিত বুলি প্ৰকাশ কৰে। অভিযন্তা চহৰীয়াই নিজৰ বক্তব্যৰ মাজতে উপস্থিত ৰাইজৰ আগত মুখ্যমন্ত্ৰীৰ ৰাইজৰ প্ৰতি দিয়া এক বাৰ্তাও পাঠ কৰি অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ প্ৰতিঘৰ পৰিয়ালত ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈও আহ্বান জনায়। সভাত সমাজসেৱী আক্কেল আলী, ৰাজহুৱা কৰ্মী ইন্দাদুল হকেও চমু বক্তব্য আগবঢ়ায়। উল্লেখ্য যে সভাত পঞ্চায়তখনৰ বহু আত্মসহায়ক গোটৰ সভানেত্ৰী, সম্পাদিকাকে ধৰি সদস্যসকল উপস্থিত নথকাত বিষয়টোক লৈ সভাত সৰৱ চৰ্চা হয়। অহা ৫ আগষ্টত পঞ্চায়তখনৰ গাঁওসমূহত একোখনকৈ গাঁও সভা অনুষ্ঠিত কৰি বিষয়টোৰ সন্দৰ্ভত ৰাইজক সজাগ কৰাৰ বাবে সচিবে ৱাৰ্ড সদস্যসকলক নিৰ্দেশনা দিয়ে। উল্লেখ্য যে আজি এনে গাঁওসভা বুঢ়া আৰু ব্যাসপাৰা গাঁও পঞ্চায়ততো অনুষ্ঠিত হয় আৰু য'ত কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়া উপস্থিত থাকি ত্ৰিৰংগা সন্দৰ্ভত ৰাইজক সজাগ কৰাত আগভাগ লোৱা বুলি জানিব পৰা গৈছে।

## অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান মাজুলী জিলা শাখাৰ সজাগতা যাত্ৰা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৩ আগষ্ট ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, মাজুলী জিলা অভিযান পৰিচালনা শাখাৰ উদ্যোগত ঘৰে ঘৰে জাতীয় পতাকা শীৰ্ষক সজাগতা যাত্ৰাৰ অংশ হিচাপে এক স্কুটী ৰেলী উলিওৱা হয়। জিলাখনৰ জীৱিকা সখীসকলে অংশগ্ৰহণ কৰা স্কুটী ৰেলীৰ পতাকা জোকাৰি শুভ উদ্বোধন কৰে অতিৰিক্ত উপায়ুক্ত কাৰ্তিক কলিতাই। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, মাজুলী জিলা প্ৰকল্প প্ৰবন্ধক ৰিংকুমণি বুঢ়াগোহাঁয়ে আঁত ধৰা এক চমু অনুষ্ঠানত অতিৰিক্ত উপায়ুক্তগৰাকীয়ে ঘৰে ঘৰে জাতীয় পতাকা উৰুৱাবলৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে উলিওৱা ৰেলীৰ শুভ উদ্বোধন কৰে। এই সজাগতা ৰেলী গড়মূৰৰ পৰা কমলাবাৰী, বনগাঁও, ফুলনিৰ পৰা নয়াবজাৰত সামৰণি পৰে। উদ্বোধনী অনুষ্ঠানত উজনি মাজুলী ব্লকৰ খণ্ড প্ৰকল্প প্ৰবন্ধক পবিত্ৰ দলে, মাজুলী ব্লকৰ খণ্ড প্ৰকল্প প্ৰবন্ধক মানসপ্ৰতিম দত্ত প্ৰমুখ্যে জিলা অভিযান পৰিচালনা শাখাৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

## বিধায়ক আব্দুল বাতিন খন্দকাৰৰ বাবে পদত্যাগ কৰিলে পুৰণি কংগ্ৰেছ কৰ্মীয়ে

### মাণিকপুৰত সংবাদ মেল পাতি ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ৩ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰৰ কাম-কাজ তথা ব্যৱহাৰত অতিষ্ঠ হৈ একাংশ নিষ্ঠাৱান কংগ্ৰেছীয়ে পদত্যাগ কৰে। পদত্যাগ কৰিয়েই সংবাদ মেল পাতি বিধায়কৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰে। সংবাদ মেলত কয় বিধায়কজনক পৰিভ্ৰমী চৰাই, নিৰ্বাচনৰ তিনিমাহ আগত টিকট লৈ আহিছে। একেদৰে এআইডিইউএফ নকৰাকৈ উত্তৰ অভয়াপুৰী সমষ্টিত প্ৰাৰ্থিত্ব লাভ কৰিছিল আব্দুল বাতিন খন্দকাৰে। মেনেজ কৰাত পাকৈত বুলি সংবাদমেলত উল্লেখ কৰে



পদত্যাগী কংগ্ৰেছীসকলে। বিধায়কজনে আই নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ কোনো ব্যৱস্থা আগতীয়াকৈ নোলোৱাৰ বাবে খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰে বুলি মন্তব্য কৰে। আনহাতে, বিধায়ক পুঁজিৰ ধনৰ অপব্যৱহাৰ কৰা বুলি কয়। অধিক কমিছন আৰু লাভৰ বাবে বিধায়ক পুঁজিৰ ধনেৰে ছোলাৰ লাইটৰ ব্যৱস্থা কৰিছে আৰু বজাৰ মূল্য আৰু চৰকাৰী মূল্যৰ মাজত আকাশ পাতাল পাৰ্থক্য আছে। প্ৰতিটো ছলাৰ লাইটৰ দাম প্ৰায় ত্ৰিশ হেজাৰ টকা কিন্তু ব্যক্তিগত মুনাফা আদায়ৰ বাবে কম দামৰ তথা নিম্নমানৰ ছলাৰ লাইট যোগান ধৰিছে। সমষ্টিত দলটোৰ কোনো জ্যেষ্ঠ কংগ্ৰেছ কৰ্মীৰ লগত আলোচনা নকৰি নিজৰ পছন্দৰ ব্যক্তিক সৃজনগ্ৰাম আৰু মাণিকপুৰ ব্লক কংগ্ৰেছৰ কমিটী গঠন কৰিছে বিধায়কজনে। আগন্তুক পঞ্চায়ত নিৰ্বাচনত টিকট ক্ৰয় বিক্ৰয় কৰিবৰ বাবে ইতিমধ্যে যো-জা চলাইছে বুলি সংবাদ মেলত গুৰুতৰ অভিযোগ উত্থাপন কৰে। তিনিবাৰকৈ মাণিকপুৰ ব্লক কংগ্ৰেছৰ সভাপতি নাছিৰ উদ্দিন, মাণিকপুৰ ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক নজৰুল ইছলাম, মাণিকপুৰ যুৱ কংগ্ৰেছৰ সভাপতি আখেৰি জামানসহ বহুসংখ্যক কংগ্ৰেছীয়ে দল ত্যাগ কৰিছেবুলি সংবাদ মেলত উল্লেখ কৰে। ইফালে, দলত্যাগী কংগ্ৰেছীয়ে অগপত যোগদান কৰাৰ ইংগিত দিয়ে।

## সৰুপথাৰ বিধানসভা সমষ্টিত দুখনকৈ আদৰ্শ অংগনৱাডী কেন্দ্ৰ আৰু বিল উন্নয়নৰ কাম শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ৩ আগষ্ট ঃ** কালি সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰপথাৰত দুখনকৈ নৱনিৰ্মিত আদৰ্শ অংগনৱাডী কেন্দ্ৰ মুকলি কৰে স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে। বৰপথাৰ মৌজাৰ দীঘলিপথাৰ মাটিখোলা আৰু কৰ্দৈগুৰি গাঁৱত অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ সংহত শিশু উন্নয়ন সেৱা আঁচনিৰ অধীনত নিৰ্মাণ কৰা হৈছে এই আদৰ্শ অংগনৱাডী কেন্দ্ৰ দুটা। আটকধুনীয়াকৈ শিশুসকলক সহজে আকৰ্ষিত কৰিব পৰাকৈ নিৰ্মাণ কৰা এই আদৰ্শ অংগনৱাডী কেন্দ্ৰ দুটা মুকলি কৰি বিধায়কগৰাকীয়ে মন্তব্য কৰে যে এটি সুন্দৰ পৰিৱেশে এটি সুন্দৰ



শিক্ষা ব্যৱস্থা, সুন্দৰ স্বাস্থ্য আৰু সুন্দৰ মানসিকতা গঢ়ি তুলিব পাৰি। ইপিনে, কালিৰ দিনটোতে গ্ৰাম্য উন্নয়নৰ প্ৰতি বিশেষভাৱে গুৰুত্ব দি অহা বিধায়কগৰাকীয়ে দুখনকৈ বিল উন্নয়নৰ কামৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে নাবাৰ্ডৰ জৰিয়তে বিশ্ব বেংকৰ সাহায্যৰে মীন পালনৰ বাবে এই বিল উন্নয়নৰ কাম হাতত লোৱা হৈছে। স্থানীয় নিবনুৱা যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প ২০২২-২৩ বৰ্ষৰ অধীনত তথা গোলাঘাট জিলা মীন বিভাগৰ তৎপৰতাত বৰপথাৰৰ ৰতনপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত হেৰহৰি বিল আৰু বচাপথাৰ বিল দুখনৰ উন্নয়নৰ কাম আৰম্ভ কৰা হৈছে। বিধায়কগৰাকীয়ে জনোৱা অনুসৰি সমষ্টিটোত মুঠ ন খনকৈ বিলৰ উন্নয়ন কৰি এই আঁচনিৰ অধীনত মীন পালন কৰা হ'ব। এই মীন পালনৰ জৰিয়তে স্থানীয় বহু নিবনুৱা যুৱক-যুৱতী স্বাৱলম্বী হৈ মৎস্য উৎপাদনৰ ক্ষেত্ৰত সমগ্ৰ উজনি অসমতে ধনশিৰি মহকুমাই বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত গোলাঘাট জিলা মীন বিভাগৰ বহুকেইগৰাকী বিষয়ববীয়াৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

## ডিব্ৰুগড় চহৰৰ পাঁচআলিত জব্দ চোৰাং কাঠসহ ডি আই ট্ৰাক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৩ আগষ্ট ঃ** ডিব্ৰুগড় এতিয়া ক্ৰমে একাংশ দুষ্ট চক্ৰই মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়ি তুলিছে চোৰাং কাঠৰ ৰমৰমীয়া বেহা। ক্ৰমে বৃদ্ধি পাই আহিছে মহাবাহু ব্ৰহ্মপুত্ৰ পাৰত অবৈধ আৰু অনৈতিক এই কাঠৰ বেহা। এই বনধ্বংস কাৰ্যত জড়িত লোকসকলৰ লগত ডিব্ৰুগড়ৰ বন বিভাগৰ ওতপ্ৰোতভাৱে সনা-পিটিকা থকা বুলি সচেতন মহলে অভিযোগ কৰে। ডিব্ৰুগড় সদৰ থানাৰ টিএছআ নীলম সঞ্জীৱ নাথৰ নেতৃত্ব যোৱা এটা অভিযানকাৰী আৰক্ষী দলে ডিব্ৰুগড়ৰ পাঁচআলিৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত গোপন সূত্ৰৰ জৰিয়তে অভিযান চলাই জব্দ কৰে বৃহৎ চোৰাং কাঠসহ চোৰাং কাঠ সৰবৰাহৰ লগত জড়িত থকা এএছ ২৩ বিচি ২০৫৮ নম্বৰৰ ট্ৰাক জব্দ কৰি আৰক্ষীয়ে ডিব্ৰুগড় বন বিভাগক



চমজাই দিয়ে। দীৰ্ঘদিন ধৰি চলি আহিছে মহাবাহু ব্ৰহ্মপুত্ৰ বুকুৰেদি কাঠচালি অবৈধ বেহা। ডিব্ৰুগড় বন বিভাগৰ চকু আগতে চলি থকা এই বন ধ্বংসযজ্ঞত অতিষ্ঠ হৈ আৰক্ষীয়ে জব্দ কৰা এই সামগ্ৰী ডিব্ৰুগড় বন বিভাগক গতাই দিয়ে। ডিব্ৰুগড় আঞ্চলিক বন বিষয়াক এই সন্দৰ্ভত জানিব বিচৰাত তদন্ত চলি আছে বুলি কোনো কথা অৱগত নকৰে। তথ্য অনুসৰি জানিব পৰা মতে কিছু বিশেষ ব্যক্তিৰ হস্তক্ষেপত এইদৰেই ডিব্ৰুগড় চহৰৰ ভিন্ন স্থানত চলি আহিছে চোৰাং কাঠৰ বেহা আৰু অবৈধ কাঠফলা মিল। নতুনকৈ দায়িত্ব পোৱা বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সময় থাকোঁতেই বন ধ্বংসযজ্ঞৰ ওপৰত দৃষ্টি নিদিলে এদিন পশু-পক্ষী আৰু মানৱ জাতি জীয়াই থকাত অসুবিধা সন্মুখীন হ'ব এই ধ্ৰুৱপ।


**LOST**

I have lost my H.S. Registration Card vide NO- 04162018B108 of 2020.
Name. Md. Israqul Islam.
S/O- Md. Tarif Uddin Mondal.
Vill- Sagunmari pt-3
PO&PS- Bilasipara.
Dist.- Dhubori (Assam).
Pin-783348.

**LOST**

I have lost my HSLC & HSC Orginal Admit card. Certificate.Marksheet Registration Of the year 2016 & 2018 bearing HSLC Roll-B16-574 No- 0574. Registration No:- 19/UV/ 0844/274748/12, HSC Roll.0606 No:- 10033, Registration No:- 188670.
Address:- Name.- Mahmudul Hasan
Father name.Monir Uddin
Mother name.Halima Khatun
Vill.- Kurani bori
P.O.- Kurani bori
P.S.- Mayong
Pin.-782411
Ph.- 60003 52288.


## বাদুলীপাৰত কৌশলেৰে এটিএম কাৰ্ড সলনি কৰি দুৰ্বৃত্তই লুটিলে লক্ষাধিক টকা

### আৰক্ষীৰ তৎপৰতাত গ্ৰেপ্তাৰ হাৰিয়ানাৰ চাৰি যুৱক , দেৰগাঁও আৰক্ষীৰ ক্ষেত্ৰভিত্তিত তদন্ত , চাৰি অভিযুক্তক মাৰাথন জেৰা আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাদুলীপাৰ, ৩ আগষ্ট ঃ** দেৰগাঁও থানাৰ অন্তৰ্গত বাদুলীপাৰত ২ জুলাইত খুমটাই ভোলাগুৰিৰ প্ৰাঞ্জল গগৈ নামৰ এজন লোকে বাদুলীপাৰত থকা এছ বি আই এটিএমৰ পৰা ধন উলিয়াই থাকোঁতে উক্ত এটিএমটোৰ ভিতৰত থকা চাৰিজন বহিঃৰাজ্যৰ লোকে কৌশলেৰে গগৈৰ সৈতে বাৰ্তালাপ কৰি প্ৰাঞ্জলৰ এটিএম কাৰ্ডখন সলনি কৰি নিয়ে আৰু উক্ত কাৰ্ডখনৰ পৰাই প্ৰায় এক লাখ ১৬ হাজাৰ টকা উলিয়ায়। ইফালে, প্ৰাঞ্জল গগৈ নামৰ লোকজনে কেইদিনমানৰ পাছত হাতত থকা এটিএম কাৰ্ডখনৰ জৰিয়তে পুনৰ এটিএমৰ পৰা ধন উলিয়াবলৈ আহি হতবাক হৈ পৰে, কাৰণ প্ৰাঞ্জলৰ হাতত থকা এটিএমখনেৰে ধন উলিয়াব নোৱাৰি বেংক কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰে। ইফালে বেংক কৰ্তৃপক্ষই প্ৰাঞ্জলৰ হাতত থকা এটিএমখন তেওঁৰ নহয় বুলি জনোৱাৰ লগতে তেওঁৰ উক্ত একাউণ্টৰ পৰা ১ লাখ ১৬ হাজাৰ টকা এটিএমৰ যোগেদি উলিওৱাৰ কথা অৱগত কৰে । ইফালে প্ৰাঞ্জল গগৈ নামৰ লোকজনে বেংক একাউণ্টৰ পৰা এটিএমৰ যোগেদি লক্ষাধিক টকা হৰলুকী সন্দৰ্ভত ১৮ জুলাইত দেৰগাঁও আৰক্ষী থানাত এখন লিখিত এজাহাৰ দাখিল কৰে। ইয়াৰোপৰি যোৰহাটতো সংঘটিত হয় অনুৰূপ ঘটনা। যোৰহাট আৰক্ষী থানাত ভুক্তভোগী এজন লোকে এজাহাৰ দাখিল কৰা পাছতেই যোৰহাট আৰক্ষীয়ে এটা গোচৰ পঞ্জীয়ন



কৰি তদন্ত আৰম্ভ কৰে। এটিএমৰ পৰা কৌশলেৰে ধন উলিওৱাৰ সন্দৰ্ভত ক্ষিপ্ৰতাৰে অসম আৰক্ষীয়ে পদক্ষেপ গ্ৰহণ কৰাত যোৰহাট আৰক্ষীয়ে গোলাঘাট আৰক্ষীৰ সহযোগত কাজিৰঙাৰ কঁহৰাৰ পৰা এটিএমৰ পৰা ধন হৰলুকী কৰা চাৰিজন হাৰিয়ানাৰ লোকক আটক কৰে। আটকধীন লোককেইজন ক্ৰমে— হাৰিয়ানাৰ সন্দীপ, কুমাৰ, সত্যৱান আৰু চনু সিং। উক্ত লোক চাৰিজনক যোৰহাট আৰক্ষীয়ে মাৰথান জেৰাৰ পাছত সোমবাৰে দেৰগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ তত্বাৱধানত চাৰিজন লোকক আৰক্ষীয়ে প্ৰাঞ্জল গগৈৰ এজাহাৰ ভিত্তিত গ্ৰেপ্তাৰ কৰে। আজি উক্ত ঘটনাৰ লগত জড়িত তিনিজন লোকক এজাহাৰকাৰী প্ৰাঞ্জল গগৈয়ে চিনাক্ত কৰাৰ লগতে তিনিওজনকে দেৰগাঁও আৰক্ষী থানাৰ তদন্তকাৰী আৰক্ষীয়ে আজি বাদুলিপাৰলৈ আনি অধিক তথ্য সংগ্ৰহৰ বাবে ক্ষেত্ৰভিত্তিত তদন্ত কৰে। ইফালে দেৰগাঁও আৰক্ষীয়ে তিনিওজন অভিযুক্ত ক্ৰমে সন্দীপ কুমাৰ, সত্যৱান আৰু ছনু সিঙক আদালত হাজিৰ কৰাই অধিক তথ্য সংগ্ৰহৰ বাবে দেৰগাঁৱৰ আৰক্ষীয়ে দুদিনৰ বাবে নিজৰ জিম্মাত লৈছে।

## ৰাশিফলত আজিৰ দিনটো

**১৮ শাওণ, বৃহস্পতিবাৰ, ৪ আগষ্ট, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ শুক্লা সপ্তমী, নক্ষত্ৰ ঃ চিত্ৰা**
**সূৰ্যোদয়- ৪-৫২-৫২ সূৰ্যাস্ত- ৬-৪-২৯**



■ **মেষ** ঃ মৰ্যাদা লাভ ■ **বৃষ** ঃ সাহিত্য সেৱা ■ **মিথুন** ঃ উকীলৰ সুনাম ■ **কৰ্কট** ঃ ছোৱালীৰ দুখ ■ **সিংহ** ঃ এলাহ ভাব বৃদ্ধি ■ **কন্যা** ঃ নতুন ব্যৱসায়ত লাভ ■ **তুলা** ঃ শৰীৰ পীড়া ■ **বৃশ্চিক** ঃ কৰ্মব্যস্ততা বৃদ্ধি ■ **ধনু** ঃ সাহসৰ পৰিচয় ■ **মকৰ** ঃ ভাতৃৰ সহায় ■ **কুম্ভ** ঃ মনত অৱসাদ ■ **মীন** ঃ পদোন্নতি।

## উত্তৰ মহুৰা গাঁও পঞ্চায়তত ঘৰে ঘৰে জাতীয় পতাকা উত্তোলন সন্দৰ্ভত বিশেষ গাঁও সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুযায়ী আগন্তুক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি অহা ১৩, ১৪ আৰু ১৫ আগষ্টত পতাকা উত্তোলন কৰা সন্দৰ্ভত উত্তৰ মহুৱা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত পঞ্চায়তৰ উপ-সভানেত্ৰী ৰীতামণি দাৰৰ সভাপতিত্বত এখন বিশেষ গাঁওসভা আজি অনুষ্ঠিত হৈ যায়।



তিনিদিনীয়াকৈ ঘৰে ঘৰে জাতীয় পতাকা উত্তোলন কৰা সন্দৰ্ভত পঞ্চায়ত সচিব লক্ষী খাটনীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰা সভাতখনত সমাজকৰ্মী লোচন মৰাং, সৰুধন মৰাং, প্ৰাক্তন সভানেত্ৰী দিপ্লমতী লইং, তিলক টাইদ, ৱাৰ্ড সদস্যা পদ্মা দলে, পঞ্চায়ত জিপিচি সুজাতা তামুলী বৰুৱা উপস্থিত থাকি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ তাৎপৰ্য আৰু তিৰংগা পতাকা উত্তোলন সন্দৰ্ভত বক্তব্য ৰাখে। সভাৰ ৰাজহুৱা সিদ্ধান্তমৰ্মে অহা ৭ আগষ্টৰ পৰা পঞ্চায়তখনৰ প্ৰতিটো ৱাৰ্ডতে আত্মসহায়ক গোটৰ যোগে তিৰংগা পতাকা বিতৰণ কৰা, দ্বিতীয়খন পি এম এ ৱাই অতিৰিক্ত হিতাধিকাৰী তালিকাৰ পৰা বাদ পৰা হিতাধিকাৰীসকলক তৎকালে বিভাগীয় নীতি-নিয়মে জিঅ'টেগ কৰা, প্ৰতিটো পৰিয়ালকে লেট্ৰিন দিয়াৰ ব্যৱস্থা কৰা, পুনৰ জিঅ'টেগ নকৰাকৈকে প্ৰকাশ পোৱা অতিৰিক্ত তালিকাখন বন্ধ ৰখা আদি কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৪ আগষ্ট, ২০২২ ■ বৃহস্পতিবাৰ ■ ১৮ শাওণ, ১৯৪৪ শক



### গংগাধৰ নদীৰ খহনীয়াত দিশহাৰা নৈপৰীয়া

# নদীৰ বুকুত জাহ গ'ল কে'বাটাও পৰিয়ালৰ ভেটি-মাটি

## অথলে গ'ল মন্ত্ৰী অশোক সিংঘালৰ 'ভোট দিয়ক মথাউৰি দিম' নিৰ্বাচনী প্ৰতিশ্ৰুতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৩ আগষ্ট ঃ** 'আমাক ভোট দিয়ক আমি আপোনাৰ মথাউৰিৰ কাম কৰিম, ভোট নিদিলে কাম নহয়, যি সমষ্টিত শাসক দলৰ বিধায়ক নাই তাত কোনো উন্নয়নৰ কাম নহয়, সাধাৰণ ৰাইজ আমাৰ পক্ষত থাকিলেহে আমি কাম কৰিম' বুলি গোসাঁইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত নিৰ্বাচনী প্ৰচাৰ সভাত এনেদৰে মন্তব্য কৰিছিল কোকৰাঝাৰ অভিভাৱক মন্ত্ৰী অশোক শিংঘালে। ৰাইজে মন্ত্ৰীগৰাকীৰ কথামতে দীৰ্ঘদিনীয়া সমস্যা দূৰ কৰাৰ বাবে হিয়া উজাৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিলে। কিন্তু ভোট লাভ কৰাৰ পিছত নৈপৰীয়া ৰাইজৰ খবৰ ল'বলৈ আহৰি নাই কোকৰাঝাৰ জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে। ধুবুৰী জিলা তথা ২৮ নম্বৰ গোসাঁইগাওঁ বিধানসভা সমষ্টিৰ অন্তৰ্গত বাগডোকৰা অঞ্চলত গংগাধৰ নদীৰ পাৰত মথাউৰি নিৰ্মাণ নকৰাৰ বাবেই ওচৰৰে বৈ যোৱা গংগাধৰ নদীৰ গৰাখহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে যোৱা ২৮ নম্বৰ গোসাইগাওঁ বিধান সভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত বি জে পি নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে সমষ্টিৰটোৰ পৰা জয় লাভ কৰিলে গংগাধৰ নদীৰ পাৰত বাঘডোকৰা অঞ্চলত মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি মিত্ৰজোঁটৰ নেতা তথা মন্ত্ৰী-বিধায়ক সকলে অঞ্চলটোৰ ৰাইজক হাজাৰ বাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। এনেকি নিৰ্বাচনৰ প্ৰাক্ক্ষণত এহাতে ভোট দিয়ক আৰু আনটো হাতেৰে নদীবান্ধ বা মথাউৰি লওক বুলি অসম মন্ত্ৰী সভাৰ শক্তিশালী মন্ত্ৰী তথা কোকৰাঝাৰ জিলাৰ অবিভাৱক মন্ত্ৰী অশোক সিংহালে অঞ্চলটোৰ ৰাইজক প্ৰতিশ্ৰুতি প্ৰদান কৰিবলৈ কুন্ঠাবোধ নকৰিছিল। ভোটাৰ ৰাইজেও মথাউৰিৰ আশাত মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোন দান কৰিলে। নিৰ্বাচন পাৰ হ'ল, ৰাইজৰ ভোটেৰে মিত্ৰজোঁটৰ প্ৰাৰ্থী জিৰণ বসুমতাৰী জয়লাভো কৰিলে। কিন্তু আজিলৈ গংগাধৰ নদীৰ পাৰত মথাউৰিহে নিৰ্মাণ নহ'ল। নেতা-মন্ত্ৰীৰ সকলো প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতিহৈয়ে ৰ'ল। উল্লেখ্য যে যোৱা কেইবছৰ ধৰি চলি থকা গংগাধৰ নদীৰ বান পানী আৰু গৰাখহনীয়াৰ ফলত ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত জোংবন্ধা গাঁওখন সম্পূৰ্ণৰূপে নদীৰ বুকুত বিলীন হোৱাৰ উপৰি বাঘডোকৰা গাঁওখনৰ প্ৰায় ৮০ শতাংশ এলেকা নৈৰ বুকুত জাহ গৈছে। বাঘডোকৰা গাঁৱৰ বাকী থকা অংশখিনিও এইবেলি খহনীয়াত নদীৰ জাহ যোৱাৰ উপক্ৰমহৈ পৰাত গাঁও খনৰ ৰাইজ আতংকিতহৈ পৰিছে। মুহূৰ্তৰ ভিতৰত নদীৰ বুকুত জাহ গৈছে এটাৰ পিছত আন এটা গৃহ। হঠাতে গংগাধৰ নদীৰ পানী বাঢ়িবলৈ আৰম্ভ কৰাত সৃষ্টি হয় তীব্ৰ গৰাখহনীয়া। ফলত এদিনৰ ভিতৰত বাঘডোকৰা গাঁওৰ কে'বাটাও পৰিয়ালে হেৰুৱাব লগা হ'ল নিজৰ ভেটি মাটি। বহু পৰিয়ালে নিজৰ সপোনৰ ঘৰখন হেৰুৱাই হাহাকাৰ কৰিবলগীয়া হৈছে। বিগত বহু বছৰ ধৰি চৰকাৰে তামাৰহাটৰ বাঘডোকৰা অঞ্চলটোত কোনো গুৰুত্ব আৰোপ নকৰা খহনীয়াৰ কবলত পৰি সৰ্বহাৰ হ'ব লগা হৈছে গাঁওবাসীয়ে। অনাগত দিনত ঘৃতিঙ্গাকুটি গাঁও, গাৰোপাৰা, শগুনচৰা, তালোৰাগাঁও, কালাচান্দ পাৰা, কামানডাঙ্গা আদি গাঁও গংগাধৰ নদীৰ খহনীয়াৰ কবলত পৰাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে। অতি সোনকালে বাঘডোকৰা অঞ্চলত মাথাউৰি নিৰ্মাণ নকৰিলে অনাগত দিনত কে'বাখনো গাঁও নিঃশেষ হোৱাৰ সম্ভাৱনা আছে।

### মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা মুখ্য পথৰ দুৰৱস্থা

# প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰীসদৃশ গাঁতে অতিষ্ঠ কৰিছে জনতাক

## নিম্নমানৰ কাম-অধিক বহন কড়িওৱা শিল-বালিৰ ডাম্পাৰৰ বাবে জহিখহি গৈছে পথছোৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৩ আগষ্ট ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা মুখ্য পথবোৰ দীৰ্ঘদিন ধৰি দুৰৱস্থাত পতিত হৈ থকাত ৰাইজে যমৰ যাতনাত ভুগিবলগীয়া হৈছে। উল্লেখ্য যে ভৱানীপুৰ বিধানসভা সমষ্টিৰ মাজেৰে অৰ্থাৎ ভৱানীপুৰ চ'কৰ ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সাউদৰভিঠা-আনন্দ বজাৰ-গাতি হৈ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য প্ৰৱেশদ্বাৰ বাঁহবাৰীলৈ অতিক্ৰম কৰা তথা ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা এটা মুখ্য পথ দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ আছে। বিশেষকৈ সাউদৰভিঠাৰ পৰা আনন্দ বজাৰ-গাতিলৈ প্ৰায় ছয়-সাত কিলোমিটাৰ এলেকাত পথটোত হৈছে বৃহৎ বৃহৎ পুখুৰীসদৃশ গাত। জহি-খহি গৈছে পকী পথছোৱা। যাৰফলত সঘনে সংঘটিত হৈছে যান-বাহনৰ দুৰ্ঘটনা। বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা পথটোৰে সৰ্বসাধাৰণ ভিআইপি, দেশী-বিদেশী পৰ্যটকৰ লগতে কে'বাখনো বিদ্যালয়-কলেজৰ ছাত্ৰ-ছাত্ৰ-শিক্ষক-শিক্ষয়িত্ৰী তথা ব্যৱসায়ীসকলৰ যাতায়াত চলে। কেইবছৰমান পূৰ্বে কোটি কোটি টকা খৰচ কৰি পথছোৱা নিৰ্মাণ কৰা হৈছিল যদিও ঠিকাদাৰৰ নিম্নমানৰ কাম তথা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি-কাষৰীয়া বেঁকী, পল্লা, কালপানী এই তিনিটা নদীৰ পৰা গধুৰ যান-বাহন ডাম্পাৰেৰে শিল, বালিৰ অত্যধিক বোজা প্ৰতিটো দিনে-নিশাই কঢ়িয়াই লৈ চলাচল কৰাৰ পৰিপ্ৰেক্ষিততো পথটো জহি-খহি গৈছে বুলি অভিযোগ উত্থাপন হৈ আহিছে। অবৈধভাৱে ডাম্পাৰেৰে অত্যধিক শিল-বালিৰ বোজা কঢ়িয়াই যাতায়াত কৰাৰ ক্ষেত্ৰত প্ৰশাসনৰ উদাসীনতা পৰিলক্ষিত হৈছে। তেনেদৰে পথটো মেৰামতি তথা পুননিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষই গুৰুত্বহীন দৃষ্টিভংগী গ্ৰহণ কৰাটো পৰিলক্ষিত হৈছে। পথৰ দুৰৱস্থাৰ বাবেই ৰাইজ ক্ষুব্ধ হোৱা দেখা গৈছে। ভৱানীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰূপহীৰ পৰা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূএগ্রাপাৰা ৰেঞ্জলৈ যোৱা প্ৰায় সাত কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোও দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ তথা বিধ্বস্ত হৈ আছে। তেনেদৰে শালবাৰীৰ পৰা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য প্ৰৱেশদ্বাৰ বাঁহবাৰী ৰেঞ্জলৈ যোৱা পথটোৰো প্ৰায় ছয় কিলোমিটাৰ দৈৰ্ঘ্য সীমাহীন দুৰৱস্থা হৈছে। ভৱানীপুৰ বিধানসভা সমষ্টিৰ মাজেৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা গুৰুত্বপূৰ্ণ অথচ বিধ্বস্ত হৈ থকা পথবোৰৰ পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষই উদাসীন দৃষ্টিভংগী গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে বৰ্তমানৰ ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে স্থানীয় ৰাইজ তথা সভা-সমিতিয়ে পথবোৰ পুনৰ্নিৰ্মাণ কৰাৰ আশ্বাস প্ৰদান কৰিছিল যদিও সম্প্ৰতি বিদলসংকুল পথলৈ পৰ্যৱসিত হৈছে ভৱানীপুৰ-মানাহ সংযোগী পথৰ হৰিপুৰ, দলাজানী, গাতি, আওহাতা আদি অংশ। ৰাইজে বিধ্বস্ত পথবোৰ পুনৰ্নিৰ্মাণৰ বাবে দাবী উত্থাপন কৰিছে স্থানীয় বিধায়কৰ লগতে বিভাগীয় কৰ্তৃপক্ষক।

### নৱজাতকৰ মৃত্যুক লৈ মাৰ্ঘেৰিটাত উত্তপ্ত পৰিস্থিতি

# নাৰ্ছ আৰু চিকিৎসকৰ বিৰুদ্ধে গাফিলতিৰ গুৰুত্ব অভিযোগ উত্থাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ৩ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত এটি নৱজাতকৰ মৃত্যুক লৈ বিভিন্ন দল-সংগঠনে মাৰ্ঘেৰিটাত এক উত্তপ্ত পৰিস্থিতি কৰে। জানিব পৰা মতে পেঙেৰী থানাৰ অন্তৰ্গত খাতাংপানীৰ বাসিন্দা শেৱালি কালোৱাৰক ২৭ জুলাইত প্ৰসূতিজনিত কাৰণত মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱাইছিল। কিন্তু প্ৰসূতিগৰাকীৰ স্বাস্থ্যৰ অৱনতি হোৱাত ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হৈছিল আৰু কালি নৱজাতকটিৰ মৃত্যু হয়। নাৰ্ছ আৰু চিকিৎসকৰ গাফিলতিৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। চিকিৎসক অবিহনে নাৰ্ছে প্ৰসূতিগৰাকীক ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা বুলি পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰিছে। এই লৈ স্থানীয় দল-সংগঠনে চিকিৎসালয়খনত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। নৱজাতকৰ কপালত আঘাতৰ দাগ থকালৈ চাই স্থানীয় লোকে চিকিৎসালয়ৰ চিকিৎসক, নাৰ্ছৰ গাফিলতিৰ সন্দেহ কৰিছে। চিকিৎসাৰ বিনিময়ত ধন লোৱাৰ অভিযোগো উত্থাপন হৈছে চিকিৎসকৰ বিৰুদ্ধে। স্থানীয় দল-সংগঠনে নৱজাতকৰ মৃত্যুৰ ঘটনাৰ এক উচিত তদন্তৰ দাবী জনোৱা লগতে চিকিৎসালয়খনত সংঘটিত সকলো অভিযোগৰে তদন্ত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে।

### ছ'চিয়েল মিডিয়াত চিকিৎসাৰ বাবে এগৰাকী মহিলাক ঠেলাত নিয়া কাৰ্যক লৈ খলকনি

# নলবাৰীত এটা পথে দুৰ্ভোগ ভোগাইছে ৰাইজক

## জৰাজীৰ্ণ পথটোৰ বাবে ৰোগীক ঠেলাৰে কঢ়িয়াই নিব লগা অৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩ আগষ্ট ঃ** নলবাৰী জিলাৰ পূব প্ৰান্তস্থিত ১৪নং গাঁও পঞ্চায়তৰ অন্তৰ্গত মাজৰবাৰী গাঁৱৰ প্ৰায় ২ কিঃমিঃদীঘল এটি জৰাজীৰ্ণ পথে এতিয়া দুৰ্ভোগ ভোগাইছে ৰাইজক। ডিজিটেল ইণ্ডিয়াৰ সময়ত নলবাৰী সমষ্টিৰ অন্তৰ্গত মাজৰবাৰী গাঁওবাসীয়ে এটি বোকাময় জৰাজীৰ্ণ পথৰ বাবে এতিয়া দুৰ্ভোগ ভুগিবলগীয়া হৈছে। প্ৰত্যেকবছৰে বাৰিষা আহিলে এই অঞ্চলৰ লোকে যমৰ যাতনা ভুগিবলগীয়াত পৰে। উক্ত পথটোৰ শোচনীয় অৱস্থাৰ বাবে এগৰাকী ৰোগীক ঠেলাৰে নিয়া ঘটনা ইতিমধ্যে ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। সেয়ে পথটো নিৰ্মাণৰ দাবীৰে বুধবাৰে অঞ্চলটোৰ শতাধিক লোক ওলাই আহিল ৰাজপথলৈ। অঞ্চলটোৰ প্ৰত্যেকজন লোকে আক্ষেপ প্ৰকাশ কৰি কয় 'চৰকাৰ আহিছে আৰু গৈছে। কেৱল মাত্ৰ ঠিক নহ'ল এই পথটো। উল্লেখ্য, এই বোকাময় শোচনীয় পথটোৰ বাবে ইতিমধ্যে এই অঞ্চলটোত বিগত সময়ত তিনিগৰাকীমান লোক চিকিৎসালয় নিব নোৱাৰি মৃত্যুও হৈছে। আনহাতে, প্ৰায় চাৰি কুৰি বয়সৰ গাঁওখনৰে এগৰাকী বৃদ্ধাই মৃত্যুৰ পূৰ্বে পথটো নিৰ্মাণ হোৱা চাবলৈ মত ব্যক্ত কৰে। সেয়েহে উক্ত অঞ্চলবাসী ৰাইজে নলবাৰী সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহ্বান জনায় শীঘ্ৰে উক্ত পথটো নিৰ্মাণ কৰি দিয়াৰ বাবে।

# সোৱণশিৰিৰ নিৰিবিলি পৰিৱেশত টি এম পি কেৰ সংবাদ কোষ গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩ আগষ্ট ঃ** গোগামুখৰ সোৱণশিৰি পাৰস্থিত দিৰপাই ইক' কেম্পত সদৌ অসম ভিত্তিত টি এম পি কেৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত সভাপতি ৰাজকুমাৰ মৰাঙৰ পৌৰোহিত্যত সংবাদ কোষ গঠন সম্পৰ্কত এখনি সভা অনুষ্ঠিত কৰা হয়। সভাত মিচিং বাঃনী কীবাঙৰ সভাপতি তথা মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পৰমানন্দ চায়েঙীয়াই সাম্প্ৰতিক সময়ত সাজিক বৈদ্যুতিন মাধ্যমৰ গুৰুত্বতা, প্ৰয়োজনীয়তা আৰু ইতিবাচক আৰু নেতিবাচক দিশৰ ওপৰত চাই অনাগত দিনত আগুৱাই যাবলৈ আহ্বান জনায়। এই সভাতেই টি এম পি কেৰ কেন্দ্ৰীয় সংবাদ কোষখনি গঠন কৰা হয় আৰু পৰৱৰ্তী পৰ্যায়ত আঞ্চলিক সংবাদ কোষ আৰু জিলা সংবাদ কোষটিও গঠন কৰি তিনি তৰপীয়াকৈ টি এম পি কে সংবাদ কোষটি গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত এম এম কেৰ সভাপতি সুনীল কুমাৰ পেগু, সম্পাদক পুৰুযোত্তম দলে, টি এম এম কেৰ কেন্দ্ৰীয় সভানেত্ৰী আৰু সম্পাদীকা গীতাঞ্জলি বৰি পাতিৰ আৰু শৰ্মীলা পায়েঙ,টি এম পি কেৰ কেন্দ্ৰীয় সহ সম্পাদক টুনীৰাম পাংগিং,ছান পাংগিঙকে আদি কৰি সকলো কেন্দ্ৰীয় সদস্য আৰু ১৫ জিলাৰ টি এম পি কে নেতৃবৃন্দই উপস্থিত থাকে। পৰৱৰ্তী পৰ্যায়ত জিলা ভিত্তিত সংবাদ কোষ গঠন কৰাৰ লগতে ইয়াৰ সৎ ব্যৱহাৰ আৰু প্ৰয়োজনীয় ইতিবাচক নেতিবাচক দিশৰ ওপৰত এক কৰ্মশালা অনুষ্ঠিত কৰাৰো প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# কোচ ৰাজ্য পুনৰ্গঠন আৰু কোচ ৰাজবংশীক জনজাতি কৰাৰ দাবীত উত্তৰবংগৰ শিলিগুড়িত প্ৰতিবাদী সমদল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩ আগষ্ট ঃ** পৃথক কামতাপুৰ ৰাজ্যৰ দাবীত আৰু কোচ-ৰাজবংশীসকলক জনজাতি কৰাৰ দাবীত আজি উত্তৰ বংগৰ শিলিগুড়িত বিশাল প্ৰতিবাদী সমদল উলিওৱাৰ ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে। কামতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টীৰ সাধাৰণ সম্পাদক কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে জনায় যে শিলিগুড়িত কামতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টীৰ কেন্দ্ৰীয় কমিটীৰ ফালৰ পৰা পৃথক কামতাপুৰ ৰাজ্য পুনৰ্গঠন, কামতাপুৰী ভাষাৰ ৰাষ্ট্ৰীয় স্বীকৃতি, সৰ্বভাৰতীয় পৰ্যায়ত কোচ বা ৰাজবংশীসকলৰ জনজাতিকৰণ বিষয়টোক মূল দাবী হিচাপে লৈ এক বিশাল প্ৰতিবাদী সমদল উলিয়ায়। আজিৰ এই সমদলৰ নেতৃত্ব দিয়ে কে পি পিৰ কেন্দ্ৰীয় কমিটীৰ সভাপতি অধীৰ চন্দ্ৰ ৰায় আৰু সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে। কে পি পিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে জনায় যে বঙ্গ প্ৰশাসনে কে পি পিৰ পূৰ্বে ঘোষিত এই প্ৰতিবাদী সমদল অনুষ্ঠিত কৰাত কুচক্ৰান্ত কৰে যদিও মহামান্য হাইকোৰ্টে দিয়া নিৰ্দেশৰ ভিত্তিত কে পি পিৰ প্ৰায় পাঁচ হাজাৰ কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। পৃথক কামতাপুৰ ৰাজ্য পুনৰ্গঠনৰ দাবীত কে পি পিৰ কৰ্মী সমৰ্থকসকলে শিলিগুড়িৰ ৰাজপথ মুখৰ কৰি তোলে। প্ৰতিবাদী সমদলৰ অন্তত কে পি পিৰ ফালৰ শিলিগুড়ি মহকুমাধিপতিৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয় বুলি জানিবলৈ দিয়ে কে পি পিৰ সাধাৰণ সম্পাদক গৰাকীয়ে। কে পি পিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক গৰাকীয়ে আৰু কয় যে যি সময়ত গোটেই দেশে স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰিবলৈ প্ৰস্তুতি চলাই তেনে সময়তো সাধাৰণ কামতাপুৰী জনতাই নিজৰ ভাষা, সংস্কৃতি, ইতিহাস আৰু ঐতিহ্য ৰক্ষাৰ বাবে ৰাজপথত সংগ্ৰাম কৰিবলগীয়া হৈছে। দেশৰ অমৃত মহোৎসৱৰ সময়তো ঐতিহাসিক কামতাপুৰৰ ভূমিপুত্ৰ কামতাপুৰী মানুহ ৰাজনৈতিক হিংসাৰ স্বীকাৰ হ'বলগীয় হৈছে। তেনে প্ৰেক্ষাপটত আমি ভাৰত চৰকাৰৰ গৃহ বিভাগে অচিৰেই পৃথক কামতাপুৰ ৰাজ্য পুনৰ্গঠনৰ উদ্যোগ গ্ৰহণ এক দ্বিপাক্ষীক আলোচনা অনুষ্ঠিত কৰা আহ্বান জনালোঁ।

### কামৰূপ মহানগৰ জিলাৰ ছাত্ৰ-ছাত্ৰী

# নাগৰিকৰ পৰা মহাবীৰ লাচিত বৰফুকনৰ বিষয়ত লেখাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** কামৰূপ মহানগৰ জিলা প্ৰশাসনে মহাবীৰ লাচিত বৰফুকনৰ ৪০০সংখ্য জন্ম বাৰ্ষিকী উপলক্ষে জিলাখনৰ ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ নাগৰিকৰ পৰা বীৰগৰাকীৰ বিষয়ত লেখাৰ আহ্বান জনাইছে। লেখাসমূহ এশৰ পৰা এহেজাৰ শব্দৰ ভিতৰত হোৱাটো বাঞ্ছনীয়। লেখাসমূহ স্পষ্টকৈ হাতেৰে লিখা বা 'এ-ফৰ' কাগজত টাইপ্ কৰা হ'ব লাগিব। ইচ্ছুক ছাত্ৰ-ছাত্ৰী বা নাগৰিকে লেখাসমূহৰ চফ্ট কপি dc-kamrup@nic.inত ই-মেইল যোগে প্ৰেৰণ কৰিব পাৰিব বা প্ৰত্যক্ষভাৱে জমা দিব বিচাৰিলে উপায়ুক্তৰ কাৰ্যালয়ৰ নজৰৎ শাখাত জমা দিব পাৰিব। শ্ৰেষ্ঠ বিবেচিত লেখাসমূহ ৰাজ্যিক স্তৰলৈ পঠোৱাৰ লগতে শ্ৰেষ্ঠ লেখকসকলক বীৰগৰাকীৰ ৪০০ বছৰীয়া জন্ম জয়ন্তীৰ অনুষ্ঠানত সন্মানিত কৰা হ'ব। ইয়াৰ উপৰি নিৰ্বাচিত লেখাসমূহ প্ৰশাসনৰ ৱেবছাইট, ফেচবুক পেজত আপলোড কৰা হ'ব। ইচ্ছুক লেখকসকলক তেওঁলোকৰ লেখাসমূহ ২০ আগষ্টৰ ভিতৰত পাণবজাৰস্থিত কামৰূপ মহানগৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ নজৰৎ শাখাত জমা দিবলৈ বা dc-kamrup@nic.in লৈ ই-মেইল কৰিবলৈ আহ্বান জনোৱা হৈছে।


**BIJOY HANS LIMITED**

Regd Office: H P Brahmachari Road, Rehabari, Guwahati 781 008 (Assam)
Tel: 0361-2512373 Email: ash_ashim@yahoo.co.in Web: www.bijoyhans.net
CIN L51909AS1985PLC002323

**EXTRACT OF STANDALONE UNAUDITED FINANCIAL RESULTS FOR THE QUARTER ENDED 30TH JUNE, 2022**

(Rs. in Lakhs)

| Sr. No | PARTICULARS | Quarter Ended 30.06.22 (Unaudited) | Quarter Ended 31.03.22 (Audited) | Quarter Ended 30.06.21 (Unaudited) | Year Ended 31.03.22 (Audited) |
|---|---|---|---|---|---|
| 1 | Total Income from Operations (net) | 9.70 | 14.82 | 14.75 | 47.88 |
| 2 | Net Profit / (Loss) from ordinary activities before tax (before Exceptional and/or Extraordinary Items) | -8.18 | -0.01 | -4.85 | -18.59 |
| 3 | Net Profit / (Loss) for the period before tax (after Exceptional and/or Extraordinary Items) | -8.18 | -0.01 | -4.85 | -18.59 |
| 4 | Net Profit / (Loss) for the period after tax (after Exceptional and/or Extraordinary Items) | -8.18 | -0.25 | -4.85 | -18.83 |
| 5 | Total Comprehensive Income for the period [Comprising Profit / (Loss) for the period (after tax) and Other Comprehensive Income (after tax)] | -8.18 | -0.25 | -4.85 | -18.83 |
| 6 | Equity Share Capital | 300 | 300 | 300 | 300 |
| 7 | Earning Per Share (of Rs. 10/- each) (for continuing and discontinued operations) | | | | |
| | 1. Basic: | 0.00 | 0.00 | 0.00 | 0.00 |
| | 2. Diluted: | 0.00 | 0.00 | 0.00 | 0.00 |

NOTE:-
1 The above results were reviewed by the Audit Committee and the the Board of Directors has approved the same and its release at their respective meetings held on 3rd August, 2022.
2 The above is an extract of the detailed format of Quarterly Financial Results for the period ended 30.06.2022 filed with the stock exchange under Regulation 33 of the SEBI (Listing and other Disclosure Requirements) Regulations, 2015. The full format of the Quarterly/Annual Financial Results are available at the stock exchange website at www.bseindia.com and also Company's website at www.bijoyhans.net.

For and on behalf of Bijoy Hans Limited
**Ashok Kumar Patawari**
Managing Director
DIN: 00154286

Place : Guwahati
Date : 3rd August, 2022


### অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিয়োগ পৰীক্ষাৰ প্ৰস্তুতি

# বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াত বিনামূলীয়া প্ৰশিক্ষণ শিবিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ৩ আগষ্ট ঃ** অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিয়োগ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে ৰামদিয়াস্থিত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ত যোৱা ১ আগষ্টৰ পৰা ১০ দিনীয়া বিনামূলীয়া প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। হাজো, ৰামদিয়া, বৰছলি, দামপুৰ, বামুন্দী অঞ্চলৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ নিয়োগৰ ক্ষেত্ৰত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষাত সহায়ক হ'ব পৰাকৈ বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ উদ্যোগত আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী গোটৰ সহযোগত এই ১০ দিনীয়া বিনামূলীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হৈছে। অনুষ্ঠিত হোৱা বিনামূলীয়া প্ৰশিক্ষণ শিবিৰ সোমবাৰে আনুষ্ঠানিকভাৱে মুকলি কৰে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ অধ্যক্ষ ড° অসিত কুমাৰ পালে। উদ্বোধনী অনুষ্ঠানত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় ৰামদিয়াৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী গোটৰ সমন্বয়ক তথা ইংৰাজী বিভাগৰ অধ্যাপক ললিত চন্দ্ৰ ভড়ালী, সভাপতি মেছেৰ আলী, সম্পাদক ছালামুদ্দিন আহমেদ উপস্থিত থাকে। প্ৰশিক্ষণ শিবিৰত হাজো সুৰেন দাস মহাবিদ্যালয়, বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া বৰক্ষেত্ৰী মহাবিদ্যালয়, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অভিজ্ঞ অধ্যাপক উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। উক্ত প্ৰশিক্ষণ শিবিৰত ইচ্ছুক নিবনুৱা যুৱক-যুৱতীসকলক উপস্থিত হ'বলৈ আহ্বান জনাইছে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী গোটে।

### বিশ্বনাথ বাঘমৰা খণ্ড উন্নয়ন কাৰ্যালয়ত হৰ ঘৰ ত্ৰিৰংগা সজাগতা সমদল

# ঘৰে ঘৰে উৰিব জাতীয় পতাকা ঃ বিধায়ক ৰঞ্জিত দত্ত

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৩ আগষ্ট ঃ** স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপনৰ বাবে ভাৰত চৰকাৰে ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। ইতিমধ্যে জাতীয় পতাকাৰ বাবে বিভিন্ন অঞ্চলত পতাকা বিপণী কেন্দ্ৰ স্থাপন কৰা হৈছে। অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টত ঘৰে ঘৰে উৰিব ত্ৰিৰংগা। এই উদ্দেশ্যৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচীৰ সন্দৰ্ভত বিশ্বনাথ সমষ্টিৰ আৰু বিহালী সমষ্টিত সজাগতা সমদল। আজি বাঘমৰা খণ্ড উন্নয়ন কাৰ্যালয়ৰ পৰা উলিওৱা হয় সজাগতাৰ বাবে সমদল। উক্ত সমদলৰ ফ্লেগ অফ কৰে প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই। দত্তইলগতে কয় অহা ১৩ আগষ্টৰ পৰা অসমীয়া ৰাইজে ঘৰে ঘৰে জাতীয় পতাকা উত্তোলন কৰিবলৈ সাজু হৈছে। আনহাতে, ইতিমধ্য সামাজিক মাধ্যমত জাতীয় পতাকাখন নিজৰ নিজৰ ফেচবুক একাউণ্টৰ মূল ফটো হিচাপে একাংশই ব্যৱহাৰ কৰিছে বুলি প্ৰকাশ কৰে। বাঘমৰা খণ্ড উন্নয়ন বিষয়া, বাঘমৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা সখীসকলে সঞ্চয় গোটৰ মহিলাই এই সমদলত অংশগ্ৰহণ কৰে। এই সমদল বাঘমৰা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি জিনজিয়া, ৰতোৱাকে ধৰি বিশ্বনাথৰ বিভিন্ন পিছপৰা অঞ্চলত এই সমদলৰ কৰি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। ইফালে মঙ্গলবাৰে বাঘমৰা উন্নয়ন খণ্ড অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান বাঘমৰা শাখায়ো এক স্কুটী ৰেলী উলিয়ায়। এই ৰেলী জিনজিয়া গাঁও পঞ্চায়ত, তিনিসুঁতি গাঁও পঞ্চায়ত, মোনাবাৰী, জৰাবাৰী, ৰতোৱা, খৰাশিমলু, বৰঝাৰণি, মিজিকাকে ধৰি বিভিন্ন গাঁও পঞ্চায়ত আৰু অঞ্চলত স্কুটীৰ জৰিয়তে ৰেলী কৰি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে।


**NEMCARE Group of Institutions**

Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam

ADMISSION OPEN FOR 2022-23

OUR COURSES

- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available

98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable



केनरा बैंक Canara Bank — सिंडिकेट Syndicate

**বিক্ৰী জাননী**

**স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ**
ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, গুৱাহাটী-৭৮১০২২, যোগাযোগ নং ঃ ০৩৬১-২৩৩৪০০৮

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত ০৭.০৯.২০২২ তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব ০৬.০৯.২০২২ তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ০৭.০৯.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা<br>(খ) ঋণ লওঁতা/ গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ<br>(খ) সংৰক্ষিত মূল্য (টকা) ঃ<br>(গ) ইএমডি (টকা) ঃ<br>(ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, নগাঁও শাখা/ স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, দ্বিতীয় মহলা, ডি. বি. গ্ৰেণ্ড, ছয়মাইল, পাঞ্জাবাৰী ৰোড, ফ্লাই অভাৰৰ কাষত, গুৱাহাটী-৭৮১০২২,<br>(খ) ঋণ লওঁতা ঃ শ্ৰী দেৱাশিষ বৰা<br>গেৰাণ্টৰ ঃ শ্ৰী ঘন কান্ত বৰা | সম্পত্তি ঃ ১<br>ভূমিৰ এটা প্লট, পৰিমাপ হ'ল- ১ বিঘা ১ লেচা, লগতে শ্লিং ফ্লেটৰ ওপৰত তিনি মহলীয়া আৰ চি চি নিৰ্মিয়মান বিল্ডিং, অৱস্থিত আছে দাগ নং- ১৩১২ (পুৰণি)/২২৭২ (নতুন), পি পট্টা নং ৩৩৫ (পুৰণি)/১১৫৯ (নতুন) গাঁও-কাছলুখোৱা, কুশল কোঁৱৰ পথ, ঘৰ নং-৯০, ৱাৰ্ড নং-১২, জিলা- নগাঁও, অসম-৭৮২০০১। নামত আছে শ্ৰী ঘন কান্ত বৰাৰ।<br>প্লটৰ চাৰিসীমা হ'ল ঃ উত্তৰে- কুশল কোঁৱৰ পথ, দক্ষিণে- লক্ষী কান্ত বৰাৰ ভূমি, পূবে- ভবেন কলিতাৰ ভূমি, পশ্চিমে- লক্ষীকান্ত বৰাৰ ভূমি। | (ক) মুঠ অনাদায় ঃ ৩৪৫.৪৩ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়।<br>(খ) সংৰক্ষিত মূল্য ঃ ২৭৪.০০ লাখ<br>(গ) ইএমডি ঃ ২৭.৪০ লাখ টকা<br>(ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |
| ২। | (ক) কানাড়া বেংক, স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, ডি. বি. গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, ডাকঘৰ ঃ খানাপাৰা, গুৱাহাটী, পিন-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/ ৮৮৭৬৫৩৪৩০৭<br>(খ) ঋণ লওঁতা ঃ মেচাৰ্ছ ৰূপা এণ্টাৰপ্ৰাইছ<br>গেৰাণ্টৰ/অংশীদাৰ ঃ<br>(১) শ্ৰীমতী ৰূপা বৰা<br>(২) শ্ৰী দেৱাশিষ বৰা<br>(৩) শ্ৰী ঘনকান্ত বৰা<br>(৪) শ্ৰী হৃদয় বৰা | ভূমিৰ সকলো অংশ আৰু সম্পদসহ বিল্ডিং, আৱৰি আছে পট্টা নং-১৪০ (পুৰণি) ৩৯৭ (নতুন), দাগ নং-৮৭ (পুৰণি) ৯৬৭ (নতুন), পৰিমাপ হ'ল- ০৩ কঠা, ১১ লেচা। অৱস্থিত আছে- কিযাম-খুটিকটীয়া, মৌজা- কাছমাৰী, ৰাজহ চক্ৰ সদৰ, জিলা- নগাঁও (অসম)। নামত আছে শ্ৰীমতী ৰূপা বৰাৰ, স্বামী ঘনকান্ত বৰা, গাঁও- কাছলুখোৱা, হাউছিং কলনিৰ বিপৰীতে, থানা- সদৰ, নগাঁও, অসম।<br>সম্পদৰ চাৰিসীমা ঃ উত্তৰে-চৰ্দাৰ যশবীৰ সিং/ ৰায়াৰ হাউছ, দক্ষিণে- এন এইচ ৩৭, পূবে- মহেন্দ্ৰ সিং, পশ্চিমে- কাৰ্টাৰ সিং। | (ক) মুঠ অনাদায় ঃ ৩৭৬.২২ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়।<br>(খ) সংৰক্ষিত মূল্য ঃ ৩০৫.৮৯ লাখ টকা<br>(গ) ইএমডি ঃ ৩০.৫৯ লাখ টকা<br>(ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট **(www.canarabank.com)**ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব শাখা মুৰব্বী, স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, ডি. বি. গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, ডাকঘৰ-খানাপাৰা, গুৱাহাটী, পিন-৭৮১০২২, যোগাযোগ নং ঃ ০৩৬১-২৩৩৪০০৮/৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭ কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।

**তাৰিখ ঃ ৩০.০৭.২০২২, স্থান ঃ গুৱাহাটী**

**কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
সম্পাদকীয়
৪ আগষ্ট ■ ২০২২ ■ ১৮ শাওণ

# স্বৰ্ণ জয়েৰে উজলিল নয়নমণি

আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া মঞ্চত লাভলীনা বৰগোহাঁই আৰু হিমা দাসৰ পাছত অসমৰ নাম সোণালী আখৰেৰে অংকিত কৰিলে আন এগৰাকী মহিলা খেলুৱৈ বেতপথাৰৰ টেঙাবাৰীৰ নয়নমণি শইকীয়াই। বাৰ্মিংহাম কমনৱেলথ গেমছত ইতিহাস ৰচিলে। দেশৰ পদক তালিকাত সংযোজন হ'ল আৰু এটা স্বৰ্ণপদক। কমনৱেলথ গেমছৰ লনবলৰ ইতিহাসত এইটোৱেই দেশৰ প্ৰথম পদক। ১৯৩০ চনৰ পৰাই অন্তৰ্ভুক্ত হোৱা এই বিধ খেলত আছিল ভাৰত চতুৰ্থ স্থানত আৰু ইয়েই শ্ৰেষ্ঠ প্ৰদৰ্শন বুলি পৰিগণিত আছিল। এইবাৰ সেই ব্যৰ্থতা অতিক্ৰম কৰি নয়নমণিহঁতে লিখিলে নতুন ইতিহাস। যিটো ভাৰতৰ ক্ৰীড়া ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰে। মহিলাৰ ফ'ৰ্থ শাখাৰ ফাইনেলত প্ৰৱেশতে সোমবাৰেই নয়নমণিহঁতে আৰম্ভ কৰিছিল ইতিহাসৰ নতুন পৃষ্ঠা। আজি অসমবাসীৰ জীয়ৰীৰ ভাগ্যতে ইতিহাস ৰচিলে স্বৰ্ণ স্বাক্ষৰেৰে। সুদীৰ্ঘ বাৰ বছৰৰ মূৰত কমনৱেলথ গেমছত নয়নমণিৰ হাত ধৰিয়েই ৰাজ্যখনে জয় কৰিলে প্ৰথমটো পদক। ব্ৰিটিছ ভূমিত পুনৰবাৰ উত্তোলন হ'ল ত্ৰিৰংগা। গৌৰৱেৰে বাজিল 'জনগণ মন'...। নয়নমণিৰ কৃতিত্বত গৌৰৱান্বিত অসমবাসী। কমনৱেলথ গেমছত ইতিহাসৰ স্বৰ্ণ পদক দখল কৰা নয়নমণিয়েই এই পৰ্যন্ত একমাত্ৰ অসম সন্তান। যোৱা সোমবাৰেই নয়নমণিহঁতে যে ধমকি নহয়, সেয়া সেইদিনাই ইংগিত পোৱা হৈছিল। সেইদিনা নিউজিলেণ্ডক হেৰুৱাই কৈছিল হামাৰা টীমে হিষ্ট্ৰী বনা দিয়া, লগতে প্ৰবল আত্মবিশ্বাসেৰে প্ৰতিপক্ষ দক্ষিণ আফ্ৰিকাক দিছিল মুকলি প্ৰত্যাহ্বান। স্বৰ্ণ পদক আমাৰ প্ৰাপ্য। তেওঁলোক চাৰিওগৰাকীয়ে কথা দি কথা ৰাখিলে। দেশত লনবলক কৰি তুলিলে গ্লেমাৰ্ছ খেল। ফাইনেল খেলখন আছিল স্নায়ুৰ যুঁজ। প্ৰথমৰ পৰাই পেণ্ডুলামৰ দৰে এটা গতিত যে গুলমি হৈছিল দুয়ো দলৰ ভাগ্য। ভাৰতে আৰম্ভণিৰ পৰাই অগ্ৰগতি অব্যাহত ৰাখিছিল নৱম ৰাউণ্ড পৰ্যন্ত। সপ্তম ৰাউণ্ডত ব্যৱধান হৈছিল ৮-২। তাৰ পিছৰ পৰা খেলৰ গতিৰ পৰিবৰ্তন হয়। দক্ষিণ আফ্ৰিকাই খেলৰ সকলো গোপন অস্ত্ৰ ব্যৱহাৰ কৰাত ইয়াৰ দ্বাদশ ৰাউণ্ডৰ পইণ্ট হয়গৈ ১০-১০। ফলাফল নিৰ্ণয় হ'ব কেৱল বাকী থকা তিনিটা ৰাউণ্ডত। সামান্য ভুল হ'লেই শেষ হ'ব আশাৰ। সময়তেই দক্ষিণ আফ্ৰিকাই সাংঘাতিক ভুল কৰিলে। স্নায়ুৰ চাপ সহিব নোৱাৰিলে, যাৰ বাবে তিনিটা ৰাউণ্ডত এটাও পইণ্ট নাপালে। ভাৰতীয় দলে দক্ষিণ আফ্ৰিকাৰ ভুলৰ সুযোগ গ্ৰহণ কৰিলে। অন্তিম মুহূৰ্তলৈ যেন গোপনে ৰাখি থৈছিল বিষাক্ত বাণ। অন্তিম তিনি বাণে ভাৰতক দিলে ৭ পইণ্ট। ১৫ ৰাউণ্ডৰ পিছত স্ক'ৰ ব'ৰ্ডত উজলি উঠিল ১৭-১০। স্বৰ্ণ পদক ভাৰতৰ, ৰূপ দক্ষিণ-আফ্ৰিকাৰ আৰু ব্ৰঞ্জ নিউজিলেণ্ডৰ। হাৰ নমনা মানসিকতা আৰু জয়লাভ কৰাৰ উদগ্ৰ বাসনাৰে নামিছিল বাৰ্মিংহামৰ লনবলৰ গ্ৰীনত। বন বিভাগত কৰ্মৰত নয়নমণিকে ধৰি ভাৰতৰ কেউগৰাকী খেলুৱৈৰ এই স্বৰ্ণ জয় গুৰুত্বপূৰ্ণ আন দিশতো। কিয়নো পৰম্পৰাগতভাৱেই এইক্ষেত্ৰত শক্তিশালী ইউৰোপিয়ান দলসমূহ। সেই দম্ভ চূৰ্ণ কৰি নয়নমণিহঁতে নতুন আলোড়নৰ সৃষ্টি কৰিলে আৰু নিজকে উত্থান ঘটালে সাফল্যৰ চৰম শিখৰলৈ। লগতে ৰাজ্যখনকো। এই সাফল্যই ৰাজ্যৰ নৱ-প্ৰজন্মক ক্ৰীড়াৰ দিশত নিঃসন্দেহে উৎসাহিত কৰিব। নয়নমণি তথা দলটোলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

## ■ জিএছটিৰ বোজা, টকাৰ মূল্যৰ পতন ■

# ৰাজকোষৰ ঘাটি আৰু অৰ্থনীতিৰ বিপদ



ইপাৰ- সিপাৰ

■ বেবী সোনোৱাল হাজৰিকা

বৰ্তমান মূল্যবৃদ্ধিত সাধাৰণ জনতাই হাহাকাৰ কৰি থকাৰ সময়তে ১৮ জুলাইৰ পৰা কেন্দ্ৰীয় চৰকাৰে 'ট্ৰেড মাৰ্ক' লগোৱা পেকেটত থকা চাউল, দাইল, মুড়ি, আটা, দৈ, পনিৰ, মাখন, গাখীৰ, লচি, গুড় আৰু মৌজোল আদিত ৫ শতাংশ জিএছটি আৰোপ কৰিলে। ফলত খাদ্য-সামগ্ৰীৰ দাম আৰু বাঢ়িল। কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিও মূল্যবৃদ্ধিৰ হাৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিৰ্ধাৰিত ৬ শতাংশ সহনসীমালৈ আনিব পৰা নাই। বৰ্তমান এই মূল্যবৃদ্ধিৰ হাৰ ৭ শতাংশৰ ওপৰত আছে। এনে অৱস্থাত সাধাৰণ মানুহৰ পৰিয়াল পোহপাল দিয়াত বৰ সমস্যা হৈছে। তাতে কৰ'নাজনিত পৰিস্থিতিত বহু মানুহ কৰ্মসংস্থানহীন হৈ পৰিল। বহুতৰে উপাৰ্জনৰ পৰিমাণ কমি গ'ল। তাতে আজিকালি প্ৰায় প্ৰতিটো পৰিয়ালতে এজন নহয় এজন হাৰ্ট, প্ৰেচাৰ, থাইৰয়ড, ডায়েবেটিছ ৰোগী থাকেই। আকৌ কিডনী আৰু কেন্সাৰ ৰোগৰ প্ৰাদুৰ্ভাৱো ভয়াবহভাৱে বাঢ়িছে। ঔষধৰ দাম বৃদ্ধিৰ লগতে চিকিৎসা ব্যয়ো যি হাৰত বাঢ়িছে ৰোগী আৰু পৰিয়ালসমূহে কপালক ধিয়াই চলিবলগীয়া হৈছে।

সকলোৰে এই মুদ্ৰাস্ফীতিজনিত পৰিস্থিতিৰ পৰা উদ্ধাৰ পাবলৈ চৰকাৰৰ মুখলৈ চাই আছে। তেনেস্থলত চৰকাৰে মূল্যবৃদ্ধি হ্ৰাস কৰাৰ ব্যৱস্থা কৰাৰ সলনি খাদ্য-সামগ্ৰীত জি এছ টি আৰোপ কৰি সাধাৰণ জনতাক আৰু দুৰ্যোগৰ মাজলৈ ঠেলি দিলে। এফালে পেট্ৰল, ডিজেলৰ দাম বৃদ্ধিৰ ফলত পৰিবহণ খৰচ বৃদ্ধিৰ বাবে বস্তুৰ মূল্যবৃদ্ধি হৈছে। ৰন্ধন গেছৰ দামবৃদ্ধিৰ ফলত সাধাৰণ পৰিয়ালৰ ৰান্ধনিঘৰত পুনৰ খৰি, গছৰ ডাল-পাতৰ চৌকা জ্বলিছে। ফলত প্ৰদূষণ বৃদ্ধি হৈছে। গেছৰ দাম বৃদ্ধিয়ে প্ৰধানমন্ত্ৰী উজ্জ্বলা গেছ যোজনাৰ গ্ৰাহকসকলৰ লগতে নিম্ন মধ্যবিত্ত পৰিয়ালসমূহক গেছত ৰন্ধাৰ দৰে বিলাসী কাৰ্যৰ পৰা দূৰত থাকিবলৈ বাধ্য কৰিছে। আনহাতে, বেংকে ঋণৰ সুদৰ হাৰ বঢ়োৱা বাবে উৎপাদন মূল্য বাঢ়িছে। আকৌ সুদৰ হাৰ বৃদ্ধিৰ ফলত বিনিয়োগ নবঢ়া বাবে নিয়োগো বঢ়া নাই। চৰকাৰৰ খৰচ বৃদ্ধিৰ জোৰা মাৰিবলৈ বিভিন্ন সামগ্ৰীত কৰ বঢ়োৱালৈ হয়। কিন্তু সাধাৰণ মানুহৰ কি গতি হৈছে সেয়া কোনে বুজিব? বিৰোধী দলৰ আৰোপৰ প্ৰতিবাদৰ উত্তৰ হিচাপে কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে যি কথা কৈছে, তাৰ দ্বাৰা সাধাৰণ মানুহৰ কোনো লাভ নহয়। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে জনাইছে যে, ২৫ কিলোগ্ৰাম (কে জি) বা ২৫ লিটাৰ পৰ্যন্ত পেকেটতহে এই ৫ শতাংশ জি এছ টি প্ৰযোজ্য হৈছে। ইয়াৰ বেছি ওজনৰ পেকেটত জিএছটি প্ৰযোজ্য হোৱা নাই। কিন্তু কেইজন সাধাৰণ মানুহৰ একেলগে ২৫ কিলোগ্ৰাম বা লিটাৰৰ ওপৰৰ এনেবোৰ সামগ্ৰী কিনাৰ সামৰ্থ্য আছে। যিসকলে ২৫ কেজিৰ ওপৰৰ পেকেট কিনিব পাৰে, তেওঁলোকৰ বাবে জিএছটি নাই। মানে আকৌ ধনী শ্ৰেণীলৈহে সুবিধা। বাজেটতো ধনী পুঁজিপতিৰ বাবে আয় কৰৰ পৰিমাণ ১৮ শতাংশৰ পৰা ১৫ শতাংশলৈ কমাই দিয়া হৈছিল। মধ্যবিত্ত কৰদাতাৰ কৰৰ পৰিমাণ একে ৰাখি মাথোঁ ধন্যবাদ দি বিত্তমন্ত্ৰীয়ে দায়িত্ব সামৰিছিল। এতিয়া সাধাৰণ মানুহে খাদ্যৰ পেকেটত ৫ শতাংশ জি এছ টি ভৰিব লাগিব।

তাতোকৈ ডাঙৰ কথাটো হ'ল ধনী ব্যৱসায়ীয়ে ২৫ কেজিৰ বেছি ওজনৰ পেকেট কিনি খুচুৰাকৈ বিক্ৰী কৰিলে তেওঁলোকে জিএছটি ভৰিব নালাগে। কিন্তু অসাধু ব্যৱসায়ী চক্ৰই জিএছটিৰ দোহাই দি সাধাৰণ ক্ৰেতাৰ পৰা বেছি দাম ল'ব। এনেবোৰ দুৰ্নীতি ৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? নে কেৱল সাধাৰণ শ্ৰেণীৰ ওপৰত মাধমাৰ শোধোৱাৰ ব্যৱস্থাহে কৰা হৈছে?

কেৱল পেকেটত থকা খাদ্য-সামগ্ৰীৰ ওপৰতহে জিএছটি আৰোপ কৰিছে এনে নহয়। চিকিৎসা ক্ষেত্ৰতো জিএছটি আৰোপ কৰা হৈছে। আই চি ইউ বিহীন ৰোগীয়ে দিনে পাঁচ হাজাৰ টকাৰ বেছি দামৰ হাস্পতালৰ কোঠাত থাকিবলগীয়া হয়, তাৰ ওপৰতো ৫ শতাংশ অতিৰিক্ত জিএছটি ভৰিব লাগিব। এহেজাৰ টকা পৰ্যন্ত হোটেলৰ কোঠাৰ ওপৰত আৰোপ কৰা হৈছে ১২ শতাংশ জিএছটি। বেংকৰ চেক বহী অথবা খুচুৰা কাগজত আৰোপিত হৈছে ১৮ শতাংশ জিএছটি। খাদ্য শস্য, বীজ বাছনি তথা শ্ৰেণীবিন্যাস যন্ত্ৰত আগতে আছিল ৫ শতাংশ জিএছটি। এতিয়া একে জাঁপে ১৮ শতাংশলৈ জিএছটি বঢ়োৱা হ'ল। ইয়াৰ উপৰি কণী, ফলসহ অন্যান্য কৃষিজ পণ্যৰ বাছনি তথা শ্ৰেণীবিন্যাসৰ যন্ত্ৰত আগে আছিল ১২ শতাংশ জিএছটি। বৰ্তমান তাৰ পৰিমাণ বঢ়াই ১৮ শতাংশ কৰা হ'ল। এইবোৰ যন্ত্ৰৰ ওপৰত জিএছটি বৰ্ধিতকৰণে পৰোক্ষভাৱে দাম বৃদ্ধিত অৰিহণা যোগাব। বৰ্তমান পৰিস্থিতিত চৰকাৰে সাধাৰণ মানুহৰ উপাৰ্জন বৃদ্ধিৰ ব্যৱস্থা কৰাত গুৰুত্ব আৰোপ কৰিব লাগিছিল। কিন্তু তাৰ পৰিবৰ্তে বিভিন্ন সামগ্ৰীত জিএছটি আৰোপ কৰি তাৰ পৰিমাণ বৃদ্ধি কৰি সাধাৰণ মানুহৰ অস্বস্তি বঢ়াইছে। অৱশ্যে, এই কথাও ঠিক যে, ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ ফলত আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ লগতে অন্যান্য সামগ্ৰীৰ দাম বৃদ্ধিৰ ফলত সমগ্ৰ বিশ্ব অৰ্থনীতি কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।

ভাৰতত মূল্যবৃদ্ধিৰ হাৰে ৰিজাৰ্ভ বেংকৰ সহনসীমা ৬ শতাংশ অতিক্ৰম কৰাই নহয় ৭ শতাংশও অতিক্ৰম কৰি গ'ল। এই সময়ত আমেৰিকাৰ মূল্যবৃদ্ধিৰ হাৰ ৯.১ শতাংশ। গতিকে আমেৰিকাৰ কেন্দ্ৰীয় বেংক ফেডাৰেল ৰিজাৰ্ভ বেংকে ঋণৰ ওপৰত সুদৰ হাৰ বঢ়াব পাৰে। যদিহে তেনে হয়, তেন্তে ভাৰতৰ মূলধনৰ বজাৰৰ পৰা বিদেশী মুদ্ৰাৰ বিনিয়োগ আৰু উঠাই নিয়াৰ আশংকা দেখা দিব। তেতিয়া ভাৰতৰ অৰ্থনীতিৰ পোনপটীয়াকৈ আঘাত লাগিব। কিয়নো বিদেশী বিনিয়োগ উঠাই নিয়াৰ বাবেই দেশৰ শ্বেয়াৰ বজাৰৰ সূচ দাঙি উঠিব পৰা নাই। বৰ্তমানলৈকে ২০২২-২৩ বিত্তীয় বৰ্ষত বিদেশী বিনিয়োগকাৰীসকলে শ্বেয়াৰ বজাৰৰ পৰা প্ৰায় ১৪ বিলিয়ন ডলাৰ (১৪০০ কোটি ডলাৰ) উঠাই নিছে। "প'ৰ্টফলিঅ' মেনেজমেণ্ট"ত লগা আঘাতৰ ফলত কমিছে তাৰ গড় মূল্য। এছ আই পি একাউণ্ট খোলাৰ হাৰো কমি গৈছে। বিদেশী বিনিয়োগকাৰী সংস্থাসমূহে পুঁজি উঠাই নি থকাৰ ফলতেই শ্বেয়াৰ বজাৰত অস্থিৰ দশা চলিছে। সেই কাৰণেই ডলাৰৰ বিপৰীতে টকাৰ দাম হ্ৰাসহাই নামি গৈছে। ১১ জুলাই ২০২২ তাৰিখে টকাৰ মূল্য প্ৰতি ডলাৰত ৮০ টকালৈ নামিল। সদনত কেন্দ্ৰীয় চৰকাৰে জনোৱা মতে, ২০১৪ চনৰ পৰা এতিয়ালৈ এই আঠ বছৰত ভাৰতীয় মুদ্ৰাৰ মূল্য ১৬.০৮ টকা হ্ৰাস পালে। ২০১৪ চনত ১ ডলাৰত দাম আছিল ৬৩.৩৩ টকা।

বৰ্তমান কমি গৈ থকা টকাৰ মূল্য এক মহা চিন্তাৰ বিষয় হৈ পৰিছে। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ, খাৰুৱা তেলৰ দাম বৃদ্ধি আৰু বিভিন্ন দেশত ঋণৰ সুদৰ হাৰ বৃদ্ধিয়েই ভাৰতীয় টকাৰ মূল্য পতনৰ অন্যতম কাৰণ। তথাপি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে মন্তব্য কৰিছে যে, ব্ৰিটিছ পাউণ্ড, জাপানৰ য়েন আৰু ইউৰোৰ ডলাৰৰ বিপৰীতে মূল্য পতনৰ তুলনাত ভাৰতীয় মুদ্ৰা শক্তিশালী হৈ আছে। কিন্তু অৰ্থনীতিৰ এনে পৰিস্থিতিত ভাৰতীয় টকাৰ মূল্যৰ পতন কোনো কাৰণতে শুভ লক্ষণ নহয়।

দেশৰ অৰ্থনীতিৰ এই কঠিন পৰিস্থিতিৰ বাবেই চৰকাৰে বিভিন্ন পণ্যৰ ওপৰত জিএছটি আৰোপ কৰি ৰাজকোষ টনকিয়াল কৰিব বিচাৰিছে। কিন্তু বহু অৰ্থনীতিবিদে প্ৰশ্ন কৰিছে, এনে পৰিস্থিতিত ধনীসকলৰ ওপৰত আয়কৰ বৃদ্ধি কৰি ৰাজকোষ টনকিয়াল কৰাৰ ব্যৱস্থা কৰা হোৱা নাই কিয়? জিএছটি বৃদ্ধি কৰি পৰোক্ষভাৱে সাধাৰণ জনতাক অস্বস্তিত পেলোৱা হৈছে কিয়? অৰ্থনীতিবিদসকলৰ মতে, বহুতো ধনী বা পুঁজিপতিয়ে এতিয়াও আয়কৰ ফাঁকি দি আহিছে। যদিহে দেশে পাবলগীয়া এই আয়কৰ সুব্যৱস্থাৰে আদায় কৰা হয়, তেন্তে জিএছটি বৃদ্ধি কৰি সাধাৰণ মানুহক অযথা হাৰাশাস্তি নকৰিলেও হ'লহেঁতেন বুলি বহু অৰ্থনীতিবিদে মতপোষণ কৰিছে।

গতিকে, চৰকাৰে এই দৰকাৰী কথাবোৰত মন দিয়া উচিত। আয়কৰ কিয় আদায় হোৱা নাই, সেই বিষয়ত গভীৰ মনোযোগেৰে অনুধাৱন কৰা প্ৰয়োজন। কেৱল ঘনে ঘনে পেট্ৰল, ডিজেল, ৰন্ধন গেছৰ দাম বৃদ্ধি আৰু সাধাৰণ জনতাৰ নিত্য-প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত জিএছটি আৰোপ আৰু বৃদ্ধি কৰি থাকিলে জনতাৰ বৰ সমস্যা হয়। সাধাৰণ জনতাই মূল্যবৃদ্ধিত ত্ৰাহি মধুসূদন সুঁৱৰিবলগীয়া অৱস্থা হৈছে। গতিকে, চৰকাৰে আয়কৰ আদায়ৰ লগতে ৰপ্তানি বৃদ্ধিসহ অন্যান্য সূত্ৰৰ পৰা আয় বৃদ্ধি কৰি ৰাজকোষ টনকিয়াল কৰাৰ ব্যৱস্থা কৰক। লগতে বিনামূলীয়া আঁচনিৰ দ্বাৰা হিতাধিকাৰী সৃষ্টি কৰি এসোপা ধোদ, কৰ্মবিমুখ, এলেহুৱা সৃষ্টি কৰা কাৰ্য বন্ধ কৰক। এনে এই বিনামূলীয়াৰ সুবাদত মানুহে বছৰৰ খেতিটোলৈও মন নেমেলা হৈ পৰিছে। এইবোৰ সৰু কথা নহয়। কিয়নো দেশ এখন সমৃদ্ধিশালী হ'বলৈ হ'লে দেশবাসী কৰ্মঠ আৰু সক্ষম হ'বই লাগিব।



## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# শিক্ষাৰ মাধ্যমক লৈ বিতৰ্ক

চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজী মাধ্যমত অধ্যয়ন কৰিব লাগিব বুলি কোৱাৰ লগে লগে বৃহৎসংখ্যকে চৰকাৰক সমৰ্থন জনোৱাৰ বিপৰীতে এচাম চৰকাৰৰ সিদ্ধান্তত জাঙুৰ খাই উঠিছে। তেওঁলোকৰ বেছি ভাগৰে যুক্তি, চৰকাৰে অসমীয়া ভাষাক ধ্বংস কৰাৰ ষড়যন্ত্ৰ কৰিছে। সেয়া যিয়ে নহওক, এইক্ষেত্ৰত আমাৰ ব্যক্তিগত মতামত কিছু ৰাখিব বিচাৰিছোঁ- আজিৰ প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে মাতৃভাষাৰ সমান্তৰালভাৱে অন্য ভাষা বিশেষকৈ হিন্দী আৰু ইংৰাজী বিভিন্ন ডিজিটেল মাধ্যমৰ জৰিয়তে আখৰ শিকাৰ আগতেই শিকি ক'ব পৰা হৈ যায়। গতিকে এই প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীক দুটা বিষয়ৰ মাধ্যম পৃথক হ'লে কিবা অসুবিধাত পেলাব যেন নালাগে। আমি স্কুলীয়া শিক্ষা অসমীয়া মাধ্যমত সমাপ্ত কৰি কলেজীয়া শিক্ষা ইংৰাজী মাধ্যমত লওঁতে আৰম্ভণি পৰ্যায়ত সন্মুখীন হোৱা কিছু সমস্যা চৰকাৰৰ এই সিদ্ধান্তৰ ফলত এইসকল ছাত্ৰ-ছাত্ৰীয়ে নাপাব যে সেইটো খাটাং। প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু হওঁতেও এই কথাই নিশ্চয় সহায় কৰিব। মই নিজৰ সন্তানক অসমীয়া মাধ্যমৰ বিদ্যালয়ত নাম লগাই দিওঁতেও ভৱিষ্যতে মাধ্যম হেঙাৰ হ'ব বুলি বহুতেই উনুকিয়াই দিছিল। নিজৰ অভিজ্ঞতাৰ পৰাই দৃঢ় হৈ আছিলোঁ যে ভাষা শিক্ষা আগ্ৰহৰ ওপৰত নিৰ্ভৰশীল, শিক্ষাৰ মাধ্যম ভৱিষ্যৎ জীৱনৰ বাবে হেঙাৰ নহয়। ভাষা এটা শুদ্ধভাৱে লিখিব অধ্যৱসায়ৰ বলত আয়ত্ত কৰিব পাৰি, কথনৰ ক্ষেত্ৰত চৰ্চাৰ প্ৰয়োজন। ব্যক্তিগতভাৱে চৰকাৰৰ সিদ্ধান্তক আমি বেয়া পোৱা নাই। কিন্তু এই ব্যৱস্থাক লাহে লাহে কাৰ্যকৰী কৰি যাব লাগিব, একেবাৰতে প্ৰতিটো শ্ৰেণীত কাৰ্যকৰী কৰিব গ'লে ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সমস্যা হ'ব, শিক্ষকৰো সমস্যা হ'ব। এই ঘোষণাৰ লগে লগে অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ কম শিক্ষিত আৰু আৰ্থিকভাৱে দুৰ্বল অভিভাৱকসকল বিশেষভাৱে চিন্তিত হৈ পৰিছে। অংক, বিজ্ঞান বিষয়ত এতিয়াৰ পৰা ঘৰুৱা শিক্ষক লাগিবই বুলি তেওঁলোকৰ ভয় হৈছে। সেয়া স্বাভাৱিক। এই অভিভাৱকখিনিক সাহস দিব পৰা কাম কৰি দেখুৱাব লাগিব শিক্ষকসকলে। চৰকাৰীয়ে হওক বা ব্যক্তিগত খণ্ডৰ অসমীয়া মাধ্যমৰ স্কুলেই হওক, প্ৰত্যেকেই আগন্তুক দিনৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ এতিয়াৰ পৰাই নিজক সাজু কৰক। সম্ভাব্য আসোঁৱাহসমূহ দূৰ কৰক। অপ্ৰিয় হ'লেও সত্য ইংৰাজী ভীতি অকল ছাত্ৰ-ছাত্ৰীৰে নহয় একাংশ কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীৰো আছে। সদ্যহতে ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ে হয়তো এনে এক প্ৰচাৰ (ব্যৱসায়িক কাৰ্যপন্থা) চলাব যে ছয়টা বিষয়ৰ তিনিটা ইংৰাজী, তিনিটা অসমীয়াত পঢ়াতকৈ পাঁচটা বিষয় ইংৰাজীতে পঢ়িলে ছাত্ৰ-ছাত্ৰী কম চাপত থাকিব আৰু ছাত্ৰ-ছাত্ৰীক নহ'লেও অভিভাৱক এনে কথাত পতিয়ন যোৱাতো একপ্ৰকাৰ নিশ্চিত। তেতিয়া আকৌ শংকা কৰা ধৰণেই অসমীয়া মাধ্যমৰ, বিশেষকৈ চৰকাৰী স্কুলত ছাত্ৰ-ছাত্ৰী কমিব। তেনে দিন নাহক, তাকেই কামনা কৰি শেষত চৰকাৰৰ সিদ্ধান্তক সমৰ্থন কৰি অসমীয়া মাধ্যমত পঢ়ি থকা শিশুৰ অভিভাৱক হিচাপে এটাই অনুৰোধ কৰিম— চৰকাৰ, বিদ্যালয় কৰ্তৃপক্ষ উভয়ে সদিচ্ছাৰে আমাৰ শিশুসকলৰ ভৱিষ্যৎ উজ্জ্বল কৰিবলৈ শিক্ষা বিশেষজ্ঞৰ তত্বাৱধানত শুদ্ধ কৰ্মপন্থা হাতত লওক।

■ প্ৰণৱ চক্ৰৱৰ্তী

ফোন ঃ ৯৮৬৪১-৪৯৬৬৪

# চাহ বাগিচাৰ কৰ্মচাৰীসকলৰ জীৱন গাথাত বাস্তৱিকতাৰ ৰেখাংকন

■ জয়ন্ত ৰাজবংশী

এই পৃথিৱীত থকা সকলোৱেই একো একোটা কৰ্মৰ জৰিয়তে জীৱনক জীয়াই ৰখাৰ উদ্যমত ব্ৰতী হৈ অসীম কৰ্মপ্ৰেৰণাৰে জীৱনক সজীৱ কৰি ৰখাত একাত্মভাৱে উৎসৰ্গিত হৈ থাকিবলগীয়া হয়। ব্ৰিটিছৰ দিনৰে পৰাই অসমত থকা চাহ বাগিচাত কৰ্মজীৱন অতিবাহিত কৰা কৰ্মচাৰীসকলো এখন সমাজৰ সবল অৰিহণা আগবঢ়াব পৰা বৃহৎ প্ৰতিভূসদৃশ। এই কৰ্মচাৰীসকলৰ কৰ্মজীৱন হৈ থাকে কুঁহিয়াৰ শালৰ ঘূৰণকেইটাৰ দৰে। তথাপি কোনো এজন চাহ কৰ্মচাৰীৰে আজিলৈ কোনো আক্ষেপ প্ৰতিফলিত হোৱা দেখা নাই, কিয়নো প্ৰতিজন চাহ বাগিচাৰ কৰ্মীয়েই ভাবে কৰ্মই হৈছে জীৱনৰ প্ৰকৃত সুখ। এই কৰ্মৰ জৰিয়তেই তেওঁলোকৰ একো একোখন ঘৰ চলাবলগীয়া হয়। কৰ্মৰ বিনিময়ত যি মাহিলি দৰমহা পায় সেই দৰমহাৰে কোনোমতে দুবেলা দুমুঠি যুগুতাই পৰিয়ালটোৰ সকাহৰ বাবে এমুঠি উশাহৰ প্ৰাণস্বৰূপ হৈ উঠে একো একোখন চাহ বাগিচাৰ একো একোজন কৰ্মচাৰী। কিন্তু সাম্প্ৰতিক সময়ৰ বতাহৰ গতি প্ৰখৰ। এই বতাহে কাকো সুস্থিৰভাৱে জীয়াই ৰখাত সুখী উৎস হ'ব পৰা নাই। তথাপি চাহ বাগিচাৰ কৰ্মচাৰীসকলে বতাহ-বৰষুণক আওকাণ কৰি জীৱনক এটা নতুন ঠিকনাৰ উৎসৰ বান্ধোনেৰে জীয়াই ৰাখিব বিচাৰে। এয়া হৈছে তেওঁলোকৰ জীৱনক ভালপোৱাৰ অগাধ শ্ৰদ্ধা। এই শ্ৰদ্ধাৰ বাবেই জীৱনৰ প্ৰতি থকা অকৃতিম ভালপোৱাৰ নিপোটল ভাবগাথাৰ বাবে চাহ কৰ্মচাৰীসকলে কামৰ ক্ষেত্ৰত ফাঁকি দিয়া দেখা নাযায়। কিয়নো সহজ-সৰল জীৱন পৰিক্ৰমাৰে কৰ্মকেই সুখৰ অনন্য সাহস বুলি গ্ৰহণ কৰা চাহ কৰ্মচাৰীসকলে সদায় ভাবে আজিৰ দিনটো কেৱল নিজৰ হ'লেই নহয় এই দিনটোৰ লগত তেওঁলোকৰ প্ৰত্যাশাৰ আধাৰশিলাও প্ৰতিষ্ঠিত হৈ থাকে । এই প্ৰত্যাশা প্ৰতিজন চাহ কৰ্মচাৰীৰ হৃদয়ত প্ৰবাহিত হৈ থাকে বাবে চাহ কৰ্মচাৰীসকলে আজিলৈ কেৱল কৰ্মকেই প্ৰতিদিন উশাহৰ সন্মান বুলি গ্ৰহণ কৰি আহিছে যদিও আজিলৈ প্ৰতি খোজত চাহ কৰ্মচাৰীসকল বিভিন্ন ক্ষেত্ৰত অপ্ৰত্যাশিত কষ্টতো খোজ আগবঢ়োৱা দেখা যায়। শ্ৰম হৈছে চাহ কৰ্মচাৰীসকলৰ জীৱনক থিয়ৈ ৰখাৰ প্ৰধান শক্তি। এই শক্তি দেহ-মন উজাৰি দিয়ো চাহ কৰ্মচাৰীসকলে কেতিয়াবা কেতিয়াবা কোনো কোনো বাগিচা কৰ্তৃপক্ষৰ কটু বাক্য শুনিবলগীয়া হয়। কিছুমানে আকৌ সাধাৰণ শ্ৰমিকৰ পৰাও কটু কথা শুনিবলগীয়া হয়। তথাপি কৰ্মক জীৱনৰ উন্মেষিত কল্লোল বুলি গ্ৰহণ কৰিয়েই চাহ বাগিচাৰ কৰ্মচাৰীসকলে কৰ্মক দায়ৱদ্ধতাৰে পালন কৰি জীয়াই থকা দেখা যায়। কৰ্মচাৰীসকলৰ ক্ষেত্ৰত আজিও তথাপি কিছুমান অভাৱ অভাৱ হৈয়ে আছে। নিজৰ বাবে চিন্তা কৰিবলৈ চাহ কৰ্মচাৰীসকলে একেবাৰে কম সময় লাভ কৰে। কিছুমান নিয়ম-নীতি চাহ কৰ্মচাৰীসকলে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত কৰ্মৰেই প্ৰকৃত জীৱনৰ মূল্যায়নৰ প্ৰাচুৰ্যতাক স্পৰ্শী আগুৱাই যোৱাৰ বাবে সমাজৰ অনন্য প্ৰাচুৰ্যতাক গ্ৰহণত বহু ক্ষেত্ৰত আজিও চাহ কৰ্মচাৰীসকল বঞ্চিত হোৱা দেখা যায়। তথাপি কোনো এজন চাহ কৰ্মচাৰীয়েই আজিলৈ সমাজৰ মেৰুদণ্ড পোনাই ৰখাত অৰিহণা আগনবঢ়োৱাকৈ থকা নাই বুলি কোনোৱেই ক'ব পৰা নাই।

সমাজৰ অৰ্থনৈতিক ক্ষেত্ৰত আৰু চৰকাৰৰ নিবনুৱা সমস্যা নিৰ্মূলত বিশিষ্ট অৰিহণা আগবঢ়াই অহা চাহ কৰ্মচাৰীসকলে যিদৰে ভূমিকা গ্ৰহণ কৰিবলগীয়া আছিল সেই ভূমিকা আজিও যেন বহু ক্ষেত্ৰত দেখা পোৱা নাযায়। বিশ্ব অৰ্থনীতিৰ ভেটি টনকিয়াল কৰি ৰখাত অসমৰ চাহে এক সবল ভূমিকা গ্ৰহণ কৰি আহিছে। চেয়াৰ মাৰ্কেটত দৰ-দামৰ তল-ওপৰৰ অজুহাতৰ তুলাচনীত কোনো এজন চাহ কৰ্মচাৰীৰ মূল্যায়ন নিৰূপিত নহয়। কিয়নো চাহ কৰ্মচাৰীসকলৰ যি দৰমহা সেই দৰমহাৰেই পৃথিৱীৰ সমস্ত বাস্তৱিকতাৰ স'তে মুখামুখি হৈ চলিবলগীয়া হয়। অসমত চাহ উদ্যোগে যিমানখিনি পৰিৱেশিক প্ৰমূল্যবোধক জীয়াই ৰখাত বৰেণ্য অৱদান আগবঢ়াই আহিছে সিমানখিনি অৰিহণাৰ মাজৰ মানুহ হিচাপে প্ৰতিজন চাহ কৰ্মচাৰীৰ অৰিহণা প্ৰকট। চাহ উদ্যোগত ব্ৰিটিছৰ দিনৰে পৰা প্ৰচলিত হৈ অহা বৰ' বাবু, মতা বাবু, মাইকী বাবুকে ধৰি যি নামেৰেই নামাংকৃত হৈ নাথাকক কিয় বাবু অৰ্থাৎ কৰ্মচাৰীসকলৰ হৃদয়ৰ খবৰ, মনৰ খবৰ, জীৱনৰ সংবাদ চৰকাৰৰ শ্ৰদ্ধাৰ সন্মানীয় বিভাগীয় কৰ্তৃপক্ষয়ো গুৰুত্ব প্ৰদান কৰি ভৱিষ্যৎ কৰ্মচাৰীসকলৰ জীৱনক ইন্ধন প্ৰদান কৰিব বুলিও আশাবাদী। উদ্যোক্তা, পৰিচালক, কৰ্মচাৰী, শ্ৰমিকসকলৰ অক্লান্ত শ্ৰমৰ বিনিময়ৰে অসমৰ চাহ উদ্যোগে ভাৰতীয় অৰ্থনৈতিক দিশত যি বৰেণ্য অৰিহণা আগবঢ়াই আহিছে সেয়া হয়তো সকলো সচেতক, বৌদ্ধিক সমাজৰে জ্ঞাত।

সদৌ শেষত এই চুটি লিখাৰ জৰিয়তে আহ্বান—

ক) কৰ্মচাৰীসকলৰ জীৱন মানেই চাহ বাগিচাত অৰ্পিত প্ৰতিটো সময়ৰ জীৱন। এই জীৱনৰ গুৰুত্বতা সন্মানীয় মালিক পক্ষ, বাগিচা পৰিচালক পক্ষই সন্মান সহকাৰে গ্ৰহণ কৰিলে প্ৰতিজন চাহ বাগিচাৰ কৰ্মীয়েই নতুন উদ্যমেৰে কৰ্মমুখী হৈ সুখী হ'ব পাৰে।

খ) কৰ্মচাৰীসকলে ব্ৰিটিছৰ দিনৰে পৰা যি সুবিধাৰে নিয়োজিত হৈ আছিল সেই সুবিধাসমূহ অসমৰ বহু চাহ বাগিচাৰ কৰ্মচাৰীসকলৰ ক্ষেত্ৰত বাহাল থকা দেখা নাযায়। গতিকে বিনয়েৰে অনুৰোধ— চাহ বাগিচাৰ কৰ্মচাৰীসকলৰ জীৱনক যেন প্ৰতিখন সৰু-বৰ চাহ বাগিচাৰ উদ্যোক্তা আৰু সন্মানীয় পৰিচালকে সন্মান জনাই কৰ্মৰ বাবে সাহস আৰু উৎসাহ প্ৰদান কৰি থাকে।

গ) চাহ বাগিচাৰ কৰ্মচাৰীসকলে ঘৰৰ পৰিয়ালৰ বাবে একেবাৰে কম সময় উপহাৰ দিব পাৰে। সেয়ে সকলো চাহ বাগিচাৰ কৰ্মচাৰীসকললৈ অনুৰোধ— কৰ্মজীৱনৰ ব্যস্ততাৰ মাজত যিখিনি সময় পৰিয়ালৰ বাবে, সমাজৰ বাবে আহে সেই সময়খিনিক জীৱনৰ অমূল্য সময় হিচাপে সকলোকে উপহাৰ দিয়াতো উচিত বুলি ভাবোঁ। কিয়নো আজি যি হয় কাইলৈ হয়তো সেই বিষয়টো পৃথিৱীত সবল হৈ নাথাকিবও পাৰে। আপুনি আগবঢ়োৱা সময়ৰ উপহাৰেৰে আপোনজনক সুখী ৰখাৰ লগতে নিজকো সুখী ৰাখিব পাৰে।

ঘ) বাস্তৱ ক্ষেত্ৰত বহু দিশত বৰ্তমান সময়ত অসমৰ চাহ উদ্যোগসমূহ বিভিন্নভাৱে অপ্ৰত্যাশিত বতৰা কিছুমানৰ স'তে মুখামুখি হোৱা দেখা যায়। এই অপ্ৰত্যাশিত বতাহত স্থিৰে থকাৰ বাবে চাহ উদ্যোগৰ উদ্যোক্তাসকল, কৰ্মচাৰীসকল, শ্ৰমিকসকলৰ সবল জীৱন নিৰ্বাহৰ বাবে সাহস প্ৰদান কৰাত চৰকাৰে যিমানখিনি পাৰে সম্পূৰ্ণকৈ সহায়ৰ হাত উজান দিয়াটোও বাঞ্ছনীয় বুলি ভাবো।

ঙ) চাহ বাগিচাৰ কৰ্মচাৰীসকল, শ্ৰমিকসকলৰ বাবে চৰকাৰীভাৱে চিকিৎসক নিযুক্তি, শৈক্ষিক ক্ষেত্ৰৰ বাবে একো একোখন চাহ বাগিচাত উচ্চ শৈক্ষিক প্ৰতিষ্ঠান গঢ়ি উঠাটোও হৃদয়ৰে আহ্বান জনাওঁ। কিয়নো চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলে শ্ৰদ্ধাৰে ভাৰতীয় সংবিধানক সন্মান জনাই ৰাজনৈতিক দিশতো বিশিষ্ট অৰিহণা আগবঢ়াই আছে।

ফোন ঃ ৯৩৬৫৪-৯০২৮১

## চৰকাৰী বিদ্যালয়ত গণিত আৰু বিজ্ঞান ইংৰাজী বিষয়ত পাঠদান

# গণিতৰ শিক্ষক হিচাপে মনৰ অনুভৱ

■ ধ্ৰুৱজ্যোতি শইকীয়া

অসম চৰকাৰৰ কেবিনেট সিদ্ধান্ত অনুসৰি তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে গণিত আৰু বিজ্ঞানৰ বিষয় ইংৰাজীত পাঠদান আৰু ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমৰ প্ৰৱৰ্তনৰ সিদ্ধান্তৰ পাছতে ৰাজ্যজুৰি ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ হৈছে। বিভিন্ন দল-সংগঠন, বুদ্ধিজীৱী, শিক্ষাবিদে এই সিদ্ধান্তই অসমীয়া ভাষালৈ সংকট কঢ়িয়াই আনিব বুলি মত পোষণ কৰাৰ পৰিৱৰ্তে একাংশই সমৰ্থন কৰিছে। বিশেষকৈ বহুকেইজন ইতিমধ্যে অসমীয়া মাধ্যমত পঢ়ি পৰৱৰ্তী সময়ত ইংৰাজী মাধ্যমত বিজ্ঞান শাখাত পঢ়া কৃতী ছাত্ৰ-ছাত্ৰীয়ে এই সিদ্ধান্তক সমৰ্থন কৰিছে। ইতিমধ্যে অসমৰ কেইবাজনো গণিতজ্ঞ, শিক্ষাবিদে কেইবাটাও পৰামৰ্শ চৰকাৰলৈ আগবঢ়াইছে। মোৰ মতে চৰকাৰৰ শিক্ষা বিভাগে গণিত আৰু বিজ্ঞানৰ বিষয়ৰ কেইজনমান অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষকক লগত লৈ সিদ্ধান্তসমূহ লোৱা হ'লে সমালোচনা নহ'লহেঁতেন।

মই যোৱা ২২ বছৰ নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক গণিত পঢ়ুৱাই আছোঁ। মই পঢ়ুওৱা বহুকেইজন অসমীয়া মাধ্যমত পাঠদান কৰা ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত সফলতাৰে গণিত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে কিন্তু কোনো এজনে গণিত বিষয়তো বিদ্যালয়ত অসমীয়াত পঢ়াৰ বাবে অসুবিধা হৈছে বুলি কোৱা নাই। তেওঁলোকৰ কিন্তু পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আদি বিষয়ত ইংৰাজীত পাঠদান কৰোতে অসুবিধা হৈছিল। কাৰণ এটাই বহু শব্দ ইংৰাজীত নতুনকৈ শিকিবলগীয়া হৈছিল। মোৰ ধাৰণা মতে ইংৰাজী পাঠ্যপুথিৰ প্ৰৱৰ্তন হ'লেই ছাত্ৰ-ছাত্ৰীৰ লাভ হ'ব বুলি ভবাটো ভুল হ'ব। ইয়াৰ বাবে প্ৰাথমিক পৰ্যায়ৰ পৰা ইংৰাজী ভাষাটো শিকোৱাত আৰু কোৱাত গুৰুত্ব দিলে পৰৱৰ্তী সময়ত ইংৰাজীত পাঠদান কৰিলেও অসুবিধা নহ'ব। বৰ্তমান সময়ত বিদ্যালয়বোৰত যিদৰে ইংৰাজী বিষয়ৰ পাঠদান হয় সেইদৰে বিজ্ঞান আৰু গণিতৰ পাঠদান হ'লে ছাত্ৰ-ছাত্ৰীৰ বোজা বাঢ়িব, কাৰণ তেওঁলোকে বিষয়তো বুজিবও লাগিব আৰু লগে লগে ইংৰাজী শব্দবোৰো মুখস্থ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ সহায় হোৱাকৈ কেইটামান বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে যেনে—

১) ইংৰাজী শব্দসমূহ সৰুৰে পৰা জনাবৰ বাবে পাঠ্যপুথিবোৰ দ্বি-ভাষিক (ইংৰাজী আৰু অসমীয়া) কৰিব পাৰে। সেই ধৰণৰ পাঠ্যপুথিয়েও ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে বিষয়কেইটা ইংৰাজীত পাঠদান কৰাত সহায় কৰিব।

২) প্ৰাথমিক পৰ্যায়ৰ পৰাই ইংৰাজী বিষয়টো ভালদৰে শিকাব পৰাকৈ উপযুক্ত পাঠ্যপুথি আৰু শিক্ষকসকলক বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

৩) বিদ্যালয়বোৰত spoken English ৰ এটা বিষয় অন্তৰ্ভুক্ত কৰি ইংৰাজীত কথা পতাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে।

৪) ইংৰাজী মাধ্যমত পাঠদান কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাথমিক পৰ্যায়ৰ পৰাই এটা এলেকাত একোখন বিদ্যালয় ঠিক কৰি দিব পাৰে। যিটো প্ৰথম পৰ্যায়ত জিলা অনুসৰি ৫-১০খন বিদ্যালয়ত পৰীক্ষামূলকভাৱে ষষ্ঠ শ্ৰেণীৰ পৰা কৰা কথা কৈছে সেইটো প্ৰথম শ্ৰেণীৰ পৰাই হ'ব লাগে, কাৰণ মাজত ধৰি ছাত্ৰ-ছাত্ৰীক ইংৰাজীত পাঠদান কৰিলে ছাত্ৰ-ছাত্ৰীসকলে অসুবিধা পোৱাটো স্বাভাৱিক।

৫) গণিত আৰু বিজ্ঞানৰ শিক্ষাৰ বাবে প্ৰতিখন বিদ্যালয়ত উপযুক্ত বিজ্ঞানাগাৰৰ ব্যৱস্থা কৰিব লাগে। আৰু ইতিমধ্যে চৰকাৰে ঘোষণা কৰা মতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে যাতে বিষয়কেইটা পাঠদান কৰোতে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাই ব্যৱহাৰ কৰে।

৬) প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে অষ্টমমানৰ পৰাই কিছুমান বিশেষ পাঠদানৰ ব্যৱস্থা কৰিব লাগে আৰু সপ্তাহত এটা শ্ৰেণী বিদ্যালয়ৰ ৰুটিনত অন্তৰ্ভুক্ত কৰিব লাগে।

ওপৰৰ বিষয়কেইটাত গুৰুত্ব দিলে অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী বিষয়টোৰ প্ৰতি ভয় ভাবটো কমিব আৰু ভৱিষ্যতে কেতিয়াও বিপদত নপৰিব। ভৱিষ্যতে চৰকাৰৰ শিক্ষা বিভাগে যিকোনো বিষয়ত সিদ্ধান্ত লোৱাৰ আগতে বিদ্যালয়ত পাঠদান কৰি থকা শিক্ষক, বিশিষ্ট শিক্ষাবিদক লগত লৈ আলোচনাৰ মাজেৰে আগবাঢ়িলে নিশ্চয় সমালোচনাৰ সন্মুখীন নহ'ব।

ফোন ঃ ৯৪৩৫২-৯২০২৭

# সাম্প্ৰদায়িকতাৰ ৰাজনীতি

ভাৰতবৰ্ষত ধৰ্মীয় সাম্প্ৰদায়িকতাৰ উত্থান দিনক দিনে দ্ৰুততৰ হৈ আহিছে। এই ঘটনাটো ভাৰতৰ বস্তুগত প্ৰগতি, মননগত উৎকৰ্ষ আৰু সামাজিক কল্যাণৰ বাবে প্ৰচণ্ড ভাবুকিস্বৰূপ। বিগত কেইটামান বছৰত এই নেতিবাচক আলোড়নে এটা নতুন মাত্ৰা এটা লাভ কৰিছে, যাৰ ফলস্বৰূপে ৰাজনৈতিক ক্ষেত্ৰখনত সাম্প্ৰদায়িক নামৰ অপশক্তিটোৱে দখল কৰিছে বিপুল ক্ষমতা। ভাৰতবৰ্ষৰ পটভূমিত অতীতৰে পৰা ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰা অতি প্ৰাসংগিক। আমি নিজেও নিজৰ ধৰ্মক লৈ সদায় গৌৰৱান্বিত। কিন্তু ধৰ্ম আৰু সাম্প্ৰদায়িকতাৰ বীজ সিঁচি সমাজ বা দেশ এখনৰ অস্তিত্ব আৰু সুস্থিৰতা নাশ কৰাটো কোনোদিনে যুক্তিসংগত হ'ব নোৱাৰে। ভাৰতৰ ৰাজনীতিত ব্যাপক আৰু বিস্তাৰিতভাৱে ধৰ্মীয় সাম্প্ৰদায়িকতাক ব্যৱহাৰ কৰাৰ সূত্ৰপাত হৈছিল ইংৰাজৰ আমোলত। ইংৰাজে ভাৰতবৰ্ষত নিজৰ শোষণ আৰু শাসনৰ স্বাৰ্থতেই ধৰ্মীয় সাম্প্ৰদায়িকতাক অতি চতুৰভাৱে ব্যৱহাৰ কৰিছিল। তাৰ উদাহৰণ ভাৰতবৰ্ষৰ ইতিহাসত আজিও বৰ্ণিত আছে। সেই ইংৰাজসকলৰ ভাবধাৰাৰ দৰে আজিৰ ৰাজনৈতিক নেতাসকলে নিজৰ ৰাজনৈতিক স্বাৰ্থসিদ্ধি নাই কৰা বুলি এতিয়া ক'ব নোৱাৰি। দেশৰ ৰাজনীতিত এতিয়া কেৱল সাম্প্ৰদায়িকতা। এই সাম্প্ৰদায়িকতাই পৰৱৰ্তী সময়ত কিমান বিষবাষ্পৰ দৰে বিয়পিব পাৰে সেয়া হয়তো কল্পনাৰো অতীত। ভাৰতবৰ্ষত হিন্দু-মুছলমান উভয় পক্ষৰ সাম্প্ৰদায়িক ৰাজনীতি হৈছে আপেক্ষিক বস্তু। আপেক্ষিক এই কাৰণেই যে এটা সাম্প্ৰদায়িক ৰাজনীতিৰ লগত আন এটা সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থান-পতনৰ ওতপ্ৰোতভাৱে সম্পৰ্ক আছে। এপিনে ধৰ্মৰ ভিত্তিত ৰাজনীতি কৰি সংখ্যাগুৰুসকল যিমানেই আগুৱাই যাব, আনপিনে ভীত আৰু সন্ত্ৰস্ত হৈ ধৰ্মীয় সংখ্যালঘুসকলেও সিমানেই এক গোট হৈ সাম্প্ৰদায়িক ৰাজনীতি আৰম্ভ কৰিব। সংখ্যাগুৰুসকলৰ সাম্প্ৰদায়িক ৰাজনীতিৰ ভয়ত পেঁপুৱা লাগি ধৰ্মীয় সংখ্যালঘুসকল একত্ৰিত হয় আৰু তেওঁলোকেও সাম্প্ৰদায়িক ৰাজনীতি কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলত ধৰ্মক মূল হাতিয়াৰ হিচাপে লৈ ৰাজনীতি কৰা দুয়ো পক্ষৰ চতুৰ ৰাজনীতিকসকলৰ লাভ হয়। হিন্দু নেতাসকলে হিন্দু ভোটাৰক মুছলমানৰ ভয় দেখুৱাই ভোট আদায় কৰে, আনপিনে মুছলমান নেতাসকলে হিন্দুৰ ভয় দেখুৱাই মুছলমানৰ ভোট আদায় কৰে। দুয়ো পক্ষৰেই ৰাজনীতিৰ দোকানখন চলি থাকে অনায়াসে। কেন্দ্ৰকে আদি কৰি ভাৰতবৰ্ষৰ বহুতো ৰাজ্যত এতিয়া এইজাতীয় ৰাজনীতিৰ জয়-জয়কাৰ। সাম্প্ৰদায়িক ৰাজনীতিৰ চাকনৈয়াত পৰি সাধাৰণ মানুহে হাবুডুবু খায়, কিন্তু দুয়োপক্ষৰ সাম্প্ৰদায়িক নেতাসকলে তেওঁলোকৰ মাজৰ ব্যক্তিগত সম্পৰ্ক ঠিকেই ৰাখে। কেৱল ৰাইজক দেখুৱাই এজনে আনজনক হকে-বিহকে গোৱাল গালি পাৰে। সেই যে আমাৰ এষাৰ কথা আছে— 'লোকক দেখুৱাই কেটেৰাই মাতিবা, ভিতৰি নেৰিবা ব্যথা'। এনেকুৱা ৰাজনীতিত জনসাধাৰণ উলম্বভাৱে বিভাজিত হৈ পৰে। নেতাবোৰৰ ৰাজনীতি চলিয়েই থাকে, মাজৰ পৰা ৰৌ ৰৌ নৰকত পৰি মৰে দেশৰ জনতা। তেনেহ'লে এতিয়া জনতাই কৰিব কি? আধুনিকতাই স্থান লোৱা আমাৰ দেশত কেতিয়ালৈকে থাকিব সাম্প্ৰদায়িকতাৰ স্থান? নেতাসকলে জনতাৰ দুৰ্বলতাৰ সুযোগ লৈ নিজৰ স্বাৰ্থসিদ্ধি আৰু ৰাজনৈতিক সমল হিচাপে কৰি যাব সাম্প্ৰদায়িক মন্তব্য আৰু ফল ভোগ কৰি থাকিব জনতাই। সাম্ৰদায়িকতাৰ পোষকতা কৰা প্ৰতিজন মানুহেই শিক্ষিত আৰু সু-প্ৰতিষ্ঠিত। আমি হাজাৰ চেষ্টা কৰি এজনো অশিক্ষিত, দুখীয়া মানুহ বিচাৰি নাপাওঁ যিজন সাম্প্ৰদায়িক হ'ব।

■ জনাৰ্দন তালুকদাৰ

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

### মথাউৰিত ৰয়েল এনফিল্ড চলাই শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰিদৰ্শন কৰিলে ধেমাজিৰ মথাউৰি

## বানপৰিস্থিতি উন্নত হোৱাৰ লগে লগে নিৰ্মাণ কৰা হ'ব বগলীজানৰ সাপেখাঁতী ভগ্ন মথাউৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩ আগষ্ট ঃ** ধেমাজিৰ বানপৰিস্থিতি কিছু পৰিমাণে উন্নত হোৱাৰ সময়তে কালি ধেমাজি সমষ্টিৰ বিধায়ক তথা ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৩১ জুলাইত জীয়াধলৰ ভয়াবহ বানে উটুৱাই নিয়া কুমটীয়া সোঁপাৰৰ মথাউৰিৰ বগলীজান-সাপেখাঁতী অংশ পৰিদৰ্শন কৰে। মন্ত্ৰী পেগুৱে জলসম্পদ দপ্তৰৰ শীৰ্ষ বিষয়াসকলৰ সৈতে প্ৰায় ৭০ মিটাৰ ভগ্ন মথাউৰিৰ অংশ পৰিদৰ্শন কৰি সমগ্ৰ পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীজনে জলসম্পদ বিভাগক পানী শুকাই যোৱাৰ লগে লগে মথাউৰিটো মেৰামতি কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰী পেগুৱে ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণ দিয়াৰ আশ্বাস প্ৰদান কৰাৰ লগতে জীয়াধল নদীৰ বুকুত থকা দিহিৰি কছাৰী, দিহিৰি চাপৰি আৰু দিহিৰি লেপচৰ গাঁওবাসীক শীঘ্ৰে পুনৰ সংস্থাপন কৰা হ'ব বুলি মন্তব্য কৰে। উল্লেখ্য যে ইয়াৰ পিছতে মন্ত্ৰী পেগুৱে বৰ্মন গাঁৱৰ নিৰ্মীয়মাণ মথাউৰিৰ ওপৰত ৰয়েল এনফিল্ড চলাই মথাউৰি পৰিদৰ্শন কৰে। ইফালে, ধেমাজিৰ সাংবাদিকৰ সৈতে সম্বোধন কৰা সাংবাদ মেলত কুমটীয়া বাঁওপাৰৰ অতি দুৰ্বল মথাউৰিটো নবোৱা থান আঞ্চলিক পঞ্চায়তৰ সদস্য সুনীল সোণোৱালৰ নেতৃত্বত নেপৰীয়া ৰাইজৰ সহযোগত জলসম্পদ বিভাগৰ কৰ্মচাৰীয়ে বহু কষ্টৰে মথাউৰিটোৰ বিভিন্ন অংশত ওলোৱা পানীৰ ওৰ বন্ধ কৰি মথাউৰিটো ৰক্ষা কৰাৰ বাবে ৰাইজক ধন্যবাদ জনায়। ইয়াৰ পূৰ্বে মন্ত্ৰী পেগুৱে আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিবিৰত থকা বানাক্ৰান্ত লোকসকলৰ সুবিধা-অসুবিধাৰ বুজ লয়।

### ৪০ বছৰ পুৰণি সৰ্পমাৰী এল পি স্কুল বিলুপ্তিকৰণ

# ছাত্ৰ-ছাত্ৰী, অভিভাৱক-স্থানীয় ৰাইজৰ প্ৰতিবাদত উত্তাল বিদ্যালয় চৌহদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৩ আগষ্ট ঃ** ধুবুৰী জিলাৰ আগমনি শিক্ষা খণ্ডৰ অধীনস্থ সৰ্পমাৰী গাঁওস্থিত ৪০ বছৰ পুৰণি সৰ্পমাৰী এল পি স্কুলখন বিভাগীয় কৰ্তৃপক্ষই বিলুপ্তিকৰণ কৰাৰ প্ৰতিবাদত কালি বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তামাৰহাট থানা তথা গোলকগঞ্জ ৰাজহ চক্ৰৰ অন্তৰ্গত সৰ্পমাৰী গাঁওখনৰ সাধাৰণ ৰাইজ, বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে আজি বিদ্যালয় প্ৰাংগণত সমবেত হৈ 'সৰ্পমাৰী গাঁৱত থকা একমাত্ৰ প্ৰাথমিক বিদ্যালয়খন বিলুপ্তিকৰণ নচলিব', 'সৰ্পমাৰী এল পি স্কুলখন বাহাল ৰাখক', 'বিভাগীয় কৰ্তৃপক্ষৰ হঠকাৰী সিদ্ধান্ত বাতিল কৰক', 'কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান ব্যাঘাত কৰা বন্ধ কৰক' আদি প্ৰতিবাদী শ্ল'গানেৰে বিদ্যালয়খনৰ পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে আগমনি শিক্ষা খণ্ডৰ অন্তৰ্গত সৰ্পমাৰী ৰাজহ গাঁওখনত এখনো বিদ্যালয় নথকাত গাঁওখনৰ কণ কণ ল'ৰা-ছোৱালীসকলৰ শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় ৰাইজে ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি ১৯৮৩ চনতে সৰ্পমাৰী এল পি স্কুলখন স্থাপন কৰিছিল। তেতিয়াৰ পৰাই প্ৰায় চল্লিশ বছৰ ধৰি দুগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে বিনা দৰমহাৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক নিয়মিতভাৱে পাঠ দান কৰি অহাৰ লগতে মধ্যাহ্ন ভোজনৰ আহাৰো নিয়মিতভাৱে খুৱাই আহিছিল। সুদীৰ্ঘ ৩৯ বছৰৰ অন্তত ২০২১ চনৰ পাঁচ ফেব্ৰুৱাৰীত বিভাগীয় কৰ্তৃপক্ষই বিদ্যালয়খনৰ শিক্ষক দুগৰাকীক টিউটৰ হিচাপে নিযুক্তি-পত্ৰ প্ৰদান কৰি প্ৰায় দুই কিলোমিটাৰ নিলগত অৱস্থিত ৩৬৫ নম্বৰ ভেৰভেৰী এল পি স্কুলত পাঠদান কৰাৰ বাবে নিৰ্দেশ দিয়ে। কিন্তু তাৰ কেইদিন মান পাছতে বিভাগীয় কৰ্তৃপক্ষই উক্ত শিক্ষক-শিক্ষয়িত্ৰী দুগৰাকীক নিজা বিদ্যালয় সৰ্পমাৰী এল পি স্কুলত পাঠ দান কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। তেতিয়াৰ পৰাই প্ৰধান শিক্ষক অনিল চন্দ্ৰ ৰায় আৰু সহকাৰী শিক্ষয়িত্ৰী প্ৰতিমা ৰায়ে নিয়মিতভাৱে প্ৰায় ৬০গৰাকী ছাত্ৰ-ছাত্ৰীক পাঠ দান কৰি আহিছে। কিন্তু যোৱা জুলাই মাহৰ ১৭ তাৰিখৰ সিদ্ধান্ত মৰ্মে বিভাগীয় কৰ্তৃপক্ষই সৰ্পমাৰী এল পি স্কুলখন বিলুপ্তিকৰণ কৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীদ্বয়ক পুনৰ ভেৰভৰী এল পি স্কুলত পাঠ দান কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰে । বিভাগীয় কৰ্তৃপক্ষৰ উক্ত নিৰ্দেশৰ বিষয়ে অৱগত হোৱাৰ পিছত গাঁওখনৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে গোলকগঞ্জ ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজহ গাঁও সৰ্পমাৰী গাঁওখনত প্ৰাথমিক বিদ্যালয়কে ধৰি আন কোনো ধৰণৰ বিদ্যালয় নাই। আন কোনো বিদ্যালয় নথকা গাঁওখনৰ একমাত্ৰ এল পি স্কুলখন কি কাৰণত বিভাগীয় কৰ্তৃপক্ষই বিলুপ্তি ঘটালে তাকে লৈ সৰ্বত্ৰ ৰাইজৰ মাজত প্ৰশ্ন উত্থাপিত হৈছে। যি সময়ত সৰ্বদিশতে পিছপৰি থকা কোচ ৰাজবংশী জনগোষ্ঠীটোৰ উন্নয়নৰ হকে অসম চৰকাৰে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন কৰি দিছে তেনে সময়তে প্ৰায় ৯৫ শতাংশ কোচ-ৰাজবংশী জনগোষ্ঠীৰ অতি দুখীয়া লোকে বসবাস কৰা গাঁওখনৰ একমাত্ৰ বিদ্যালয়খন বিলুপ্তি ঘটাত জনগোষ্ঠীটোৰ ল'ৰা-ছোৱালীবোৰ মৌলিক শিক্ষা লাভৰ পৰা বঞ্চিত হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। কাৰণ গাঁওখনৰ দুখীয়া ৰাইজে ২/৩ কিলোমিটাৰ আঁতৰৰ বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুৱাবলৈ সমৰ্থবান নহয়। গতিকে গাঁওখনৰ ৰাইজে সৰ্পমাৰী এল পি স্কুলখন আগৰ ঠাইতে বাহাল ৰাখিবলৈ অসমৰ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ ওচৰত দাবী জনাইছে।

## গোলাপাৰাত বান সাহায্যৰ টকা সুমুৱাই দিয়াৰ নামত ধন সংগ্ৰহৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ৩ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী সমষ্টিৰ মানাহ নদীৰ প্ৰলয়ংকৰী বানৰ সময়ত ঘৰদুৱাৰ এৰি গোলাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় আশ্ৰয় শিৰিৰত আশ্ৰয় লৈ আছিল কেইবা শতাধিক পৰিয়াল। তাৰে গোলাপাৰা তৃতীয় খণ্ডৰ শতাধিক লোক আশ্ৰয় শিবিৰত আছিল আৰু চৰকাৰে আশ্ৰয় শিবিৰত থকা লোকক এককালীন সাহায্য প্ৰদান কৰাৰ ঘোষণা কৰে। তাৰ পিছতে একাংশ দালালৰ চকু পৰে উক্ত ধনৰ ওপৰত। গোলাপাৰাত দুই দালালে দৰিদ্ৰ লোকক টকা একাউণ্টত সুমুৱাই দিয়াৰ নামত ৫-৬০০কৈ টকা সংগ্ৰহ কৰি আছে। গাঁওৰক্ষী বাহিনীৰ সম্পাদক নুৰুল ইছলাম আৰু বদৰুল ইছলামৰ নামৰ দালাল দুজনে সহজ-সৰল মহিলাৰ পৰা অবাধে ধন সংগ্ৰহত নামি পৰে। কে'বাগৰাকী মহিলাই ধন দিয়াৰ ভিডিঅ' ছ'চিয়েল মেডিয়াত ভাইৰেল হোৱাৰ পিছত সামাজিক মেল অনুষ্ঠিত হয়। সামাজিক মেলত যিসকল মহিলাৰ পৰা ধন লৈছে সেই টকা ঘূৰাই দিবলৈ কয়। পিছত দালাল দুজনে মহিলাক ভাবুকি দি ওলোটাই মন্তব্য লৈ ফেচবুক পেজত ভাইৰেল কৰে। এই ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিভাগীয় কৰ্তৃপক্ষক তদন্ত কৰি বান সাহায্যৰ টকাৰ প্ৰতি কোপত দৃষ্টি দিয়া দালালৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ দাবী জনাইছে।



'শোণিতপুৰ জিলা দিৱস' উপলক্ষে জিলা প্ৰশাসনে উলিওৱা চাইকেল ৰেলী, বুধবাৰে

## ৰঙাপৰাত বিত্ত বিভাগৰ উপ-সচিব সংঘমিত্ৰা ভাগৱতীৰ আদৰ্শ গাঁও যোজনাৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ৩ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত দুলাপাদুং চাহ বাগিচাত উপস্থিত হৈ বিত্ত বিভাগৰ উপ-সচিব সংঘমিত্ৰা ভাগৱতীয়ে আদৰ্শ গাঁও যোজনাৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। দুলাপাদুং চাহ বাগিচাৰ ২নং টি জি এল পি স্কুলত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি বিত্ত সচিব সংঘমিত্ৰা ভাগৱতীয়ে আদৰ্শ গাঁও যোজনাৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি যোজনাৰ কাম কাজ সঠিক দিশত ৰূপায়ণৰ বাবে যাৱতীয় দিহা পৰামৰ্শ প্ৰদান কৰে। গাঁৱক বহনক্ষম উন্নয়নৰ দিশত সবলীকৰণৰ বাবে আন্তঃগাঁথনি আৰু গুণগত মানৰ সেৱা প্ৰদানৰ বাবে এই আঁচনিখন হাতত লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। গাঁৱৰ সামগ্ৰিক আৰু সৰ্বাংগীণ সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক বিকাশক মৌলিক লক্ষ্য হিচাপে লৈ আদৰ্শ গাঁও হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰৰ বিশেষ পদক্ষেপ বুলি মন্তব্য কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক গাঁওবাসীৰ সৈতে বৈঠক অনুষ্ঠিত কৰি এই আঁচনিৰ পৰা জনসাধাৰণে যাতে সহজে উপকৃত হ'ব পাৰে সেই উদ্দেশ্যৰে পৰিকল্পনা প্ৰস্তুত কৰিবলৈ কয়। ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, দুলাপাদুং চাহ বাগিচাৰ শ্ৰম কল্যান বিষয়া ৰবিন্দৰ সিং, ফুলুগুৰি গাঁও পঞ্চায়তৰ সচিব কমল দৰ্জী, ফুলুগুৰি গাঁও পঞ্চায়তৰ সভাপতি কৈলাস উৰাং সভাত অংশগ্ৰহণ কৰে। আজি দিনৰ ১২মান বজাত দুলাপাদুং চাহ বাগিচাত উপস্থিত হৈ সংঘমিত্ৰা ভাগৱতীয়ে নিৰ্মাণাধীন আদৰ্শ গাঁও তোৰণ, শিশু উদ্যান, জগন্নাথ মন্দিৰ, দুলাপাদুং চাহ বাগিচা চিকিৎসালয়, অংগনৱাড়ী কেন্দ্ৰ আদি পৰিদৰ্শন কৰে।

## তেজপুৰত শিক্ষা কল্যাণ ন্যাসৰ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩ আগষ্ট ঃ** পশ্চিম তেজপুৰ অঞ্চলৰ এক অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান 'শিক্ষা কল্যাণ ন্যাস, তেজপুৰ'ৰ ২০২২ বৰ্ষৰ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান কালি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে পশ্চিম বিহগুৰি অঞ্চলৰ গোপীনাথ বৰদলৈ মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। অঞ্চলটোৰ বৃহৎ সংখ্যক শিক্ষানুৰাগী ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ সমাৱেশেৰে ন্যাসৰ সভাপতি দীননাথ নিৰলাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত অঞ্চলটোৰ ১৪গৰাকী উচ্চ মাধ্যমিক উত্তীৰ্ণ আৰু ২৬জন উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পদ্মিনী প্ৰিয়ংকাক ন্যাসৰ তৰফৰ পৰা অভিনন্দন জনোৱা হয়। সভাত শিক্ষা কল্যাণ ন্যাসৰ জৰিয়তে সমাজকৰ্মী অৰুণা দেৱীয়ে আগবঢ়োৱা নন্দিৰাম নাথ আৰু ইন্দ্ৰপ্ৰসাদ নাথ সোঁৱৰণী নগদ ধন আৰু বঁটা ৪গৰাকী আৰ্থিকভাৱে পিছপৰা মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰাৰ লগতে উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত অঞ্চলটোৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক ন্যাসৰ প্ৰতিষ্ঠাপক সভাপতি কিনাৰাম নাথে আগবঢ়োৱা 'তিলো দেৱী সোঁৱৰণী' নগদ ধন আৰু 'ৰবিৰাম নাথ স্মৃতি বঁটা' প্ৰদান কৰা হয়। ন্যাসৰ সহকাৰী সম্পাদক জ্যোতি নাথে আঁত ধৰা সভাখনত অৱসৰপ্ৰাপ্ত অধ্যাপক জয়নাৰায়ণ লুইটেল, কিনাৰাম নাথ, অৰুনা দেবী, শশীভূষণ নাথ, মঞ্জু দেবী, গোপীনাথ বৰদলৈ মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক গংগাধৰ নাথ, মন্টু নাথ, স্থানীয় পঞ্চায়ত সভাপতি খেমলাল ছেত্ৰী, মানস জ্যোতি নাথ আদিয়ে নিজা নিজা বক্তব্য প্ৰদান কৰি ন্যাসৰ প্ৰচেষ্টাৰ শলাগ লয়। প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ উপস্থিতিত আৰু গোপীনাথ বৰদলৈ মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন তথা ন্যাসৰ প্ৰাক্তন সভাপতি সদ্য প্ৰয়াত দুৰ্গেশ্বৰ নাথৰ স্মৃতিত সভাই গভীৰ শোক কৰাৰ অন্তত শিক্ষক বসন্ত নাথৰ পৰিচালনাত নিকিতা দেৱীয়ে সংগীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত অঞ্চলটোৰ ৮গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক- কৰ্মচাৰী আৰু ৫ গৰাকী বয়োজ্যেষ্ঠ লোকক সম্বৰ্ধনা জনোৱা হয়।



সংবাদ মেল সম্বোধন বীৰ লাচিত সেনাৰ বিষয়ববীয়াৰ, দিছপুৰ প্ৰেছ ক্লাবত বুধবাৰে

## ৬ আগষ্টত চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** এইবাৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাই অহা ৬ আগষ্টত চিলাপথাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাজহুৱাকৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিব। সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত অনুষ্ঠিত হ'ব লগা এই বিশেষ অভিনন্দন অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় নেতৃত্ব, স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক আৰু শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকল উপস্থিত থাকিব। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত ৮৫ শতাংশৰ উৰ্দ্ধত নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ হৈ সভাপতি বিক্ৰমজিৎ গগৈ আৰু সম্পাদক পাপলু গগৈয়ে অভিনন্দন অনুষ্ঠানলৈ নিমন্ত্ৰণ জনাইছে।

# ছফিকুলৰ নেতৃত্বত ফাঁচি ৰোডত চলিছে ড্ৰাগ্‌ছৰ সাম্ৰাজ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ আগষ্ট ঃ** বিগত সময়ছোৱাত নগাঁও চহৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত চলা ড্ৰাগ্‌ছৰ অবাধ বেহাৰ ফলতে বহু পৰিয়াল সৰ্বস্বান্ত হৈছিল। ড্ৰাগ্‌ছৰ বাবেই বহু যুৱকে ঘৰৰ সা-সম্পত্তি বিক্ৰী কৰি পৰিয়ালক সৰ্বস্বান্ত কৰা বহু ঘটনাই সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ড্ৰাগ্‌ছ আসক্ত হৈ মৃত্যুক সাবটি লৈছিল বহু যুৱকে। নগাঁও চহৰৰ মৰিকলঙৰ এটা পৰিয়ালৰে তিনিজনকৈ যুৱকে ড্ৰাগ্‌ছৰ বাবেই মৃত্যুক সাবটি লোৱা ঘটনাই সংবাদ মাধ্যমৰো দৃষ্টি আকৰ্ষণ কৰিছিল। আনকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগাঁৱৰ বঢ়মপুৰত ড্ৰাগ্‌ছ দাহন কৰিবলৈ অহা কাৰ্যসূচীতো ড্ৰাগ্‌ছৰ বাবে সৰ্বস্বান্ত হোৱা বহু পৰিয়ালে ড্ৰাগ্‌ছৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীগৰাকীয়ে লোৱা স্থিতিক প্ৰশংসা কৰি নগাঁৱক ড্ৰাগ্‌ছমুক্ত কৰিবলৈ আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীগৰাকীৰ নিৰ্দেশত সমগ্ৰ অসমৰ লগতে নগাঁৱতো আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে বহু অভিযান চলাইছিল। আৰক্ষীৰ কঠোৰ স্থিতিৰ বাবেই ২০২১ চনৰ শেষৰ ফালে নগাঁও চহৰ ড্ৰাগ্‌ছমুক্ত হোৱাৰ দিশে আগবাঢ়িছিল। ইফুকে ধৰি বহু কুখ্যাত ড্ৰাগ্‌ছ মাফিয়া আৰক্ষীৰ গুলীত ধৰাশায়ী হৈ ৰঙাঘৰৰ আলহী হৈছিল। পিছে ২০২২ চনৰ মে' মাহৰ আৰম্ভণিৰে পৰা পুনৰ নগাঁৱত ড্ৰাগ্‌ছৰ প্ৰচলন আৰম্ভ হ'বলৈ ধৰিলে। আৰক্ষীৰ ধাৰাবাহিক অভিযানৰ বাবে ড্ৰাগ্‌ছমুক্ত হোৱা ফাঁচি ৰোডত পুনৰ মুকলিকৈ ড্ৰাগ্‌ছৰ সেৱন আৰু ড্ৰাগ্‌ছৰ বেহা আৰম্ভ হ'বলৈ ল'লে। শেহতীয়াকৈ ফাঁচি ৰোডৰ ৰে'ল আলিত ড্ৰাগ্‌ছ সেৱন কৰি থকা সন্দৰ্ভত সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হোৱাৰ পিছতে সোমবাৰে ফাঁচি ৰোডত ড্ৰাগ্‌ছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলায়। আৰক্ষীৰ অভিযানকাৰী দল দেখি ফাঁচিৰোডত ড্ৰাগ্‌ছ সেৱন কৰি থকা বহু লোকে পলায়ন কৰে। পিছে ড্ৰাগ্‌ছৰ বিৰুদ্ধে সমগ্ৰ অসমতে আৰক্ষীয়ে কঠোৰ অভিযান চলোৱাৰ পিছতো কাৰ আশীৰ্বাদত নগাঁৱত মুকলিকৈ ড্ৰাগ্‌ছৰ বেহা চলিছে তাক লৈ প্ৰশ্ন উঠিছে। একাংশ লোকৰ মতে, মিণ্টু আৰু লস্কৰ নামৰ দুগৰাকী ব্যক্তিয়ে ফাঁচি ৰোডৰ অবৈধ ড্ৰাগ্‌ছ ব্যৱসায়ীৰ পৰা আৰক্ষীৰ নামত ধন সংগ্ৰহ কৰে। উল্লেখ্য যে, মিণ্টু বৰবজাৰ এলেকাত আৰক্ষীৰ দালাল হিচাপে পৰিচিত। ইফালে লস্কৰ উপাধিৰ ব্যক্তিগৰাকী আৰক্ষীতে কৰ্মৰত বুলি স্থানীয় একাংশ লোকে দাবী কৰিছে। দুয়োগৰাকীয়ে ফাঁচি ৰোডৰ ছফিকুলৰ পৰা ড্ৰাগ্‌ছৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। ৰাইজৰ অভিযোগ, ছফিকুল আৰু তেওঁৰ পত্নীয়ে ফাঁচি ৰোডত মুকলিকৈ ড্ৰাগ্‌ছৰ বেহা চলাই আছে। ফাঁচি ৰোডত চলি থকা ড্ৰাগ্‌ছৰ এই বেহাৰ বাবেই নগাঁৱৰ বৈদ্যটোপ, মধুপুৰ, মিলনপুৰ, চীনাপট্টী, আজাদ নগৰ, ফৌজদাৰীপট্টী আদি অঞ্চলৰ বহু লোক সৰ্বস্বান্ত হৈছে। সেয়ে স্থানীয় ৰাইজে এইক্ষেত্ৰত চৰকাৰক উচিত পদক্ষেপ লোৱাৰ বাবে আহ্বান জনাইছে।

## নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহৰ প্ৰথম নিশাই দৰ্শকৰ অভূতপূৰ্ব সঁহাৰি

### লক্ষ্মীনাথ বেজবৰুৱাৰ চৰিত্ৰৰ আলমত দীপক মহন্তৰ বহু চৰ্চিত নাটক 'গজপুৰীয়া'

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩ আগষ্ট ঃ** তেজপুৰবাসীৰ অতি আদৰৰ চেনেহৰ নাট্যকাৰ-পৰিচালক দীপক মহন্তৰ কায়িক অবৰ্তমানত কালি নিশা তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ শিল্পীয়ে দীপক মহন্তৰ বহু চৰ্চিত জনপ্ৰিয় নাটক 'গজপুৰীয়া'ৰ বলিষ্ঠ মঞ্চায়ন কৰি দৰ্শকৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰে। নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহৰ প্ৰথম দিনটোত বাণ থিয়েটাৰৰ দ্বাৰা পৰিৱেশিত নাটকখনৰ সকলো শিল্পীয়ে নিজ নিজ অভিনয় দক্ষতাৰে দৰ্শকক সন্মোহিত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে নটসূৰ্য ফণী শৰ্মাৰ ৫২সংখ্যক স্মৃতি দিৱসৰ লগত সংগতি ৰাখি তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰে বিগত বছৰৰ দৰে আয়োজন কৰা নাট সমাৰোহৰ বাণ থিয়েটাৰ প্ৰযোজিত আৰু দীপক মহন্তৰ উত্তৰসূৰী দক্ষ নাট্যশিল্পী তথা বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী পৰিচালিত আৰু মনোৰঞ্জন মহন্ত সহঃ পৰিচালিত নাটখন মঞ্চস্থ কৰাৰ পূৰ্বেই বাণ থিয়েটাৰৰ সেউজ কক্ষত বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাই সকলো কুশীলৱকে আশীৰ্বাদ প্ৰদান কৰি নাটকখনৰ সফলতা কামনা কৰে। ইয়াৰ পিছতেই বাণ থিয়েটাৰৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ কেওটে আনুষ্ঠানিকভাৱে নাটকখন উদ্বোধন কৰি নাটকখনৰ বিষয়বস্তু আৰু প্ৰয়াত দীপক মহন্তৰ নাটকশৈলীৰ ওপৰত আলোকপাত কৰি দীপক মহন্তলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই শ্বেইক্সপীয়েৰৰ 'ফলষ্টাফ' চৰিত্ৰৰ দৰেই 'চক্ৰধ্বজ সিংহ' নাটকত 'গজপুৰীয়া' নামৰ বিশেষ চৰিত্ৰ সৃষ্টি কৰিছিল। সেই চৰিত্ৰৰ আলম লৈ নাট্যকাৰ দীপক মহন্তই সম্পূৰ্ণ হাস্য ব্যংগাত্মক শৈলীৰে, থলুৱা লোকগীত, লোকবাদ্যৰ সমাহাৰ ঘটাই পৰিৱেশন কৰা নাটকখনে তাহানিতেই নাট্যপ্ৰেমী ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। সমসাময়িক সামাজিক- ৰাজনৈতিক ঘটনা প্ৰবাহক তীৰ্যক ব্যংগ আৰু হাস্য ৰসেৰে সজাই বিশেষ বাৰ্তা দিবলৈ সক্ষম হোৱা নাটকখনত পৰিচালক জিতুমণি দেৱচৌধুৰীয়ে নিজেই গীতাংশৰ নেতৃত্ব বহন কৰি আগুৱাই নিয়াৰ লগতে বিজয় শংকৰ শইকীয়াৰ মনোগ্ৰাহী আলোক সম্পাত, উদীয়মান সংগীত শিল্পী অমিত বড়ো আৰু গীতাৰ্থ হৰি কাশ্যপৰ লোকবাদ্যৰ সুন্দৰ প্ৰয়োগৰ উপৰি দিব্যজ্যোতি নাথৰ ৰূপসজ্জা, ৰঞ্জন সৰকাৰৰ শব্দ নিয়ন্ত্ৰণ আৰু বিশিষ্ট কলা নিৰ্দেশক কুলেন বৰাৰ দৃশ্য সজ্জাই সামগ্ৰীক সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হয়। নাটকখনৰ 'গজপুৰীয়া'ৰ চৰিত্ৰত তিলক নাথ আৰু 'গজপুৰীয়ানী' চৰিত্ৰত মুন ডেকাই প্ৰাণস্পৰ্শী অভিনয় কৰি দৰ্শকক আপ্লুত কৰা পৰিলক্ষিত হয়। একেদৰে টোকোৰাৰ চৰিত্ৰত মৃগেন বড়া, হৰ নাথ ডাৰোগাৰ চৰিত্ৰত অশ্বিনী বৰা, নবীনৰ চৰিত্ৰত অচ্যুত শৰ্মা, বৰফুকনৰ চৰিত্ৰত ৰাজীৱ মহন্ত, টকৌৰ চৰিত্ৰত প্ৰহ্লাদ তালুকদাৰ, জপৰা-জাফৰৰ চৰিত্ৰত শশাংক বৰা, সিন্ধিৰামৰ চৰিত্ৰত নিতুমণি কলিতা, প্ৰিয়ৰামৰ চৰিত্ৰত উজ্জ্বল শইকীয়া, বায়নৰ চৰিত্ৰত খনিন্দ্ৰ কুমাৰ ডেকা আৰু কিতিৰ চৰিত্ৰত কৃশাংঙ্গী শইকীয়াই মনপৰশা অভিনয় কৰি দৰ্শকক প্ৰায় ডেৰ ঘণ্টা সময় মুগ্ধ কৰি তোলে। নাটকখনৰ অন্য দুটি চৰিত্ৰত অভিনয় কৰিছিল কিশোৰ শৰ্মা আৰু গুণেশ্বৰ বড়োৱে। আনহাতে আলোক নিয়ন্ত্ৰণত উজ্জ্বল শইকীয়া, দৃশ্য সজ্জাত গৌতম কোঁচ, চৈয়দ হাৰুণ ৰছিদ আৰু জয়ন্ত শৰ্মাই নাটকৰ বিভিন্ন দিশত সহযোগিতা আগবঢ়ায়।

### আবকাৰী বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

## বিষয়া-কৰ্মচাৰীক দুৰ্নীতিবিৰোধী অৱস্থান গ্ৰহণ কৰি জনসাধাৰণৰ সেৱাত ব্ৰতী হ'বলৈ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি জনতা ভৱনৰ সভাকক্ষত আবকাৰী বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই অৰুণাচল আৰু মেঘালয়ৰ পৰা যাতে অবৈধভাৱে অসমলৈ সুৰা আনিব নোৱাৰে তাৰ বাবে সীমামূৰীয়া জিলাকেইখনৰ আন্তঃৰাজ্যিক সীমাৰ সমীপত অস্থায়ী নিৰীক্ষণ চকী স্থাপন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। তেওঁ আবকাৰী বিভাগত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ খালী পদসমূহ পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰে। আবকাৰী কনিষ্টবল নিযুক্তিৰ বাবে আৰক্ষী কনিষ্টবল নিযুক্তি ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰক্ৰিয়াৰ সৈতে একত্ৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে শূন্য সহনশীলতা গ্ৰহণ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আবকাৰী বিভাগৰ সমূহ বিষয়া-কৰ্মচাৰীক সততা, নিষ্ঠা আৰু স্বচ্ছতাৰে দুৰ্নীতি বিৰোধী অৱস্থান গ্ৰহণ কৰি জনসাধাৰণৰ সেৱাত ব্ৰতী হ'বলৈ নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকত আবকাৰী, পৰিবহন তথা মীন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিন্‌হা, আবকাৰী বিভাগৰ আয়ুক্ত-সচিব ৰাকেশ কুমাৰ আৰু আবকাৰী বিভাগৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## যোগীঘোপাত অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ ব্যাপক অৰাজকতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৩ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ খেলুৱাপাৰা ৪ৰ্থ খণ্ডৰ অংগনৱাড়ী কেন্দ্ৰৰ অংগনৱাড়ী কৰ্মী এগৰাকীয়ে চৰম অৰাজকতা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। অংগনৱাড়ী কৰ্মীগৰাকীৰ বিৰুদ্ধে আজি স্থানীয় ৰাইজে বঙাইগাঁও জিলাৰ উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰিছে। অভিযোগত মতে, অংগনৱাড়ী কৰ্মীগৰাকীয়ে কেন্দ্ৰটোত কণ কণ শিশুসকলৰ বাবে অহা শিশু খাদ্য, সামগ্ৰী আৰু সাজ-পাৰ আদি বিতৰণ নকৰাকৈ নিজে আত্মসাৎ কৰি আহিছে। আনকি কেন্দ্ৰটো সম্পূৰ্ণৰূপে বন্ধ কৰি ৰাখি কণ কণ শিশুসকলক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে বুলি অভিযোগত উল্লেখ। এই বিষয়ে স্থানীয় ৰাইজে কেইবাবাৰো অংগনৱাড়ী কৰ্মীগৰাকীৰ বিৰুদ্ধে অভিযোগ দিছিল যদিও অংগনৱাড়ী কৰ্মীগৰাকীয়ে কোনো গুৰুত্ব প্ৰদান নকৰি নিজৰ খেয়াল-খুচি মতে কেন্দ্ৰ চলাই অহাৰ অভিযোগ উত্থাপিত হৈছে।




গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ ওপৰত চলোৱা লাঠীচালনাৰ বিৰুদ্ধে নলবাৰী মহাবিদ্যালয়ৰ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰতিবাদ, বুধবাৰে

### আহোম সভাৰ অভিযোগ খণ্ডন কৰি বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে জনালে প্ৰত্যাহ্বান

# চ্যুকাফা মৈদাম দখল কৰি চাহ বাগান খোলা প্ৰমাণ দিবলৈ প্ৰত্যাহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ আগষ্ট ঃ** থাইলেণ্ডৰ এক আন্তঃৰাষ্ট্ৰীয় সভাত অসমৰ ঐতিহাসিক কীৰ্তি চিহ্নসমূহৰ ওপৰত ভাষণ প্ৰদান কৰাৰ সন্ধিক্ষণতেই আহোম সভাই সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ বিৰুদ্ধে ঐতিহাসিক চৰাইদেউ মৈদামৰ ভূমি বেদল কৰা বুলি উত্থাপন কৰি একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অভিযোগ সন্দৰ্ভত তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংবাদ মাধ্যমৰ যোগেদি অভিযোগকাৰীসকলক প্ৰত্যাহ্বান জনায়। চ্যুকাফা মৈদামৰ কোনটো অংশ দখল কৰি চাহ বাগান খোলা হৈছে তাৰ তথ্যসহকাৰে ভূমি বেদখলৰ প্ৰমাণ, দাগ নম্বৰ, পট্টা নম্বৰসমন্বিতে সাত দিনৰ ভিতৰত দিবলৈ প্ৰত্যাহ্বান জনাইছে। থাইলেণ্ডৰ পৰা অভিযোগ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে এনেদৰে কয়, ১৮৯৩ চনতেই গঠন হোৱা আহোম সভাই আহোম জনগোষ্ঠীক একত্ৰিত কৰিব নোৱাৰা ৰহস্য কি, যাৰ বাবে জনগোষ্ঠীৰ মজিয়াত ৪০টাকৈ সংগঠনৰ কিয় জন্ম হ'ল তাৰ কৈফিয়ৎ আহোম সভাই দিব পাৰিব নে বুলি প্ৰশ্ন উত্থাপন কৰি বিধায়কগৰাকীয়ে কয় মই কি কৰিলোঁ জানিবলৈ চেষ্টা কৰাটো আহোম সভাৰ প্ৰয়োজন আছিল। চৰাইদেউ মৈদামৰ উন্নয়নৰ লগতে আহোমৰ আৱেগ-অনুভূতি জড়িত থকা কীৰ্তিচিহ্ন সংৰক্ষণ ক্ষেত্ৰত মই কি কৰিলোঁ আৰু চ্যুকাফাবাসীয়ে কি কৰিলে সেই সন্দৰ্ভত নজনাকৈ একপক্ষীয়ভাৱে অভিযোগ উত্থাপন কৰাত আশ্চৰ্য প্ৰকাশ কৰিছে। আহোম সভাই জনাটো প্ৰয়োজন চ্যুকাফা মৈদামৰ চাৰিসীমাৰ গ্ৰীলকেইখন অভাজন আৰু ডিব্ৰুগড়ৰ কুশল কোঁৱৰে দি আহোমৰ জেৰুজালেমস্বৰূপ মৈদামৰ অস্তিত্ব ধৰি ৰাখিবলৈ প্ৰয়াস কৰিছোঁ। মৈদামৰ অস্তিত্বলৈ ভাবুকি অহাৰ সময়ত আহোম সভা ক'ত আছিল। আজি যিসকলে আগ-গুৰি বিচাৰ নকৰি চমক সৃষ্টিৰ বাবে মোক অযথা বিতৰ্কলৈ আনি জোল খোৱাৰ যি ফন্দি ৰচনা কৰিছে সেয়া এক ৰাজনৈতিক ষড়যন্ত্ৰৰ বাহিৰে একো নহয়। বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে লগতে কয়, ইতিমধ্যে ৰাজ্য চৰকাৰে ঐতিহাসিক চৰাইদেউ মৈদামৰ উন্নয়নৰ নিমিত্তে ২৫ কোটি টকা আগবঢ়াইছে আৰু পুৰাতত্ত্ব বিভাগে সকলোবোৰ দিশ চালি-জাৰি চাই উন্নয়নৰ ধাৰা ত্বৰান্বিত কৰিছে। যিটো সময়ত ঐতিহাসিক মৈদামক বিশ্বৰ পৰ্যটন ক্ষেত্ৰলৈ লৈ যোৱাৰ প্ৰক্ৰিয়া চলাই থকা হৈছে তেনে সময়ত মৈদামৰ ভূমি দখলৰ দৰে অপ্ৰাসংগিক ভিত্তিহীন অভিযোগ উত্থাপন কৰি অযথা বিতৰ্কত সূত্ৰপাত ঘটাবলৈ চেষ্টা কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। যিখন সমাজত ৪০টাতকৈ অধিক জাতীয় সংগঠন থকাৰ পিছতো ঐতিহাসিক মৈদামক পৰ্যটকৰ ক্ষেত্ৰলৈ নিয়াৰ ক্ষেত্ৰত কিয় বিলম্ব ঘটিছে বুলি দুখ আৰু ক্ষোভ প্ৰকাশ কৰি বিধায়কগৰাকীয়ে কয় আহোম ৰয়েল ছ'চাইটী আৰু স্থানীয় ৰাইজৰ লগতে মোৰ অকুণ্ঠ সহযোগৰ উদ্যোগত ঐতিহাসিক চৰাইদেউ মৈদামৰ পৰিসীমাত থকাত চাৰিটা মৈদাম উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চাহ পুঁজিপতিৰ দখলত দীৰ্ঘদিন থকা চাৰিটা মৈদাম কেনেকৈ আৰু কোনো সংৰক্ষণ ব্যৱস্থা কৰিলে অভিযোগকাৰীসকলে অনুসন্ধান কৰি জনাটো প্ৰয়োজন আছে। চাহ পুঁজিপতিৰ চক্ৰবেহুত চ্যুকাফা মৈদামৰ অস্তিত্ব বিপন্ন হ'ব ধৰিছিল তেতিয়া অভিযোগকাৰী ক'ত আছিল। তেনে জটিল সময়ছোৱাত মৈদামৰ অস্তিত্ব উদ্ধাৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিলোঁ আহোমৰ জনগোষ্ঠীৰ বহু সচেতন ব্যক্তি শিক্ষাবিদ আৰু স্থানীয় ৰাইজৰ সহযোগত। মৈদামৰ অস্তিত্ব ৰক্ষা আৰু আহোমৰ মান-মৰ্যাদা, স্বাভিমান ৰক্ষাৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰাৰ পিছতো মৈদামৰ ভূমি বেদখল কৰা বুলি উত্থাপিত অভিযোগে মোক যথেষ্ট মৰ্মাহত কৰিছে। ইফালে বিধায়কগৰাকীৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি স্থানীয় জনসাধাৰণে সংবাদ মাধ্যমক এনেদৰে কয় মৈদামৰ সংৰক্ষণ আৰু উন্নয়নৰ ক্ষেত্ৰত কাৰ কি ভূমিকা নজনাকৈ অভিযোগৰাকীয়ে উত্থাপন কৰাৰ অভিযোগৰ নেপথ্যত ৰাজনৈতিক ষড়যন্ত্ৰ থকা বুলি সন্দেহ কৰিছে আৰু চৰাইদেউ মৈদামৰ সন্দৰ্ভত এনে বিভ্ৰান্তিকৰ আৰু অসত্য অভিযোগ উত্থাপনৰ পৰা দূৰত থাকিবলৈ সকীয়াই দিছে। উল্লেখ্য, চৰাইদেউ মৈদামৰ ভূমি বেদখল কৰি বহুকেইগৰাকী ব্যক্তিয়ে দীৰ্ঘদিন ধৰি চাহ খেতি কৰি অহা ব্যক্তিসকলৰ ক্ষেত্ৰত আহোম সভাই নমনীয় মনোভাব পোষণ কৰি কেৱল সোণাৰি সমষ্টিৰ বিধায়কগৰাকীক লোক চকুত হেয় প্ৰতিপন্ন কৰা কাৰ্যক চৰাইদেউ জিলাৰ আহোম সমাজৰ সচেতন নাগৰিক আৰু চ্যুকাফাবাসী ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

# পাগলাদিয়া নৈত অবৈধ শিল-বালিৰ খনন

## খহনীয়াৰ কবলত দৰঙ্গাজুলি সমষ্টিৰ শ শ কৃষি ভূমি



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩ আগষ্ট ঃ** তামুলপুৰ জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তত অৱস্থিত বিটিচিৰ ২৬নং দৰঙ্গাজুলি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত খৈৰাণী কালেবন, ঝাৰবস্তি (টিপা), বগৰীবাৰী, খৈৰাজুলি আদি গাঁওসমূহত আজি কিছু বছৰ ধৰি ধাৰাবাহিকভাৱে হৈ থকা পাগলাদিয়া নৈৰ খহনীয়াৰ বাবে নৈপৰীয়া ৰাইজ উছন হোৱাৰ উপক্ৰম হৈছে। তামুলপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ আৰু বাক্সা জিলাৰ পূব প্ৰান্তত, পাগলাদিয়া নৈৰ পশ্চিম পাৰে থকা এই গাঁওকেইখনৰ বহু পৰিয়াল খহনীয়াৰ বাবে কেৱল কৃষি ভূমিয়েই নহয় ঘৰৰ ভেটি-মাটিও হেৰুৱাই সৰ্বস্বান্ত হৈ পৰিছে। জানিব পৰা মতে ইতিমধ্যে খহনীয়াৰ কবলত পৰি পাগলাদিয়া নৈৰ পশ্চিম প্ৰান্তৰ কালেবন গাঁৱৰ লাটিত বসুমতাৰীৰ ১২ বিঘা, লিবিনী বসুমতাৰীৰ ৬ বিঘা, হিৰিস্তেল দৈমাৰীৰ ৩ বিঘা, গোপাল বসুমতাৰীৰ ৩ বিঘা, মতিন বসুমতাৰীৰ ৩ বিঘা, যোছেফ বসুমতাৰীৰ ৩ বিঘা, অনলা বসুমতাৰীৰ ৪ বিঘা, নগেন দৈমাৰীৰ ১০ বিঘা, সুবোধ দৈমাৰীৰ ৪ বিঘাকে ধৰি বহু লোকৰ কৃষি ভূমি উছন হৈছে। এইদৰে খহনীয়া অব্যাহত থাকিলে অদূৰ ভৱিষ্যতে দৰঙ্গাজুলি সমষ্টিৰ এই গাঁওকেইখনৰ বহু পৰিয়ালৰ ঘৰৰ ভেটি মাটিও উছন হোৱাৰ আশংকা কৰা হৈছে। প্ৰায় দুশ পৰিয়ালে বসবাস কৰা গাঁওকেইখনৰ ৰাইজে অভিযোগ কৰা মতে শেহতীয়াভাৱে কিছু বছৰ ধৰি এচাম অসাধু চক্ৰই ঝাৰবস্তিৰ উত্তৰে পাগলাদিয়া নৈৰ পশ্চিম ফালে বন বিভাগৰ অগোচৰে অবৈধভাৱে এটি শিল-বালিৰ মহল খুলি দিনে-নিশাই জেচিবি আৰু এল এন টি লগাই শিল-বালি খনন কৰিব লাগিছে। স্থানীয় ৰাইজৰ অভিযোগ— বাটাবাৰী ফৰেষ্ট ৰেঞ্জৰ অধীনস্থ এই ঠাইলৈ বন বিভাগৰ লোক মাজে মাজে ভুমুকি মাৰিলেও ৰহস্যজনক কাৰণত তেওঁলোক গন্তব্য স্থান পোৱাৰ পূৰ্বে অসাধু চক্ৰই যন্ত্ৰ পাতিবোৰ লুকুৱাই থৈ দিয়ে। ফলত বন বিভাগৰ লোক বিফল মনোৰথ হৈ উভতি যাবলগীয়া হয়। ৰাইজৰ স্পষ্ট অভিযোগ অবৈধ খননৰ বাবে সম্প্ৰতি খহনীয়াই ঠাই খনত ভয়াবহ ৰূপ ধাৰণ কৰিছে। এইদৰেই খহনীয়া অব্যাহত থাকিলে অদূৰ ভৱিষ্যতে গাঁওসমূহ পাগলাদিয়া নৈৰ বুকুত জাহ যোৱাটো নিশ্চিত। সেয়েহে গাঁওবাসীয়ে অবৈধ খননৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালকৈ খহনীয়া প্ৰতিৰোধৰ বাবে ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় জনপ্ৰতিনিধিৰ উপৰি বন বিভাগ তথা প্ৰশাসনৰ ওচৰত অনুৰোধ জনাইছে।



## পূব টীয়কৰ দীঘলীপাৰত জাঁজী নদীৰ মথাউৰিত খহনীয়া

### মেৰামতিৰ বাবে জলসম্পদ বিভাগৰ তৎপৰতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩ আগষ্ট ঃ** যোৰহাট জিলাৰ ১০২নং টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত ৫নং পূব টীয়ক গাঁও পঞ্চায়তৰ ৭নং ৱাৰ্ড এলেকাধীন দীঘলীপাৰত জাঁজী নদীৰ মথাউৰিৰ এটা অংশত খহনীয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, তামুলীছিগা হৈ বনাই-জাঁজীমুখ সংযোগী এই মথাউৰিটোৰ দীঘলীপাৰ-বৰালিমৰা অংশৰ ভিতৰ ফালে খহনীয়া আৰম্ভ হৈছে। মূলতঃ দীৰ্ঘ সময় ধৰি মেৰামতিৰ অভাৱ আৰু অত্যধিক বৰষুণৰ ফলতে এই খহনীয়া হোৱা বুলি অনুমান কৰা গৈছে। স্থানীয় ৰাইজৰ পৰা জানিব পৰা মতে, যোৰহাট জলসম্পদ বিভাগে বিষয়টো অৱগত হোৱাৰ পাছতে অতি তৎপৰতাৰে খহনীয়াপ্ৰৱণ অঞ্চলটোত বাঁহৰ বেৰা দি বস্তা জাপি সাময়িক প্ৰতিৰোধৰ এক ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে, এই এলেকা পৰিদৰ্শন কৰি সমগ্ৰ পৰিস্থিতিৰ বুজ লৈছে যোৰহাট জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা দিগন্ত শৰ্মাই। অভিযন্তাগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি, অহা খৰালিত এই মথাউৰিছোৱা পুনৰ নিৰ্মাণ হ'ব। যিহেতু খৰালি প্ৰায় আৰম্ভ হ'বই সেয়ে, বৰ্তমান অস্থায়ীভাৱে মেৰামতি কৰিলেও ৰাইজ শংকিত হোৱাৰ কাৰণ নাই। উল্লেখ্য যে খহনীয়াক লৈ নৈপৰীয়া জনগণ আতংকিত হৈছিল যদিও নদীখন দূৰৈত থকাৰ বাবে সেই শংকা কিছু পৰিমাণে দূৰ হৈছে। ইপিনে, এই সন্দৰ্ভত ৰাইজ আৰু প্ৰশাসন-জলসম্পদ বিভাগৰ এখন নাগৰিক তথা সজাগতা সভা অনুষ্ঠিত কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে বুলিও জানিব পৰা গৈছে।

## বৰপেটাৰ হাবি ৰাধাকুছিত শোকাবহ ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ৩ আগষ্ট ঃ** বৰপেটা জিলাৰ চেঙা বিধানসভা সমষ্টিৰ অন্তৰ্গত হাবি ৰাধাকুছিত সংঘটিত হৈছে এক শোকাবহ ঘটনা। মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ আহি ভাগিনীয়েকৰ পানীত পৰি মৃত্যু হোৱা ঘটনাই অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পেলাইছে। ঘটনাৰ বিৱৰণী অনুসৰি ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত কাদাহা গাঁৱৰ মিজানুৰ আলীৰ ৮ বছৰীয়া পুত্ৰ সন্তান আহমদ আলী তিনি দিন পূৰ্বে মাতৃৰ সৈতে হাবি ৰাধাকুছিৰ মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। আজি পুৱা প্ৰায় ৮ বজাত শিশু আহমদ আলী মোমায়েক হাচিবুল আলীৰ ভেটিৰ কাষৰে দ' পথাৰৰ পানীত থকা নাৱত উঠি খেলি আছিল। কিন্তু খেলি থকা অৱস্থাতে অকস্মাতে আহমদ আলী নাৱৰ পৰা পানীত পৰি যায়। বহু সময় ধৰি শিশুটিক নেদেখি পৰিয়ালৰ লোকৰ মাজত হুলস্থুলৰ সৃষ্টি হয়। আৰু ওচৰ-পাজৰে বিচাৰ-খোঁচাৰ কৰে। প্ৰায় দুঘণ্টাৰ পাছত শিশুটি স্থানীয় লোকে পথাৰৰ পানীৰ পৰা উদ্ধাৰ কৰে। শিশুটিক তত্তাতৈয়াকৈ স্থানীয় নগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যোৱা হয় যদিও ইতিপূৰ্বে শিশুটিৰ মৃত্যু হয়। মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ আহি এনেদৰে মৃত্যুক সাবটি ল'ব লগা হোৱা কৰুণ ঘটনাই হাবি ৰাধাকুছিত গভীৰ শোকৰ ছাঁ পেলাইছে।

## নিত্য-ব্যৱহাৰ্য সামগ্ৰীত জিএছটি প্ৰত্যাহাৰৰ দাবী চি পি আইৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩ আগষ্ট ঃ** নিত্য-ব্যৱহাৰ্য সামগ্ৰীত জি এছ টি প্ৰত্যাহাৰৰ দাবী জনাই আজি ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ অসম ৰাজ্য পৰিষদৰ আহ্বান মৰ্মে ৰাজ্যজুৰি উপায়ুক্তৰ যোগেদি প্ৰধানমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয়। পাৰ্টীৰ শিৱসাগৰ জিলা পৰিষদেও এটা সঁজাতী দলে উপায়ুক্তৰ জৰিয়তে এই স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰত প্ৰধানতঃ দাইল, চাউল, আটা, ঔষধকে ধৰি অতি প্ৰয়োজনীয় সামগ্ৰীসমূহৰ ওপৰত আৰোপ কৰা জি এছ টি তৎকালেই প্ৰত্যাহাৰ কৰিবলৈ দাবী জনোৱা হয়। সঁজাতী দলৰ নেতৃত্ব দিয়ে পাৰ্টীৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য তথা জিলা সম্পাদক কনক গগৈয়ে। অসম মহিলা সংঘৰ জিলা সম্পাদিকা অনুৰাধা গোহাঁই গগৈ আৰু নিখিল ভাৰত কৃষক সভাৰ জিলা সম্পাদক যোগেশ বুঢ়াগোহাঁইকে ধৰি ভালেকেইজন সদস্যই অংশ লয়। চৰকাৰক সমালোচনা কৰি কনক গগৈয়ে কয় যে এফালে চৰকাৰে একাংশক সন্তুষ্ট কৰা কাম কৰিছে যদিও বেছিসংখ্যকেই সাধাৰণ জনতাৰ ওপৰত মাধমাৰ শোধোৱা কাম কৰিছে । কেৱল কৰ আৰোপ কৰি সাধাৰণ জনতাৰ পানীত হাঁহ নচৰা অৱস্থা সৃষ্টি কৰি পুঁজিপতি শ্ৰেণীক কৰ ৰেহাই দিছে। সেয়ে তেওঁ চৰকাৰক আনুপাতিক কৰ ব্যৱস্থাৰ পৰিৱৰ্তে ইতিবাচক কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ দাবী জনায়।

## কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ৩ আগষ্ট ঃ** কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ এখন কাৰ্যনিৰ্বাহ সভা ৩১ জুলাইত জ্যোতিনগৰ শাখা সাহিত্য সভাৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। জিলা সাহিত্য সভাৰ সভাপতি দাসো কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত আদৰণী ভাষণ দিয়ে জ্যোতিনগৰ শাখা সাহিত্য সভাৰ সভাপতি বাবুল চক্ৰৱৰ্তীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে বিগত কাৰ্যনিৰ্বাহ সভাৰ কাৰ্যবিৱৰণী পাঠ কৰে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সম্পাদক দীপাংকৰ ৰায়মেধিয়ে। সভাই সৰ্বসন্মতিক্ৰমে আগন্তুক তৃ-বাৰ্ষিক অধিৱেশনখন ২০২৩ চনৰ জানুৱাৰী মাহত সোণাপুৰ সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। আন এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰি সভাই জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক হীৰালাল বৰাক অব্যাহতি দি প্ৰদীপ বৰ্মন আৰু মৌচুমী ডেকা অধিকাৰীক যুটীয়া পত্ৰিকা সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। সহকাৰী সম্পাদকৰ পদৰ পৰা মৌচুমী ডেকা অধিকাৰীক অব্যাহতি দিয়া হয়। ২০১৮-২০২০ বৰ্ষৰ বিত্তীয় হিচাপৰ বহুত খেলিমেলি থকা বুলি ৰাজধানী সাহিত্য সভাৰ সম্পাদক প্ৰদীপ বৰাই উত্থাপন কৰাৰ গুৰুতৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত সভাই ২০১৮-২০২০ বৰ্ষৰ পৰা বৰ্তমানলৈ সকলো হিচাপ হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই প্ৰজ্ঞা ৰত্ন বঁটা প্ৰদানৰ প্ৰস্তাৱ গ্ৰহণ কৰি জিলাৰ সভাপতি দাসো কলিতা, সম্পাদক দীপাংকৰ ৰায়মেধি (অংকুৰ) আৰু বাবুল দাসক লৈ এখন তিনিজনীয়া সমিতি গঠন কৰি দিয়ে। কাৰ্যনিৰ্বাহ সভাখনত নিৰ্বাচনী সমিতি গঠনৰ প্ৰস্তাৱৰ লগতে আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। শলাগৰ শৰাই আগবঢ়ায় জ্যোতিনগৰ সাহিত্য সভাৰ উপ-সভাপতি ডালিম দাসে।

## হাজোৰ কলিতাকুছি গাঁও পঞ্চায়তত এখন বিশেষ গাঁওসভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কলিতাকুছি গাঁও পঞ্চায়তৰ কাৰ্যালয়ত আজি এখন বিশেষ গাঁওসভা সম্পন্ন কৰা হয়। সভাত আগন্তুক স্বাধীনতা দিৱসৰ লগতে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি 'হৰ ঘৰ তিৰংগা' এক বিশেষ জাতীয় স্বাভিমানমূলক বিষয়ৰ ওপৰত আলোকপাত কৰাৰ লগতে পঞ্চায়তখনৰ উন্নয়নমূলক দিশৰ ওপৰতো পৰ্যালোচনা কৰা হয়। কলিতাকুছি পঞ্চায়তৰ সভানেত্ৰী জুনু বেগমৰ সভাপতিত্বত অনুষ্ঠিত গাঁওসভাত দেশৰ স্বাধীনতা দিৱসত তিনিদিনীয়াকৈ ঘৰে ঘৰে ত্ৰিৰংগা উত্তোলনৰ সংকল্পৰে কলিতাকুছি পঞ্চায়তৰ অন্তৰ্গত প্ৰতিটো পৰিয়াল, শিক্ষানুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী অনুষ্ঠান সকলোতে জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায় পঞ্চায়ত সচিব ইমতিয়াজুল ইছলামে। তদুপৰি আজিৰ বিশেষ গাঁও সভাখনিত উপস্থিত থাকে অভিযন্তা প্ৰশান্ত বৈশ্য, গোবিন্দ দাস, বিশিষ্ট সমাজকৰ্মী মনচুৰ আলী, ৰাতুল আলী, জি পি চি ৰাহুল আলী, বিশ্বজিৎ পাটোৱাৰীকে প্ৰমুখ্য কৰি অঞ্চলটোৰ প্ৰায়সংখ্যক ৰাইজ আৰু বিশিষ্ট গণ্য-মান্য ব্যক্তি।

## মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তত বিশেষ গাঁওসভা সম্পন্ন

### ১৩-১৫ আগষ্টত গাঁও পঞ্চায়ত এলেকাৰ প্ৰতি ঘৰে ঘৰে ত্ৰিৰংগা সন্দৰ্ভত আলোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ৩ আগষ্ট ঃ** মঙলবাৰে উজনি মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তৰ সভাগৃহত এক গুৰুত্বপূৰ্ণ গাঁওসভা অনুষ্ঠিত হৈ যায়। লুইতপৰীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী মৃণালিনী গাম মিলিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গাঁওসভাৰ প্ৰথম কাৰ্যসূচী অনুসৰি পুৱা ১১ বজাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়তৰ হেমন্ত দাসে। দ্বিতীয় কাৰ্যসূচীত 'হৰ ঘৰ ত্ৰিৰংগা' সন্দৰ্ভত ভাষণ প্ৰদান কৰে মাজুলী জিলা মীন বিষয়া বিমল শৰ্মাই। উক্ত ভাষণ প্ৰসংগত ৭৫ বছৰীয়া স্বাধীন ভাৰতৰ নাগৰিক হিচাপে প্ৰতি ঘৰে ঘৰে ত্ৰিৰংগা উদ্‌যাপনৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে চমুকৈ আলোচনা কৰে। তৃতীয় কাৰ্যসূচীত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সন্দৰ্ভত আলোকপাত কৰে উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া ৰোহিতেশ্বৰ শইকীয়াই। চতুৰ্থ কাৰ্যসূচী মতে পি এম কিষাণ সন্দৰ্ভত পুংখানুপুংখ আলোচনা কৰে মাজুলী জিলা মীন বিভাগৰ বিষয়া বিমল শৰ্মা আৰু উজনি মাজুলীৰ খণ্ড উন্নয়ন বিষয়া ৰোহিতেশ্বৰ শইকীয়াই। উক্ত আলোচনাত কয় প্ৰধানমন্ত্ৰী কৃষি কল্যাণ আঁচনিৰ অধীনত প্ৰকৃত কৃষকসকলে ধানৰ উপযুক্ত মূল্য লাভ কৰিছে। ফুলনিস্থিত ধান বিক্ৰী কেন্দ্ৰত ইতিমধ্যে ৭০ শতাংশ কৃষকে ধান বিক্ৰী কৰি PM Kishan আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰিছে। আৰু যিসকলে এই অৰ্থ সাহায্যৰ পৰা বঞ্চিত হৈ আছে তেখেতসকলে আধাৰ কাৰ্ডযুক্ত নথি-পত্ৰসমূহ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত জমা দি কৰ্মমুখী হ'বলৈ আহ্বান জনায়। পঞ্চম কাৰ্যসূচী মতে প্ৰধানমন্ত্ৰী শ্ৰমযোগী মানধন যোজনাৰ সন্দৰ্ভত ৰাইজৰ জ্ঞাতাৰ্থে আলোকপাত কৰে জিলা মীন বিষয়া বিমল শৰ্মাই। e-shram কাৰ্ডৰ যোগেদি শ্ৰমজীৱীসকলে কেনেকৈ চৰকাৰী বীমা লাভ কৰিব পাৰি এই সম্পৰ্কে বক্তব্য প্ৰদান কৰে শৰ্মাই। ষষ্ঠ কাৰ্যসূচীত অমৃত সৰোবৰ সন্দৰ্ভত পঞ্চায়ত কমিটীৰ বাবে পঞ্চায়ত প্ৰতিনিধি নিৰ্বাচন আৰু PMAYG/AWAS PLUSৰ তালিকাৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। উল্লেখ্য যে উক্ত সভাত প্ৰায় ৪ শতাধিক লোকৰ লগতে কাউন্সিলৰ প্ৰবীণ মিলি, ৱাৰ্ড সদস্য অমৰ পাংগিং, হেমেন্দ্ৰ টায়ে, সমাজকৰ্মী ভাস্কৰ পেগু, লুইতপৰীয়া আঞ্চলিক টি এম পি কেৰ সম্পাদক ৰাহুল গাম, এম এম কেৰ সভাপতি মহেন্দ্ৰ পায়েং, সহঃ সম্পাদক যোগেন মিলি আৰু সাংবাদিক প্ৰাঞ্জল গাৰে আদি উপস্থিত থাকে।

## বঢ়মপুৰত অৱসৰপ্ৰাপ্ত কৰ্মী-সহায়িকাৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩ আগষ্ট ঃ** নগাঁৱৰ বঢ়মপুৰস্থিত শ্বহীদ ভৱন আৰু কেন্দ্ৰীয় পুথিভঁৰালত আজি অসম ৰাজ্যিক কৰ্মী-সহায়িকা সন্থাৰ উদ্যোগত এক বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। বঢ়মপুৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত ১৯৯৯ চনৰ পৰাই কৰ্মজীৱন আৰম্ভ কৰি চৰকাৰী নীতি অনুসৰি অৱসৰ গ্ৰহণ কৰা ১২গৰাকী কৰ্মী-সহায়িকাক গীত-মাতেৰে সতীৰ্থসকলে বিদায় সম্ভাষণ জনায়। এইসকল অৱসৰী কৰ্মী-সহায়িকাক বিদায় ক্ষণত তেওঁলোকৰ কৰ্মদক্ষতা আৰু দায়িত্ববোধক সকলো সতীৰ্থই প্ৰশংসা কৰাৰ লগতে একোখনকৈ সম্বৰ্ধনা-পত্ৰ, ফুলাম গামোচা আৰু এখন বস্ত্ৰৰে সম্বৰ্ধনা জনায়।

## ফকিৰগঞ্জত খহনীয়া

### স্থায়ী প্ৰতিৰোধৰ দাবীত আঞ্চলিক ছাত্ৰ সন্থাৰ বিক্ষোভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩ আগষ্ট ঃ** ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ দাবীত আজি ফকিৰগঞ্জ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত পালন কৰা হয় বিক্ষোভ মিছিল কাৰ্যসূচী। খহনীয়াৰ অবিৰত তাণ্ডৱত অস্তিত্বৰ চৰম সংকটত পৰিছে বৃহত্তম ফকিৰগঞ্জ অঞ্চল। জাহ গৈছে ইখনৰ পাছত সিখন গাঁও, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান। সৰ্বস্বান্ত কৰিছে বহু লোকক। আজিলৈকে বিজ্ঞান ভিত্তিত খহনীয়াৰ স্থায়ী প্ৰতিৰোধ ব্যৱস্থা নহ'ল। যাৰ ফলত ফকিৰগঞ্জ আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত শ শ ছাত্ৰ-ছাত্ৰীয়ে উলিয়ায় বিক্ষোভ মিছিল। ছাত্ৰ-ছাত্ৰী, সচেতন ব্যক্তিয়ে হাতে হাতে প্লেকাৰ্ড লৈ বিভিন্ন শ্ল'গানেৰে উত্তাল কৰি তোলে পৰিৱেশ। খহনীয়াৰ স্থায়ী প্ৰতিৰোধ ব্যৱস্থা নহ'লে গণ আন্দোলন গঢ়ি তোলা হ'ব বুলি সকীয়াই দিয়ে চৰকাৰক।

## বিশ্বনাথৰ পেটেলিবাৰীত দুটাকৈ ঘৰত চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ৩ আগষ্ট ঃ** বিশ্বনাথত সংঘটিত হ'ল দিনৰ পোহৰতে চুৰিকাণ্ড। ঘৰত মানুহ নথকাৰ সুযোগ লৈ ঘৰৰ তলা ভাঙি চোৰে নিলে নগদ আঢ়ৈ লাখ টকা। উল্লেখ্য যে আজি বিশ্বনাথৰ পেটেলিবাৰী গাঁৱৰ তপন বৰা নামৰ লোকজনৰ ঘৰত কোনো নথকা সময়তে চোৰে ঘৰৰ তলা ভাঙি লৈ গ'ল নগদ আঢ়ৈ লাখ টকা। ঘৰখনত বহু সোণৰ সামগ্ৰী আছিল যদিও চোৰে কোনো সোণৰ সামগ্ৰী চোৰ নকৰি কেৱল নগদ আঢ়ৈ লাখ টকা চুৰি কৰি নিয়া ঘটনাই সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। চোৰৰ দলটোৱে ঘৰখনৰ ভিতৰতো বহু সামগ্ৰী লণ্ড-ভণ্ড কৰাৰ লগতে ফ্ৰীজৰ পৰা উলিয়াই খালে আপেল। তপন বৰাৰ আত্মীয়ই ঘৰখনৰ তলা ভঙা দেখি গৃহস্থক খবৰ দিয়ে আৰু গৃহস্থই ঘৰলৈ আহি দেখা পাই চোৰে সংঘটিত কৰা এই ঘটনা। কেৱল তপন বৰাৰ ঘৰতে নহয়, চুৰি কাণ্ড সংঘটিত কৰা দলটোৱে তপন বৰাৰ ভাতৃ স্বপন বৰাৰ ঘৰতো তলা ভাঙি ঘৰত প্ৰৱেশ কৰে যদিও ৰহস্যজনকভাৱে কোনো সামগ্ৰী চুৰি নকৰিলে। ইতিমধ্যে ভুক্তভোগীয়ে এই সন্দৰ্ভত বিশ্বনাথ চাৰিআলি সদৰ থানাত এজাহাৰ দাখিল কৰিছে যদিও আৰক্ষীয়ে এই চুৰি কাণ্ডৰ লগত জড়িত কোনো লোকক কাৰায়ত্ত কৰিবলৈ সক্ষম হয় নে নহয় সেয়াহে লক্ষণীয় হ'ব। আনহাতে, এই অঞ্চলত পূৰ্বেও এনে চুৰি কাণ্ড সংঘটিত হোৱা বুলি জানিবলৈ দিছে ভুক্তভোগীয়ে।

## বিশ্বনাথত ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ৩ আগষ্ট ঃ** স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপনৰ বাবে ভাৰত চৰকাৰে ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। ইতিমধ্যে জাতীয় পতাকাৰ বাবে বিভিন্ন অঞ্চলত পতাকা বিপণী কেন্দ্ৰ স্থাপন কৰা হৈছে। ১৩-১৫ আগষ্টত ঘৰে ঘৰে উৰিব ত্ৰিৰংগা। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচীৰ সন্দৰ্ভত বিশ্বনাথত সজাগতা সমদল। আজি বিশ্বনাথ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পৰা উলিওৱা হয় সজাগতাৰ বাবে স্কুটী ৰেলী। উক্ত সমদলৰ ফ্লেগ অফ কৰে বিশ্বনাথ উন্নয়ন খণ্ডৰ বিষয়াই। জীৱিকা সখীসকলে স্কুটী লৈ এই সমদলত অংশগ্ৰহণ কৰে। এই সমদল বিশ্বনাথৰ সাকোমঠা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পৰা স্কুটী ৰেলী কৰি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে।

## তামুলপুৰৰ কাউলীত সীমান্ত সুৰক্ষা বলৰ বিশাল চাইকেল ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ঘোষণা কৰা হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী পতাকা উত্তোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে তামুলপুৰ জিলাৰ ভুটান সীমান্তৰ বিহংগপুৰস্থিত সীমান্ত সুৰক্ষা বলৰ ২৪ বাহিনীৰ উদ্যোগত আৰু কাউলী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ সহযোগত কাউলীত হৰ ঘৰ তিৰংগা শ্ল'গানেৰে এক বিশাল চাইকেল সমদল উলিওৱা হয়। বিহংগপুৰস্থিত এছ এছ বিৰ শিবিৰক আজি পুৱা ১০.৩০ বজাত চাইকেল সমদলটো আনুষ্ঠানিকভাৱে মুকলি কৰি এছ এছ বিৰ ২৪ বাহিনীৰ এ কোম্পানী কমাণ্ডাৰ এছ কে ঠাংগে কয়, দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে ঘৰে ঘৰে পতাকা



উত্তোলন কৰি এইবাৰৰ স্বাধীনতা দিৱসটি উদ্‌যাপন কৰাৰ বাবে আহ্বান জনাইছে। সেয়েহে সীমান্ত অঞ্চলৰ লোকসকলৰ মাজত জাতীয় পতাকা উত্তোলন কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ বাবেই স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ সহযোগত আজি এই চাইকেল ৰেলী উলিওৱা হৈছে। এই ৰেলীযোগে নিশ্চয় সীমান্তৰ ৰাইজৰ মাজত আমি জাতীয় পতাকা উত্তোলন সম্পৰ্কে সজাগ কৰিব পাৰিম। চাইকেল শোভাযাত্ৰাত অংশ গ্ৰহণকাৰীসকলে হৰ ঘৰ ঝান্দা, ভাৰত মাতা কি জয়, বন্দে মাতৰম আদি শ্ল'গান দি ভূটান সীমান্তৰ বিহংগপুৰ, চন্দনপুৰ, কাঞ্চীবজাৰ, হৰিনচাৰা, নাৰায়ণপুৰ কাউলী বজাৰ হৈ কাউলী উচ্চ মাধ্যমিক বিদ্যালয়ত সমদলটোৰ সামৰণি মাৰে। আজিৰ সমদলত এছ এছ বিৰ ২৪ বাহিনীৰ এ কোম্পানীৰ উপ-পৰিদৰ্শক চেইনগাম কিপগেন, এ এছ আই টেগবাহাদুৰ ছেত্ৰী, এছ আই পংকজ সোণোৱাল, হাৱালদাৰ জনক দেউৰী, ৰাজকুমাৰ গৌতম, জ্যোতি ফুকন, কাউলী হাইস্কুলৰ প্ৰধান শিক্ষক নাৰদ ভট্টৰাই, সহকাৰী শিক্ষক নবীন ৰাভা, বিষ্ণু দাসৰ লগতে এছ এছ বিৰ জোৱান, দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

## দুৰাৰোগ্য ৰোগত আক্ৰান্ত বিশ্বজিৎ ৰাভাক সহায়ৰ কাতৰ আহ্বান পৰিয়ালৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৩ আগষ্ট ঃ** ওদালগুৰি জিলাৰ পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বানসেৰীয়া গাঁও নিৱাসী সমৰজিৎ ৰাভা আৰু বুদ্ধেশ্বৰী ৰাভাৰ সন্তান বিশ্বজিৎ ৰাভাই ২০১৫ চনৰ পৰা ভুগিছে কঠিন ৰোগত। ২০১৫ চনত ওদালগুৰি অসামৰিক চিকিৎসালয়ত দেখুৱাওঁতে নাৰ্ভৰ বেমাৰ বুলি চিকিৎসকে পৰামৰ্শ আগবঢ়াই চিকিৎসা সেৱা কৰিছিল। আৰ্থিকভাৱে অনুন্নত হোৱা বাবে উন্নতমানৰ চিকিৎসা কৰিব নোৱৰা বাবে সম্প্ৰতি ক্ৰমান্বয়ে শুকাই-ক্ষীণাই গৈছে। জীয়াই থকাৰ অফুৰন্ত হেঁপাহ পুহি ৰখা ১৭ বছৰীয়া বিশ্বজিৎ ৰাভাই নিয়তিৰ পৰিহাসৰ চিকাৰ হৈ পখিলা খেদাৰ বয়সতে বিছনাখনকেই একমাত্ৰ সংগী কৰি ল'বলগীয়া হৈছে। বিশ্বজিৎ ৰাভাৰ মাতৃ বোধেশ্বৰী ৰাভায়ো নানানটা ৰোগত আক্ৰান্ত। স্মৃতিশক্তিও কমিছে। বহু কথাই মনত নাথাকে। চমুকৈ ক'বলৈ গ'লে পৰিয়ালটি কোনোমতে খাই-বৈ জীয়াই আছে নিয়তিক ধিয়াই। অসহায় পৰিয়ালটিয়ে বিশ্বজিতক সুস্থ-সৱল কৰি তুলিবলৈ যিয়ে যি পৰামৰ্শ কৰিছে সেই মতেই কাম কৰিছে দিনে-নিশাই। চৰকাৰী পক্ষৰ পৰা ২০১৬ চনৰ পৰা ৩০০০ টকা আৰু বৰ্তমান ২০২১ চনৰ পৰা ১০০০ টকাকৈ লাভ কৰিছে নগদ ধন। কি কাৰণত ২০০০ টকা নিদিয়া হ'ল এই কথা বিশ্বজিৎ ৰাভাৰ পৰিয়ালে নাজানে। পৰিয়ালটিৰ এনে দুৰ্দশাৰ দিনত কোনোবা মানৱ দৰদী ব্যক্তিয়ে আহি কাষত থিয় হ'ব নে? 'আৰ্ত-দুৰ্গতসকলৰ সহায় হওঁ'(HelpingHand)ৰ সঞ্চালক মানৱ দৰদী যতীন্দ্ৰ নাথ কৃষ্ণদাসে সম্প্ৰতি এই কথা পোহৰলৈ আনিছে। নিজৰ ফালৰ পৰা যিমানখিনি পাৰিছে সহায়-সহযোগ আগবঢ়াইছে লগতে মানৱ দৰদী ব্যক্তিসমূহলৈ অনুৰোধ জনাইছে যেন অসহায় পৰিয়ালটিৰ সহায় সাৰথি হৈ কাষত থিয় হয়। ইচ্ছুক সহৃদয় লোকে সহায় কৰিবলৈ তলৰ বেংক একাউণ্ট নম্বৰ-৩৫১৮৯১৭০৭৫ চিবিআই, টংলা শাখাত প্ৰেৰণ কৰিবলৈ দুখীয়া কোনোমতে পেটে-ভাতে খাই থকা বিশ্বজিতৰ পিতৃয়ে অনুৰোধ জনাইছে।

# 'অসমীয়া ভাষাৰ উন্নতিৰ হকে বিদেশী ভাষাৰ কিতাপবোৰৰ অনুবাদত গুৰুত্ব দিব লাগিব'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, তুলসীবাৰী, ৩ আগষ্ট ঃ** আমি অগ্ৰজসকলে অধ্যয়নৰ অভ্যাস গঢ়ি তুলিলেহে নৱপ্ৰজন্ম পঢ়াৰ প্ৰতি আকৰ্ষিত হ'ব। আজিৰ প্ৰজন্ম কেৱল আৱেগৰ দ্বাৰা পৰিচালিত নহয়। মাতৃভাষাৰ লগতে বিশ্বৰ বিভিন্ন ভাষাৰ বুৎপত্তি থাকিলেহে আমি বিভিন্ন ক্ষেত্ৰৰ জ্ঞান আহৰণ কৰিবলৈ সক্ষম হ'ম আৰু তেতিয়াহে আমি আমাৰ সপোনৰ অসমখন নিৰ্মাণ কৰিবলৈ সফল হ'ম। ভাষা এক সংস্কৃতি, ই মাধ্যমৰ মাজতে সীমাবদ্ধ হৈ নাথাকে। ৰঙিয়াৰ ঐতিহ্যমণ্ডিত ৰাইজমেল কৃষক শ্বহীদ ভৱনত আয়োজিত 'ৰণ্দিয়া (শতদল) সাহিত্য সভা'ৰ মাহটোৰ বিশিষ্ট অতিথিৰ লগত অন্তৰংগ অনুষ্ঠানৰ বিশিষ্ট অতিথি হিচাপে অংশ লৈ এইদৰে কয় অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ সচিব তথা ৰঙিয়া মহকুমাৰ প্ৰাক্তন মহকুমাধিপতি ভাৰত ভূষণ দেৱচৌধুৰীয়ে। বৰ্তমান সময়ত আঙুলি মূৰত গণিব পৰা কেইগৰাকীমানহে এনে অসমীয়া ব্যক্তি আছে, যাৰ মাতৃভাষা অসমীয়াৰ সমানে ইংৰাজী বা আন ভাষাৰ সাহিত্য চৰ্চা কৰিব পৰাকৈ জ্ঞান আছে। সময়ৰ সোঁতত তেখেতসকল যদি হেৰাই যায় এনে প্ৰতিভা প্ৰায় নোহোৱা হোৱাৰ আশংকাহে দেখা দিছে। সেয়েহে অসমীয়াৰ লগতে ইংৰাজী, হিন্দী ভাষাৰ জ্ঞানৰ ওপৰত গুৰুত্ব দিয়াৰ সময় আহি পৰিছে বুলিও গুৰুত্বপূৰ্ণ মন্তব্য কৰে দেৱচৌধুৰীয়ে। ৰণ্দিয়া শতদল সাহিত্য সভাৰ কৰ্মকৰ্তাসকলক এই বিষয়টোলৈ বয়সৰ কোনো বাধা নৰখাকৈ সকলোৰে বাবে মুকলি বিশেষ কাৰ্যসূচী ৰূপায়ণৰো পৰামৰ্শ আগবঢ়ায়। ৰণ্দিয়া শতদল সাহিত্য সভাই আগন্তুক সময়ত বয়সৰ কোনো প্ৰতিবন্ধকতা নৰখাকৈ এলানি 'ভাবানুবাদ প্ৰতিযোগিতা'ৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু প্ৰতিযোগিতাৰ বিজয়ীসকলক নিজৰ দৰমহাৰ পৰা পোৱা নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰিব বুলি ঘোষণা কৰে অনুষ্ঠানটিৰ বিশিষ্ট অতিথি দেৱচৌধুৰীয়ে। সম্পাদক হেমন্ত কলিতাই আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি চৌধুৰীদেৱক প্ৰতীকসম্বলিত ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনাই ৰণ্দিয়া সাহিত্য সভাৰ সভ্যসকলে। লগতে তেখেতক শাখাটিৰ মুখপত্ৰ 'ৰণ্দিয়া'ৰ প্ৰস্তাৱনা সংখ্যা আৰু হেমন্ত কলিতাৰ কাব্য সংকলন বহুদিনেই হ'ল অৰ্পণ কৰা হয়। অনুষ্ঠানটিৰ শেষত ৰঙিয়াৰ বিশিষ্ট লেখিকা ড° ঋণুমী দত্ত ডেকাৰ সদ্যপ্ৰকাশিত গ্ৰন্থ মানৱীয় সংস্কাৰ মানে আধ্যাত্মিকতাবাদ উন্মোচন কৰে অনুষ্ঠানটিৰ মধ্যমণি ভাৰত ভূষণ দেৱচৌধুৰীৰ লগতে সভাত উপস্থিত অভ্যাগতসকলে। প্ৰায় অৰ্ধশতাধিক আজীৱন সভ্যই অংশগ্ৰহণ কৰা অনুষ্ঠানটিত ৰণ্দিয়া (শতদল) সাহিত্য সভাই বিগত সময়ছোৱাত কৰা বিভিন্ন কাৰ্যসূচীসমূহৰ বিশদভাৱে জানি লৈ ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰি থকা বাবে প্ৰশংসা কৰাৰ লগতে ভৱিষ্যৎ কাৰ্যসূচীসমূহৰ ক্ষেত্ৰতো পৰামৰ্শদাতা হিচাপে থকাৰ আশ্বাস দিয়ে।



# বোকাখাতত অৰুণোদয় মাহ উদ্‌যাপন সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৩ আগষ্ট ঃ** ২০ আগষ্টৰ পৰা ২০ ছেপ্টেম্বৰলৈ অসমত 'অৰুণোদয় মাহ' হিচাপে উদ্‌যাপন কৰা হ'ব। বোকাখাত মহকুমাত 'অৰুণোদয় মাহ' সুকলমে আৰু সুচাৰুপে ৰূপায়িত কৰাৰ লক্ষ্যৰে মহকুমাৰ পৰীক্ষণ দলৰ সদস্য আৰু সদস্যাসকলৰ বাবে আজি বোকাখাত জে ডি এছ জি মহাবিদ্যালয়ত এক প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মহকুমাধিপতি ডাঃ নেহা যাদৱে। উল্লেখযোগ্য যে পৰীক্ষণ দল বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু এনচিচি কেডাৰৰ দ্বাৰা গঠন কৰা হৈছে আৰু এই দলৰ দ্বাৰা অহা ২০ আগষ্টৰ পৰা ২০ ছেপ্টেম্বৰলৈ অৰুণোদয় আঁচনিৰ ধন লাভ কৰা হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ পৰিস্থিতি নিৰীক্ষণ কৰা হ'ব। আজিৰ এই প্ৰশিক্ষণ কাৰ্যসূচীত পৰীক্ষণ চলোৱাৰ সময়ত মানি চলিবলগীয়া নিয়মাৱলী আৰু ম'বাইল এপ্লিকেচনৰ ব্যৱহাৰৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণ কাৰ্যসূচীত মাষ্টাৰ ট্ৰেইনাৰ হিচাপে উপস্থিত থাকে সহকাৰী আয়ুক্ত পাপু গগৈ।

# ভূৰাগাঁৱত কৃষক পৰিষদৰ কৃষক সংযোগ কাৰ্যসূচী সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩ আগষ্ট ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আজি অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম কৃষক পৰিষদৰ সাধাৰণ সভা আৰু কৃষক সংযোগ কাৰ্যসূচী অনুষ্ঠিত হয়। কৃষক সংযোগ সভাত সভাপতিত্ব কৰে মৰিগাঁও জিলা অগপৰ সভাপতি শান্তনু শৰ্মাই। সভাখনৰ আঁত ধৰে জিলা কৃষি সম্পাদক দিব্যজ্যোতি বৰুৱাই। সভাত উপস্থিত থাকে অগপৰ সংখ্যালঘু পৰিষদৰ সভাপতি আবু বক্কৰ ছিদ্দিক, কৃষক পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি ফয়জুল ইছলাম, কৃষক পৰিষদৰ সাধাৰণ সম্পাদক আনন্দ শইকীয়া আৰু ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সম্পাদক চান্দ মামুদৰ লগতে জিলা আৰু সমষ্টিৰ পৰ্যায়ৰ বিষয়ববীয়াসকল। এই সভাখনত মৰিগাঁও জিলাৰ কে'বাজনো আদৰ্শ কৃষকক আদৰণি জনোৱা হয়। এই কৃষক সংযোগ সভাতেই জিলাখনৰ কৃষকসকলৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰা হয়। অসম কৃষক পৰিষদৰ কেন্দ্ৰীয় নেতৃত্বই কৃষকসকলৰ উদ্দেশ্যে ভাষণ প্ৰদান কৰে। ইয়াৰ লগতে জিলাখনত কৃষকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা চকাবাকৈ অৱগত কৰিব বুলি কৃষক পৰিষদৰ কেন্দ্ৰীয় নেতৃত্বই আশ্বাস দিয়ে। উল্লেখ্য, আজিৰ কৃষক সংযোগ সভাখন লাহৰীঘাট ব্লক পথাৰ পৰিচালনা কৃষক উৎপাদক সংস্থাৰ উদ্যোগত অনুষ্ঠিত হয়।

# মুছলপুৰত উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰত হৰ ঘৰ ত্ৰিৰংগা সম্পৰ্কে সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩ আগষ্ট ঃ** বাক্সা জিলাৰ মুছলপুৰস্থিত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সভাকক্ষত আজি হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী ৰূপায়ণ সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত হয়। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে এইবাৰৰ স্বাধীনতা দিৱসত সমগ্ৰ দেশবাসীক হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি জিলাখনৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সভাকক্ষত অনুষ্ঠিত এই সজাগতা সভাত তামুলপুৰ জিলাৰ উদ্যোগ অধীক্ষক দুৰ্গাকিংকৰ ভট্টাচাৰ্যই স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিভিন্ন আঁচনিৰ দ্বাৰা উপকৃত হোৱা হিতাধিকাৰীসকলক হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী পালন কৰিবলৈ আহ্বান জনায়। দুখীয়া লোককো দুই এখন ৰাষ্ট্ৰীয় পতাকা প্ৰদান কৰি হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফলভাৱে পালন কৰিবলৈ সকলোৱে প্ৰতি আহ্বান জনায়। আজিৰ এই সজাগতা সভাত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ কাৰ্যকৰী পৰিচালক মৃণাল দাসকে ধৰি কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীৰ লগতে পিএমইজিপি, পিএমএফএমই আদি বিভিন্ন আঁচনিৰ দ্বাৰা উপকৃত হোৱা হিতাধিকাৰীসকল উপস্থিত থাকে। আজিৰ এই সজাগতা সভাত উপস্থিত হিতাধিকাৰীসকলৰ মাজত একোখনকৈ ৰাষ্ট্ৰীয় পতাকা বিতৰণ কৰা হয়। সভাৰ অন্তত স্বাস্থ্য বিভাগে বাক্সা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীক কভিড-১৯ৰ তৃতীয়টো টিকা প্ৰদান কৰে।



# ১নং অফলা প্ৰাথমিক বিদ্যালয়ৰ পকী বেৰা নিৰ্মাণৰ কামৰ শুভৰম্ভণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহবামুখ, ৩ আগষ্ট ঃ** বোকাখাত মহকুমাৰ মহবামুখৰ অফলা প্ৰাথমিক বিদ্যালয়ৰ চাৰিসীমাৰ পকী বেৰা নিৰ্মাণৰ কামৰ আজি ফিটা কাটি শুভাৰম্ভ কৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৯নং গেলাপিল সমষ্টিৰ সাধাৰণ সদস্য জি এম লিভা পেগুৱে। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ভৱকান্ত বৰিয়ে বস্তি প্ৰজ্জ্বলনেৰে অৰম্ভ কৰা শুভাৰম্ভণি অনুষ্ঠানটোৰ আঁত ধৰে মিচিং ছাত্ৰ সংগঠনৰ নেতা কিশোৰ কামানে। ২০২১-২২ বিত্তীয় বৰ্ষৰ ৬ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'ব লগা উক্ত আঁচনিৰ শুভাৰম্ভ কৰাৰ পাছত বিদ্যালয়খনৰ প্ৰাংগণত অনুষ্ঠিত সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভৱকান্ত বৰি, বিদ্যালয় প্ৰধান সুন্দৰ মৰাং, স্থানীয় পৰন কামান,আদিত্য মিছুৰ লগতে জি এম লিভা পেগুৱে বক্তব্য প্ৰদান কৰে। ইপিনে, বিদ্যালয়খনৰ চাৰি সীমাৰ পকী বালৰ বাকী বৈ যোৱা অংশও পৰৱৰ্তী সময়ত আঁচনি গ্ৰহণ কৰি সম্পূৰ্ণ কৰাৰ আশ্বাস প্ৰদান কৰে জি এম লিভা পেগুৱে।



# পথ নিৰ্মাণৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ দেওমৰনৈ আছুৰ

## বিধ্বস্ত মঙলদৈ-মাজিকুছি পথ মেৰামতিৰ দাবীত উপায়ুক্ত-মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩ আগষ্ট ঃ** দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ এটা সঁজাতী দলে আজি বিধ্বস্ত হৈ পৰা মঙলদৈ-মাজিকুছি পথৰ হলৌচাকাৰ পৰা দেওমৰনৈ হৈ নামখোলালৈ যোৱা পথছোৱা মেৰামতি আৰু বহলকৰণৰ দাবীত দৰং জিলাৰ উপায়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ উপায়ুক্ত আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে, শেহতীয়া বান পৰিস্থিতি আৰু সৰু পথটোত অত্যধিক যান-বাহন চলাচল হোৱাৰ ফলত পথটো বিধ্বস্ত হৈ পৰিছে। ফলত দ্বিপাক্ষৰ, মঙলদৈ আৰু কলাই গাঁও সমষ্টিৰ লোকসকলৰ দৰং জিলাৰ সদৰ মংগলদৈলৈ অহা-যোৱা কৰাত যথেষ্ট অসুবিধা হৈছে। আৰু সেই অসুবিধা সমাধান কৰাৰ বাবে দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সীমান্ত চহৰীয়া, উপ-সভাপতি দ্বিদীপ ডেকা, জিন্টুমণি বণিয়া, সহকাৰী সম্পাদক মৃগাংক চলিহা, সাংগঠনিক সম্পাদক কৌশিক ডেকা আৰু সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক অপূৰ্ব শৰ্মাই জিলা উন্নয়ন বিষয়াৰ হাতত স্মাৰক-পত্ৰ প্ৰদান কৰি বিধ্বস্ত হৈ পৰা মঙলদৈ-মাজিকুছি পথটো অতি সোনকালে মেৰামতি আৰু বহলকৰণৰ দাবী জনায়।

## ধুবুৰীত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ ব্যাপক তৎপৰতা

# ডেৰ লক্ষাধিক পতাকা চিলাই কৰি বিক্ৰী কৰিছে আত্মসহায়ক গোটে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩ আগষ্ট ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ বাবে ধুবুৰী জিলা প্ৰশাসনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। জিলা উপায়ুক্তৰ নিৰ্দেশমৰ্মে জিলাখনৰ প্ৰতিটো বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, শিক্ষানুষ্ঠান আদিত ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ ৰাষ্ট্ৰীয় পতাকা উত্তোলন বা উৰুৱাই ৰখাৰ বাবে ৰাইজৰ মাজত ব্যাপক প্ৰচাৰ অভিযান চলোৱা হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ধুবুৰী জিলা গোটৰ নেতৃত্বত খণ্ড পৰ্যায়ৰ গোটসমূহে যথেষ্ট কাম কৰি বা মটৰচাইকেলেৰে সমদল উলিয়াই ৰাইজক সজাগ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়সমূহেও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ধুবুৰী জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ তৰফৰ পৰাও জিলাখনৰ গাঁৱে-ভূঞে মাইকযোগে ব্যাপক প্ৰচাৰ অভিযান চলাই ছে। শিক্ষানুষ্ঠানসমূহেও ইয়াৰ প্ৰচাৰৰ বাবে পদক্ষেপ লৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ধুবুৰী জিলা গোটে আত্মসহায়ক গোটবোৰক জৰিয়তে ১.৯১ লাখ বাসগৃহৰ বাবে ৰাষ্ট্ৰীয় পতাকা চিলোৱাৰ লক্ষ্য লৈছিল আৰু ২ আগষ্ট পৰ্যন্ত মুঠ লক্ষ্যৰ ৯২.১ শতাংশ অৰ্থাৎ ১.৫৬ লাখ পতাকা চিলাই ছে। চিলোৱা পতাকাৰ ৮৩.৫ শতাংশ অৰ্থাৎ ১.২৯ লাখ পতাকা বিক্ৰী কৰিছে। আত্মসহায়ক গোটৰ মহিলাসকলে চিলোৱা পতাকা বিক্ৰীৰ বাবে জিলা, খণ্ড, ক্লাষ্টাৰ আৰু গাঁও পৰ্যায়ত মুঠ ১১৬খন বিপণী স্থাপন কৰি আকাৰ অনুসৰি ২০ টকাৰ পৰা ৪০ টকা দৰত বিক্ৰী কৰি থকা হৈছে বুলি জনায় অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ধুবুৰী জিলা গোটৰ ডি পি এম আছিফ আহমেদে। আনহাতে, সুলভ মূল্যৰ দোকানৰ জৰিয়তে বেচন কাৰ্ড থকা হিতাধিকাৰীসকলক চৰকাৰে কম মূল্যত ৰাষ্ট্ৰীয় পতাকা যোগান ধৰাৰ পদক্ষেপ লৈছে। ধুবুৰী জিলাত ২.৩১ লাখ ৰাষ্ট্ৰীয় পতাকা সুলভ মূল্যৰ দোকাৰ জৰিয়তে বিক্ৰী কৰা হ'ব। ইচ্ছুক ব্যক্তিয়ে অনলাইনযোগেও ৰাষ্ট্ৰীয় পতাকা ক্ৰয় কৰিব পাৰিব।

# ফকিৰগঞ্জ আৰক্ষীৰ অভিযানত ১৪টাকৈ গৰু জব্দ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩ আগষ্ট ঃ** চৰকাৰে গৰুৰ চোৰাং কাৰবাৰ বন্ধ কৰাৰ বাবে যিমানেই কঠোৰ নহওক কিয়, ৰাজ্যখনত অব্যাহত আছে গৰুৰ চোৰাং কাৰবাৰ। নামনি অসমৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী ধুবুৰীৰ বিভিন্ন জলপথ, স্থলপথেৰে এচাম কাৰবাৰীয়ে চলাই গৈছে গৰুৰ চোৰাং বেহা। কালি ফকিৰগঞ্জ আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে চৈধ্যটাকৈ চোৰাং গৰু। এচাম বেপাৰীয়ে গ্ৰাম্য ভিতৰুৱা পথেৰে গৰুবোৰ লৈ যোৱা অৱস্থাত ফকিৰগঞ্জ আৰক্ষীয়ে গৰুবোৰ জব্দ কৰি থানালৈ আনে। চোৰাং কাৰবাৰীৰ কাকো আটক কৰিব পৰা নাই।

## দিকৰাইৰ দিপলুঙা চাহ বাগিচাত আটছাৰ সৰৱ ভূমিকা

# সামগ্ৰী কঢ়িয়াও বাহনত চাহ শ্ৰমিক অনাত আটছাৰ বাধা

**দৈনন্দিন বাৰ্তা, সেৱা, ইটাখোলা, ৩ আগষ্ট ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাস্থিত দিকৰাইৰ দিপলুঙা চাহ বাগিচাত আটছাই ঘূৰাই পঠালে মালবাহী বাহনত চাহ শ্ৰমিক কঢ়িয়াই নিয়া বাহন। সম্প্ৰতি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত চাহ শ্ৰমিকসকলৰ জীৱন আৰু শ্ৰমৰ নিৰাপত্তাজনিত ঘটনা সংঘটিত হৈ অহাৰ মাজতে এচাম বাগিচা কৰ্তৃপক্ষই অকৰ্তৃত্বশীলভাৱে চাহ শ্ৰমিকসকলৰ জীৱনৰ লগত হেতালি খেলা পৰিলক্ষিত হৈছে। ফলস্বৰূপে অসম চাহ জনজাতি ছাত্ৰ সন্থা আটছাই পূৰ্বতেই অধিক খৰ্হস্ত হোৱা দেখা গৈছে। একেদৰে জিলাখনৰ নদুৱাৰৰ চাহ জনগোষ্ঠী অনুযায়ি অঞ্চলত কিছু দিন ধৰি আটছাই বিভিন্ন সজাগতা সভা-সমিতিৰ জৰিয়তে জনগোষ্ঠীটোৰ প্ৰতি সৰৱ হৈ থকাৰ মাজতে পুনৰ আজি নদুৱাৰ অঞ্চলৰ ইটাখোলাস্থিত বৃহত্তৰ দিকৰাই চাহ বাগিচাৰ আটাইকেইটা শাখাত আটছাৰ কৰ্মীসকলে চাহ শ্ৰমিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ প্ৰতি সৰৱ হৈ থকাৰ মাজতে দিকৰাইৰ দিপলুঙা চাহ বাগিচাত পুৱাৰ ভাগত এটি আটছাৰ দলে পৰিদৰ্শন কৰে। দিপলুঙা প্ৰাথমিক আটছাৰ সভাপতি অজয় তাঁতী আৰু উপ-সভাপতি প্ৰেম বাউৰীৰ নেতৃত্বত যোৱা আটছাৰ দলটিয়ে বাগিচাখনৰ পৰা তথা দিপলুঙা চাহ বাগিচাৰ দাঁতি-কাষৰীয়া অঞ্চলৰ পৰা আন আন ক্ষুদ্ৰ চাহ বাগিচা আৰু ব্যক্তিগত খণ্ডৰ বাগিচালৈ চাহ শ্ৰমিক লৈ যোৱা মালবাহী বাহন প্ৰত্যক্ষ কৰে আৰু চাহ শ্ৰমিক কঢ়িয়াও এখন মালবাহী ট্ৰাকৰ পৰা প্ৰায় ৩০গৰাকী চাহ শ্ৰমিকক নমাই দিয়ে আৰু বাহনখন ওভতাই পঠিয়াই। ইয়াৰ উপৰিও আন দুখনকৈ মালবাহী ট্ৰাক চাহ শ্ৰমিক কঢ়িয়াবলৈ বাধা প্ৰদান কৰে আৰু ভৱিষ্যতে চাহ শ্ৰমিকক নিবলৈ যাত্ৰীবাহী বাহনৰ ব্যৱস্থা কৰিবলৈ সকীয়াই দিয়ে।



# নলবাৰীত যান-বাহন আইন উলংঘাকাৰীৰ ওপৰত কঠোৰ হৈছে যান-বাহন শাখাৰ আৰক্ষী

# ৫ লাখতকৈ অধিক জৰিমনাৰ ধন সংগ্ৰহ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩ আগষ্ট ঃ** যান-বাহন আইন পালন নকৰা আৰোহীৰ ওপৰত কঠোৰ হৈ উঠিছে নলবাৰীৰ যান-বাহন শাখাৰ আৰক্ষী। বিগত প্ৰায় ৯ বছৰৰ ৰেকৰ্ড ভাঙিলে নলবাৰীৰ যান-বাহন শাখাৰ আৰক্ষীয়ে। ট্ৰেফিক আইন পালন নকৰা যান-বাহন আৰোহীৰ পৰা বিগত মাহত ৫ লাখতকৈ অধিক জৰিমনা সংগ্ৰহ কৰিছে নলবাৰীৰ ট্ৰেফিক বিভাগে। আনহাতে, আজি পৰ্যন্ত নলবাৰী সদৰ থানাৰ সন্মুখত নলবাৰী ট্ৰেফিক পুলিচে হেলমেট পৰিধান নকৰা বাইক আৰোহী, নম্বৰপ্লেটবিহীন ই-ৰিক্সা, তথা ন' এণ্ট্ৰীত থকা দুই আৰু চাৰিচকীয়া বাহনক জৰিমনা প্ৰদান কৰা হৈছে। আনহাতে, নলবাৰী ট্ৰেফিক বিভাগৰ ইনচাৰ্জ নিকুৰাজা চিত্ৰকৰে সংবাদ মাধ্যমৰ আগত নলবাৰীবাসী ৰাইজক হেলমেট পৰিধান কৰি য'তে-ত'তে যান বাহন ৰখাই যান-জটৰ সমস্যা সৃষ্টি নকৰি ট্ৰেফিক আইন মানি চলিবলৈ আহ্বান জনায়। যান-বাহন আইন মানি নচলা আৰোহীৰ ওপৰত চলা আজিৰ এই অভিযানত নলবাৰী ট্ৰেফিক বিভাগৰ সহকাৰী উপ-পৰিদৰ্শক ভূপেন কলিতা, চেয়দ মকচেদ আলী, উপ-পৰিদৰ্শক (ট্ৰেফিক) বিশাল কাশ্যপসহ নলবাৰী ট্ৰেফিক পুলিচৰ এটি দল উপস্থিত থাকে।

# বগুৰানত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ৩ আগষ্ট ঃ** লক্ষীপুৰৰ বগুৰানত পথ দুৰ্ঘটনাত নিহত এগৰাকী ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ। নিহত ছাত্ৰজন বগুৰানৰ নাৰাঙ্গাবাৰী গাঁৱৰ কৃষক নাথ দহ বছৰীয়া পুত্ৰ সুমন নাথ বুলি জানিব পৰা গৈছে। আজি আবেলি ৩.৩০ মান বজাত গৰু লৈ ঘৰলৈ ওভতাৰ পথত এএছ ০১এইচি ৭৬৮৮ নম্বৰৰ ট্ৰেক্টৰখনে সুমনক মহতিয়াই লৈ যায়। ফলত থিতাতে নিহত হয় সুমন নাথ। ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত সুমনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# মাজুলীৰ ২০খন গাঁও পঞ্চায়তত বিশেষ গাঁওসভা উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ, সেৱা, নয়াবাজাৰ, ৩ আগষ্ট ঃ** অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি বুধবাৰে জিলাখনৰ ২০খন গাঁও পঞ্চায়তত আগষ্টৰ ১৩ৰ পৰা ১৫ আগষ্টলৈ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি সমগ্ৰ ভাৰতবৰ্ষৰ লগতে উদ্‌যাপন কৰিবলগীয়া 'ঘৰে ঘৰে জাতীয় পতাকা' শীৰ্ষক কাৰ্যসূচীৰ সফল ৰূপায়ণৰ উদ্দেশ্যে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ মানসেৰে বুধবাৰে মাজুলীৰ ২০খন গাঁওপঞ্চায়তত বিশেষ গাঁও সভা অনুষ্ঠিত কৰা হয়। প্ৰতিখন গাঁও সভাত জনসাধাৰণৰ অভূতপূৰ্ব সঁহাৰি প্ৰদৰ্শন কৰি উৎসাহেৰে ব্যাপক অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে বুধবাৰে অনুষ্ঠিত প্ৰতিখন গাঁও সভাতে জিলা প্ৰশাসনৰ একোজনকৈ শীৰ্ষ বিষয়াই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সেই অনুসৰি জ্যেষ্ঠ অতিৰিক্ত উপায়ুক্ত বিপুল কুমাৰ দাসে গড়মূৰ গাঁও পঞ্চায়তত, অতিৰিক্ত উপায়ুক্ত কাৰ্তিক কলিতাই দক্ষিণ কমলাবাৰী গাঁও পঞ্চায়তত, অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ কুমাৰ ফুকনে ৰতনপুৰ গাঁও পঞ্চায়তত, সহকাৰী আয়ুক্ত ভৱত কোঁৱৰে চিলাকলা গাঁও পঞ্চায়তত, সহকাৰী আয়ুক্ত দেৱনাৰায়ণ হাজৰিকাই পকাজৰা গাঁও পঞ্চায়তত, চক্ৰ বিষয়া জয়দীপ ৰজকে কমলাবাৰী গাঁও পঞ্চায়তত, চক্ৰ বিষয়া নৱজ্যোতি দাসে শ্ৰীৰাম গাঁও পঞ্চায়তত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও জিলাখনৰ বিভাগীয় মুৰব্বীসকলে বিভিন্ন গাঁও পঞ্চায়তত অংশগ্ৰহণ কৰে বুলি উপায়ুক্ত পুলক মহন্তই আমাক জানিবলৈ দিয়ে। আজিৰ এই বিশেষ গাঁও সভাখনত লগতে অন্য কে'বাটাও গুৰুত্বপূৰ্ণ বিষয় যেনে PMKISSAN, PMFBY,PMSYMY, JJM আঁচনি, ভোটাৰ কাৰ্ডৰ সৈতে আধাৰ সংযোগ, অৰুণোদয় আঁচনি, ধান ক্ৰয় ইত্যাদি বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

# ডিব্ৰুগড়ত লোককল্যাণ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৩ আগষ্ট ঃ** অসম চৰকাৰে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু তিথিটো 'লোককল্যাণ দিৱস' ৰূপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপলক্ষে অসমৰ অন্য জিলাৰ লগতে ডিব্ৰুগড় জিলাতো ডিব্ৰুগড় জিলা প্ৰশাসনৰ সৌজন্যত ৫ আগষ্টত লোককল্যাণ দিৱস বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলাইছে। ডিব্ৰুগড় মানকটা কছুৱাবাৰীস্থিত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত পুৱা ১০.৩০ বজাত অনুষ্ঠিত হ'বলগীয়া উক্ত কাৰ্যসূচীত অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য, ৰাজহৱা প্ৰতিষ্ঠান আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰিব বুলি জনাইছে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে।

# গৰৈমাৰীত চেলুন-স্পা-বিউটী পাৰ্লাৰৰ মুকলি



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৩ আগষ্ট ঃ** আজি তেজপুৰৰ বিশিষ্ট সমাজকৰ্মী দীপক শইকীয়াই তেজপুৰ গৰৈমাৰীত JUST For You Hair Beauty And Spa Salon খন শুভাৰম্ভ কৰে। তেজপুৰ বিমানবন্দৰৰ ওচৰৰ গৰৈমাৰীত এই চেলুন-স্পা-বিউটী পাৰ্লাৰখনে কেৱল স্থানীয় লোকেই নহয়, দেশ-বিদেশৰ পৰা অহা লোকসকলেও এই সেৱাৰ সুবিধা লাভ কৰাৰ লগতে এই চেলুনখনৰ পৰা বহুকেইজন যুৱক-যুৱতীয়ে নিজৰ জীৱিকাৰ পথ মুকলি কৰিবলৈ সুযোগ লাভ কৰিব বুলি প্ৰকাশ কৰে বিশিষ্ট সমাজকৰ্মী দীপক শইকীয়াই। আনহাতে, পাৰ্লাৰখনৰ পৰিচালক তথা অংশীদাৰ যুটিকা বৈশ্যই জানিবলৈ দিয়া অনুসৰি চুলি কটা, চুলিৰ ৰং, মচুৰকৰণ, ফেচিয়েল,স্পা ট্ৰেট, নখ সম্প্ৰসাৰণ কই নাৰ ৰূপসজ্জা, মেহেণ্দীকে ধৰি বিভিন্ন প্ৰকাৰৰ সেৱা উপলব্ধ কৰাৰ কথা কয়। লগতে কয় এই সেৱাসমূহ লাভ কৰিবলৈ আগতীয়াকৈ গ্ৰাহকসকলে বুকিং কৰিব পাৰিব। উল্লেখ্য দীৰ্ঘদিন ধৰি এই স্বল্পতম অত্যাধুনিক আৰু সম্পূৰ্ণৰূপে সজ্জিত ইউনিছেক্স পাৰ্লাৰ এখনৰ অভাৱ আছিল, যিটো এই পাৰ্লাৰখনে পূৰণ কৰিলে বুলি প্ৰকাশ কৰে পৰিচালক তথা অংশীদাৰ যুটিকা বৈশ্যই। আনহাতে, যিসকল দৰিদ্ৰ যুৱক-যুৱতীয়ে বিউটী পাৰ্লাৰ প্ৰশিক্ষণ ল'বলৈ আগ্ৰহী সেইসকলক দৰিদ্ৰ যুৱক-যুৱতীক বিনামূলীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰিব বুলি প্ৰকাশ কৰে পৰিচালক যুটিকা বৈশ্যই।

# জাগীৰোডৰ শান্তিপুৰৰ মহিলা নিৰুদ্দেশ



**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ৩ আগষ্ট ঃ** ৰাজ্যত হত্যা, ধৰ্ষণ আদিৰ দৰে বিভিন্ন অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাই অহাৰ সময়তে জাগীৰোডৰ শান্তিপুৰৰ এগৰাকী মহিলা নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জুৰি দেবী নামৰ মহিলাগৰাকী ২৪ জুলাইৰ পৰা সন্ধানহীন হৈ আছে। মহিলাগৰাকীয়ে মাকৰ ঘৰত যোৱাৰ পৰাই হৈ আছে নিৰুদ্দেশ। পৰিয়ালৰ লোকে বহু বিচাৰ-খোঁচাৰ কৰিও সন্ধান লাভ কৰা নাই মহিলাগৰাকীৰ। ইতিমধ্যে পৰিয়ালৰ লোকে মহিলাগৰাকীৰ নিৰুদ্দেশ সন্দৰ্ভত থানাত দাখিল কৰিছে এজাহাৰ। কোনো সদাশয় লোকে মহিলাগৰাকীৰ সন্ধান লাভ কৰিলে ৯৩৬৫৬-৩৪০৪৪ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে পৰিয়ালৰ লোকে।

# মাজুলী জিলা উকীল সন্থালৈ বাৰ কাউন্সিলৰ আইনৰ কিতাপ দান



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৩ আগষ্ট ঃ** অসম, নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিম বাৰ কাউন্সিলে ন্যায়াধীশ ড° বি পি চাৰাফ ফাউণ্ডেচনৰ সহযোগত মাজুলী উকীল সন্থালৈ আজি বহুসংখ্যক আইনৰ কিতাপ দান কৰে। এই উপলক্ষে আজি গড়মুৰস্থিত জিলা উকীল সন্থাৰ কাৰ্যালয়ত জিলা উকীল সন্থাৰ সভাপতি অতুল শইকীয়াই আঁত ধৰা এক চমু অনুষ্ঠানত বাৰ কাউন্সিলৰ সদস্য সীমান্ত কুমাৰ বৰঠাকুৰে আইনৰ কিতাপ দান কৰাৰ লগতে গ্ৰন্থাগাৰৰ শুভ উদ্বোধন কৰে। জিলা উকীল সন্থাৰ তৰফৰ পৰা গামোচাৰে আদৰণি জনোৱাৰ পিছত বাৰ কাউন্সিলৰ সদস্য বৰঠাকুৰে সন্থাৰ কাৰ্যালয়ত স্থাপন কৰা গ্ৰন্থাগাৰৰ উদ্বোধন কৰি বাৰ কাউন্সিলৰ তৰফৰ পৰা আগন্তুক দিনত মাজুলীৰ অধিবক্তাসকলৰ সহায় হোৱাকৈ আৰু আইনৰ কিতাপ আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। অনুষ্ঠানত মাজুলী উকীল সন্থাৰ সদস্য বোৰেশ্বৰ পামেগামে বাৰ কাউন্সিলৰ সদস্যগৰাকীক ধন্যবাদ জ্ঞাপন কৰি মাজুলীৰ অধিবক্তাসকলৰ সহায় হোৱাকৈ কিছু স্থানীয় আইনৰ কিতাপ সন্থালৈ আগবঢ়ালে অধিক উপকৃত হ'ব বুলি জনায়। অনুষ্ঠানত যোৰহাটৰ অধিবক্তা বিশ্বনাথ দে', মাজুলী উকীল সন্থাৰ সম্পাদক কামেশ্বৰ পায়েঙে বক্তব্য ৰাখি বাৰ কাউন্সিলৰ উদ্যোগৰ শলাগ লয়। শেষত বাৰ কাউন্সিলৰ শলাগ লোৱাৰ লগতে আগন্তুক দিনত সহযোগিতা কামনা কৰি শলাগৰ শৰাই সন্থাৰ সভাপতি অতুল শইকীয়াই।

**CORRIGENDUM**

In pursuance to the earlier NIT No.SEI/T-27/Pt-I/2021-22/1091 Dtd.23-03-2022, it is for general information to all the tenderers who have already collected the tender papers (bid documents) are directed to submit their tender papers (bid) to the email address **irrigsenagaon@gmail.com** along with hard copies to the undersigned as per terms & condition of the mentioned NIT on or before 2.PM of 08.08.2022 as directed by Hon'ble Gauhati High Court in Order No WP©/2164/2022 Dtd 30.07.2022 (Shyam Choudhury vs. State of Assam and others). The same will be opened at 2.30 PM of the same day by the undersigned or officers authorized to open in presence of the intending tenderers or their authorized agents who would like to present at the time of opening.

Sd/-
Superintending Engineer
Nagaon Circle (Irrigation)
Nagaon :: Assam

Janasanyog /C/7595/22

## প্ৰথম পৃষ্ঠাৰ পৰা—

## ‘শ্বেৰমান আলী ইছলামিক

শ্বেৰমান আলীয়ে শেহতীয়াভাৱে সংবাদ মাধ্যমৰ আগত জেহাদীৰ সমৰ্থনত দিয়া মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভাপতি বৈশ্যই সাংবাদ মেলত কয় যে শ্বেৰমান আলী, আমিনুল ইছলামহঁতৰ দৰে এচাম ধ্বংসৰে জেহাদীক সুৰক্ষা দিয়াৰ বাবে উঠিপৰি লাগিছে। জেহাদীক অসমত মজবুত কৰি তোলা আৰু আৱশ্যকীয়ে মৃত জেহাদীক নিৰপৰাধী, নিৰীহ আদি শব্দ প্ৰয়োগেৰে জেহাদীৰ পক্ষত থিয় হৈ জেহাদীৰ একোজন অভাৱগ্ৰাউণ্ডৰ কাৰ্যকৰ্তা হিচাপে ধৰা দিছে। এজন ব্যক্তিক কৰায়ত্ত কৰাৰ লগে লগে তেওঁ দোষী নে নিৰ্দোষী সেয়া আদালতে প্ৰমাণ কৰিব। শ্বেৰমান আলী, আমিনুল ইছলামৰ এই ধৃষ্টতা কিয় হ'ল যে আদালতৰ দায়িত্ব তেওঁলোকে কিয় ল'লে? তেওঁলোকে এই কাৰণে লৈছে যে তেওঁলোকে জেহাদীৰ হৈ অভাৱগ্ৰাউণ্ডৰ কাম কৰি আছে। অসমক স্বাধীন ইছলামিক ৰাষ্ট্ৰ হিচাপে গঢ়িবৰ বাবে অসমত জেহাদীয়ে যি ভয়ানকভাৱে সংগঠন কৰিছে তাক চৰকাৰে বাধা দিবলৈ চেষ্টা কৰাৰ লগে লগে শ্বেৰমান আলী, আমিনুল ইছলামহঁতৰ দৰে মুখাপিছা জেহাদীয়ে আস্ফালন আৰম্ভ কৰে বুলিও বৈশ্যই সংবাদ মেলত সদৰী কৰে। বৈদ্যুতিন মাধ্যমত জেহাদী পক্ষত মত পোষণ কৰি ঘাঘৰবৰ বিধায়ক শ্বেৰমান আলীয়ে বহুতো আপত্তিজনক মন্তব্য কৰাৰ কথা উল্লেখ কৰি সভাপতি বৈশ্যই কয়— শ্বেৰমান আলীয়ে বৈদ্যুতিন মাধ্যমত জেহাদীক এক প্ৰকাৰ পবিত্ৰ বুলিয়ে উল্লেখ কৰে আৰু অন্য লোকে জেহাদীক যেয়া মানুহ বুলি কোৱাতো যেন ভুলহে হৈছিল তেনেকুৱা ভাৱ প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে শ্বেৰমান আলী যে প্ৰকৃততে জেহাদীৰ অভাৱগ্ৰাউণ্ডৰ সংগঠক এইটোকে প্ৰমাণিত কৰে বুলি আন এক গুৰুত্বপূৰ্ণ মন্তব্য কৰে সভাপতিগৰাকীয়ে। সংবাদ মেলত বৈশ্যই কয় যে শ্বেৰমান আলীয়ে নিজৰ মন্তব্যত এজন সন্মানীয় সত্ৰাধিকাৰক শংকৰ গুৰুজনাৰ বিষয়ে অযথান কৰিবলৈ কৈ চূড়ান্ত ধৃষ্টতা কৰিছে। এই অক্ষমনীয় অপৰাধ কৰাৰ বাবে শ্বেৰমান আলীৰ ওপৰত বিহিত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহবান জনায় সংগঠনটোৱে। একেখন সংবাদ মেলত বৈশ্যই লগতে কয় যে শ্বেৰমান আলীয়ে সদ্য ধৃত জেহাদী কেইজনক জেহাদী নহয় সাধাৰণ চোৰ আৰু গৰু চোৰ বুলি মন্তব্য কৰা কথাটোৱে এইটোও প্ৰমাণ কৰে যে অসমৰ মুছলমান সমাজৰ সাধাৰণ চোৰ আৰু গৰু চোৰসকলৰ লগত শ্বেৰমান আলীৰ মিতিবালি আছে। গতিকে তেনেকুৱা গৰু চোৰৰ মিতিৰৰ মুখত ৰাম নামকথী বৰ বৰ কথা আশোভনীয় বুলিও বৈশ্যই সংবাদ মেলখনত কটাক্ষ কৰে। লগতে গৰু চোৰ আৰু সাধাৰণ চোৰৰ লগত মিতিৰ এজন জনপ্ৰতিনিধি হৈ অসমৰ সন্মানীয় বিধানসভাৰ মজিয়াত থকাটো আমাৰ কাৰণে দুৰ্ভাগ্যজনক বুলি কৈ আমি অসম চৰকাৰক দাবী জনাইছো এই গৰু চোৰৰ মিতিজনক গ্ৰেপ্তাৰ কৰিব লাগে আৰু তদন্ত কৰিব লাগে তেওঁ জেহাদীৰ হৈ কিমান অভাৱগ্ৰাউণ্ডৰ কাম কৰি আছে। ইপিনে বিধায়ক অখিল গগৈয়ে সত্ৰাধিকাৰ জনাৰ্দন গোস্বামীক মানসিকভাৱে বিকৃতি ঘটা বুলি কৰা মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভাপতি বলেন বৈশ্যই কয় যে অখিল গগৈৰ মন্তব্যৰ আমি কোনো প্ৰতিক্ৰিয়া নিদিওঁ। কাৰণ তেওঁ নিজে এজন মানসিক ৰোগী। তেওঁ মানসিক ৰোগৰ চিকিৎসা কৰি ভাঙাগড়ষ্ঠিত গুৱাহাটী মেডিকেল কলেজ হাস্পতালৰ কেবিনট আছিল। যেনেকৈ এজন ভাল মানুহে সকলোকে ভাল দেখে, এজন চোৰে সকলোকে চোৰ দেখে, ঠিক তেনেকৈ এজন মানসিক ৰোগীয়ে সকলোকে মানসিক ৰোগী দেখে। কিন্তু আমাৰ কাৰণে দুৰ্ভাগ্য যে তেনেকুৱা মানসিক ৰোগী আজি সন্মানীয় বিধানসভাৰ মজিয়াত আহি স্থান পাইছে। গতিকে তেওঁৰ কথাত বেছিকৈ গুৰুত্ব নিদিওঁ। কিন্তু তেওঁ যিবিলাক কথা কৈছে এই কথাবিলাকত আমাৰ আপত্তি আছে। এই আপত্তিটো এনেকুৱা ধৰণৰ যে অখিল গগৈয়ে যিধৰণৰ দালালি কৰে, ৰতন শৰ্মা, পৃথ্বী, ভুকৰীয়া, হিমসিংকা আদিৰ পৰা টকা লৈ আন্দোলনৰ নামত দালালী কৰে, অসমৰ ভূমিহীন লোকক ভূমি দিম বুলি প্ৰণৰ বড়োক জুলাই মৰাৰ নিচিনা নিকৃষ্ট কাণ্ড কৰে, তেনেকুৱা কাণ্ডটো জনাৰ্দন গোস্বামীয়ে কোনো কালে কৰা নাই। কোনো কালে তেওঁ মানসিক ৰোগী হিচাপে চিকিৎসাধীনো হোৱা নাই। তেনেস্থলত অখিল গগৈৰ নিচিনা মানসিক ৰোগী এটাৰ কথাত আমি ইমান প্ৰতিক্ৰিয়া দিবলৈ নাই। কিন্তু অখিল গগৈৰ যি দালালি আছিল সেইটো ওলাই পৰিছে আৰু গণভিত্তি হেৰুৱাইছে কাৰণে মুছলমান সমাজক লগত লৈ তেওঁ পুনৰ গণভিত্তি প্ৰতিষ্ঠা কৰাৰ কাৰণে লাগি আছে। তেওঁ এটা কথা কৈছে যে সত্ৰাধিকাৰৰ দায়িত্ব সত্ৰ পৰিচালনা কৰা। কথা হ'ল তেওঁৰ বিবেকে ঢুকি নাপায় যে সত্ৰৰ সত্ৰাধিকাৰে সোমাই থাকে আৰু সমাজপ্ৰতি অহা ভাবুকিৰ ক্ষেত্ৰত যদি সচেতন নহয়, তেনে সত্ৰাধিকাৰকেহে অসমৰ সচেতন সমাজে সমালোচনা কৰে যে সত্ৰাধিকাৰসকলে সত্ৰৰ পৰা নোলায় কাৰণে আৰু পাহাৰে ভৈয়ামে নুঘূৰে কাৰণে খ্ৰীষ্টান মিছনেৰী বাঢ়িছে, অমুক হৈছে। সেয়ে সত্ৰাধিকাৰসকল ওলাই আহিব লাগে। সত্ৰাধিকাৰজন যাতে ওলাই নাহে তাৰ কাৰণে দালালৰ দৰে অখিল গগৈয়ে তেনে ধৰণৰ কথা কৈছে। আচলতে অখিল গগৈয়ে চিঞৰি থাকিলেও সমাজত একো নহয়, সমাজৰ কাম চলি থাকিব। আমি আমাৰ কাম কৰিমেই। আমি বিচলিত নহওঁ। সংবাদ মেলত কেন্দ্ৰীয় সাধাৰণ সম্পাদক মাধৱ দাস, মুখ্য সাংগঠনিক সম্পাদক বিটুমণি গগৈ, সাংগঠনিক সম্পাদক হেমন্ত বৰুৱা, বিপিন দৈমাৰীসহ বিষয়ববীয়াসকল উপস্থিত থাকে।

## মৃত্যুৰ পিছত আত্মায়ো ক্ষমা

ডি এফৰ বিধায়ক কৰিমুদ্দিন বৰভূঞাই ২৪ ঘণ্টাৰ ভিতৰত জেহাদীৰ সৈতে সম্পৰ্কৰ প্ৰমাণ দিবলৈ দাবী কৰিছিল অন্যথা দুয়োগৰাকী মন্ত্ৰীক ক্ষমা খুজিবলৈ দাবী জনাইছিল। ইয়াৰ পিছতেই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত আজি তেজপুৰত মন্ত্ৰী হাজৰিকাই কৰিমুদ্দিন এনে মন্তব্যৰ বিৰুদ্ধে জাঙুৰ খাই উঠে আৰু কয় যে, মই ক্ষমা নোখোজো, কি কৰে কৰক। মই কিয়, মোৰ সন্তান অথবা চৈধ্য গোষ্ঠীয়েও সেইসকল মানুহৰ ওচৰত ক্ষমা নোখোজে। চৈধ্য গোষ্ঠী কি হয়তো তেওঁলোকে নাজানিবও পাৰে। কাৰণ তেওঁলোকৰ সংস্কৃতি আমাৰ লগত নিমিলে। ইফালে জেহাদীৰ অভিযোগ আনিলে অনাগত দিনত নিয়ন্ত্ৰণ বিহীন আন্দোলনৰ সন্মুখীন হ'ব লাগিব বুলি ধমকি দিয়াৰ সন্দৰ্ভত মন্ত্ৰী হাজৰিকাই কয় যে, অনিয়ন্ত্ৰিত বা নিয়ন্ত্ৰণহীন শব্দৰে কি বুজাব বিচাৰিছে। এই আন্দোলনৰ অৰ্থ যিহেতু নহতক কিয় জেহাদী কাৰ্যকলাপ হ'ব নোৱাৰিব। তেনে কাৰ্যকলাপ চৰকাৰে কঠোৰ হাতেৰে দমন কৰিব। আনহাতে কংগ্ৰেছ-এ আই ইউ ডি এফ দলত মুখ্যমন্ত্ৰীৰ প্ৰভাৱ আছে নেকি বুলি সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী হাজৰিকাই কয় যে, সদনৰ নেতা হিচাপে মুখ্যমন্ত্ৰীৰ লগত সকলোৰে ভাল সম্পৰ্ক। তাৰ মানে এইটো নুবুজায় যে অন্য দলৰ ওপৰত প্ৰভাৱ থাকিব। অৱশ্যে কংগ্ৰেছ দলত ২০ বছৰ কাল থকা হেতুকে দলটোৰ বহু নেতা-কৰ্মীয়ে মুখ্যমন্ত্ৰীক পূৰ্বৰে পৰা ভাল পায়। এটা সময়ত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পক্ষত কংগ্ৰেছৰ ৫৫ জন বিধায়কে থিয় দিছিল। গতিকে সেইসকল ব্যক্তিৰ প্ৰতি নিশ্চিতভাৱেই ভালপাব থাকিবই। আনহাতে বৰ্তমান কংগ্ৰেছ দলৰ স্থিতি সম্পৰ্কত সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে, ঘৰে ঘৰে ত্ৰিৰংগা পতাকা অভিযানৰ বাবে প্ৰধানমন্ত্ৰীয়ে আহ্বান জনোৱাৰ লগতে সামাজিক মাধ্যমতো ডি পি অথবা প্ৰফাইল পিকচাৰত জাতীয় পতাকা সংলগ্ন কৰাৰ আহ্বান জনাইছিল। কিন্তু কংগ্ৰেছৰ বহু নেতা কৰ্মীয়ে এই ডি পিত জৱাহৰলাল নেহৰুৰ লগতে পতাকাৰ ছবি সন্নিবিষ্ট কৰিছে। পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতি আমাৰ সন্মান আছে। কিন্তু কংগ্ৰেছে পুনৰ গান্ধী-নেহৰুৰ পৰিয়ালৰ মোহ যে এৰিব পৰা নাই শেহতীয়াকৈ পুনৰ প্ৰমাণ কৰিছে। ইফালে মন্ত্ৰী অশোক সিংহলে কংগ্ৰেছ বুৰঞ্জী হ'ব বুলি কোৱা বিপুন বৰাৰ ভাষাৰ প্ৰসংগত কয় যে, কংগ্ৰেছৰ বুৰঞ্জীও লাহে লাহে মানুহে পাহৰিবলৈ লৈছে। ইয়াৰ বাবে দায়ী বৰ্তমানৰ একাংশ নেতা। এতিয়া কংগ্ৰেছ ডাইনছৰৰ দৰে দুষ্প্ৰাপ্য হৈ পৰিব বুলিও কটাক্ষ কৰে মন্ত্ৰী সিংহলে।

**নগাঁৱত পুনৰ গঢ়ি উঠা ড্ৰাগছৰ ঘাটি উৎখাত কৰাৰ বাবে জিলা প্ৰশাসনক কঠোৰ নিৰ্দেশ মন্ত্ৰী পীযূষ হাজৰিকাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ আগষ্ট ঃ** নগাঁৱত পুনৰ ড্ৰাগছৰ সৰবৰাহ বৃদ্ধি পোৱা ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী তথা নগাঁৱৰ অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাই। আজি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয় সভাকক্ষত আয়োজিত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিবলৈ অহা মন্ত্ৰীগৰাকীক সংবাদ মাধ্যমে নগাঁৱত পুনৰ ড্ৰাগছ সৰবৰাহকাৰী সক্ৰিয় হৈ পৰা সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী হাজৰিকাই কয় যে সংবাদ মাধ্যমৰ জৰিয়তে নগাঁৱত পুনৰ ড্ৰাগছৰ প্ৰচলন বৃদ্ধি পোৱাৰ বিষয়ে জানিব পাৰিছো। আমাৰ চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে সদায় কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। নগাঁৱত ড্ৰাগছৰ ঘাটি উৎখাত কৰাৰ বাবে নগাঁও জিলা আৰু আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়া বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে, বিগত জুন মাহৰ শেষৰ ফালে পুনৰ নগাঁৱৰ বিভিন্ন স্থানত অবাধ হাৰত ড্ৰাগছৰ ব্যৱসায় চলাৰ সন্দৰ্ভত সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছিল। নগাঁৱৰ ফাঁচী ৰোডত মুকলিকৈ ড্ৰাগছৰ সৰবৰাহ কৰা আৰু সেৱন কৰা বাতৰি বিভিন্ন সংবাদ মাধ্যমত প্ৰচাৰ পায়। ড্ৰাগছমুক্ত হোৱাৰ দিশে আগবঢ়া নগাঁৱত পুনৰ ড্ৰাগছৰ ঘাটি গঢ়ি উঠাৰ ক্ষেত্ৰত নগাঁও আৰক্ষীক বিভিন্ন দল-সংগঠনে দোষাৰোপ কৰা দৃষ্টি গোচৰ হয়। আনকি একাংশ দুৰ্নীতিগ্ৰস্ত আৰক্ষীৰ লোকে ড্ৰাগছৰ ঘাটিৰ পৰা ধন সংগ্ৰহ কৰাৰো অভিযোগ উঠিছে। অপৰাধীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি সংবাদ মাধ্যমত চৰ্চিত হোৱা নগাঁও আৰক্ষী বিগত দুই-তিনি মাহ ধৰি কি কাৰণত নিষ্ক্ৰিয় হৈ পৰিছে তাক লৈয়ো ৰাইজৰ মনত প্ৰশ্ন উদয় হৈছে। তেনে সময়তে নগাঁৱত ড্ৰাগছৰ ঘাটি পুনৰ সক্ৰিয় হৈ উঠা বিষয়টোৰ উদ্বেগ প্ৰকাশ কৰিছে নগাঁৱৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে। ইপিনে ভাৰতবিৰোধী কাৰ্যকলাপ চলা সকলো মাদ্ৰাছাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি মন্তব্য কৰি মন্ত্ৰী পীযূষ হাজৰিকাই সংবাদ মাধ্যমৰ আগত কয়— মাদ্ৰাছাৰ বিৰুদ্ধে আমাৰ একো ক'বলগীয়া নাই। কিন্তু যিসমূহ মাদ্ৰাছাত ভাৰতবিৰোধী কাৰ্যকলাপ সংঘটিত হয় তেনে মাদ্ৰাছাৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ লোৱা হ'ব।

## ‘গৰীয়সী’ৰ প্ৰচ্ছদ কাহিনী

জন্ম, বিকাশ, সংঘাত আৰু বহুতো’, মিতালী বৰ্মনৰ ‘অংকীয় (ডিজিটেল) পৃথিৱীত অসমীয়াত কথা-বতৰা গোট’, উচ্চজিৎ দশগিৰিৰ ‘অসমীয়া ভাষাৰ অংকীয় বা ডিজিটেল যুগৰ অন্যতম বাটকটীয়া, ই-আলোচনী ‘সাহিত্য ডট অৰ্গ’ৰ ইতিহাস আৰু অৱদান (২০১১-২০১৫)’, ডাঃ গীতাৰ্থ বৰদলৈৰ ‘অসমীয়া ৱিকিপিডিয়া’, ড° গুণদীপ চেতিয়াৰ ‘ৰ’দালি ঃ অসমীয়া ইউনিক’ড লিখন সঁজুলি’, মনজিৎ নাথৰ ‘মাইক্ৰ’ছফটৰ লেংগুৱেজ ইণ্টাৰফেচ পেক (LIP)’, পল্লৱপ্ৰাণ গোস্বামীৰ ‘নীলা চৰাই সম্পৰ্কে কিঞ্চিৎ’, ড° বুলজিৎ বুঢ়াগোহাঁইৰ ‘অসমীয়া ই-সাহিত্যৰ প্ৰচাৰৰ অভিজ্ঞতা’, নিতুল বৰাৰ ‘অসমীয়া ৱিকিপিডিয়া আৰু ৱিকিউৎস’, ড° সত্যকাম দত্তৰ ‘গুগলৰ ট্ৰেনশ্লেচন প্ৰকল্পত অসমীয়া’, ডাঃ প্ৰদীপ কুমাৰ শৰ্মাৰ ‘বিকাশপিডিয়া ঃ ইয়াৰ জন্মলগ্ন আৰু মোৰ যোগসূত্ৰ’, ড° অঞ্জল বৰাৰ ‘ৱিকিউৎস ঃ ডিজিটেল পুথিভঁৰাল আৰু অন্যান্য অসমীয়া সমল সংগ্ৰহ’ আৰু সুশান্ত কৰৰ ‘আন্তৰ্জালত অসমীয়া লিখা-মেলাৰ আঁৰৰ স্মৃতি কাহিনী’।

সম্পাদকীয় (হৃদয়ে কঢ়িয়ায় জাতীয় চেতনা)ত এনেদৰে লিখিছে— ‘...জোনাকী যুগৰ দৰেই বিশ্বৰ বিভিন্ন ঠাইত বাস কৰি থকা কিছু ভাষা আৰু জাতিৰ প্ৰতি দায়বদ্ধ তৰুণে এক গোট হৈ ইণ্টাৰনেটত এদিন আৰম্ভ কৰিলে এক নতুন আন্দোলনৰ। তৰুণ প্ৰজন্মকেই নহয়, অনুপ্ৰাণিত কৰিলে অগ্ৰজ প্ৰজন্মকো অসমীয়া ভাষাৰ ইণ্টাৰনেটত চৰ্চা কৰিবলৈ। সৃষ্টি হ’ল নতুন লেখকৰ। কলম নমাই থোৱা বহুতেই আকৌ সৃষ্টিশীল পথলৈ উভতি আহিল। এই ল’ৰা-ছোৱালীবোৰৰ বহু বছৰৰ নীৰৱ আৰু নিৰলস সাধনাই অসমীয়া ভাষা-সাহিত্যত যি নতুন জাগৰণৰ সৃষ্টি কৰিছে — সেই ইতিহাসক সঠিকভাৱে সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। যি জাতিয়ে যোগ্যজনক যথাযথ স্বীকৃতি আৰু সন্মান দিব জানে, যি জাতিয়ে প্ৰকৃত পথপ্ৰদৰ্শকক চিনাক্ত কৰিব পাৰে, যি জাতিয়ে সন্মিলিত প্ৰচেষ্টাৰে ইতিবাচক দিশেৰে আগবাঢ়ি যাবলৈ চেষ্টা কৰে সেই জাতিয়েই প্ৰত্যাহ্বান পাৰ কৰি তিষ্ঠি থকাৰ যোগ্য। এই ‘ই-জোনাকী যুগ’ আৰম্ভ হৈছে মাত্ৰ। অসমৰ মুদ্ৰিত সাহিত্য ক্ষেত্ৰলৈও নতুন সজীৱতা আহিছে।...’

‘ই-জোনাকী যুগ’ৰ প্ৰচ্ছদ কাহিনীত মনজিৎ নাথ আৰু ড° সত্যকাম দত্তই এইদৰে উল্লেখ কৰিছে — ‘...বহু সময়ত খুজি খুজি বা দাবী কৰি বস্তু আহৰণ কৰা আমি সকলোৱে গুগলৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংস্থা এটিৰ সিদ্ধান্ত এটাকো বেলেগ ধৰণে ব্যাখ্যা কৰা যেন আমাৰ অনুমান হ’ল। মুনাফা অৰ্জন কৰা আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান এটাৰ সিদ্ধান্ত এটাৰ ক্ষেত্ৰত কোনো জাতীয় অনুষ্ঠান বা গাইগুটীয়া প্ৰচেষ্টাৰ পোনপটীয়া প্ৰভাৱ থকা বুলি ভবাটো ভুল। অসমীয়াৰ লগতে অন্তৰ্ভুক্ত হোৱা মিজো ভাষাৰ ক্ষেত্ৰত ইমান হুলস্থুল হোৱা দেখা নগ’ল। আমাৰ অনুভৱ হ’ল, ডিজিটেল মাধ্যমৰ কাৰিকৰিতাখিনি সকলোৱে বুজি নোপোৱা বাবে কিছুমান ব্যক্তি আৰু অনুষ্ঠানে বহুত তথ্য বিকৃতভাৱে উপস্থাপন কৰিছে। আটাইতকৈ দুখ লাগিল যেতিয়া ডিজিটেলমাধ্যমত অসমীয়া ভাষাত উপলব্ধতা আৰু প্ৰসাৰ সম্পৰ্কীয় ইতিহাসৰ কিছুমান তথ্য ভুলকৈ বুজোৱা বা গাপ দিবলৈ চেষ্টা কৰা হ’ল।...’

‘ডিজিটেল মাধ্যমত অসমীয়া ভাষাৰ উপলব্ধতা আৰু প্ৰসাৰ’ শীৰ্ষক ইতিহাস সংৰক্ষণ প্ৰকল্পৰ কাম হাতত লোৱা বাবে মনজিৎ নাথ আৰু ড° সত্যকাম দত্তক ধন্যবাদ জনাইছো। আহক, অসমৰ জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে এই প্ৰকল্পত সহায়ৰ হাত আগবঢ়াও। আমি ভাবো ‘গৰীয়সী’ এই সংখ্যাটো অসমীয়া লেখা-পঢ়া কৰিব জনা সকলোৱে পঢ়া উচিত আৰু সংখ্যাটো সংৰক্ষণ যোগ্য।

লেখকঃ অসম ডনবস্ক’ বিশ্ববিদ্যালয়,
আজাৰা, গুৱাহাটী-৭৮১০১৭
*ফোন ঃ ৯৪৩৫১-৮৮৬৩০*
ই-মেইল: buljit@gmail.com
www.buljit.com

## অইলৰ অধ্যক্ষ আৰু

গৌৰৱ অৰ্জন কৰিছিল। ড° ৰঞ্জিত ৰথ ভূ-বিজ্ঞানৰ ক্ষেত্ৰত ২৫ বছৰতকৈ অধিক সময়ৰ অভিজ্ঞতা আৰু বিশেষজ্ঞসম্পন্ন এজন ভূ-বিজ্ঞানী। ড° ৰথে ভাৰত চৰকাৰৰ পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ৰ অধীনৰ নৱৰত্ন ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অইলৰ কাম-কাজৰ নেতৃত্বত যোগদান কৰাৰ পূৰ্বে খনি মন্ত্ৰণালয়ৰ অধীনত মিনাৰেল এক্সপ্ল’ৰেচন এণ্ড কনচালটেন্সী লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক, খনিজ বিদেশ ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া, ভাৰত গ’ল্ড মাইনছ লিমিটেডৰ পৰিচালন সঞ্চালক থকাৰ লগতে ভাৰত চৰকাৰৰ অধীনত ভাৰতৰ ভূতাত্ত্বিক জৰীপৰ মহানিৰ্দেশকৰ অতিৰিক্ত দায়িত্বতো আছিল। ড° ৰথৰ কৰ্মৰ পৰিসৰ কৌশল প্ৰণয়ন, ব্যৱসায়িক বিকাশ আৰু আপষ্ট্ৰিম সম্পত্তি ব্যৱস্থাপনাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পত ভূ-বিজ্ঞান আৰু অন্বেষণ ভূতত্ত্বৰ প্ৰয়োগলৈকে বিচিত্ৰধৰ্মী ভূমিকাৰে সমৃদ্ধ। গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহৰ ভিতৰত খাৰুৱা তেলৰ কৌশলগত সংৰক্ষণৰ বাবে ভূগৰ্ভস্থ শিলৰ গুহাসমূহৰ সৈতে জড়িত শক্তি সুৰক্ষাৰ দিশত ভাৰত চৰকাৰৰ এক পদক্ষেপ কৌশলগত পেট্ৰলিয়াম সংৰক্ষণ (এছপিআৰ) সৃষ্টিও অন্তৰ্ভুক্ত।

## চৰকাৰে প্ৰত্যাহাৰ কৰিলে

আৰু তৃণমূল কংগ্ৰেছে তীব্ৰ প্ৰতিবাদ কৰিছিল। বিৰোধীয়ে এইবুলি দাবী কৰিছিল যে এই বিধেয়কে তথ্যৰ গোপনীয়তা ভংগ কৰি নাগৰিকসকলৰ মৌলিক অধিকাৰ খৰ্ব কৰিব। উল্লেখ্য, বিধেয়কখনত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দোহাই দি চৰকাৰক ব্যক্তিসকলৰ সকলো ব্যক্তিগত তথ্য হস্তান্তৰ কৰাৰ ব্যাপক ক্ষমতা প্ৰদান কৰিলেহেঁতেন। এই বিধেয়কে ফেচবুক, হোৱাটছএপ, ইনষ্টাগ্ৰাম, টুইটাৰকে ধৰি অন্যান্য কোম্পানীকো ব্যক্তি এজনৰ গোপনীয় তথ্য জনাবলৈ বাধ্য কৰিলেহেঁতেন বুলি বহুতে অভিযোগ কৰিছিল।

## পৰিচালনাৰ অৱহেলাৰ বাবে

আমি নিশ্চয় উলিয়াব লাগিব। অশোক কাগজ কলৰ ভিতৰৰ যিবিলাক যন্ত্ৰাংশ আছে সেই যন্ত্ৰাংশসমূহ একেবাৰে বিকল হৈ পৰিছে। এই উদ্যোগটো যদি আদিতে ব্যৱস্থা ল’লেহেঁতেন তেনেহ’লে এই কাগজ কলটোৰ এই অৱস্থা নাপালেহেঁতেন। বিশেষকৈ পৰিচালনাৰ অৱহেলাৰ বাবে আজি কাগজ কলটোৰ এই অৱস্থা হৈছে। এই মন্তব্য পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ। বঙাইগাঁও জিলাৰ যোগীঘোপাৰ দীৰ্ঘদিনৰ পৰা বন্ধ হৈ থকা ঐতিহাসিক অশোক কাগজ কলত আজি হঠাৎ অসম বিধানসভাৰ ৰাজহুৱা উদ্যোগ সমিতিৰ এটি প্ৰতিনিধিৰ দল উপস্থিত হয়। সমিতিৰ অধ্যক্ষ তথা পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ নেতৃত্বত ছজনীয়া বিধায়কৰ দলে অশোক কাগজ কল আৰু মাল্টি মডেল লজিষ্টিক হাব পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটোৰ অধ্যক্ষ তথা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সংবাদ মাধ্যমৰ আগত কয় যে, অশোক কাগজ কল বন্ধ হোৱাৰ কাৰণ কি তথা কাগজ কলটোৰ আজিৰ অৱস্থালৈ অহাৰ কাৰণ কি আমি গোটেই বিষয়টো চাব লাগিব। কাগজ কলটোত আজি লোৰ সামগ্ৰী, কাঠৰ সামগ্ৰী বেয়া হৈ পৰিত্যক্ত অৱস্থাত আছে । কাগজ কলটোৰ যিবিলাক যন্ত্ৰপাতি প্ৰত্যক্ষ কৰিলোঁ সেইবোৰ একেবাৰে বিকল হৈ পৰি আছে । এতিয়া আৰু যে এই যন্ত্ৰপাতিবোৰ চলাব পাৰিব সেইটোত আমাৰ সন্দেহ আছে । আমাৰ প্ৰতিনিধিৰ দলটোৱে এই গোটেই বিষয়বোৰ চাম। অশোক কাগজ কলটো এই অৱস্থালৈ কিয় আহিল তাৰ বাবে উপায়ুক্তৰ লগতে কাগজ কলটোৰ পৰিচালন সঞ্চালক আৰু উচ্চপদস্থ বিষয়াৰ সৈতে আমি আলোচনা কৰা হ’ব। এই সমস্ত বিষয় সন্দৰ্ভত সমিতিয়ে তন্ন তন্নকৈ পৰ্যালোচনা কৰি কাগজ কলটো আজি মৃত অৱস্থালৈ অহাৰ বাবে দায়ীসকলক কাকো ৰেহাই দিয়া নহয় আৰু এইক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আমাৰ সমিতিয়ে ৰাজ্য চৰকাৰক কিছু পৰামৰ্শ আগবঢ়োৱা হ’ব বুলি উল্লেখ কৰে বিধায়কগৰাকীয়ে। উল্লেখ্য যে মৃত অৱস্থাত থকা ঐতিহাসিক অশোক কাগজ কলটোৰ ভিতৰ ভাগ পৰিদৰ্শন কৰি কলটোৰ ধ্বংসপ্ৰায় যন্ত্ৰপাতি পৰিদৰ্শন কৰে উচ্চ পৰ্যায়ৰ সমিতিখনে। অশোক কাগজ কলৰ পৰিচালন সঞ্চালকৰ সৈতে বাৰ্তালাপ কৰে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ লগতে প্ৰতিনিধিৰ দলটোৱে। চকুৰ সন্মুখতে ধ্বংসস্তূপত পৰিণত হোৱা অশোক কাগজ কলটোৰ ভিতৰ ভাগ পৰিদৰ্শন কৰি এক প্ৰকাৰৰ আৱেগিক হৈ পৰে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ লগতে প্ৰতিনিধিৰ দলটো। ইয়াৰ পিছতে দলটোৱে অশোক কাগজ কলৰ ভূমিত নিৰ্মাণ হৈ থকা মাল্টি মডেল লজিষ্টিক পাৰ্ক পৰিদৰ্শন কৰে। পৰিদৰ্শনত লজিষ্টিক পাৰ্কৰ কামৰ খতিয়ানৰ বুজ লয় দলটোৱে। আনহাতে, চোৰাং কাঠ ব্যৱসায়ীয়ে কাগজ কলটোৰ আৱাসিক এলেকাত থকা শাল গছ কাটি তহিলং কৰা এলেকাটো পৰিদৰ্শন কৰে দলটোৱে। আৱাসিক এলেকাত শাল গছ কাটি টহিলং কৰা প্ৰত্যক্ষ কৰি দলটোৱে বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। আৱাসিক এলেকাত বৃহৎ শাল গছসমূহ কাটি তহিলং কৰা সন্দৰ্ভত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয় যে, অশোক কাগজ কলৰ ২২জন নিৰাপত্তাৰক্ষী আৰু এজন চোৰা-চিতাৰ দায়িত্বত থকাৰ পিছতো এনেকৈ গছ কাটি তহিলং কৰাত তেওঁলোক যে প্ৰত্যক্ষভাৱে জড়িত নাই সেইটো মই ভাবিব পৰা নাই। গছসমূহ ৰক্ষা কৰাৰ ক্ষেত্ৰত আমি দিছপুৰলৈ গৈ অসম বিধানসভাৰ ৰাজহুৱা উদ্যোগ সমিতিয়ে বন বিভাগৰ উচ্চপদস্থ বিষয়া, ডি এফ অ’ আৰু উপায়ুক্তৰ সৈতে আলোচনা কৰি ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিম বুলি আশ্বাস দিয়ে। আজিৰ ৰাজহুৱা উদ্যোগ সমিতিৰ অধ্যক্ষ ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ নেতৃত্বত অহা দলটোত ৰূপহীহাট সমষ্টিৰ বিধায়ক নুৰুল হুদা, দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক ছিদ্দিক আহমেদ, বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস, আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা আৰু দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱালা উপস্থিত থাকে। প্ৰতিনিধিৰ দলটোক বঙাইগাঁও জিলা উপায়ুক্ত নৱদীপ পাঠকৰ লগতে বিভিন্ন বিভাগৰ বিষয়াসকলে সহযোগ কৰে।

## ২৫ বছৰৰ ভিতৰত ভাৰত

উত্তোলনৰ আহ্বান জনোৱা হৈছে, যাতে স্বাধীনতা সংগ্ৰামীসকলে কৰা ত্যাগৰ বিষয়ে যুৱ-প্ৰজন্মক জনাব পৰা যায় আৰু তেওঁলোকৰ মনত দেশপ্ৰেমৰ অনুভূতি জাগ্ৰত কৰিব পৰা যায়। তেওঁ জাতীয় পতাকাৰ ৰূপকাৰ স্বাধীনতা সংগ্ৰামী পিংগালী ভেংকায়াৰ ১৪৬ সংখ্যক জন্ম-জয়ন্তীৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা ‘তিৰংগা উৎসৱ’ত ভাষণ দিছিল। অনুষ্ঠানটোত শ্বাহে ‘তিৰংগা’ সংগীত আৰু এক বিশেষ ভিডিঅ’ মুকলি কৰে। অনুষ্ঠানটোত ভেংকায়াৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। ভেংকায়াৰ সন্মানত এটা স্মাৰক ডাক টিকটো শ্বাহে মুকলি কৰে। উল্লেখ্য, ইয়াৰ পূৰ্বেও যোৱা মাহত অমিত শ্বাহে ভাৰত বিশ্বগুৰুত পৰিণত হ’ব বুলি মন্তব্য কৰিছিল।

## হিন্দুক অত্যাচাৰৰ নতুন কৌশল

দুজন লোক নিহত হৈছিল আৰু বহু লোক আহত হৈছিল। মৌলবাদীয়ে কেইবাখনো চহৰত দুৰ্গা পূজাৰ পেণ্ডেলত আক্ৰমণ কৰিছিল। কোৰানক অপমান কৰাৰ অভিযোগৰ পিছতে এনে আক্ৰমণ সংঘটিত হৈছিল। ২০১৬ চনত দেশখনৰ নাছিৰ নগৰত হিন্দুসকলৰ ওপৰত আক্ৰমণ হৈছিল। সেই সময়ত ১৯টা মন্দিৰ ভাঙি পেলোৱা হৈছিল আৰু ৩০০তকৈও অধিক হিন্দু লোকৰ ঘৰত আক্ৰমণ চলিছিল বুলি চেটাৰ্জীয়ে কয়। উক্ত আক্ৰমণত ১০০ৰো অধিক লোক আহত হৈছিল। ইয়াৰ পূৰ্বে ২০১২ চনত ক’বজাৰ জিলাৰ ৰামু উপ-জিলাত সংখ্যালঘু বৌদ্ধসকলক লক্ষ্য কৰি বৃহৎ আক্ৰমণ সংঘটিত কৰা হৈছিল। এটা বিতৰ্কিত ফেচবুক পোষ্টৰ পিছতে আক্ৰমণ সংঘটিত হৈছিল। একেদৰে, ২০১৩ চনত, হিন্দুসকলৰ ওপৰত পৰিকল্পিত আক্ৰমণ হৈছিল আৰু শ শ হিন্দুৰ ঘৰত আক্ৰমণ কৰা হৈছিল। বাংলাদেশত মানৱ অধিকাৰ আৰু আইনী অধিকাৰৰ বাবে কাম কৰা সংগঠন আইন অ’ চালিশ চেণ্টাৰৰ মতে ২০১৩ ৰ পৰা ২০২২ চনৰ ভিতৰত হিন্দুসকলৰ ১,৬৪২ টা ঘৰ আৰু ৪৫৬ খন দোকানত আক্ৰমণ কৰা হৈছিল। এই সময়ছোৱাত, ১৮০৭টা মন্দিৰ, বৌদ্ধ মঠ আৰু মূৰ্তি আক্ৰমণ কৰা হৈছিল। এই সময়ছোৱাত সাম্প্ৰদায়িক আক্ৰমণত কমেও ১৩জন লোক নিহত আৰু ১০৩৭জন লোক আহত হৈছিল। নিৰ্মল চেটাৰ্জীয়ে কয়— ‘নাদাইলত আক্ৰমণৰ পিছত আৰক্ষী মোতায়েন কৰা হৈছিল আৰু গ্ৰেপ্তাৰৰ আশ্বাসো দিয়া হৈছিল। তদন্তকাৰী বিষয়াসকলে ভুক্তভোগী পৰিয়ালকো লগ কৰিছিল। চৰকাৰে দাবী কৰিছে যে আমি বহুত কাম কৰি আছো, কিন্তু সেয়া পৰ্যাপ্ত নহয়।

## আজাদী কা অমৃত মহোৎসৱ

৫০ শতাংশ কাল সম্পূৰ্ণ কৰা ৬০ বছৰ আৰু ততোধিক বয়সৰ পুৰুষ কয়দী, ৭০ শতাংশ বা ততোধিক শাৰিৰীক অক্ষমতা থকা দিব্যাংগ ব্যক্তি যিয়ে মুঠ কাৰাবাসৰ সময়সীমাৰ ৫০ শতাংশ কাল সম্পূৰ্ণ কৰিছে, মৃত্যুমুখী অসুস্থতাত ভোগা বুলি মেডিকেল বোৰ্ডে প্ৰমাণপত্ৰ প্ৰদান কৰা ৰোগী কাৰাবন্দী, দুই তৃতীয়াংশ অৰ্থাৎ ৬৬ শতাংশ কাৰাবন্দীত্ব সম্পূৰ্ণ কৰা অন্যান্য কাৰাবন্দী, কাৰাবাসৰ কাল সম্পূৰ্ণ কৰিও আৰোপিত জৰিমনা আদায় দিবলৈ সক্ষম নোহোৱা বাবে কাৰাবাসত থকা দুখীয়া বা অসহায় কয়দী, ১৮ ৰ পৰা ২১ বছৰৰ ভিতৰত কোনো অপৰাধত দণ্ডিত হৈ কাৰাবৰণ কৰি কাৰাবাসত ৫০ শতাংশ সময় অতিক্ৰম কৰা আৰু আন কোনো অপৰাধ নথকা কয়দীসকলক এই পদক্ষেপৰ অধীনত অহা ১৫ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ মুকলি কৰি দিয়া হ’ব। উল্লেখযোগ্য যে এই ক্ষেত্ৰত কাৰাবৰণৰ সময় হিচাপ কৰোতে সাধাৰণভাৱে আৰ্জিত ৰেহাইৰ কাৰাবাস কাল ধৰা নহ’ব। তদুপৰি এই ৰেহাই কিছুমান বিশেষ গোচৰত দোষী সাব্যস্ত কয়দীৰ ক্ষেত্ৰত প্ৰযোজ্য নহ’ব। যেনে—মৃত্যুদণ্ডৰে দণ্ডিত বা পিছলৈ এই দণ্ড আজীৱন কাৰাবাসলৈ পৰিৱৰ্তন কৰা কয়দী, কোনো অপৰাধত দোষী সাব্যস্ত হোৱা কয়দী যাৰ বাবে অন্যান্য শাস্তিৰ লগতে মৃত্যুকো এটা শাস্তি বুলি ঘোষণা কৰা হৈছে, আজীৱন কাৰাদণ্ডৰে দণ্ডিত কয়দী, সন্ত্ৰাসবাদী কাৰ্য-কলাপৰ বাবে দোষী সাব্যস্ত ব্যক্তি বা Terrorist and Disruptive Activities (Prevention) Act, 1985 (TADA), The Prevention of Terrorism Act, 2002 (POTA), Unlawful Activities (Prevention) Act 1967 (UAPA), The Explosive Subtances Act 1908, The National Security Act, 1982 (NSA) Official Secrets Act, 1923 আৰু Anti-Hijacking Act, 2016ৰ অধীনত দোষী সাব্যস্ত হোৱা অপৰাধী এই ৰেহাইৰ আওতাত নপৰে। তদুপৰি যৌতুকজনিত মৃত্যুৰ বাবে দোষী সাব্যস্ত হোৱা কয়দী, ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰা ৪৮৯ (A-E)ৰ অধীনত নকল নোট প্ৰচলনৰ অপৰাধত দোষী সাব্যস্ত হোৱা কয়দী, Protection of Children from Sexual Offences Act, 2012 (POSCO) আৰু Immoral Traffic (Prevention) Act, 1956ৰ অধীনত যৌন নিৰ্যাতন আৰু মানৱ সৰবৰাহৰ দোষত দোষী সাব্যস্ত হোৱা কয়দী, Prevention of Money Laundering Act, 2002, Foreign Exchange Management Act, 1999 (FEMA), Black Money (Undisclosed Foreign Income and Assets) and Imposition of Tex Act, 2015ৰ অধীনত দোষী সাব্যস্ত কয়দী, Narcotic Drugs and Psychotropic Substances Act, 1985 (NDPS) ৰ অধীনত দোষী সাব্যস্ত কয়দী, Weapons of Mass Destruction and their Delivery Systems (Prohibition of Unlawful Activities) Act, 2005 আৰু Prevention of Corruption Act, 1988ৰ অধীনত কাৰাৰুদ্ধ কয়দী, ভাৰতীয় দণ্ড বিধি আইনৰ ষষ্ঠ অধ্যায়ৰ অধীনত ৰাষ্ট্ৰ বিৰোধী দোষত দোষী সাব্যস্ত কয়দী আদিৰ ক্ষেত্ৰত এই ৰেহাই প্ৰযোজ্য নহ’ব। অহা ১৫ আগষ্টত ৰেহাই লাভ কৰিবলগীয়া কয়দীসকলৰ ভিতৰত ৫ গৰাকী ৬০ বছৰৰ উৰ্দ্ধৰ পুৰুষ কয়দী, ১২ গৰাকী ৬৬ শতাংশ কাৰাবন্দীত্ব সম্পূৰ্ণ কৰা কাৰাবন্দী আৰু এগৰাকী ১৮ ৰ পৰা ২১ বছৰৰ ভিতৰত কৰা অপৰাধত দণ্ডিত হৈ ৫০ শতাংশ কাৰাবৰণৰ সময় অতিক্ৰম কৰা কয়দী আছে।


## মটক যুৱ-ছাত্ৰ সন্মিলনৰ ৰে’ল

মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, বিজেপিৰ মুৰ্দাবাদ, মটক জনগোষ্ঠীক শীঘ্ৰে জনজাতিকৰণ প্ৰদান কৰক, বানপানী আৰু খহনীয়া সমস্যা সমাধান কৰক, আলফা সমস্যা সমাধান কৰক আদিৰ লগতে বিজেপি চৰকাৰৰ বিৰুদ্ধে বিভিন্ন প্ৰতিবাদী শ্লʼগান দি চাবুৱাৰ আকাশ-বতাহ কঁপাই তোলে। ৰে’ল পথ অৱৰোধ পাছত এখন স্মাৰক-পত্ৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, অহা ১১ আগষ্টত নতুন দিল্লীত ৰামলীলা মৈদানত অৰ্ধ উলংগ কৰি জনজাতি প্ৰদানৰ দাবী উত্থাপন প্ৰতিবাদ সাব্যস্ত কৰিব মটক যুৱ-ছাত্ৰ সন্মিলনে। নতুন দিল্লীত প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে ৰাজ্যজুৰি অৰ্থনৈতিক অৱৰোধ, বিমান অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি হুংকাৰ দিয়ে। চৰকাৰে মটক জনগোষ্ঠীক জনজাতি প্ৰদান কৰা দিশত প্ৰতাৰণা কৰাৰ বাবে এই কাৰ্যসূচী ৰূপায়ণ কৰিছে। মটক স্বায়ত্তশাসিত পৰিষদ গঠন কৰি চৰকাৰে ১২৫ কোটি টকা দিয়া কথা কৈ কেৱল মাত্ৰ বৰ্তমানলৈকে ৩ কোটি টকা মুকলি কৰাৰ বাবে ক্ষোভ প্ৰকাশ কৰে। সাংবাদ মাধ্যমৰ জৰিয়তে অতি সোনকালে ১০০০ কোটি টকা এই পৰিষদ বাবে মুকলি কৰি দিবৰ বাবে দাবী উত্থাপন কৰে মটক যুৱ-ছাত্ৰ সন্মিলনে। আনহাতে, চৰকাৰে আলফা স্বাধীনৰ সৈতে অতি সোনকালে আলোচনা কৰি এই সমস্যাৰ সমাধানৰ দাবী উত্থাপন কৰে।

## ঘৰে ঘৰে গৈ অৰুণোদয়

আদি থকা হিতাধিকাৰীৰ নাম কৰ্তন হ’ব অৰুণোদয় আঁচনিৰ পৰা। এতিয়াৰে পৰা ঘৰে ঘৰে গৈ হিতাধিকাৰী পুনৰীক্ষণৰ ব্যৱস্থা কৰিছে ৰাজ্য চৰকাৰে। আনহাতে, নৱ-প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ হাতত দেশৰ ভৱিষ্যৎ সুৰক্ষিত বুলি উল্লেখ কৰি বিত্তমন্ত্ৰী নেওগে লগতে কয় যে যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক অৰুণোদয় আঁচনিখন স্বচ্ছ আৰু নিকা কৰাৰ গুৰু দায়িত্ব অৰ্পণ কৰা হৈছে। পুনৰীক্ষণৰ দায়িত্ব দিয়া ছাত্ৰ-ছাত্ৰীসকলক সকলো যোগ্য লোকৰ প্ৰতি সমদৃষ্টি ৰাখিবৰ বাবে আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে আৰু কয় যে যিহেতু পৰৱৰ্তী সময়ত এই আঁচনিৰ লগত অন্যান্য চৰকাৰী আঁচনি সংলগ্ন কৰা হ’ব, সেয়ে যোগ্যজনক অন্তৰ্ভুক্ত আৰু অযোগ্যজনক এই আঁচনিৰ পৰা নাম কৰ্তন কৰাত ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ৰাজ্য চৰকাৰে এই আঁচনিৰ অধীনত অতিৰিক্ত ৬ লাখ হিতাধিকাৰী সৃষ্টি কৰা হ’ব বুলিও বিত্তমন্ত্ৰী নেওগে মন্তব্য কৰে। ইপিনে দ্বিতীয়বাৰৰ বাবে শাসনলৈ আহি ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে ১ লাখ নিবনুৱাক নিযুক্তি দিয়াৰ প্ৰসংগত কৰা প্ৰতিশ্ৰুতি পূৰণ কৰাৰ বাবেও চৰকাৰে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। শীঘ্ৰেই ১ লাখ নিবনুৱাক নিযুক্তি দিয়াৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ’ব। উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে আদৰণী ভাষণ দিয়া সভাখনত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে অৰুণোদয় আঁচনিৰ তাৎপৰ্য আৰু গুৰুত্ব সন্দৰ্ভত বক্তব্য আগবঢ়ায়। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে কৃষি বিষয়া ক্ৰমে হিৰণ্য কুমাৰ নাথ, উৎপল ডেকা আৰু বেদাংগমল্ল বুজৰবৰুৱা। সভাখনত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ শৰ্মা, জিলা উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈ, অতিৰিক্ত উপায়ুক্ত দেৱাহুতি বৰা আদিকে বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখ্য যে জিলাখনৰ আঠটা বিধানসভা সমষ্টিৰ মুঠ ১,১৯,৬৮২ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী আছে। এই হিতাধিকাৰীসকলৰ অস্তিত্ব পৰীক্ষা কৰিবলৈ ২০ আগষ্টৰ পৰা ২০ অক্টোবৰলৈ এমাহ জুৰি ৩৯৩টা পৰীক্ষণ দল গঠন কৰাৰ লগতে মুঠ ৭৮৬গৰাকী পৰীক্ষক আৰু ১৭৩গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হ’ব।

## প্ৰাক্তন শ্ৰমমন্ত্ৰী, চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ সাধক দিলেশ্বৰ তাঁতীৰ বিয়োগত শোকৰ ছাঁ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ৩ আগষ্ট ঃ** অসমৰ প্ৰাক্তন শ্ৰমমন্ত্ৰী, অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু ডুমডুমা শাখাৰ বহু বছৰৰ সভাপতি, ১৯৭৮ চনৰ পৰা ডুমডুমা বিধানসভা সমষ্টিৰ একেৰাহে ২৭ বছৰৰ বিধায়ক, চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ বিশিষ্ট সাধক, সাহিত্যিক, সমাজকৰ্মী, ইয়াৰ ওচৰৰ বৰহাপজান কেছেৰুগুৰি নিবাসী দিলেশ্বৰ তাঁতীৰ আজি আবেলি সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱাৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে বৃহত্তৰ ডুমডুমা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। জনা গৈছে যে ৰক্তক্ষৰণ ৰোগৰ কাৰণে যোৱা কেইদিনমান ধৰি তেওঁ তাত চিকিৎসাধীন হৈ আছিল। মৃতকে পুত্ৰ তথা অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সম্পাদক ৰাহুল তাঁতী, বোৱাৰী, দুই বিবাহিত কন্যা আৰু বহু আত্মীয়ক ইহসংসাৰত এৰি থৈ গৈছে। প্ৰাপ্ত বাতৰি মতে কাইলৈ তেওঁৰ নশ্বৰদেহ বৰহাপজানৰ ঘৰলৈ আৰু পিছত তেওঁৰ মূল কৰ্মক্ষেত্ৰ ডুমডুমা চহৰলৈ লৈ অহা হ’ব। ডুমডুমাৰ ৰাইজ তেওঁৰ মৃত্যুৰ বাবে শোকত ম্ৰিয়মান হৈ পৰিছে আৰু মৃতকৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বাবে চেম্বাৰ্চ অৱ কমাৰ্চৰ ঘোষণাযোগে কাইলৈ পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ চাৰি ঘণ্টাৰ বাবে ডুমডুমা চহৰৰ দোকান-পোহাৰ বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জনা মতে তেওঁৰ পিতৃ তিলক তাঁতী (প্ৰয়াত) ডিগবৈ শোধনাগাৰৰ কৰ্মী আছিল আৰু তাতে মাতৃ সোণমণিৰ গৰ্ভত ১৯৪৪ চনৰ ২ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰে। পঢ়ি থকা সময়তে ১৯৬৭-৬৮ চনত আটছাৰ সাংস্কৃতিক সম্পাদকৰ পদত অধিষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছতে সোণাৰি মহাবিদ্যালয়ত ১৯৭০-৭১ বছৰত শিক্ষকতা কৰে। ১৯৭১-ত তেওঁ ডুমডুমালৈ আহি ১৯৭৮ চনলৈ অসম চাহ মজদুৰ সংঘ ডুমডুমা শাখাৰ সহকাৰী সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰে। ১৯৭৮ চনত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক নিৰ্বাচিত হৈ ২০০৫ চনলৈ একেৰাহে বিধায়ক হৈ থাকে। তাৰ মাজতে ১৯৯১ চনত হিতেশ্বৰ শইকীয়া মন্ত্ৰীসভাত শ্ৰমমন্ত্ৰী হৈ সম্পূৰ্ণ এটা কাৰ্যকাল নিষ্ঠাৰে পাৰ কৰে। তেওঁৰ কাৰ্যকালত চাহ শ্ৰমিকসকলৰ উন্নয়নৰ বাবে তেওঁ বহু কাম সমাধা কৰে। তেওঁ চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ বিশিষ্ট সাধক আছিল। নিজে ঝুমইৰ গীত বিভিন্ন অনুষ্ঠানত পৰিৱেশন কৰি ৰাইজক আমোদ দিছিল। চাহ জনগোষ্ঠীৰ সিঁচৰতি হৈ থকা অন্যান্য গীত-মাত উদ্ধাৰ কৰি সেইবোৰ প্ৰচাৰ কৰিছিল। তেওঁ চাহ জনগোষ্ঠী সম্বন্ধীয় তিনিখন পুথি ক্ৰমে ‘চাহ জনগোষ্ঠীৰ লোকগীতৰ সমীক্ষা’, ‘অসমৰ চাহ জনগোষ্ঠীৰ লোকগীতৰ কিছু কথা’ আৰু ‘ঝুমইৰ গীতৰ মাজে মাজে’ লিখি প্ৰকাশ কৰি সমগ্ৰ অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত বিতৰণ কৰিছিল। পিছত সেই তিনিখন পুথি লগ লগাই ‘দিলেশ্বৰ তাঁতীৰ ৰচনা সম্ভাৰ’ নামৰ এটা সংকলন প্ৰকাশ কৰে। অতি সৰবৰহী এই লোকজনৰ মৃত্যুত ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, প্ৰাক্তন বিধায়কদ্বয় দিলীপ মৰাণ আৰু দুৰ্গা ভূমিজ, তিনিচুকীয়া জিলা সাহিত্য সভা, তিনিচুকীয়া জিলা সাংবাদিক সন্থা, অসম চাহ মজদুৰ সংঘ ডুমডুমা শাখা, ডুমডুমা চেম্বাৰ্চ অৱ কমাৰ্চ, কাকপথাৰ ব্লক কংগ্ৰেছ কমিটী, ডুমডুমা পৌৰসভা আদিকৈ বহু সংস্থা-সংগঠনে শোক প্ৰকাশ কৰিছে।

## বৰপেটা থানাত সন্দেহযুক্ত

আবুবক্কৰৰ ঘৰ হাউলী থানাৰ অন্তৰ্গত যোশীহাটীপাৰা গাঁৱত। কিছুদিন ধৰি পলাতক অৱস্থাত আছিল আবুবক্কৰ। আবুবক্কৰক ঘৰত বিচাৰি নাপাই মঙলবাৰে তেওঁৰ পত্নীসহ আত্মীয়ক আটক কৰি থানালৈ লৈ আহিছিল আৰক্ষীয়ে। ইয়াৰ পিছত যোৱানিশা আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয় আবুবক্কৰ ছিদ্দিকে। সংবাদ মাধ্যমৰ আগত আবুবক্কৰে আত্মসমৰ্পণ কৰা বুলি স্বীকাৰ কৰিছে। সম্প্ৰতি আবুবক্কৰক বৰপেটা সদৰ থানাত সোধা-পোছা কৰি থকা হৈছে । আবুবক্কৰক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা আছে বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে।

## লাহোৱালত নিয়ন্ত্ৰণ হেৰুৱাই

থানাৰ অধীনৰ ঘোঁৰামৰা আৰক্ষী চকীৰ অন্তৰ্গত জয়পুৰ পথৰ নতুন আলিত দুলীয়াজান অভিমুখী এ এছ-06 জেদ-4617 নম্বৰৰ এখন তীব্ৰবেগী মাৰুতি ব্ৰীজা বাহনে হাজিৰা কৰিবলৈ ওলাই অহা তিনিজন শ্ৰমিকক মহটিয়াই নিয়ে। ফলত থিতাতে নিহত হয় নতুনআলি বছাপথাৰ গাঁৱৰ নিৰ্মল দাস আৰু বিক্ৰম মহিলী। গুৰুতৰভাৱে আহত হয় লক্ষী পাটৰ। দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনৰ চালক ৰাণা চুতীয়াক স্থানীয় ৰাইজে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ঘটনাস্থলীত ঘোঁৰামৰা আৰক্ষী উপস্থিত হৈ ঘটনা সংঘটিত কৰা গাড়ীখনৰ চালক তথা দুলীয়াজানৰ ৰাণা চুতীয়াক আটক কৰাৰ লগতে দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনো জব্দ কৰে। আৰক্ষীয়ে ঘটনাস্থলীত নিহত লোক দুজনৰ লগতে গুৰুতৰভাৱে আহত লক্ষী পাটৰক সংকটজনক অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে যদিও অৱশেষত আহত লক্ষী পাটৰো অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়।

## নগৰবেৰাত হাতে-লোটে ধৰা

কৰা মতে লাট মণ্ডলজনে দীৰ্ঘদিনৰে পৰা কাৰ্যালয়টোত সদম্ভে হেনো চলাই আহিছিল দুৰ্নীতিৰ বেহা। আজি এজন লোকৰ মাটিৰ কামৰ বাবদ ধন আদায় লৈ থকা অৱস্থাত পূৰ্বৰে পৰা খাপ পিটি থকা চি এম ভিজিলেঞ্চ আৰু দুৰ্নীতি নিবাৰক শাখাৰ লোকে হাতে-লোটে ধৰা পেলায় লাট মণ্ডলজনক। সোঁৰে-বাঁৰে মাটি নামজাৰি কিম্বা অন্যান্য কামৰ বাবদ লাট মণ্ডলজনে হেনো আদায় লৈ আহিছে মোটা অংকৰ ধন। হাতে-লোটে ধৰা পৰাৰ পাছত অভিযানকাৰী দলটিয়ে মণ্ডল আৰু কাৰ্যালয়ৰ প্ৰতিজনকে ৰুদ্ধদ্বাৰ সোধা-পোছা কৰে বুলি জানিব পৰা গৈছে। আনহাতে, কাৰ্যালয়টোৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী আনকি ৰাজহ চক্ৰ বিষয়াগৰাকীও দুৰ্নীতিত নিমজ্জিত বুলিও ৰাইজৰ অভিযোগ।

## বিভাগীয় সাংস্কৃতিক সচিবক

আদৰণী অনুষ্ঠানত বিহু নৃত্য পৰিৱেশন কৰা দলটো অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা প্ৰেৰিত দল নাছিল। মন্ত্ৰীগৰাকীয়ে ঘটনাটো সন্দৰ্ভত শীঘ্ৰে এক প্ৰতিবেদন দাখিল কৰিবলৈ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব লয়া মাদুৰীক নিৰ্দেশ প্ৰদান কৰিছে।

**এইচ পি চি এলৰ কৰ্মচাৰী সংস্থাৰে উদ্যোগ মন্ত্ৰী বিমল বড়াৰ বৈঠক**

হিন্দুস্তান পেপাৰ কৰ্প’ৰেচন লিমিটেড (এইচ পি চি এল)ৰ প্ৰাক্তন কৰ্মচাৰী সংস্থাৰ প্ৰতিনিধিৰ সৈতে ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান দপ্তৰৰ মন্ত্ৰী বিমল বড়াই এক বৈঠকত মিলিত হয়। মন্ত্ৰী বড়াৰ অধ্যক্ষতাত জনতা ভৱনৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত সভাখনত পেপাৰ কৰ্প’ৰেচন লিমিটেডৰ পূৰ্বৰ কৰ্মচাৰীসকলৰ বাবে গঠন কৰা ট্ৰাষ্টৰ নিয়মাৱলী সন্দৰ্ভত পুংখানুপুংখ আলোচনা কৰে। সভাত কৰ্মচাৰী সংস্থাৰ তৰফৰ পৰাও এই সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়োৱা হয়। বিশেষকৈ এই কৰ্মচাৰীসকলৰ চিকিৎসা সম্পৰ্কীয় দিশবোৰ আলোচনাত আগস্থান পায়। এই ট্ৰাষ্টৰ নিয়মাৱলী শীঘ্ৰে চূড়ান্ত কৰা হ’ব বুলিও সভাত সিদ্ধান্ত লোৱা হয়। সভাত অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মানৱেন্দ্ৰ প্ৰতাপ সিঙৰ লগতে অন্যান্য বিষয়াসকলো উপস্থিত আছিল।

## অসম সাহিত্য সভাৰ প্ৰাক্তন

বিয়োগ ঘটে। তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা গল্প আৰু উপন্যাসকেইখন হ’ল— ঢৌ যেতিয়া আহে, মাটিৰ বুকত, দীৰ্ঘনাসা, কাঞ্চনমতী আদি। তেখেতৰ জন্ম হৈছিল ১৯২৫ চনত। তেওঁ ১৯৭৯ চনত গণ সংগ্ৰাম পৰিষদৰ মুখ্য আহ্বায়কো আছিল। বৰেণ্য লিপিবিদ- সাহিত্যিক যতীন গোস্বামীৰ বিয়োগত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দয়ানন্দ পাঠক, বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক দীপক শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন সহঃ সম্পাদক ‘সাহিত্য কোঁৱৰ’ কমল কলিতা, উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ সভাপতি কুলৰঞ্জন ভূএগ, প্ৰধান সম্পাদক শৈলেন তালুকদাৰ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ প্ৰাক্তন উপ-সভাপতি, পদ্মশ্ৰীপ্ৰাপক ড° সূৰ্য হাজৰিকা, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, তিৱা সাহিত্য সভাৰ উপ-সভাপতি শৰৎ চন্দ্ৰ পাটৰ আমচি, গুৱাহাটী জিলা সাহিত্য সম্পাদক গোলাপ বড়ো আদি ভিন ভিন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। এগৰাকী বিশিষ্ট, সন্মানিত ব্যক্তিৰ বিয়োগ বুলি একেমুখে মন্তব্য কৰে।

## যুদ্ধৰ আশংকাত কঁপিছে বিশ্ব সম্প্ৰদায়
# টাইৱানত প্ৰৱেশ চীনৰ যুঁজাৰু বিমান



**নতুন দিল্লী, ৩ আগষ্ট ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ সদনৰ অধ্যক্ষ নেন্সি পেলোচিৰ টাইৱান ভ্ৰমণে ঈংগিত দিছে এক আসন্ন যুদ্ধৰ। ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ ঢৌ মাৰ নাযাওঁতেই এই সম্ভাব্য যুদ্ধৰ আশংকাই আন্ত: ৰাষ্ট্ৰীয় সম্প্ৰদায়ক চিন্তিত কৰি তুলিছে।পেলোচিৰ ভ্ৰমণক লৈ চীনে বাৰম্বাৰ সকীয়নি তথা ভাবুকি প্ৰদান কৰি আহিছে। এই ভাবুকিৰ ফলত বিশ্বৰ দুই মহাশক্তিৰ মাজত উত্তেজনাই চৰম সীমা স্পৰ্শ কৰিছে। এই উদ্বেগজনক পৰিস্থিতিৰ মাজতে শেহতীয়াকৈ টাইৱানে মঙলবাৰে ২০ খনতকৈও অধিক চীনা সামৰিক বিমানে টাইৱানৰ বায়ু প্ৰতিৰক্ষা ক্ষেত্ৰত প্ৰৱেশ কৰিছে বুলি দাবী কৰিছে। দ্বীপটোৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে টুইটাৰত এক বিবৃতিত কয়: “২১ খন পিএলএ বিমানে ২আগষ্ট, ২০২২ তাৰিখে টাইৱানৰ দক্ষিণ-পশ্চিম এডিআইজেডত প্ৰৱেশ কৰিছে।” উল্লেখ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি পদৰ পিছতে পদবীধাৰী পেলোচি হৈছে যোৱা ২৫ বছৰত টাইৱান ভ্ৰমণ কৰা যুক্তৰাষ্ট্ৰৰ সৰ্বোচ্চ পদবীত অধিষ্ঠিত বিষয়া। চীনে পেলোচিৰ এই ভ্ৰমণক এক ডাঙৰ উচতনি হিচাপে গণ্য কৰিছে।আনহাতে পেলোচিৰ টাইৱান ভ্ৰমণক টাইৱানৰ গণতন্ত্ৰক সমৰ্থন কৰাৰ বাবে আমেৰিকাৰ অটল প্ৰতিশ্ৰুতিক সন্মান জনাইছ বুলি এক বিবৃতি যোগে মন্তব্য কৰে টাইৱানৰ বৈদেশিক মন্ত্ৰী যোচেফ ৱুয়ে।ইফালে চীনৰ সামৰিক বাহিনীয়ে এই ভ্ৰমণৰ বিৰোধিতাৰে অতি সোনকালে সামৰিক পদক্ষেপ গ্ৰহণ কৰিব বুলি সকীয়াই দিছে। ইতিমধ্যে প্ৰকাশ পোৱা কেইবাটাও ভিডিঅ'ত চীনৰ সামৰিক বাহিনীৰ ৰণচালি দেখিবলৈ পোৱা গৈছে। আজি পুৱাৰ ভাগত টাইৱানৰ চাৰিওফালৰ জলসীমাত চীনে কেইবাটাও সামৰিক অনুশীলনৰ পৰিকল্পনা ঘোষণা কৰিছে। আমেৰিকাক প্ৰত্যক্ষ ভাবুকি প্ৰদান কৰি বেইজিঙৰ বৈদেশিক মন্ত্ৰালয়ে “যিসকলে জুইৰ সৈতে খেলা কৰিব বিচাৰিছে, তেওঁলোক শীঘ্ৰেই ধ্বংস হ'ব” বুলি চৰম সকীয়নি দিছে। ইফালে শেহতীয়াকৈ ৰাছিয়াইও এই বিষয়ত চীনৰ সমৰ্থনত থিয় দিছে। এনে পৰিস্থিতিত আন এক ভয়াৱহ যুদ্ধৰ আশংকাত ত্ৰস্তমান হৈ পৰিছে সমগ্ৰ বিশ্ব।

# শনিবাৰে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোট
## আম আদমি-ঝাৰখণ্ড মুক্তি মৰ্চাই সমৰ্থন দিলে মাৰ্গাৰেট আলভাক, তৃণমূলৰ সিদ্ধান্ত পুনৰ বিবেচনাৰ আহ্বান



**নতুন দিল্লী, ৩ আগষ্ট ঃ** অহা ৬ আগষ্ট, শনিবাৰে আছে দেশৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কাৰণে ভোট গ্ৰহণ। কংগ্ৰেছ তথা বিৰোধী দলে এইবাৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী মাৰ্গাৰেট আলভাক। কেইবা দশক ধৰি সংসদীয় ৰাজনীতিত জড়িত থকা আলভাৰ প্ৰতি সমৰ্থন জনাইছে আম আদমী পাৰ্টী, ঝাৰখণ্ড মুক্তি মৰ্চা আদি ৰাজনৈতিক দলবোৰে। কিন্তু তৃণমূল কংগ্ৰেছে উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনত অংশগ্ৰহণ নকৰে বুলি ঘোষণা কৰিছিল। সেয়েহে তৃণমূলৰ এই সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনোৱা দেখা গৈছে। যোৱা সোমবাৰে মাৰ্গাৰেট আলভাই লোকসভা আৰু ৰাজ্যসভাৰ প্ৰতিগৰাকী সাংসদলৈ একোখন ব্যক্তিগত পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত কৈছে যে যদিহে তেওঁ উপ-ৰাষ্ট্ৰপতি পদলৈ নিৰ্বাচিত হয়, তেনেহ'লে ৰাজ্যসভাৰ পৰিচালনাত সাংবিধানিক প্ৰক্ৰিয়া সম্পূৰ্ণকৈ বলবৎ কৰিব। দেশৰ সংসদীয় গণতন্ত্ৰ শক্তিশালী কৰাত উচ্চ সদন আদৰ্শ হৈ থাকিব। যিহেতু উপ-ৰাষ্ট্ৰপতিগৰাকী ৰাজ্যসভাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিব লগা হয় গতিকে ৰাজনৈতিক দলবোৰৰ মাজত থকা বিভেদ আৰু পাৰ্থক্যৰ মাজত তেওঁ সংযোগী হিচাপে ঠিয় দিব। বিশেষকৈ সংসদৰ গৰিমা ৰক্ষা কৰিবৰ কাৰণে আৰু ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিষয়সমূহত সকলোকে একত্ৰিত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। প্ৰণিধানযোগ্য এয়ে যে আজি অৰ্থাৎ বুধবাৰে নতুন দিল্লীত আম আদমী পাৰ্টী আৰু ঝাৰখণ্ড মুক্তি মৰ্চাই মাৰ্গাৰেট আলভাৰ প্ৰতি মুকলি সমৰ্থন ঘোষণা কৰিছে। যোৱা জুলাই মাহত হৈ যোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত ঝাৰখণ্ড মুক্তি মৰ্চাই সমৰ্থন কৰিছিল এন ডি এ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক। যদিও ঝাৰখণ্ডত কংগ্ৰেছ আৰু জে এম এমৰ মৰ্চা চৰকাৰ আছে তথাপি আদিবাসী জনজাতীয় মহিলা হোৱাৰ বাবেই মুৰ্মুক সমৰ্থন জনাইছিল। কিন্তু এন ডি এ মৰ্চাই উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰক্ষেপ কৰিছে পশ্চিমবংগৰ প্ৰাক্তন ৰাজ্যপাল জগদীপ ধানখাড়ক। এইগৰাকী প্ৰাৰ্থীয়ে ৰাজ্যপাল হিচাপে অধিষ্ঠিত হৈ থকাৰ সময়ত বিজেপি বিৰোধী ৰাজনৈতিক দলবোৰক হাৰাশাস্তি কৰি আহিছে। কিন্তু তৃণমূল কংগ্ৰেছে হঠাতে ইউটাৰ্ণ লোৱা দেখা গৈছে। ৰাষ্ট্ৰপতি নিৰ্বাচনত তৃণমূল কংগ্ৰেছে আগভাগ লৈ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছিল প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা নিজ দলৰ সদস্য যশৱন্ত সিনহাক। নিৰ্বাচনত সিনহা পৰাজিত হ'ল। ইফালে জগদীপ ধানখাড়ক অপসাৰণ কৰিবলৈ দীৰ্ঘদিন ধৰি তৃণমূল কংগ্ৰেছে দাবী কৰি আহিছিল। ৰাজ্যখনত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু ৰাজ্যপালৰ মাজত হোৱা সংঘাত ৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চিত হৈছিল। হঠাতে ধানখাড়ক এন ডি এ মৰ্চাই উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰক্ষেপ কৰাত তৃণমূল কংগ্ৰেছে বিৰাট সকাহ লাভ কৰিছে। কিন্তু দলটোৱে ধানখাড়ৰ বিৰুদ্ধে ঠিয় নিদিয়াৰ কৌশল লৈছে। সেয়েহে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত ভোটদানৰ পৰা তৃণমূলৰ সাংসদসকলক বিৰত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। গতিকে তৃণমূল কংগ্ৰেছৰ এই সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে মাৰ্গাৰেট আলভাই। ইফালে মাৰ্গাৰেট আলভাই অৰবিন্দ কেজৰিৱাল, মায়াৱতী আদি কেবাজনো শীৰ্ষ ৰাজনৈতিক নেতাক সাক্ষাৎ কৰি সমৰ্থন বিচাৰিছে। মায়াৱতীয়ে মৌখিকভাৱে মাৰ্গাৰেট আলভাক সমৰ্থন দিয়া প্ৰতিশ্ৰুতি প্ৰদান কৰা বুলি প্ৰকাশ পাইছে। অৱশ্যে ইয়াৰ পূৰ্বে জগদীপ ধানখাড়ক সমৰ্থন কৰিব বুলি বহুজন সমাজ পাৰ্টীয়ে ইংগিত দিছিল। গতিকে শনিবাৰে হ'ব লগা উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত সংখ্যাৰ দিশৰ পৰা বিৰোধী প্ৰাৰ্থীগৰাকী জয়ী হ'ব লাগে যদিও বিৰোধীৰ মাজত থকা মত পাৰ্থক্য আৰু ভোট বিভাজনৰ বাবে হেলাৰঙে এন ডি এ মৰ্চাৰ প্ৰাৰ্থীগৰাকী জয়ী হোৱাৰ ক্ষেত্ৰত এখোজ আগুৱাই থকা বুলিব পাৰি।

# লোকসভাত বিৰোধীৰ সমূহীয়া প্ৰতিবাদ, ভাগ ল'লে ছোনিয়া গান্ধীয়ে
## কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাসমূহক বিৰোধী নেতাৰ মুখ বন্ধ কৰিবলৈ ব্যৱহাৰ কৰাৰ অভিযোগ

**নতুন দিল্লী, ৩ আগষ্ট ঃ** লোকসভাৰ মজিয়াত বুধবাৰে বিৰোধী ৰাজনৈতিক দলবোৰৰ দ্বাৰা এক সমূহীয়া প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কেন্দ্ৰৰ শাসকীয় বিজেপি চৰকাৰে দেশৰ কেতবোৰ অনুসন্ধানকাৰী সংস্থাক অপব্যৱহাৰ কৰা বুলি অভিযোগ উত্থাপন কৰা হৈছে। বিৰোধী ৰাজনৈতিক দলৰ সক্ৰিয় নেতা-কৰ্মীৰ বিৰুদ্ধে এনে সংস্থাসমূহ ব্যৱহাৰ কৰা বুলি চৰকাৰৰ বিৰুদ্ধে অভিযোগৰ আঙুলি উঠাইছে। বিৰোধীৰ মুখ বন্ধ কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপ তীব্ৰ ভাষাৰে সমালোচনা কৰিছে লোকসভাৰ মজিয়াত। উল্লেখ্য যে কংগ্ৰেছ, ডি এম কে, তৃণমূল কংগ্ৰেছ, এন চি পি আদি ৰাজনৈতিক দলৰ সাংসদসকলে এই বিষয়ত লোকসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। যাৰ বাবে প্ৰথমে দিনৰ ১১.১০ বজালৈ লোকসভাৰ কাম-কাজ স্থগিত ৰখা হৈছিল। ইয়াৰ পিছত পুনৰ ১২.১৫ বজাৰ পৰা দুই বজালৈকে লোকসভাৰ কাৰ্যসূচী স্থগিত ৰখা হৈছিল। বিৰোধী দলবোৰে সমূহীয়াভাৱে ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত এনফোৰ্চমেণ্টৰ দ্বাৰা জেৰাৰ সন্মুখীন হোৱা ছোনিয়া গান্ধীয়ে নেতৃত্ব দিয়া পৰিলক্ষিত হয়। কি কাৰণত নৰেন্দ্ৰ মোদীয়ে এনফোৰ্চমেণ্টক ব্যৱহাৰ কৰিছে সেয়া স্পষ্ট কৰিবলৈ বিৰোধী দলৰ সাংসদসকলে দাবী জনোৱা পৰিলক্ষিত হয়। তৃণমূল কংগ্ৰেছৰ সাংসদসকলেও সদনৰ মজিয়াত ঠিয় হৈ প্ৰতিবাদত চামিল হোৱা দেখা গ'ল। আনহাতে দুপৰীয়া পুনৰ সদনৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ লগে লগে বিৰোধী দলপতি অধিৰঞ্জন চৌধুৰীয়ে বিষয়টো অধ্যক্ষৰ ওচৰত পুনৰ উত্থাপন কৰে। সেই সময়ত ৰাজেন্দ্ৰ আগৰৱাল আছিল অধ্যক্ষৰ আসনত। তেওঁ আলোচনাৰ বাবে অনুমতি নিদিয়াত লোকসভাত বিৰোধী দলবোৰে জাঙুৰ খাই উঠা দেখা গ'ল। ডি এম কে দলৰ সাংসদ দয়ানিধি মৰাণ, কংগ্ৰেছৰ শশী ঠাৰুৰ আৰু কীতি চিদাম্বৰম আদিয়েও এই প্ৰতিবাদী কাৰ্যসূচীত সৰৱ ভূমিকা পালন কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে নেচনেল হেৰাল্ড গোচৰত ইতিমধ্যে ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক এনফোৰ্চমেণ্ট কেবাদিনো জেৰা কৰিছিল। ইয়াৰ পিছত মঙলবাৰে এনফোৰ্চমেণ্টে একেটা বিষয়তে বাৰটা প্ৰতিষ্ঠানত তালাচী চলাইছিল। আনহাতে মহাৰাষ্ট্ৰৰ শিৱসেনা দলৰ সাংসদ সঞ্জয় ৰাউত আৰু এন চি পি দলৰ বিধায়ক নবাব মল্লিকক এনফোৰ্চমেণ্টৰ দ্বাৰা গ্ৰেপ্তাৰ কৰোৱা হৈছে। মুলতঃ বিৰোধীৰ মুখ বন্ধ কৰিবলৈ এনেদৰে চৰকাৰী সংস্থাসমূহ অপব্যৱহাৰ কৰা বুলি লোকসভাত বিৰোধীয়ে অভিযোগ উত্থাপন কৰিছে। লক্ষ্যণীয় বিষয় এয়ে যে এই অভিযোগৰ প্ৰত্যুত্তৰ চৰকাৰী পক্ষই দিয়া দেখা নগ'ল।




# কেন্দ্ৰীয় তদাৰকী আয়ুক্তৰ পদত শপত ল'লে সুৰেশ এন পেটেলে
## আয়োগৰ দুই সদস্য হিচাপে নিযুক্ত হ'ল অৰবিন্দ কুমাৰ আৰু প্ৰবীণ কুমাৰ শ্ৰীবাস্তৱ



**নতুন দিল্লী, ৩ আগষ্ট ঃ** দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে বুধবাৰে নতুন দিল্লীস্থ ৰাষ্ট্ৰপতি ভৱনত কেন্দ্ৰীয় তদাৰকী আয়োগৰ মুখ্য আয়ুক্ত হিচাপে শপতবাক্য পাঠ কৰোৱায় সুৰেশ এন পেটেলক। এই অনুষ্ঠানতে আয়োগৰ অন্য দুই সদস্য অৰবিন্দ কুমাৰ আৰু প্ৰবীণ কুমাৰ শ্ৰীবাস্তৱকো চৰকাৰৰ পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱা দেখা গ'ল। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত আছিল উপ-ৰাষ্ট্ৰপতি এম ভেংকয়া নাইডু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল। পুৱা দহ বজাতে অনুষ্ঠিত হৈছিল এই শপতগ্ৰহণৰ কাৰ্যসূচী। উল্লেখ্য যে বিগত ২৪ জুন তাৰিখৰ পৰা চিভিচি পদটো খালি হৈ আছিল। পূৰ্বৰ চিভিচি সঞ্জয় কোঠাৰীয়ে সেইদিনা অৱসৰ গ্ৰহণ কৰিছিল। ফলত ভাৰপ্ৰাপ্ত চিভিচি হিচাপে সুৰেশ পেটেলক দায়িত্ব অৰ্পণ কৰা হৈছিল। ইফালে ২০২০ চনৰ এপ্ৰিল মাহৰ পৰা সুৰেশ পেটেলে তদাৰকী আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। আনহাতে দেশৰ চোৰাংচোৱা সংস্থাৰ প্ৰাক্তন মুৰব্বী অৰবিন্দ কুমাৰ আৰু প্ৰাক্তন আমোলা প্ৰবীণ কুমাৰ শ্ৰীবাস্তৱকো আজি মুখ্য তদাৰকী আয়োগৰ অন্যতম আয়ুক্ত হিচাপে শপত বাক্য পাঠ কৰোৱা হয়। যোৱা ৩০ জুন তাৰিখে অৰবিন্দ কুমাৰে অৱসৰ গ্ৰহণ কৰিছিল। ইফালে তদাৰকী আয়ুক্ত হিচাপে নিযুক্তিৰ পূৰ্বে সুৰেভ এন পেটেলে অন্ধ্ৰ বেংকৰ মুখ্য কাৰ্যবাসী বিষয়া আৰু পৰিচালন সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। এখন তিনিজনীয়া সমিতিৰ দ্বাৰা সাংবিধানিকভাৱে স্বতন্ত্ৰ চিভিচিৰ আয়ুক্তসকলক বাচনি কৰা হয়। এই সমিতিৰ অধ্যক্ষ হিচাপে আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সমিতিখনৰ অন্য দুই সদস্য হ'ল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু লোকসভাৰ বিৰোধী দলপতি অধিৰঞ্জন চৌধুৰী। তিনিজনীয়া সমিতিয়ে কেন্দ্ৰীয় তদাৰকী আয়োগৰ আয়ুক্তসকলক বাচনি কৰাৰ পিছত আজি শপতগ্ৰহণ কাৰ্যসূচী সুকলমে অনুষ্ঠিত হৈ যোৱা দেখা গ'ল।

## হাৰিয়ানাৰ কংগ্ৰেছ বিধায়ক কুলদীপ বিষ্ণয়ৰ পদত্যাগ
# কংগ্ৰেছত ইন্দিৰা-ৰাজীৱ গান্ধীৰ দিন নাই বুলি আক্ষেপ

**নতুন দিল্লী, ৩ আগষ্ট ঃ** হাৰিয়ানাৰ কংগ্ৰেছ বিধায়ক কুলদীপ বিষ্ণয়ে বুধবাৰে পদত্যাগ কৰিছে। দলৰ প্ৰাথমিক সদস্য পদৰ লগতে বিধায়ক পদটোও ইস্তফা দিছে। ৰাজ্যখনৰ বিধানসভাৰ অধ্যক্ষ জ্ঞানচান্দ গুপ্তাৰ হাতত তেওঁৰ পদত্যাগপত্ৰ দাখিল কৰা বুলি প্ৰকাশ পাইছে। এই পদত্যাগপত্ৰ দাখিলৰ পিছতে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰা দেখা গৈছে। দলটোৰ মজিয়াত পূৰ্বৰ ইন্দিৰা গান্ধী বা ৰাজীৱ গান্ধীৰ দৰে দৃঢ়মনা ব্যক্তিৰ অভাৱ হোৱা বুলি দোহাৰিছে। চাৰিবাৰকৈ বিধায়ক হোৱা বিষ্ণয়ে লোকসভালৈ দুবাৰকৈ নিৰ্বাচিত হৈছিল। হিচাৰ জিলাৰ পৰা আদামপুৰ বিধানসভা সমষ্টিত তেওঁ প্ৰতিনিধিত্ব কৰি আহিছিল। ৫৩ বছৰীয়া কংগ্ৰেছ বিধায়কজনে যোৱা জুন মাহত হোৱা ৰাজ্যসভাৰ নিৰ্বাচনত ক্ৰছ ভোটিং কৰা বুলি অভিযোগ উঠিছিল। গতিকে তেওঁক দলে নিলম্বিত কৰিছিল। আনহাতে হাৰিয়ানা কংগ্ৰেছৰ সভাপতিৰ পদত অধিষ্ঠিত হ'বলৈ কুলদীপ বিষ্ণয়ে দীৰ্ঘদিন ধৰি প্ৰচেষ্টা চলাই আহিছিল। কিন্তু কেন্দ্ৰীয় নেতৃত্বই তেওঁক এই সুযোগ দিয়া নাছিল। বিগত মাহত কংগ্ৰেছ বিধায়কজনে নতুন দিল্লীত উপস্থিত হৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাক সাক্ষাৎ কৰিছিল। লগতে তেওঁ হাৰিয়ানাৰ মুখ্যমন্ত্ৰী এম এল খাট্টাৰৰ সৈতেও আলোচনাত মিলিত হৈছিল। কাইলৈ অৰ্থাৎ বৃহস্পতিবাৰে কুলদীপ বিষ্ণয়ে বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰিব বুলি প্ৰচাৰ চলিছে।



## দিল্লীত সুৰাপ্ৰেমীৰ হাহাকাৰ
# ৩১ জুলাইত ম্যাদ উকলা শতাধিক খুচুৰা বিপণী হৈ আছে বন্ধ




**নতুন দিল্লী, ৩ আগষ্ট ঃ** দিল্লীত সুৰাসেৱীসকলৰ চলিছে বেয়া দিন। কিয়নো শতাধিক বিপণী বন্ধ হৈ আছে সোমবাৰৰ পৰা। দিল্লী চৰকাৰে নতুনকৈ আবকাৰী নীতি গ্ৰহণ কৰাৰ ফলত বহুতো খুচুৰা বিক্ৰেতাৰ অনুজ্ঞাপত্ৰ নবীকৰণৰ বাধাৰ সৃষ্টি হৈছে। ফলত যোৱা ৩১ জুলাই তাৰিখে ৰাজধানী প্ৰদেশখনৰ কেইবা শ খুচুৰা বিক্ৰেতাৰ অনুজ্ঞাপত্ৰৰ ম্যাদ উকলি গৈছে। ফলত সোমবাৰৰ পৰা এই অঞ্চলসমূহত একপ্ৰকাৰে ড্ৰাই ডে সদৃশ পৰিস্থিতি বিৰাজ কৰিছে। হোটেল, ৰেষ্টোৰা, বাৰ আদি সমূহলৈ সুৰাৰ যোগান বন্ধ হৈ পৰিছে। উল্লেখ্য যে ২০২১-২২ বৰ্ষত প্ৰণয়ন কৰা নতুন আবকাৰী নীতি অনুসৰি ৰাজধানী চহৰখনত থকা ৮৪৯খন খুচুৰা সুৰা বিপণীলৈ জাননী জাৰি কৰিছে। মুঠ ৩২টা খণ্ডত বিভক্ত কৰা হৈছে সুৰা বিপণী থকা অঞ্চলসমূহ। যাৰ বাবে নৱীকৰণৰ ক্ষেত্ৰত আৰোপ কৰা নতুন চৰ্তাৱলীয়ে ভীষণ অসুবিধাৰ মাজলৈ ঠেলি দিছে ব্যৱসায়ীসকলক। বিশেষকৈ বৃহত্তৰ কৈলাশ, চি আৰ পাৰ্ক, ছিৰাগ দিল্লী, সুভাষ নগৰ, দৰিয়াগঞ্জ, পাঞ্জাবী বাগ, ছৰিতাবিহাৰ, মালকা নগৰ, জি টিবি নগৰ, চান্দনী চৌক, ছালিমাৰ বাৰ্গ, শংকৰপুৰ, আনন্দ বিহাৰ আদি অঞ্চলসমূহত থকা আটাইবোৰ খুচুৰা সুৰাৰ বিপণী বন্ধ হৈ আছে। ইয়াৰ উপৰিও ৰাজেন্দ্ৰ নগৰ, মতি নগৰ, কমলা নগৰ, লাডু চৰাই, ঠাকুৰ গাৰ্ডেন, বিকাশ পুৰী, লক্ষ্মী নগৰ, গোবিন্দ পুৰী আদি অঞ্চলসমূহতো সুৰাপায়ীয়ে সন্মুখীন হৈছে অনাকাংক্ষিত পৰিস্থিতিৰ।

# বিজেপিৰ হৰ ঘৰ ত্ৰিৰংগাৰ বিপৰীতে কংগ্ৰেছৰ জৱাহৰলাল নেহৰুৰ ত্ৰিৰংগা
## ৰাজনৈতিক টনা-আঁজোৰাত সোমাই পৰিল জাতীয় পতাকা

**নতুন দিল্লী, ৩ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ হীৰক জয়ন্তী উপলক্ষে জাতীয় পতাকাৰ ব্যৱহাৰৰ জৰিয়তে শাসক আৰু বিৰোধী ৰাজনৈতিক দলবোৰৰ মাজত চলিছে অঘোষিত প্ৰতিযোগিতা। ফলত ৰাজনৈতিক হাতোৰাত বন্দী হৈ পৰা বুলি দেশৰ জাতীয় পতাকাৰ প্ৰসংগত চৰ্চা হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে দেশৰ প্ৰধানমন্ত্ৰীয়ে অলপতে মন কী বাত অনুষ্ঠানৰ জৰিয়তে ঘোষণা কৰিছিল যে এইবাৰ প্ৰতিটো পৰিয়ালৰ ঘৰত জাতীয় পতাকা উত্তোলন কৰিব লাগে। চলিত আগষ্ট মাহৰ ১৩ তাৰিখৰ পৰা ১৫ তাৰিখলৈকে পতাকা উত্তোলন কৰি আজাদী কা অমৃত মহোৎসৱ উদযাপন কৰিব লাগে। ইফালে প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে দেশৰ জনাই সামাজিক মাধ্যমত নিজৰ প্ৰফাইল পিকচাৰৰ সৈতে জাতীয় পতাকাৰ ছবি সংলগ্ন কৰিব লাগে। প্ৰধানমন্ত্ৰীৰ এই আহ্বানৰ লগে লগে যোৱা চাৰিদিন ধৰি দেশৰ কোটি কোটি জনতাই নিজৰ ফেচবুক, ৱাটছএপ, ইনষ্টাগ্ৰাম, টুইটাৰ আদিত মুহূৰ্ততে জাতীয় পতাকা সংলগ্ন প্ৰ'ফাইল পিকচাৰ সংযোজন কৰিছে। প্ৰধানমন্ত্ৰীৰ এই আহ্বানে ব্যাপক সঁহাৰি লাভ কৰাৰ পিছত বিৰোধী দলবোৰ অস্তিত্বহীনতাত ভোগা পৰিলক্ষিত হয়। গতিকে নিজৰ অস্বিত্ব জাহিৰ কৰিবলৈ গ্ৰহণ কৰে সুকীয়া পদক্ষেপ। এই অনুসৰি কংগ্ৰেছ নেতৃত্বই দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে হাতত ত্ৰিৰংগা লৈ উত্তোলনৰ বাবে সাজু হোৱা মুহূৰ্তৰ এখন ফটো ৰাজহুৱা কৰিছে। এই ফটোখন সকলোৱে নিজৰ প্ৰফাইল পিকচাৰ বা ডিছপ্লে পিকচাৰ হিচাপে ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। ইতিমধ্যে জৱাহৰলাল নেহৰুৱে হাতত ত্ৰিৰংগা লৈ থকা ফটো আপলোগ কৰি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ব্যাপক জনসমাদৰ লাভ কৰা বুলিও প্ৰকাশ পাইছে। দেশৰ গৌৰৱ আমাৰ ত্ৰিৰংগা জাতীয় পতাকা বুলি অভিহিত কৰি এই পতাকাখন প্ৰতিখন ভাৰতীয়ৰ হৃদয়ত সংস্থাপিত হৈ আছে বুলি এক বাণী প্ৰচাৰ কৰিছে কংগ্ৰেছে। সেয়েহে দেশৰ আগন্তুক স্বাধীনতাৰ হীৰক জয়ন্তী উদযাপনৰ প্ৰাকক্ষণত এতিয়া দেশৰ স্বাভিমান খণ্ডিত হৈ পৰা পৰিলক্ষিত হৈছে। কিয়নো ৰাজনৈতিকভাৱে এতিয়া বিজেপি আৰু কংগ্ৰেছ নেতৃত্বাধীন দলবোৰে বেলেগে বেলেগে প্ৰচাৰ চলাইছে এই পতাকাৰ বিষয়টোক লৈ। আনহাতে জ্যেষ্ঠ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কঠোৰ ভাষাৰে সমালোচনা কৰিছে দেশৰ প্ৰধানমন্ত্ৰীক। তেওঁ কয় যে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ মুখ্য কাৰ্যালয় নাগপুৰত বিগত ৫২ বছৰে জাতীয় পতাকা উত্তোলন কৰা নাই। এইক্ষেত্ৰত তেওঁলোকে প্ৰধানমন্ত্ৰীৰ আহ্বানলৈ সঁহাৰি দিবনে নাই বুলি জয়ৰাম ৰমেশে প্ৰশ্ন উত্থাপন কৰিছে। কংগ্ৰেছে জৱাহৰলাল নেহৰুৰ হাতত থকা ত্ৰিৰংগাসহ যিখন ফটো ৰাজহুৱা কৰিছে সেয়া ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৯২৯ চনৰ লাহোৰ অধিৱেশনৰ ছবি বুলিও কোৱা হৈছে। সেই অধিৱেশনত পণ্ডিত নেহৰুৱে পতাকা উত্তোলনৰ বাবে সাজু হোৱা মুহূৰ্তৰ ছবিখন প্ৰচাৰ কৰি এক আৱেগিক মুনাফা আদায়ৰ সুযোগ লোৱা বুলিও একাংশই আঙুলিয়াই দিয়া দেখা গৈছে।



## মমতাৰ কেবিনেটত সোমাল ৯ নতুন মুখ
# প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বাবুল সুপ্ৰিঅ'ই পালে স্থান

**কলকাতা, ৩ আগষ্ট ঃ** পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে বুধবাৰে তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাইছে। ইতিমধ্যে এনফোৰ্চমেণ্ট বিভাগে গ্ৰেপ্তাৰ কৰা পাৰ্থ চেটাৰ্জী নামৰ কেবিনেট মন্ত্ৰীগৰাকীক অপসাৰণ কৰাৰ পিছত মন্ত্ৰীসভাৰ সম্পৰ্কত বহুতো বিতৰ্ক আৰু দুৰ্নীতি-অনিয়মৰ অভিযোগ উত্থাপিত হৈছিল। ৰাইজৰ মনত মমতা বেনাৰ্জী চৰকাৰৰ বিৰুদ্ধে সন্দেহ আৰু অবিশ্বাসৰ ভাব সোমাই পৰিছিল। গতিকে এই পৰিৱেশৰ পৰিৱৰ্তন ঘটাবলৈ বুধবাৰে মমতা বেনাজীয়ে ৯ গৰাকী নতুন নেতাক কেবিনেটত স্থান দিয়া দেখা গ'ল। এইসকলৰ মাজত আছে বিজেপিৰ প্ৰাক্তন সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বাবুল সুপ্ৰিঅ'। উল্লেখ্য যে একেৰাহে তৃতীয়বাৰলৈ পশ্চিমবংগত ক্ষমতা দখল কৰাৰ পিছত ২০২১ চনত মন্ত্ৰীসভা গঠন কৰিছিল। সেই মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ বা ৰদবদল কৰা হোৱা নাছিল। এইবাৰ বাবুল সুপ্ৰিঅ'ৰ উপৰিও স্নেহাশীষ চক্ৰৱৰ্তী, পাৰ্থ ভৌমিক, উদয়ন গুহ, প্ৰদীপ মজুমদাৰ আদিক কেবিনেট মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে ৰাজভৱনত ভাৰপ্ৰাপ্ত ৰাজ্যপাল এল গণেশনে এই মন্ত্ৰীসকলক চৰকাৰৰ পদবী আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। একেটা অনুষ্ঠানতে ৰাজ্যিক মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে জনজাতীয় নেতা বীৰবাহা হাণ্ডা, বিপ্লৱ ৰয় চৌধুৰী, তাজিমুল হুছেইন আৰু সত্যজিত বৰ্মনে। উল্লেখ্য যে ২০১১ চনত তেতিয়াৰ বাওপন্থী দলৰ চৰকাৰৰ পতন ঘটাই পশ্চিমবংগত ক্ষমতা দখল কৰিছিল মমতা বেনাৰ্জীয়ে। ইয়াৰ পিছৰ পৰা বিগত তিনিটা নিৰ্বাচনত এইগৰাকী নেত্ৰীয়ে ৰাজ্যখনৰ ক্ষমতা নিজৰ হাতত ধৰি ৰাখিবলৈ সক্ষম হৈছে। ইফালে ৰাজ্যখনত প্ৰশাসনীয় সংস্কাৰৰ বাবেও কেইবাটাও সিদ্ধান্ত লোৱা বুলি কাৱা হৈছে। জিলাৰ সংখ্যা ত্ৰিশ খনলৈ বৃদ্ধি কৰাৰ কথা প্ৰকাশ কৰিছে।



# মধ্যপ্ৰদেশত ধৰ্ষণৰ গোচৰত জামিন পোৱাৰ পিছতে একেগৰাকী মহিলাক পুনৰ দলবদ্ধ ধৰ্ষণ দুৰ্বৃত্তৰ

**নতুন দিল্লী, ৩ আগষ্ট ঃ** দেশত দ্ৰুতগতিত বৃদ্ধি পাইছে নাৰীৰ ওপৰত হোৱা অত্যাচাৰ তথা ধৰ্ষণৰ দৰে নিশংস কাণ্ড। দেশত বাঢ়ি অহা এনে ঘৃণনীয় ঘটনাৰ মাজতে মধ্যপ্ৰদেশত সংঘটিত হৈছে মানৱ সমাজক লজ্জানত কৰা এক অতি নিকৃষ্ট ঘটনা।ৰাজ্যখনৰ এগৰাকী লোকে ধৰ্ষণৰ ঘটনাত কাৰাবাস খাটি জামিনত মুকলি হৈ অহাৰ পিছতে পুনৰ ধৰ্ষণ কৰিছে একেগৰাকী মহিলাকে। এই নৃশংস কাণ্ড সংঘটিত হৈছে মধ্য প্ৰদেশৰ জবলপুৰত। অভিযুক্ত ব্যক্তিগৰাকীক ২০২০ চনত সেই সময়ত কিশোৰী অৱস্থাত থকা মহিলাগৰাকীক ধৰ্ষণ কৰাৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছিল। প্ৰায় এবছৰৰ পিছত তেওঁক জামিনত মুক্তি দিয়া হৈছিল। জামিনত মুকলি হৈ অহাৰ পিছত প্ৰতিশোধৰ তাড়নাত ব্যক্তিগৰাকীয়ে কেইদিনমান পূৰ্বে মহিলাগৰাকীক পুনৰ ধৰ্ষণ কৰে। ধৰ্ষণৰ লগতে তেওঁ মহিলাগৰাকীক পূৰ্বে দাখিল কৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈও ভাবুকি দিয়ে। ভুক্তভোগী মহিলাগৰাকীয়ে অভিযোগ কৰা মতে এইবাৰ অভিযুক্ত লোকজনে তেওঁৰ বন্ধুবৰ্গৰ সৈতে ঘৰত প্ৰৱেশ কৰি তেওঁক উপৰ্যুপৰি ধৰ্ষণ কৰিছিল। তেওঁ লগতে দাবী কৰিছে যে ধৰ্ষণকাৰী সকলে এই সমগ্ৰ ঘটনাটোৰ এটা ভিডিঅ' প্ৰস্তুত কৰিছিল আৰু যদি গোচৰটো প্ৰত্যাহাৰ কৰা নহয়, তেওঁলোকে ভিডিঅ'টো ভাইৰেল কৰাৰ ভাবুকি দিয়ে। উল্লেখ্য যে ভুক্তভোগী মহিলাগৰাকীৰ বয়স এতিয়া মাত্ৰ ১৯ বছৰ। ইতিমধ্যে তেওঁ আৰক্ষীৰ ওচৰত এই সন্দৰ্ভত এক অভিযোগ দাখিল কৰিছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে অভিযুক্ত ব্যক্তিগৰাকীক বিবেক পেটেল বুলি চিনাক্ত কৰা হৈছে। তেওঁ বৰ্তমান পলাতক অৱস্থাত আছে বুলি আৰক্ষীয়ে উল্লেখ কৰিছে। আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত অভিযুক্ত সকলক আটক কৰাৰ বাবে ইতিমধ্যে এক অনুসন্ধান অভিযান আৰম্ভ কৰিছে বুলি লগতে জানিবলৈ দিছে।

# দীঘলীপাৰত জাঁজী নদীৰ মথাউৰিত খহনীয়া

## মেৰামতিৰ বাবে জল সম্পদ বিভাগৰ তৎপৰতা

**দৈনন্দিন বাৰ্তাৰ সেৱা কাকজান, ৩ আগষ্ট ঃ** যোৰহাট জিলাৰ ১০২নং টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত ৫ নং পূব টীয়ক গাঁও পঞ্চায়তৰ ৭নং ৱাৰ্ড এলেকাধীন দীঘলীপাৰত জাঁজী নদীৰ মথাউৰিৰ এটা অংশত খহনীয়াই সৃষ্টি হৈছে। জানিব পৰা মতে, তামুলীছিগা হৈ বনাই-জাঁজীমুখ সংযোগী এই মথাউৰিটোৰ দীঘলীপাৰ-বৰাসীমৰা অংশৰ ভিতৰফালে খহনীয়া আৰম্ভ হৈছে। মূলতঃ দীৰ্ঘসময় ধৰি মেৰামতিৰ অভাৱ আৰু অত্যধিক বৰষুণৰ ফলতে এই খহনীয়া হোৱা বুলি অনুমান কৰা গৈছে। স্থানীয় ৰাইজৰ পৰা জানিব পৰা মতে, যোৰহাট জলসম্পদ বিভাগে বিষয়টো অৱগত হোৱাৰ পাছতে অতি তৎপৰতাৰে খহনীয়াগ্ৰস্ত অঞ্চলটোত বাঁহৰ বেৰা দি বস্তা জাপি সাময়িক প্ৰতিৰোধৰ এক ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে, এই এলেকা পৰিদৰ্শন কৰি সমগ্ৰ পৰিস্থিতিৰ বুজ লৈছে যোৰহাট জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা দিগন্ত শৰ্মাই। অভিযন্তাগৰাকীয়ে জনিবলৈ দিয়া অনুসৰি, অহা খবালিত এই মথাউৰিছোৱা পুনৰ নিৰ্মাণ হ'ব। যিহেতু খবালি প্ৰায় আৰম্ভ হ'বই যেয়ে, বৰ্তমান অস্থায়ীভাৱে মেৰামতি কৰিলেও ৰাইজ শংকিত হোৱাৰ কাৰণ নাই। উল্লেখ্য যে খহনীয়াৰ লৈ নৈপৰীয়া জনগণ আতংকিত হৈছিল যদিও নদীখন দূৰৈত থকাৰ বাবে সেই শংকা কিছু পৰিমাণে দূৰ হৈছে। ইপিনে, এই সন্দৰ্ভত ৰাইজ আৰু প্ৰশাসন-জলসম্পদ বিভাগৰ এখন নাগৰিক তথা সজাগতা সভা অনুষ্ঠিত কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে বুলিও জানিব পৰা গৈছে।

## দুধনৈত চাকৰি প্ৰত্যাশীৰ বাবে বিনামূলীয়া ক'চিং

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ৩ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন বিভাগত খালী হৈ থকা তৃতীয়-চতুৰ্থ বৰ্গৰ পদসমূহ পূৰণৰ ব্যৱস্থা কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আদৰণি জনাই ৰাভা হাছং এলেকাৰ এই পদত চাকৰি প্ৰাৰ্থীসকলৰ বাবে সুবিধা হোৱাকৈ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা পৰিষদীয় এলেকাত পাঁচটাকৈ বিনামূলীয়া ক'চিং চেণ্টাৰ অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী তথা চাকৰি প্ৰাৰ্থীৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে এক সংবাদ মেলৰ জৰিয়তে এই বিষয়ে সদৰী কৰিছিল পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। ২৮-৩১ জুলাইলৈ বকোস্থিত জৱাহৰলাল নেহৰু কলেজৰ প্ৰেক্ষাগৃহত আবেদনকাৰীক ক'চিং দিয়াৰ লগতে ২৯ জুলাইৰ পৰা ১ আগষ্টলৈ ৰংজুলিৰ প্ৰগতি সংঘত আবেদনকাৰীক ক'চিং দিয়া হয়। ইপিনে, কালিৰে পৰা অহা ৫ আগষ্টলৈ দুধনৈ জনমন্দিৰ প্ৰাংগণত ৰাভা হাচং পৰিষদৰ উদ্যোগত আৰু দুধনৈ মহাবিদ্যালয়ৰ সহযোগত বিনামূলীয়া ক'চিঙৰ ব্যৱস্থা কৰা হৈছে। আজি দিনৰ চাৰে দহ বজাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই বন্তি প্ৰজ্বলনেৰে প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে আয়োজিত শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকি দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভাই নিজৰ মন্তব্যত কয় যে এজন যোগ্য চাকৰি প্ৰাৰ্থীয়ে উপযুক্ত প্ৰশিক্ষণ নথকাৰ বাবেই অৱশেষত চাকৰি লাভৰ পৰা বঞ্চিত হয়। পৰিষদে ব্যৱস্থা লোৱা এই ক'চিং চেণ্টাৰৰ জৰিয়তে চাকৰিপ্ৰাৰ্থীসকলে চাকৰি লাভৰ ক্ষেত্ৰত যথেষ্ট লাভৱান হ'ব। আনহাতে, টংকেশ্বৰ ৰাভাই চাকৰিপ্ৰত্যাশীসকলক উদ্দেশ্যি কয় যে এটা চাকৰিৰ বাবে এজন চাকৰি প্ৰাৰ্থীক কেনেদৰে উপযুক্ত কৰি তুলিব পাৰি সেই কথাক গুৰুত্ব দি এনে এটা পৰিৱেশ গঢ়ি তুলিবলৈ বিচৰা হৈছে যাৰ দ্বাৰা এজন চাকৰি প্ৰাৰ্থীয়ে গভীৰ আত্মবিশ্বাসেৰে ইণ্টাৰভিউত বহিব পাৰে। অহা বছৰৰ পৰা পৰিষদীয় এলেকাত ১০টা ফ্ৰী ক'চিং চেণ্টাৰৰ আয়োজন কৰা হ'ব আৰু বছৰত তিনিটাকৈ ক'চিং চেণ্টাৰৰ ব্যৱস্থা কৰিব। আনহাতে, ৰাভা হাছং এলেকাৰ যিসকল অৰ্হতাসম্পন্ন আগ্ৰহী যুৱক-যুৱতীয়ে হোটেল মেনেজমেণ্ট পঢ়িব বিচাৰে তেওঁলোকৰ ১০গৰাকীক বাছনি কৰি ৰাভা হাছং পৰিষদৰ তৰফৰ পৰা সম্পূৰ্ণ বিনামূলীয়াকৈ পঢ়াৰ ব্যৱস্থা কৰা হ'ব। ইপিনে ৩০ জুলাইৰ পৰা ২ আগষ্টলৈ বালিজানা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত আবেদনকাৰীৰ বাবে ক'চিঙৰ ব্যৱস্থা কৰা হৈছে। প্ৰশিক্ষণ কেন্দ্ৰসমূহত আবেদনকাৰীসকলৰ সুবিধা হোৱাকৈ সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান, ইংৰাজী তথা সাধাৰণ জ্ঞান আদি পৰীক্ষাৰ লগত মুখামুখি হ'ব পৰা বিভিন্ন দিশ সাঙুৰি প্ৰশিক্ষণ দিয়াৰ বাবে জ্যেষ্ঠ আৰু অভিজ্ঞ প্ৰশিক্ষক উপস্থিত থাকে।

## নগাবন্ধাত বৃহৎ পৰিমাণৰ গাঁজা জব্দ

**দৈনন্দিন বাৰ্তা সেৱা ভূৰাগাঁও, ৩ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বৰছলা আৰক্ষী চকীৰ অন্তৰ্গত নগাবন্ধাত পুৱাতে স্থানীয় ৰাইজে প্লাষ্টিকৰ মোনাত বৃহৎ পৰিমাণৰ গাঁজাসহ এজন যুৱকক আটক কৰি বৰছলা আৰক্ষীক গতাই দিয়ে। আটক কৰা যুৱকজন গৰৈমাৰীৰ ছিদ্দিক আলী। আটকাধীন যুৱকজনৰ ভাষ্য মতে, জব্দ কৰা গাঁজাখিনি গৰৈমাৰীৰ আঞ্জাৰে দি পঠিয়াইছে বুলি কয়। সম্প্ৰতি ধৃত যুৱকজনক বৰছলা আৰক্ষীয়ে আৰক্ষী চকীত সোধা-পোছা অব্যাহত ৰাখিছে।



# ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত শ্যামলী চৌহদ কাৰ্যসূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যশতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম চৰকাৰৰ বিজ্ঞান,কাৰিকৰী, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উদ্যো গত মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীৰ অধীনত আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ অগ্ৰণী স্ত্ৰী শিক্ষাৰ শিক্ষানুষ্ঠান ঘগ্ৰাপাৰ ছোৱালী হাইস্কুল চৌহদত ছটাকৈ নাৰিকল গছৰ পুলি ৰোপণেৰে উক্ত কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি পুৱা শিক্ষানুষ্ঠানখনৰ চৌহদত জ্যেষ্ঠ সাংবাদিক তথা ঘগ্ৰাপাৰ হাইস্কুলৰ পৰিচালনা-উন্নয়ন সমিতিৰ সভাপতি বীৰেন কলিতাই বৃক্ষৰোপণ কাৰ্যসূচীটো শুভাৰম্ভণী কৰি ভাষণ প্ৰসংগত কয় যে বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক এই বৃক্ষৰোপণ কাৰ্যসূচীয়ে ৰাজ্যৰ পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ কথা উল্লেখ কৰাৰ উপৰিও ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণত সহায়ক হ'ব বুলি সদৰী কৰে। ইয়াৰ পিছতে বিদ্যালয়খনৰ চৌহদত চতুৰ্থবৰ্গৰ কৰ্মচাৰী বানেশ্বৰ কলিতাৰ ব্যৱস্থাপনত বিদ্যালয়খনৰ পৰিচালনা -উন্নয়ন সমিতিৰ সভাপতি দ্বিজেন ডেকা, উপ-সভাপতি দ্বীনেশ শৰ্মা, প্ৰধান শিক্ষক মনহৰি কলিতা, জ্যেষ্ঠ সাংবাদিক বীৰেন কলিতা, ঘগ্ৰাপাৰৰ গাঁও পঞ্চায়তৰ সভাপতি-কাউন্সিলৰ তথা বিদ্যালয়খনৰ পৰিচালনা-উন্নয়ন সমিতিৰ সদস্য ক্ৰমে ৰাতুল শৰ্মা আৰু মনেশ্বৰ ভৰালী আদিয়ে নাৰিকল গছৰ পুলি ৰোপণ কৰে। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক অমূল্য কলিতাই আঁত ধৰা অনুষ্ঠানটিত শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

## দক্ষিণ কামৰূপৰ কুকুৰমাৰাত হৰ ঘৰ ত্ৰিৰংগা অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ৩ আগষ্ট ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ চন্দ্ৰ চানেকি গোটৰ উদ্যোগত ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচীৰ বাবে কালি এক বৃহৎ সজাগতা ৰেলী উলিয়ায় দক্ষিণ কামৰূপৰ কুকুৰমাৰাত। এই ৰেলীত ছয়গাঁও উন্নয়ন খণ্ডৰ বহুকেইটা আত্মসহায়ক গোটৰ প্ৰায় তিনি শতাধিক মহিলাই অংশ গ্ৰহণ কৰে। স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষপূৰ্তিত ১৩-১৫ আগষ্টত ঘৰে ঘৰে শ্ৰদ্ধা সহকাৰে জাতীয় পতাকা উত্তোলৰ বাবে সাধাৰণ ৰাইজলৈ বাৰ্তা প্ৰেৰণ কৰাৰ উদ্দেশ্যে ছয়গাঁও অঞ্চলৰ মহিলাসকলে কালি এই ৰেলী উলিওৱা হয় বুলি জানিবলৈ দিয়ে।

# স্বাধীনতা দিৱস পালনৰ বাবে ওদালগুৰি জিলাতো সাজু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ৩ আগষ্ট ঃ** দেশখনৰ স্বাধীনতাৰ হীৰক জয়ন্তীবৰ্ষ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত জড়িত ৰাখি ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে দিয়া নিৰ্দেশমতে সমগ্ৰ দেশখনৰ ৰাজ্যবোৰৰ দৰে বিটিআৰৰ ওদালগুৰি জিলাখনতো পালন কৰিবলৈ বিভিন্ন ধৰণৰ কাৰ্যসূচীবোৰ হাতত লোৱাৰ পৰিলক্ষিত হৈছে। সেয়েহে ওদালগুৰি জিলাখনত পতাকা বিক্ৰীৰ বাবে ইতিমধ্যে জিলাখনৰ ঠায়ে ঠায়ে বিক্ৰী কেন্দ্ৰবোৰ মুকলি কৰা হৈছে বুলি জানিব পৰা গৈছে। তথাপি কিছুমান মহিলাই নিজৰ বাসগৃহতে জাতীয় পতাকা বিক্ৰীৰ বাবে প্ৰস্তুত কৰি বিক্ৰীৰ কেন্দ্ৰ আনুষ্ঠানিক ভাৱে নিজ বাসভৱনতে মুকলি কৰিছে। তেনে এগৰাকী জাতীয় পতাকা প্ৰস্তুত কৰা মহিলা হৈছে ওদালগুৰি জিলাখনৰ ওদালগুৰি চহৰৰ গাতে লাগি থকা মণিপুৰি বস্তিৰ মহিলা ডলি নাথ। অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা হৰঘৰ ত্ৰিৰংগাৰ কাৰ্যসূচী বিটিআৰৰ ওদালগুৰি জিলাখনত সফল কৰি তোলাৰ কাৰণে ডলি নাথে প্ৰায় এক হাজাৰখন পতাকা মেচিনত চিলাইৰে প্ৰস্তুত কৰি উলিয়াইছে। ইতিমধ্যে দিনে - নিশাই জাতীয় পতাকা বিক্ৰীৰ বাবে প্ৰস্তুত কৰি আছে। জিলাখনৰ বিভিন্ন চৰকাৰী বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান বাসগৃহত সৰু ডাঙৰ ত্ৰিৰংগা পতাকা চৰকাৰী হাৰত পাঁচশ খনমান যোগান ধৰি প্ৰশংসা পাবলৈ সক্ষম হৈছে। অৱশ্যে ডলি নাথৰ দৰে অন্য কিছুমান মহিলাও এই ব্যৱসায় আগবঢ়া বুলি জানিব পৰা গৈছে।

# ৰঙিয়াত ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ উদ্বোধন ভৱেশ কলিতাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৩ আগষ্ট ঃ** দেশৰ ৭৫ তম্ স্বাধীনতা দিৱস উপলক্ষে উদ্‌যাপিত হ'বলগীয়া 'ঘৰে ঘৰে জাতীয় পতাকা' কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি সোমবাৰে ৰঙিয়া বিধানসভা সমষ্টিৰ পৌৰসভাৰ অন্তৰ্গত ৰঙিয়া নগৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু ৰঙিয়া পৌৰসভাৰ উদ্যোগত স্থাপন কৰা 'ত্ৰিৰঙ্গা বিক্ৰী কেন্দ্ৰ'ৰ শুভ উদ্বোধন কৰে বিধায়ক ভৱেশ কলিতাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ''হৰ ঘৰ ত্ৰিৰঙ্গা'' শীৰ্ষক দেশপ্ৰেমমূলক কাৰ্যসূচীয়ে ৰাজ্যৰ শিপিনীসকলৰ আৰ্থিকভাৱে অৱস্থা টনকিয়াল কৰাৰ দিশতো সহায়ক হৈছে। ৰাজ্যজুৰি মুকলি হোৱা এই 'ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ'সমূহৰ পৰা প্ৰত্যেকেই সুলভ মূল্যত জাতীয় পতাকাখন ক্ৰয় কৰাৰ লগতে সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে উক্ত কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিব বুলি আশা কৰে বিধায়ক কলিতাই। লগতে উক্ত বিক্ৰী কেন্দ্ৰৰ পৰা তেখেতে নিজেই বহু কেইজন দলীয় কাৰ্যকৰ্তাৰ লগতে স্থানীয় লোকক জাতীয় পতাকা একোখনকৈ ক্ৰয় কৰি দিয়ে। ৰঙিয়াবাসী ৰাইজক 'ঘৰে ঘৰে জাতীয় পতাকা' কাৰ্যসূচী ভাগ সফল কৰি তুলিবলৈ আহ্বান জনায়।




# নগাঁৱত সুধাকণ্ঠৰ জন্মদিন উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩ আগষ্ট ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো 'শিল্পী সমাজ, অসম'ৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্মদিনটি অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। 'শিল্পী সমাজ, অসম'ৰ সাধাৰণ সম্পাদক যোগানন্দ দেৱ ভট্টাচাৰ্যই জনোৱা মতে, ইতিমধ্যে এই সম্পৰ্কত অনুষ্ঠিত হোৱা এখন সাধাৰণ সভাত 'শিল্পী সমাজ, অসম'ৰ তত্ত্বাৱধানত নগাঁও জিলা শিল্পী সমাজৰ পূৰ্ণাঙ্গ সমিতিখনো গঠন কৰা হয়। উক্ত সভাতে নাট্যশিল্পী পুণ্যদা বৰাক সভাপতি আৰু অভিনেতা গগন চৌধুৰীক সম্পাদক হিচাপে লৈ ২১জনীয়া সমিতিখন গঠন কৰা হয়। উক্ত সভাই লোৱা সিদ্ধান্ত অনুসৰি অহা ৮, ৯ আৰু ১০ ছেপ্টেম্বৰত তিনিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে সুধাকণ্ঠগৰাকীৰ জন্মদিনটি উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। 'শিল্পী সমাজ, অসম'ৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু নগাঁও জিলা সমিতিৰ ব্যৱস্থাপনাত নগাঁও জিলা পুথিভঁৰালত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানৰ অন্যান্য কাৰ্যসূচীৰ ভিতৰত ৮ ছেপ্টেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' শীৰ্ষক চিৰযুগমীয়া গীতটি সমবেতসকলৰ কণ্ঠৰে পৰিবেশন কৰাৰ লগতে সন্ধিয়ালৈ সুধাকণ্ঠগৰাকীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰা হ'ব। ৯ ছেপ্টেম্বৰৰ দিনা পুৱা ৯ বজাৰ পৰা সদৌ অসম ভিত্তিত দুটা শাখাত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আয়োজন কৰা হৈছে। প্ৰতিযোগীসকলে প্ৰতিযোগিতা সম্পৰ্কত সবিশেষ জানিবৰ বাবে সাংস্কৃতিক সম্পাদক জীৱন সিং ৯৩৬৫৫৪১০৬৪ আৰু প্ৰতিযোগিতা সমিতিৰ সভাপতি ভাস্কৰজ্যোতি বৰদলৈ ৯৯৫৭৫৫৩৯১৪ৰ সৈতে যোগাযোগ কৰিবলৈ উদ্যোক্তা সকলে অনুৰোধ জনাইছে। ইফালে, ১০ ছেপ্টেম্বৰৰ দিনা দুপৰীয়া এখনি মুকলি সভা অনুষ্ঠিত হ'ব। উক্ত সভাত বিশিষ্ট অভিনেতা নিপন গোস্বামী আৰু দীনেশ দাসৰ লগতে আন কে'বাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকিব। সন্ধিয়ালৈ বঁটা বিতৰণী সভা আৰু স্থানীয় বাচকবনীয়া শিল্পীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণি পৰিব।

# পশ্চিম কাৰ্বি আংলঙত প্ৰথমটো বগা পাথৰৰ খনন কেন্দ্ৰ মুকলি


**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ৩ আগষ্ট ঃ** পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ হামৰেণ থানাৰ অন্তৰ্গত আৰ্টিঙত বগা পাথৰৰ বৈধ খনন কেন্দ্ৰৰ শুভ উদ্বোধন কৰে খনিজ আৰু ভূতত্ত্ব বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই। কাৰ্বি পৰিষদৰ অন্তৰ্গত তথা অসমৰ প্ৰথমটো ভূতত্ত্ব আৰু খনিজ বিভাগৰ বগা পাথৰ খনন কেন্দ্ৰটো মুকলি কৰা হয় এই পাহাৰীয়া জিলাখনত। কাৰ্বি পৰিষদৰ অধীনত পূব আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত প্ৰদান কৰা ছটাকৈ বগা পাথৰৰ খনন কাৰ্যৰ ভিতৰত আৰ্টিঙৰ এইটো প্ৰথম খনন কাৰ্যৰ ঠিকা লাভ কৰে মহিলা ব্যৱসায়ী প্ৰিয়ংকা প্ৰীতি বৰুৱাই। কাৰ্বি পৰিষদৰ বাবে ঐতিহাসিক দিন বুলি মন্তব্য কৰাৰ লগতে নিবিদাৰ জৰিয়তে আবণ্টন কৰা ৯ কোটি টকা মূল্যৰ বগা পাথৰৰ খনন কেন্দ্ৰকেইটিয়ে স্থানীয় নিবনুৱাসকলৰ কৰ্মসংস্থাপনত সহায়ক হ'ব বুলিও প্ৰকাশ কৰে মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাঙে। খনিজ আৰু ভূতত্ত্ব বিভাগৰ সঞ্চালক আনন্দ কুমাৰ দাসে জানিবলৈ দিয়ে যে পাৰ্বত্য জিলাখনত খনিজ আৰু ভূতত্ত্ব বিভাগৰ বহু সম্ভাৱনা আছে। আমি সেইবোৰ ইতিমধ্যে কাৰ্বি পৰিষদৰ অনুমতি সাপেক্ষে জৰীপ অব্যাহত ৰাখিছোঁ। অনাগত সময়ত ইয়াৰ জৰিয়তে পাহাৰীয়া জিলাখনত নিবনুৱা সমস্যা সমাধানৰো সূত্ৰ ওলাব বুলি প্ৰকাশ দাসৰ।

## গঁৱালৰ পৰাই ছাগলী নিলে বাঘে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ৩ আগষ্ট ঃ** তিতাবৰ সমষ্টিৰ বেবেজীয়া গাঁও পঞ্চায়ত এলেকাৰ মেজেঙাত প্ৰায় এসপ্তাহ ধৰি অঞ্চলটোৰ কে'বাটাও পৰিয়ালৰ ঘৰত নিশাৰ ভাগত এজনী পোৱালি মাইকী বাঘে গৰু ছাগলী মাৰি উপদ্ৰৱ কৰিছে বুলি স্থানীয় ভুক্তভোগী পৰিয়ালৰ পৰা জানিব পৰা গৈছে। জানিব পৰা মতে যোৱানিশা মেজেঙাৰ সোণালী গাঁৱৰ অঞ্জু শইকীয়াই জনোৱা মতে নিশা প্ৰায় ১২ বজাত তেওঁলোকৰ ঘৰৰ শোৱনি কোঠাৰ কাষতে থকা ছাগলী গঁড়ালৰ পৰা বাঘে এটা ছাগলী গঁড়ালতে মাৰি থৈ যোৱাৰ লগতে এটা ছাগলী বাঘে ধৰি লৈ যায়। ঘৰৰ গৃহস্থই চিএণ্ডৰ-বাখৰ কৰাত ভিডিপি পাৰ্টীৰ মানুহে আহি বাঘে ছাগলী ধৰি নিয়া প্ৰত্যক্ষ কৰে। মন কৰিবলগীয়া কথা যে কাষতে মেজেঙানি চাহ বাগিচাত পোৱালি মাইকী বাঘিনীজনীয়ে আশ্ৰয় লৈ আছে। সেয়ে স্থানীয় ৰাইজৰ নিশাৰ ভাগত ঘৰৰ বাহিৰত ওলাবলৈ ভয় কৰিছে। বাঘৰ পোৱালি ৰাইজে দেখিছে আৰু এটা পোৱালি মুকলি ঠাইলৈ ওলাই আহি ৰাইজক আমোদ দিয়ে। বৰ্তমানলৈকে বন বিভাগৰ কোনো লোকে অঞ্চলটোত বাঘজনী আৰু পোৱালিকেইটা ধৰিবলৈ যত্ন কৰা নাই। ৰাইজৰ নিৰাপত্তাৰ খাতিৰত বাঘজনী ধৰিবলৈ স্থানীয় ৰাইজে বন বিভাগৰ বিষয়া-কৰ্মচাৰীক আহ্বান জনাইছে। উল্লেখ্য যে কাষতে তিতাবৰ মহকুমা কাৰ্যালয় আৰু তৃতীয় অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয় আছে। অঞ্চলটো জনবহুল আৰু ব্যৱসায়িক যদিও কাষতে থকা মেজেঙানি চাহ বাগিচাৰ লগতে বাঘৰ চুক আৰু বগাৰগাঁৱতো ৰাইজ আতংকিত হৈছে।

# শ্ৰীশ্ৰী মহামুনি মন্দিৰত ধৰ্মগ্ৰন্থ পাঠ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ৩ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ আমতল ভেৰগাঁৱৰ ঐতিহাসিক শ্ৰীশ্ৰী মহামুনি মন্দিৰত এমাহজোৰা ধৰ্মগ্ৰন্থ পাঠৰ আয়োজন কৰা হৈছে। শাওণ মাহৰ ১ তাৰিখৰ পৰা আৰম্ভ কৰা উক্ত ধৰ্মগ্ৰন্থ পাঠৰ অনুষ্ঠানটিত স্থানীয় ভক্তিপ্ৰাণ ৰাইজৰ সমাৱেশ ঘটা



পৰিলক্ষিত হৈছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি আমতল ভেৰগাঁৱৰ মহামুনি মন্দিৰ প্ৰাংগণত ইয়াৰ আগতেও বিভিন্ন ধৰণৰ ধৰ্মীয় তথা সাহিত্য- সংস্কৃতিৰ অনুষ্ঠান হৈ অহা বুলি উদ্যোগক্তাসকলে জানিবলৈ দিছে। ৰাইজৰ সকলো ধৰণৰ অপায়-অমংগল দূৰ কৰি সুখ-সমৃদ্ধি আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে ধৰ্মগ্ৰন্থ পাঠ কৰা বুলি মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি চন্দ্ৰকান্ত বৰা আৰু সম্পাদক প্ৰণৱ কুমাৰ শৰ্মাই উল্লেখ কৰে। ধৰ্মগ্ৰন্থ ব্ৰহ্মবৈবৰ্ত পুৰাণ পাঠৰ মুখ্য পাঠকসকল হ'ল- দেৱধৰ নাথ, , লীলাধৰ নাথ আৰু নিকু শৰ্মা। মাহটোৰ শেষত পাঠৰ সামৰণী অনুষ্ঠান অতি উলহ-মালহেৰে আৰু বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব বুলি উদ্যোগক্তাই জানিবলৈ দিয়ে। অনুষ্ঠানটোত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰি জাতি জনগোষ্ঠীৰ মাজত মিলন সেতু গঢ়াত মহামুনি মন্দিৰ সমিতিয়ে এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে।

# মিধাখাটত ভাওনা কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩ আগষ্ট ঃ** প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ভাওনা সংস্কৃতিক গতিশীলতা প্ৰদান কৰাৰ প্ৰয়াসক আগত লৈ মিধাখাট গাঁৱৰ বাৰ্ষিক বৰ সবাহৰ লগত সংগতি ৰাখি আয়োজন কৰা ২০ দিনীয়া গ্ৰীষ্মকালীন ভাওনা কৰ্মশালা ভাগি ৩১ জুলাইত সামৰণি পৰে। ভাওনাৰ প্ৰচাৰ আৰু প্ৰসাৰ তথা উত্তৰ প্ৰজন্মৰ মাজত সামগ্ৰিক দিশৰ প্ৰয়োগৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা ভাওনা কৰ্মশালাৰ সামৰণিত প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা বিশ্ববিশ্ৰুত মহাকাব্য মহাভাৰতৰ কুৰুক্ষেত্ৰ মহা সমৰৰ ওপৰত যশস্বী নাট্যকাৰ গণেশ গগৈ দ্বাৰা ৰচিত শকুনিৰ প্ৰতিশোধৰ আধাৰত ভাওনাৰ ৰূপদান কৰা এখনি সমাদৃত নাট শকুনিৰ প্ৰতিশোধ দুৰ্যোধনৰ উৰু ভঙ্গ ভাওনা প্ৰদৰ্শন কৰা হয়। প্ৰায় পঞ্চাশগৰাকী শিশু-কিশোৰে অংশগ্ৰহণ কৰা কৰ্মশালা ভাগিত মুখ্য প্ৰশিক্ষক ৰূপে প্ৰশিক্ষণ প্ৰদান কৰে সদৌ অসম ভিত্তিত অনুষ্ঠিত ভাওনা প্ৰতিযোগিতাত কে'বাবাৰো শ্ৰেষ্ঠ পৰিচালকৰ সন্মানপ্ৰাপ্ত সুদক্ষ যুৱ পৰিচালক, আবৃত্তিকাৰ তথাং ভাওনা সৌৰভ সন্মানপ্ৰাপক বিমান শইকীয়াই। কৰ্মশালা ভাগিত সহযোগী প্ৰশিক্ষক হিচাপে সহযোগিতা আগবঢ়াই কেন্দ্ৰীয় সাংস্কৃতিক যুৱ সংঘ টীয়কৰ প্ৰতিভাৱান শিল্পী অংকুৰজ্যোতি নেওগ, প্ৰণৱজ্যোতি বৰা, ৰূপজ্যোতি দোলাকাষৰীয়া আৰু প্ৰাঞ্জল বৰাই। পাঁচ শতাধিক ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতিত কৰ্মশালাৰ সামৰণী অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থকা অসমৰ ভাওনা জগতৰ এক নক্ষত্ৰ স্বৰূপ সুদক্ষ ভাৱৰীয়া, প্ৰশিক্ষক তথা শিৱসাগৰ জাঁজীৰ সৌৰভ শইকীয়াই সাম্প্ৰতিক সময়ত ভাওনা কৰ্মশালৰ প্ৰয়োজনীয়তাৰ লগতে ইয়াৰ ইতিবাচক দিশ সমূহ আলোকপাত কৰি আগবঢ়োৱা সাৱলীল বক্তব্যই ৰাইজক মুগ্ধ কৰে। শিশু শিল্পী সকলৰ সাৱলীল অভিনয়ে দৰ্শক শ্ৰোতাৰ মন জয় কৰি আপুত কৰিবলৈ সক্ষম হোৱাৰ বেলিকা সচেতন সুধীসমাজে মিধাখাট গাঁৱৰ ৰাইজ তথা যুৱ সমাজৰ এই প্ৰয়াসক প্ৰশংসা কৰাৰ লগতে ভাওনা কৰ্মশালা আৰু বৰসবাহ আয়োজক সমিতিৰ হৈ সম্পাদক উজ্জ্বল সাধনিদাৰ আৰু সভাপতি পাৰ্থ প্ৰতীম চুতীয়াই সন্তোষ প্ৰকাশ কৰি অনুষ্ঠানটি সফল ভাবে সমাপন হোৱাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা লগতে সকলোকে কৃতজ্ঞতা জনায়।

# ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত জিলাখনৰ কে'বাটাও চাহ ফেক্টৰী পৰ্যৱেক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ৩ আগষ্ট ঃ** ওদালগুৰি জিলা আদিবাদী ছাত্ৰ সন্থা চমুকৈ আছাৰ উদ্যোগত ভেৰগাঁও, বামনজুলি, ডিমাকুছি আঞ্চলিক আছাৰ সহযোগত ওদালগুৰি জিলাৰ অন্তৰ্গত আটাৰিখাট চাহ বাগিচা ফেক্টৰীৰ লগতে জিলাখনৰ কেইবাটাও চাহ-ফেক্টৰী পৰ্যৱেক্ষণ কৰি ফেক্টৰীসমূহত কৰ্মৰত কৰ্মীসকলক কৰ্তৃপক্ষই কেনেকুৱা ধৰণে কামত ব্যৱহাৰ কৰিছে, সময়তে মজুৰী প্ৰদান কৰিছে নে নাই প্ৰয়োজনীয় বস্তুবাদী উপলব্ধ হৈছে নে নাই এই সন্দৰ্ভত অৱগত হোৱাৰ উদ্দেশ্য আজি ওদালগুৰি জিলা আছাৰ এটি দলে জিলাখনৰ কে'বাটাও ফেক্টৰী পৰ্যবেক্ষণ কৰে আৰু মইনা নায়কৰ দৰে যাতে দুৰ্ঘটনা সংঘটিত নহয়, কৰ্মীসকলৰ জীৱনক লৈ যাতে বাগিচা কৰ্তৃপক্ষই হেতালী নিখেলে তাৰ বাবে পৰিচালকসকলক সকীয়াই দিয়ে জিলা আছাৰ দলটোৱে।



# অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ ধূলা আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পূব মঙলদৈ, ৩ আগষ্ট ঃ** দৰঙৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত ধূলা পাব্লিক একাডেমীত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি আব্দুল আজিজৰ নিৰ্দেশ মৰ্মে দৰং জিলা সমিতিৰ উদ্যোগত এখনি সাধাৰণ সভা অনুষ্ঠিত হয় ।ধূলা অঞ্চলৰ বিভিন্ন ঠাইত চলা অসামাজিক কাম কাজ , মদ - ভাং , জোৱা খেল , বাল্য বিবাহ আদি বন্ধ কৰাৰ উদ্দেশ্যে মনিৰ মহাম্মদ ছাফিক মুখ্য উপদেষ্টা , হিবজুল কবিৰ, নূৰ আবু জাহেৰ ছিদ্দিকক উপদেষ্টা , ফকৰুদ্দিন আলী আহমেদক সভাপতি , জবদান আলীক কাৰ্যকৰী সভাপতি , জুব্বাৰ আলী আৰু ছোৱাহিব আলীক সাধাৰণ সম্পাদক , ছিৰাজ উদ্দিন আহমেদক মুখ্য সাংগঠনিক সম্পাদক হিচাপে লৈ ৩১ জনীয়া সদস্যৰে পূৰ্ণাংগভাৱে ধূলা আঞ্চলিক সমিতি গঠন কৰা হয় ।উক্ত সভাত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মোজাম্মিল হক , দৰং জিলা সমিতিৰ মুখ্য উপদেষ্টা নুৰুল হক তালোকদাৰ, উপ-সভাপতি আবুল কালাম আজাদ, শ্বেখ ছাদুল্লাহ, সাধাৰণ সম্পাদক তফিকুল ইছলাম আৰু ছফিউৰ ৰহমান, প্ৰচাৰ সম্পাদক কামলুদ্দিন আহমেদ, ধূলা পাব্লিক একাডেমীৰ অধ্যক্ষ ছৰিফুল ইছলামকে আদি কৰি বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীসকল উপস্থিত থাকে। উক্ত সভাত ছাইদুল হাজৰিকাই দৰং জিলা সমিতিৰ উপ-সভাপতি, ছাইদুৰ ইছলামে সাধাৰণ সম্পাদক, ৰেজ্জাক আহমেদে সহকাৰী সম্পাদক আৰু ৰাহিম আলীয়ে সাংগঠনিক সম্পাদক হিচাপে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ দৰং জিলা সমিতিত যোগদান কৰে। এক্সেলেণ্ট ৰেইজ একাডেমিৰ অধ্যক্ষ মণিৰ মহম্মদ শ্বাফীয়ে



সভাপতিত্ব কৰা সভাখনত দুই শতাধিক লোকে অংশগ্ৰহণ কৰে। আনহাতে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় অধিৱেশনখন এইবেলি দৰঙত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱাত দৰং জিলাৰ সংখ্যালঘু ৰাইজে আদৰণি জনাইছে। পৰিষদৰ দৰং জিলা সমিতিয়ে অধিৱেশনখন যাতে-জাক জমকতাৰে অনুষ্ঠিত কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ প্ৰতিখন গাঁও পঞ্চায়তত এনেধৰণে আঞ্চলিক সমিতি গঠন কৰি সংগঠন শক্তিশালী কৰাত গুৰুত্ব দিছে। সম্পাদক জিয়াউৰ ৰহমানে জনোৱা মতে দৰঙত অনুষ্ঠিত হ'ব লগা আগন্তুক কেন্দ্ৰীয় অধিৱেশনৰ আগে আগে দৰঙৰ প্ৰতিখন গাঁও পঞ্চায়ত পৰ্যায়ত পৰিষদৰ আঞ্চলিক সমিতি গঠন কৰা হ'ব। দৰং জিলা সমিতিৰ লগত সক্ৰিয়ভাৱে সংগ দিয়া কেন্দ্ৰীয় উপ-সভাপতি তথা প্ৰাক্তন আমছু নেতা মোজাম্মেল হকে কয় যে সাংগঠনিক দিশ শক্তিশালী হোৱাৰ পিছতে অসমৰ জ্বলন্ত সমস্যা বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰা, অসমৰ উচ্ছেদিত প্ৰকৃত ভাৰতীয়ক ক্ষতিপূৰণসহ পুনৰ সংস্থাপন দিয়া, বানাক্ৰান্ত কৃষকৰ বেংক ঋণ মাফ কৰা, বায়'মেট্ৰিক সমস্যা, এনআৰচি সমস্যা, ডি ভোটাৰ সমস্যা সমাধান কৰা, ভূমিহীন চৰাঞ্চলৰ মানুহক মাটি প্ৰদান কৰা, অসমৰ বুল্ড'জাৰ ন্যায় আৰু পুলিচৰাজ বন্ধ কৰা। আদিৰ দাবীৰে অতি সোনকালেই দিল্লীত ধৰ্ণাত বহিব অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কৰ্মীসকলে।

## বৰমপুৰ স্পৰ্টছ ক্লাবৰ জয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ আগষ্ট ঃ** নগাঁও নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ক্ৰীড়া সংস্থাৰ চলিত বৰ্ষৰ নৱ কুমাৰ ভূঞা তৃতীয় ডিভিজন আন্তঃ ক্লাব ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত খেলত বৰমপুৰ স্পৰ্টছ ক্লাবে গোমেন ৰাভাৰ হেট্ৰিকসহ পাঁচটা গ'লৰ সহায়ত ৰেড ক্ৰছ ক্লাবক ৬-২ গ'লত পৰাস্ত কৰি লীগৰ পইণ্ট অৰ্জন কৰে। গোমেন ৰাভাই ক্ৰমে ২, ২০, ২১ আৰু ২৬ মিনিটত দিয়া গ'লযোগে বৰমপুৰ দল বিৰতিৰ সময়লৈ ৪-০ গ'লত আগবাঢ়ি থাকে। বিৰতিৰ পাছত ৰেড ক্ৰছৰ প্ৰণিম বালাৰীয়ে ৬০ মিনিটত গ'ল পৰিশোধ কৰি ব্যৱধান ৪-১ কৰে যদিও বৰমপুৰৰ গোমেন ৰাভাই ৭০ আৰু জিতেন কৰ্মকাৰে ৭৮ মিনিটত গ'ল দি ব্যৱধান ৬-১ লৈ বৃদ্ধি কৰে। খেলৰ ৮৭ মিনিটত ৰেড ক্ৰছৰ বছিৰ উদ্দিনে গ'ল পৰিশোধ কৰাত ৬-২ গ'লৰ ব্যৱধানত খেলৰ সমাপ্তি ঘটে।

### স্বাধীনতা দিৱস কাপ ফুটবল
## মাজুলী জেন-নে' পৰৱৰ্তী পৰ্যায়লৈ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ৩ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখ মহৰি কেম্পস্থিত ৰাজীৱ গান্ধী গ্ৰাম্য ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হৈ থকা স্বাধীনতা দিৱস ফুটবল প্ৰতিযোগিতাত মাজুলী জেন-নে' এফ চিয়ে গোগামুখ চুতীয়াপাৰা এফ চিক ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হৈছে । নিৰস খেলখনত জেন-নে' এফ চিয়ে প্ৰথমাৰ্ধত ৩ গ'ল আৰু দ্বিতীয়াৰ্ধত ২ গ'ল দিবলৈ সক্ষম হয়। কাইলৈ গোগামুখ জি এম এছ এফ চি আৰু মাজুলী কাৰচাং এফ চিৰ মাজত খেল অনুষ্ঠিত হ'ব।

## ছুপাৰ ষ্ট্ৰাইকাৰ্ছ-জে বিৰ খেল ড্ৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ৩ আগষ্ট ঃ** নগাঁও নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ক্ৰীড়া সংস্থাৰ চলিত বৰ্ষৰ নৱ কুমাৰ ভূঞা তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ আজি নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছ আৰু জে বি ক্লাবৰ মাজত অনুষ্ঠিত খেলখন ৩ - ৩ গ'লত ড্ৰ হোৱাত লীগৰ পইণ্ট দুয়োটা দলে সমানে ভগাই লয়। ছুপাৰ ষ্ট্ৰাইকাৰ্ছৰ পৰাগ পাটৰে ১৩ আৰু বিদ্যুৎ বৰদলৈয়ে ২৬ মিনিটত দিয়া গ'লৰ বিপৰীতে জে বিৰ বিৰাজ বৰদলৈয়ে ৩৩, ৪৪ আৰু ডেভিদ বড়োৱে ৩৮ মিনিটত গ'ল দিয়াত জে বি দল বিৰতিৰ সময়লৈ ২-৩ গ'লত আগবাঢ়ি থাকে। বিৰতিৰ পাছত ষ্ট্ৰাইকাৰ্ছৰ অপু হাঙ্গেই ৮৫ মিনিটত সমতা সূচক গ'লটো দিয়াত খেলখন ড্ৰ' যোগে সমাপ্ত হয়।

### নৱম সংখ্যক ৰাষ্ট্ৰীয় ছাত্ৰ অলিম্পিক
# আঠটা সোণ, আঠটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক লাভ বকোৰ খেলুৱৈৰ



**দৈনন্দিন বাৰ্তাপ ক্ৰীড়া প্ৰতিনিধি, বকো, ৩ আগষ্ট ঃ** খেলুৱৈসুলভ আধ্যাত্মিক অনুশীলনৰ ফলত কামৰূপ জিলাৰ বকোৰ খেলুৱৈয়ে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে উত্তৰাখণ্ডত। অকল পদক অৰ্জন কৰিয়েই ক্ষান্ত নাথাকি উত্তৰাখণ্ডৰ হৰিদ্বাৰত আয়োজন কৰা নৱমসংখ্যক ৰাষ্ট্ৰীয় ছাত্ৰ অলিম্পিক গেম- ২০২২-২৩ৰ খেলত অসমৰ দলটোক দ্বিতীয় সৰ্বোত্তম শ্ৰেষ্ঠ খেলুৱৈ দল হিচাপে প্ৰমাণ-পত্ৰ প্ৰদান কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি এইবেলি উত্তৰাখণ্ডৰ হৰিদ্বাৰৰ প্ৰেম নগৰ আশ্ৰমত ২৭ জুলাইৰ পৰা আয়োজন কৰা হৈছিল নৱমসংখ্যক ৰাষ্ট্ৰীয় ছাত্ৰ অলিম্পিক গেম-২০২২-২৩ৰ প্ৰতিযোগিতা। এই অলিম্পিক খেলত অসম দলৰ হৈ কামৰূপ জিলাৰ বকোৰ পৰা মুঠ ৭৪গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি ইয়াৰ ৭২গৰাকীয়ে মেডেল পাবলৈ সক্ষম হৈছে। উল্লেখ্য যে, বকো ড্ৰেগন ৱাৰিয়ৰ্ছ টাইকোৱাণ্ডো দোজাঙৰ প্ৰশিক্ষক দেৱজিৎ ডেকাই জনোৱা মতে, চৰকাৰৰ ফিট ইণ্ডিয়াৰ আৰ্হিৰে আজাদী কা অমৃত মহোৎসৱৰ আধাৰত আয়োজন কৰা নৱমসংখ্যক ৰাষ্ট্ৰীয় ছাত্ৰ অলিম্পিক খেলত অসম দলৰ হৈ বকোৰ আঠগৰাকী খেলুৱৈয়ে সোণৰ পদক, আঠগৰাকী খেলুৱৈয়ে ৰূপৰ পদক আৰু ছগৰাকী খেলুৱৈয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। তদুপৰি অন্যান্য কেটেগৰীত বকোৰ উশ্বু খেলুৱৈ দৃষ্টিৰাণী বড়োই ৰূপৰ পদক লাভ কৰে। সৰ্বভাৰতীয় ছাত্ৰ অলিম্পিক সন্থাৰ তত্ত্বাৱধানত, ৰাষ্ট্ৰীয় ছাত্ৰ অলিম্পিক সন্থাৰ উদ্যোগত আয়োজন কৰা অলিম্পিক খেলত এইবেলি উৱেৰষ্টেলিং, জুডো, কাৰাদী, উশ্বু, টাইকোৱাণ্ডো, কাৰাটে, কেৰম, ডবা, যোগা আৰু কম্ফু আদিকে ধৰি ইভেনবোৰ আছিল। এই অলিম্পিক খেলত বকোৰ প্ৰশিক্ষক দেৱজিৎ ডেকাৰ তৎপৰতাত যোৱা দলটিয়ে অধিক সন্মান আঁজুৰি আনে। ইয়াৰ ভিতৰত মুঠ আঠগৰাকীয়ে সোণৰ পদক লাভ কৰে আৰু মহৰ্ষি তনবীৰ বৰাসহ মুঠ আঠগৰাকীয়ে ৰূপৰ পদক লাভ কৰি ৰাজ্যৰ লগতে বকোলৈ সুনাম কঢ়িয়াই আনিছে। ইফালে দেৱজিৎ ডেকাৰ দলটিৰ সাফল্যৰ বাবে বকোৰ ক্ৰীড়া সংগঠকসকলে খেলুৱৈ দলটোক শুভেচ্ছা জনায়।



## লাহৰীঘাটত ব্লেক বেল্টপ্ৰাপক হাছিনা বেগমৰ কুংফু স্পৰ্টছ একাডেমী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভূৰাগাঁও, ৩ আগষ্ট ঃ** এসময়ত প্ৰিণ্ট মিডিয়া আৰু ইলেক্‌ট্ৰনিক মিডিয়াৰ বিশেষ শিৰোনাম দখল কৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন তথা বহু মানপত্ৰ আৰু মেডেলপ্ৰাপক স্বৰ্ণ কন্যাৰূপে পৰিচিত মৰিগাঁও জিলাৰ লাহৰীঘাটৰ ধূপগুৰিৰ হাছিনা বেগমে বৰ্তমান লাহৰীঘাট ব্লক চৌহদত লাহৰীঘাট কুংফু স্পৰ্টছ একাডেমী নামেৰে সম্প্ৰতি এমাহ ধৰি ২০ৰো অধিক ছাত্ৰ-ছাত্ৰীক কুংফু প্ৰশিক্ষণ দি আছে। ব্লেক বেল্টপ্ৰাপক চিফু হাছিনা বেগমে জনোৱা মতে নিম্নতম ৬ বছৰৰ পৰা ২১ বছৰ বয়সৰ ল'ৰা-ছোৱালী অথবা ছাত্ৰ-ছাত্ৰীসকলে এই কুংফু স্পৰ্টছ একাডেমীত ভৰ্তি হৈ প্ৰশিক্ষণ লোৱাৰ সুবিধা আছে। বিয়লি ৪ বজাত নিতৌ লাহৰীঘাট ব্লক চৌহদত কুংফু স্পৰ্টছ একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়া হয়। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে কুংফু স্পৰ্টছ একাডেমীত ভৰ্তি হ'বলৈ পোনপটীয়াকৈ বিয়লি লাহৰীঘাট ব্লক চৌহদত আহি যোগাযোগ কৰিব পাৰে। উল্লেখ্য যে লাহৰীঘাট অঞ্চলত ইয়াৰ আগেয়ে কোনো কুংফু প্ৰশিক্ষণ কেন্দ্ৰ নাছিল । প্ৰশিক্ষক হাছিনা বেগমৰ অশেষ প্ৰচেষ্টাত সেয়া সম্পন্ন হ'ল। এতিয়া মাথোঁ লাগে ৰাইজ তথা অভিভাৱকৰ সমৰ্থন।

## অসম যুৱ অলিম্পিক-২০২২ ৰেষ্টলিং খেলত ৰহা শংকৰদেৱৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৰহা, ৩ আগষ্ট ঃ** অসম যুৱ অলিম্পিক ২০২২ৰ ৰেষ্টলিং খেলৰ ফ্ৰি ষ্টাইল প্ৰতিযোগিতা শাখাত নগাঁও জিলাৰ ৰেষ্টলিং সন্থাৰ হৈ উজ্জ্বল বৰুৱাৰ তত্ত্বাৱধানত নিৰ্বাচিত হোৱা তথা নগাঁৱৰ সুদক্ষ প্ৰশিক্ষক ফিজেছ আহমেদৰ প্ৰশিক্ষণপ্ৰাপ্ত ৰহা ৰেষ্টলিং একাডেমীৰ পৰা অংশগ্ৰহণ কৰা ১২জন ছাত্ৰ - ছাত্ৰীৰ সাতজনৰ ভিতৰত ছজনে ব্ৰঞ্জ আৰু এজনে চিলভাৰ পদক পাবলৈ সক্ষম হৈছে। চিলভাৰ পদক জয়ী কৈলাস বৰা, ব্ৰঞ্জৰ পদক জয়ী ক্ৰমে নীলাভ মেধী, দীপজ্যোতি হাজৰিকা, দুল শংকৰ পাটৰ, কাকলি কলিতা, বিদিশা কোঁৱৰ, পৰিণীতা পাটৰ। উল্লিখিত আটাইকেইজন ছাত্ৰ-ছাত্ৰী ৰহা শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰী। উল্লেখ্য, ৰহা ৰেষ্টলিং একাডেমীৰ মুখ্য পৰিচালক প্ৰণৱ মেধি আৰু সহকাৰী দিপাঞ্জু ডেকা মেধিয়ে নগাঁও জিলাৰ ৰেষ্টলিং সন্থাৰ অন্তৰ্গত ৰহা ৰেষ্টলিং একাডেমীৰ বাবে টিম মেনেজাৰ হিচাপে অসম যুৱ অলিম্পিক ২০২২ত অংশগ্ৰহণ কৰে।




*ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত অনুষ্ঠিত তৃতীয় টি-২০ত ভাৰতীয় তাৰকা সূৰ্যকুমাৰ যাদৱ*

## নলবাৰী ক্ৰীড়া সন্থাৰ নতুন ভৱন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, নলবাৰী, ৩ আগষ্ট ঃ** ৫ আগষ্টত নলবাৰী ক্ৰীড়া সন্থাৰ নতুন ভৱনত গৃহ প্ৰৱেশ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি সন্থাৰ সাধাৰণ সম্পাদক বুবুল তালুকদাৰে জনাইছে। ১২ বজাত অনুষ্ঠিত হ'বলগীয়া মাংগলিক অনুষ্ঠানত উপস্থিত থাকিব অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী, দক্ষতা বিকাশ আৰু উদ্যমিতা, পৰ্যটন বিভাগৰ মন্ত্ৰী তথা নলবাৰী ক্ৰীড়া সন্থাৰ সভাপতি জয়ন্তমল্ল বৰুৱা। ইতিমধ্যে নতুন ক্ৰীড়া ভৱনটো গৰ্ডন স্কুল খেলপথাৰৰ ওচৰত পল্লা ৰোডত শীত-তাপ নিয়ন্ত্ৰণেৰে সভাপতি-সম্পাদকৰ কাৰ্যালয়ৰ লগতে এটি সভাগৃহ ও আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা হৈছে। গৃহ প্ৰৱেশ অনুষ্ঠানটোত ক্ৰীড়া সন্থাৰ আজীৱন সভ্য, কাৰ্যনিৰ্বাহক সদস্য তথা ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত আৰু সাময়িক স্বীকৃতিপ্ৰাপ্ত ক্লাব-সংঘসমূহৰ সদস্যসকলক উপস্থিত থাকিবলৈ আহ্বান জনোৱা হৈছে। তদুপৰি উক্ত দিনাই সন্ধিয়া ৭ বজাত চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ ষ্টেডিয়ামত ক্ৰীড়া সন্থাৰ ছুপাৰ ডিভিজন ফুটবল লীগৰ চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিয়ে জনাইছে। ইয়াত অংশগ্ৰহণ কৰিব মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘ বনাম ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাই। প্ৰথমবাৰৰ বাবে ফুটবল লীগ সন্ধিয়া অনুষ্ঠিত কৰা হ'ব বুলি ক্ৰীড়াপ্ৰেমী ৰাইজ উৎসাহিত হোৱা পৰিলক্ষিত হৈছে।

# গুৱাহাটী চিটী এফ চিৰ চতুৰ্থখন ফুটবলৰ স্কুল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৩ আগষ্ট ঃ** সোণাইঘুলি, বেলতলা আৰু বৰবাৰীৰ পাছত মাছখোৱাত ডায়মণ্ড ষ্টাৰ ক্লাবৰ সহযোগত নিজৰ গ্ৰাছৰুটছ প্ৰশিক্ষণ কেন্দ্ৰ জিচিএফচি ফুটবল স্কুল আৰম্ভ কৰিছে গুৱাহাটী চিটী এফচি চমুকৈ জিচিএফচিয়ে । মহানগৰীৰ চুকে-কোণে থকা শিশু প্ৰতিভা বিচাৰি উলিয়াই উপযুক্ত প্ৰশিক্ষণৰ লগতে প্ৰতিভা প্ৰদৰ্শনৰ মঞ্চ দিয়াৰ বাবে জিচিএফচিয়ে আৰম্ভ কৰা এই ফুটবল স্কুলসমূহৰপৰা বহু খেলুৱৈয়ে ইতিমধ্যে জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত খেলিবলৈ সক্ষম হৈছে। জিচিএফচিৰ অনূৰ্ধ্ব ১৩ দলটো গুৱাহাটী ক্ৰীড়া সন্থাৰ অনূৰ্ধ্ব ১৩ লীগৰ চেম্পিয়ন হোৱাৰ লগতে অনূৰ্ধ্ব ৮ আৰু ১০ শাখাত গ্ৰেটাৰ গুৱাহাটী বেবী লীগ তথা এপিআৰঅ' বেবী লীগৰ চেম্পিয়ন হৈছে। ক্লাবৰ প্ৰতিভাৱান খেলুৱৈ ক্ৰমে দিব্যপ্ৰতিম বসুমতাৰী, উৎকৰ্ষ বৰা আৰু প্ৰীতম ব্ৰহ্মই মিনাৰ্ভা আৰু ৰিলায়েন্স ইয়ং চেম্প্‌ছৰ দৰে একাডেমীলৈ নিৰ্বাচিত হৈছে। এনেদৰে খেলুৱৈ উৎপাদনৰ প্ৰক্ৰিয়া অধিক প্ৰসাৰিত কৰিবলৈকে জিচিএফচিয়ে মহানগৰীৰ বিভিন্ন স্থানত ফুটবল স্কুল আৰম্ভ কৰিছে আৰু এইবাৰ মাছখোৱাৰ ঈদগাহ খেলপথাৰত চতুৰ্থটো শাখা আৰম্ভ হ'ব । ইয়াৰ পৰা প্ৰতিভাৰ ভিত্তিত খেলুৱৈসকলে জিচিএফচিক বিভিন্ন জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাব । সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ অনুজ্ঞাপ্ৰাপ্ত প্ৰশিক্ষক প্ৰদ্যুম্ন গোস্বামী আৰু মেইটৰাম সুৰজ সিঙে ইয়াত খেলুৱৈসকলক প্ৰশিক্ষণ দিব । অধিক তথ্যৰ বাবে ৭০০২২৮২৭৪৫ ৭০০২৫৭০৮৭০ অথবা ৬০০১৮৩৮৫৪৮ নম্বৰত অথবা জিচিএফচিৰ ফেচবুক বা ইনষ্টাগ্ৰাম পেজ চাবলৈ কোৱা হৈছে।

## লাংহিনত কাৰ্বি আংলং জিলা বিদ্যালয়সমূহৰ গ্ৰীষ্মকালীন ফুটবল টুৰ্ণামেণ্ট

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বকলীয়াঘাট, ৩ আগষ্ট ঃ** কাৰ্বি আংলং জিলা ক্ৰীড়া বিষয়াৰ উদ্যোগত লাংহিন তিনিআলিত গৰৈমাৰী ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হৈছে কাৰ্বি আংলং জিলাৰ বিদ্যালয়সমূহৰ গ্ৰীষ্মকালীন ফুটবল প্ৰতিযোগিতা। জিলাখনৰ মুঠ ১৯খন বিদ্যালয়ৰ ১৭ বছৰ অনূৰ্ধ্ব আৰু ১৪ বছৰ অনূৰ্ধ্ব দলসমূহৰ মাজত খেলসমূহ আজি শুভাৰম্ভ কৰা হয়। আৰম্ভণি খেলত ডংকা চিংথুৰ হাইস্কুলে হাওৰাঘাট হায়াৰ ছেকেণ্ডেৰী বিদ্যালয়ক ২-১ গ'লৰ ব্যৱধানত, ৰজাপথাৰ হাইস্কুলে ডিলাই হাইস্কুলক ২-০, গদাবৰী হাইস্কুলে খৰচিং তেৰাং হাইস্কুলক ৭-০, বকলীয়া বাঢ়নী আদৰ্শ হাইস্কুলে পণ্ডিত ঘাট হাইস্কুলক ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, ১৪ বছৰ অনূৰ্ধ্ব শাখাত লাংহিন চৰকাৰী এম ই স্কুলে মাউণ্ট এভাৰেষ্ট হাইস্কুলক ১-০ আৰু সোণাপুৰ বড়ো মিডিয়াম হাইস্কুলে লাংহিন পামগাঁও হায়াৰ ছেকেণ্ডেৰী স্কুলক ৪-০ গ'লত পৰাস্ত কৰে। কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক ড° পংকজ টেৰণে প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে জিলা ক্ৰীড়া বিষয়া ৰিলিফ ৰংহাং, লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ সভাপতি তৰুণ বসুমতাৰী, কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ বিভাগীয় সম্পাদক শৰৎ পাটৰ, কাৰ্বি আংলং জিলাৰ ৰেষ্টলিং সন্থাৰ সভাপতি ৰত্নাকৰ স্বৰ্গীয়াৰী, সাধাৰণ সম্পাদক নাৰায়ণ বসুমতাৰী আৰু বড়ো অগ্ৰণী সংগঠনৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতালানি অহা ৬ তাৰিখে অন্ত পৰিব।

## অসম যুৱ অলিম্পিকত সাঁতোৰত উজলি উঠিল শিৱসাগৰৰ পাৰ্থ দত্ত

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩ আগষ্ট ঃ** অসম যুৱ অলিম্পিক সন্থাৰ উদ্যোগত অনুষ্ঠিত হৈ যোৱা অসম যুৱ অলিম্পিক -২০২২ প্ৰতিযোগিতাত সাঁতোৰ শাখাত শিৱসাগৰৰ ৰিভাৰ ডলফিন একুৱেটিকছৰ খেলুৱৈ পাৰ্থ দত্তই প্ৰতিযোগিতাত ৪-১০০ মিটাৰ ৰীলেত সোণ, ১০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰকত ৰূপ আৰু ২০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰকত ব্ৰঞ্জৰ পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে শিৱসাগৰ অ'এনজিচি কলনীৰ ৰাজু দত্ত আৰু স্বপ্নালী বুঢ়াগোহাঁইৰ পুত্ৰ পাৰ্থ দত্তই আতিকুৰ ৰহমানৰ দ্বাৰা প্ৰশিক্ষণ লৈ ইতিমধ্যে চলিত বৰ্ষৰ জুলাইত ওড়িশা ভুৱনেশ্বৰত অনুষ্ঠিত হোৱা ৪৮সংখ্যক জুনিয়ৰ নেচনেল একুৱেটিকছ প্ৰতিযোগিতাত মেদলি ৰীলেত ৰূপৰ পদক লাভ কৰাৰ উপৰি জুনত অনুষ্ঠিত হৈ যোৱা ২৯সংখ্যক অসম ৰাজ্যিক ছুইমিং চেম্পিয়নশ্বিপত ৫০, ১০০, ২০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰকত তিনিটাকৈ সোণৰ পদক আৰু ৫০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক লাভ কৰি জিলাৰ লগতে ৰিভাৰ ডলফিন একুৱেটিকছলৈ গৌৰৱ কঢ়িয়াই অনাত উৎফুল্ল হৈছে অনুষ্ঠানটোৰ কৰ্তৃপক্ষ।

## পিলিক চৌধুৰী ফুটবল প্ৰতিযোগিতা ধেমাজি জিলা পৰ্যায়ত গোগামুখ নলবাৰী চেম্পিয়ন



**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ৩ আগষ্ট ঃ** সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব লগা পিলিক চৌধুৰী আন্তঃ জিলা ১৪ বছৰ অনূৰ্ধ্ব ধেমাজি জিলা ভিত্তিত অনুষ্ঠিত হোৱা ফুটবল প্ৰতিযোগিতাত গোগামুখ মিংমাং নলবাৰী হাইস্কুল চেম্পিয়ন হৈছে। আজি গোগামুখ নগৰ হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা ফাইনেল খেলত নলবাৰী হাইস্কুলে চিমেনমুখ হাইস্কুলক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ধেমাজি জিলা ভিত্তিত চেম্পিয়ন হোৱাৰ লগতে পিলিক চৌধুৰী আন্তঃ জিলা ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা লাভ কৰে। উল্লেখনীয় যে, নলবাৰী হাইস্কুলৰ ছাত্ৰ তথা আটাইকেইগৰাকী খেলুৱৈ গোগামুখ স্পৰ্ট একাডেমীত ফুটবল প্ৰশিক্ষণ লৈ থকা খেলুৱৈ আৰু এই মৰ্মে নলবাৰী হাইস্কুল দলৰ খেলুৱৈসকলৰ ওচৰত কোনো এখন বিদ্যালয়ৰ দলে খেলসমূহত ভালদৰে প্ৰতিদ্বন্দ্বিতাই আগবঢ়াব নোৱাৰিলে। নলবাৰী হাইস্কুল দলে তিনিখন খেলত মুঠ ১৫টা গ'ল দিবলৈ সক্ষম হয়।

## ৰাষ্ট্ৰীয় জুনিয়ৰ সাঁতোৰত অসমৰ ১৮টা পদক লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৩ আগষ্ট ঃ** ভুৱনেশ্বৰত অনুষ্ঠিত ৪৮সংখ্যক জুনিয়ৰ সাঁতোৰ প্ৰতিযোগিতাৰ এক আগষ্টৰ অন্তিম দিনা অসমে মেডলী ৰিলে ল'ৰাৰ আৰু ছোৱালীৰ শাখাত ৰূপৰ পদক অৰ্জন কৰে। ইফালে, ১৫০০ মিটাৰ ফ্ৰিষ্টাইলত সংস্কাৰ ভূঞাই সোণ আৰু ১০০ মিটাৰ বাটাৰফ্লাইট তীৰ্থাংক পেগুৱে সোণৰ পদক লাভ কৰে । প্ৰতিযোগিতাত তীৰ্থাংক পেগুৱে সামগ্ৰিকভাবে তিনিটা সোণ, চাৰিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে । আনহাতে, অংশুমান কাশ্যপে ছটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে । সংস্কাৰ ভূঞাই এটা সোণ , তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হয়। প্ৰতিযোগিতাত অসমে চাৰিটা সোণ, ১০টা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰে।

## নগাঁৱৰ ভোটাইগাঁৱত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বৰমপুৰ, ২ আগষ্ট ঃ** নগাঁও চহৰৰ সমীপৰ্তী ঐতিহ্যমণ্ডিত ভোটাইগাঁৱৰ ভোটাইডেকা উন্নয়ন সমিতি আৰু কলংপাৰ গ্ৰাম্য ক্ৰীড়া উন্নয়ন সমিতিৰ উদ্যোগত ভোটাইডেকা খেলপথাৰত এখনি প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা আয়োজন কৰা হৈছে। অহা ৫ ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত যোগদানৰ অন্তিম তাৰিখ ১ ছেপ্টেম্বৰ। সমিতিৰ সাধাৰণ সম্পাদক অশোক কুমাৰ বৰাই জনোৱা মতে প্ৰতিযোগিতাখনৰ বিজয়ী দলক গোলোক চন্দ্ৰ দাস সোঁৱৰণী বঁটা আৰু নগদ ৩১,১১১ টকা আৰু বিজিত দলক নগদ ২১,১১১ টকাৰ উপৰি অন্যান্য পুৰস্কাৰ প্ৰদান কৰা হ'ব। ইতিমধ্যে এই সম্পৰ্কত এখন সাধাৰণ সভা অনুষ্ঠিত হয় আৰু উক্ত সভাতে প্ৰতিযোগিতাখন সুচাৰুৰূপে পৰিচালনাৰ বাবে সভাই সৰ্বসন্মতিক্ৰমে অনিল দাসক সভাপতি, জয়ন্ত কুমাৰ বৰাক কাৰ্যকৰী সভাপতি, অশোক কুমাৰ বৰাক সাধাৰণ সম্পাদক, নবীন শইকীয়া, হিৰণ্য বৰা, পুণ্যৱান জমিদাৰক সহঃ সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰা হৈছে। অজিত কুমাৰ বৰা আৰু কমলাকান্ত বৰাক উপদেষ্টা হিচাপে লৈ সমিতিখনে ইতিমধ্যে যাৱতীয় কাম-কাজ আৰম্ভ কৰিছে আৰু সকলো ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তা সমিতিয়ে। ইচ্ছুক দলসমূহক ফোন নম্বৰ ৯৪৩৫০-৬৮৭৮৯ অথবা ৯৮৬৪৯-৭১৭৩০ৰ সৈতে যোগাযোগ কৰিবলৈ সমিতিয়ে অনুৰোধ জনাইছে।

## স্বোৱান এছ'চিয়েচনৰ উদ্যোগত কামৰূপ জিলা ভিত্তিত আন্তঃ স্কুল সাঁতোৰ প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চাংসাৰি, ৩ আগষ্ট ঃ** উত্তৰ গুৱাহাটীৰ অগ্ৰণী ক্ৰীড়া সংগঠন স্বোৱান এছ'চিয়েচনৰ উদ্যোগত ১৩ আৰু ১৪ আগষ্টত দুদিনীয়াকৈ কামৰূপ জিলা ভিত্তিত সাঁতোৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। স্বোৱান এছ'চিয়েচনৰ প্ৰশিক্ষকদ্বয় লম্বোধৰ ডেকা আৰু প্ৰশান্ত দাসে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে ৫৬ ইভেণ্টত ১৫তম আন্তঃজিলা সাঁতোৰ প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। শিলসাঁকোস্থিত জি এম ডি এ সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰত প্ৰতিযোগিতাখন সুকলমে সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হিমন্ত চৌধুৰীক অধ্যক্ষ, উপ-অধ্যক্ষ হিচাপে খনিন্দ্ৰ মুদৈ আৰু কিশোৰ ভূঞাক ব্যৱস্থাপক হিচাপে লৈ আয়োজন সমিতিয়ে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উক্ত প্ৰতিযোগিতাখনত যোগদান কৰিবলৈ ইচ্ছুক প্ৰতিযোগীসকলক শচীন্দ্ৰ দাস ৯৮৬৪০-৫২১৪৬ আৰু ধীৰাজ দাস ৭০০২৮-৬১৯০১ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে আয়োজকসকলে।

## চণ্ডীচৰণ দাস ফুটবল প্ৰতিযোগিতাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৩ আগষ্ট ঃ** ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ক্ৰীড়া নগৰী টংলা ক্ৰীড়া সন্থাৰ উদ্যোগত টংলা ষ্টেডিয়ামত ১১ৰ পৰা ২০ জুলাইলৈকে অনুষ্ঠিত চণ্ডীচৰণ দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ এক আগষ্টৰ ফাইনেল খেলখনত টাইব্ৰেকাৰ পদ্ধতিৰ সহায়ত নাচনশালী ফুটবল দলে ৪-১ৰ ব্যৱধানত টংলা ক্ৰীড়া সন্থা ফুটবল দলক পৰাস্ত কৰি চেম্পিয়ন হয়। টংলা অগ্নিনিৰ্বাপক বাহিনীৰ ইনচাৰ্জ ব্ৰজেন কলিতাই শুভ উদ্বোধন কৰা খেলত ট্ৰফী দাতা বলিৰাম ডেকা, ক্ৰীড়াবিদ নমল ৰাভা, ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বৰা, সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, ক্ৰিকেটৰ সম্পাদক লোহিত নাথ উপস্থিত থাকে। খেলখন পৰিচালনা কৰে সোমেশ্বৰ বড়োৱে আৰু তেওঁক সহায় কৰে বিকাশ শৰণীয়া আৰু নিজুম বড়োৱে। উল্লেখ্য যে টংলা ক্ৰীড়া সন্থা আৰু নাচনশালী ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হোৱা লীগ পৰ্যায়ৰ আন্তঃ ক্লাব খেলখনত আঠটা দলে অংশগ্ৰহণ কৰিছিল।

## নলবাৰীত টাইকোৱানডোৰ বাছনি শিবিৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ৩ আগষ্ট ঃ** ১৭ আগষ্টৰ পৰা ২২ আগষ্টলৈ দুলীয়াজানত অনুষ্ঠিত হ'বলগীয়া ৩৭সংখ্যক আন্তঃ জিলা টাইকোৱানডো প্ৰতিযোগিতাত নলবাৰী জিলাৰ ল'ৰা-ছোৱালীৰ দলটো অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে নলবাৰী জিলাৰ টাইকোৱানডো সন্থাই এক খেলুৱৈ বাছনি শিবিৰৰ আয়োজন কৰিছে। ৭ আগষ্টত নলবাৰী জিলা টাইকোৱানডো সন্থাৰ অন্তৰ্গত টিহু টাইকোৱানডো একাডেমীত পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈ বিভিন্ন ওৱেট কেটেগুৰিত খেলুৱৈ নিৰ্বাচিত কৰা হ'ব বুলি জানিব পৰা গৈছে। সেয়েহে জিলা টাইকোৱানডো সন্থাৰ শাখাসমূহৰ পৰা বাছনি শিবিৰলৈ খেলুৱৈ পঠাবলৈ সন্থাৰ সাধাৰণ সম্পাদক জ্ঞানদীপ কলিতাই আহ্বান জনাইছে।

## ৰঙাপৰাত দেশৰ ৭৫সংখ্যক স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰীতি ফুটবল খেল অনুষ্ঠিত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৰঙাপৰা, ৩ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত দেশৰ ৭৫সংখ্যক স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰীতি ফুটবল খেল অনুষ্ঠিত কৰে ৰঙাপৰা প্ৰেছ ক্লাবে। আজি বিয়লি অনুষ্ঠিত হোৱা প্ৰথমখন প্ৰীতি ফুটবল খেল নামনিগাঁও খেলপথাৰত ৰঙাপৰা প্ৰেছ ক্লাব আৰু সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মাজত অনুষ্ঠিত হয়। উক্ত প্ৰীতি ফুটবল খেলখন ৰঙাপৰা থানাৰ প্ৰভাৰী দেৱেন বৰাই উদ্বোধন কৰে আৰু খেলখনত উপস্থিত থাকে ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি সুনীল ম'ৰ, উপদেষ্টা ৰাজু পাটোদিয়া, বিপুল মেচ, বিমান মণ্ডলকে ধৰি প্ৰেছ ক্লাবৰ সদস্যসমূহ। আনহাতে, খেলখনত আটছাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ইলিয়াছ প্ৰধান উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰে। খেলখনত অসম আদিবাসী ছাত্ৰ সন্থাই ৪-০ গ'লত ৰঙাপৰা প্ৰেছক্লাবক পৰাস্ত কৰে। ইফালে ৰঙাপৰাত ক'ভিডসৃষ্ট পৰিৱেশৰ পিছত প্ৰেছক্লাবে গ্ৰহণ কৰা এই পদক্ষেপে এক ক্ৰীড়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## অসম যুৱ অলিম্পিকত টাংচুডুত ডিমৌৰ পাঁচজনে জয় কৰিলে সোণ, ৰূপ আৰু ব্ৰঞ্জ, বিভিন্নজনৰ শুভেচ্ছা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ৩ আগষ্ট ঃ** গুৱাহাটীত অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকত টাংচুডু ইভেণ্টত ডিমৌৰ পাঁচ খেলুৱৈয়ে পদক জয় কৰি সমগ্ৰ ডিমৌ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰশিক্ষক দীপাংকৰ চেতিয়াৰ ওচৰত প্ৰশিক্ষণ চলাই থকা পাঁচজন ছাত্ৰ-ছাত্ৰীয়ে পদক পাবলৈ সক্ষম হয়। পদক জয় কৰি ডিমৌবাসীক গৌৰৱান্বিত কৰি ক্ৰমে অন্বেষা বড়া সোণ, চিনু দেউৰী, দেৱাশিক গগৈ ৰূপ, ৰিদিপ কোঁৱৰ আৰু স্নেহা চেতিয়াই ব্ৰঞ্জৰ পদক লাভ কৰে। ডিমৌৰ মুখ্য প্ৰশিক্ষক দীপাংকৰ চেতিয়াৰ তত্ত্বাৱধানত অনুশীলন কৰা এই খেলুৱৈ কেইগৰাকীয়ে বিগত সময়ত অত্যন্ত শ্ৰম তথা অনুশীলনৰ কৰাৰ বাবেই এই সফলতা লাভ কৰা বুলি ডিমৌ টাংচুডু সন্থাই প্ৰকাশ কৰাৰ লগতে পদক বিজয়ী প্ৰতিজন খেলুৱৈক অভিনন্দন আৰু শুভেচ্ছা জনাইছে। আজি সংবাদ মাধ্যমৰ যোগেদি পদক জয় কৰি সমগ্ৰ শিৱসাগৰ জিলাৰ লগতে ডিমৌবাসীক গৌৰৱান্বিত কৰা খেলুৱৈসকলক মুখ্য প্ৰশিক্ষক দীপাংকৰ চেতিয়াৰ লগতে বিভিন্নজনে শুভেচ্ছা জনাইছে।



## ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে পৰাস্ত

# বেডমিণ্টনৰ দলীয়ত ৰূপ পালে ভাৰতে

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** সোণৰ পদক উদ্ধাৰৰ যুঁজত মালয়েছিয়াৰ বিৰুদ্ধে ৩-১ৰ ব্যৱধানত পৰাস্ত হৈ ভাৰতীয় বেডমিণ্টন দলে চলিত কমনৱেলথ গেমছত ৰূপৰ পদকতে সন্তুষ্ট থাকিল। ফাইনেলত পি ভি সিন্ধুৰ বাদে ভাৰতে তিনিখন মেচত পৰাস্ত হয়। চিৰাগ আৰু ৰেংকিৰেড্ডী যুটি ১৮-২১, ১৫-২১ ৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত মহিলাৰ একক শাখাৰ মেচত সিন্ধুই ২২-২০, ২১-১৭ ৰ ব্যৱধানত জয়ী হৈ ১-১ত সমতা স্থাপন কৰে। কিন্তু পুৰুষৰ একক শাখাৰ মেচত কিদাম্বি শ্ৰীকান্ত ১৯-২১, ২১-৬, ১৬-২১ ৰ ব্যৱধানত তথা মহিলাৰ ডাবলছত গায়ত্ৰী আৰু তৃষা ১৮-২১, ১৭-২১ ৰ ব্যৱধানত পৰাস্ত হোৱাত সোণ লাভ কৰে মালয়েছিয়াই। উল্লেখ্য যে বিগত কমনৱেলথ গেমছৰ বেডমিণ্টনৰ দলীয় চেম্পিয়ন ভাৰতে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি এইবাৰো ফাইনেলত প্ৰৱেশ কৰিছিল। ছেমিফাইনেলত ভাৰতে প্ৰথম তিনিখন গেমতে ছিংগাপুৰক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজত প্ৰৱেশ কৰে। ভাৰতৰ পুৰুষ ডাবলছ যুটি চিৰাগ আৰু ছাটৰিকে প্ৰথম মেচত ২১-১১, ২১-১২ৰ ব্যৱধানত জয়লাভ কৰাৰ পাছত ছোৱালীৰ একক শাখাত সিন্ধুই ২১-১১, ২১-১২ৰ ব্যৱধানত জয়ী হৈ অগ্ৰগতি ২-০ কৰে। আনহাতে, তৃতীয় মেচত পৰুষৰ একক শাখাত লক্ষ্য সেনে ২১-১৮, ২১-১৫ ৰ ব্যৱধানত জয়ী হৈ ভাৰতৰ ফাইনেলৰ স্থান নিশ্চিত কৰে। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল। পি ভি সিন্ধুৰ নেতৃত্বনাধীন ভাৰতীয় মিক্সড বেডমিণ্টন দলে গ্ৰুপৰ অন্তিমখন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰিছিল অষ্ট্ৰেলিয়াক। এই মেচখনত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুৱে ২১-১০, ২১-১২ ৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে কিদাম্বি শ্ৰীকান্তে ২১-১৪, ২১-১৩ ৰ ব্যৱধানত জয় সাব্যস্ত কৰে। আনহাতে, ডাবলছ শাখাত চিৰাগ-সমিথ যুটিয়ে ২১-১৬, ২১-১৯ ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল শ্ৰীলংকাক। এতিয়া ভাৰতৰ শ্বাটলাৰৰ লক্ষ্য হ'ব একক শাখাত পদক জয় কৰা।





# বৃহৎ জয় সাব্যস্ত পুৰুষ দলৰ

## কানাডাক পৰাস্ত কৰি ছেমিফাইনেলত ভাৰতৰ মহিলা হকী দল


**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আজি খেলা নিজৰ চতুৰ্থ গ্ৰুপ মেচখনত ভাৰতৰ মহিলা হকী দলে ৩-২ গ'লৰ ব্যৱধানত কানাডাক পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। উল্লেখ্য যে কালি ইংলণ্ডে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভাৰতৰ মহিলা হকী দলক। ক্ৰমাগতভাৱে প্ৰথম দুখন মেচত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱা ভাৰতৰ মহিলা হকী দলে ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিলেই ছেমিফাইনেলত স্থান নিশ্চিত কৰিলেহেঁতেন। কিন্তু আজি সফল প্ৰত্যাৱৰ্তন কৰি প্ৰথম পৰীক্ষাত সফল হ'ল। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত ৫-০ গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। জয়ৰ ধাৰা অব্যাহত ৰাখি গ্ৰুপৰ দ্বিতীয়খন মেচত ভাৰতৰ মহিলা হকী দলে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৱেলছক। টকিঅ' অলিম্পিকত ছেমিফাইনেল খেলি চমক সৃষ্টি কৰা ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ লৈছে। ইফালে, আজি হোৱা পুৰুষ হকী দলৰ মেচত ভাৰতে ৮-০ গ'লৰ ব্যৱধানত কৰে কানাডাক। তিনিখন মেচ খেলাৰ পাছত এয়া ভাৰতীয় পুৰুষ দলৰ দ্বিতীয় বিজয়। উল্লেখ্য যে ঘানাৰ বিৰুদ্ধে ১১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰা ভাৰতীয় পুৰুষ হকী দলে নিজৰ দ্বিতীয় মেচত ৩-০ গ'লৰ ব্যৱধানত আগবাঢ়ি থকাৰ পাছতো ইংলণ্ডৰ বিৰুদ্ধে ৪-৪ ত ড্ৰ খেলিবলৈ বাধ্য হৈছিল। আজিৰ জয়ে দলক ছেমিফাইনেলৰ কাষলৈ নিছে।





# বক্সিঙত পদক নিশ্চিত কৰিলে নীতু-হুছামুদ্দিনে

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেল্থ গেমছত বক্সিঙতো ভাৰতৰ পদক লাভ কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে আজি ভাৰতৰ মহিলা বক্সাৰ নীতু আৰু পুৰুষ বক্সাৰ মহম্মদ হুছামুদ্দিনে নিজৰ নিজৰ কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে আৰু পদক জয়ো নিশ্চিত হয়। ৪৮ কিলোগ্ৰাম শাখাত খেলা নীতুৱে কোৱাৰ্টাৰ ফাইনেল খেলিয়েই নিজৰ অভিযান আৰম্ভ কৰে আৰু প্ৰথম মেচতে উত্তৰ আয়াৰলেণ্ডৰ নিক'লাক নকআউট কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইফালে, পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখা কোৱাৰ্টাৰ ফাইনেলত মহম্মদ হুছামুদ্দিনে ৪-১ ৰ ব্যৱধানত নামিবিয়াৰ এনডেভেলোক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয়ো নিশ্চিত কৰিছে। ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হুছামুদ্দিনে বাংলাদেশৰ মহম্মদ ছেলিম হুছেইনক ৫-০ ৰ ব্যৱধানত বিধ্বস্ত কৰিছিল। আনহাতে, ভাৰতীয় বক্সাৰজনে প্ৰথম মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক। ইফালে, ভাৰতৰ ৰোহিত টাকাছে পুৰুষৰ ৬৭ কিলোগ্ৰাম শাখাত নিজৰ অভিযান ৫-০ ৰ জয়েৰে আৰম্ভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তদুপৰি ৮০ কিলোগ্ৰাম শাখাৰ খেলত অমিত কুমাৰে হেলাৰঙে প্ৰথম ৰাউণ্ডৰ মেচত ৫-০ ৰ ব্যৱধানত জয়লাভ কৰি অন্তিম আঠত স্থান নিশ্চিত কৰাৰ লগতে ৯২ কিলোগ্ৰাম উৰ্দ্ধৰ শাখাত খেলা ভাৰতীয় হেভীৱেইট বক্সাৰ সাগৰেও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ অমিত পাংগলে পুৰুষৰ ৫১ কিলোগ্ৰাম শাখাৰ খেলত হেলাৰঙে ভানুটুৰ নামৰি বেৰিক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰত্যাশিতৰূপত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰে আৰু কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।






# ল'ন বলত অসমৰ নয়নমণি-মৃদুলৰ জয়

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ মহিলা দলে ঐতিহাসিক সোণ লাভ কৰাৰ পাছত এতিয়া ভাৰতীয় লন বলৰ প্ৰতিগৰাকী সদস্যৰ আত্মবিশ্বাস তুংগত। আজি পুৰুষৰ একক শাখাত অংশ লোৱা ভাৰতীয় দলৰ সদস্য অসম সন্তান মৃদুল বৰগোহাঁয়ে গ্ৰুপৰ দুয়োখন মেচতেই জয়লাভ কৰিবলৈ সক্ষম হয়। প্ৰথম মেচত মৃদুল মুখামুখি হয় ফ্লেংকলেণ্ডৰ আইছলেণ্ডৰ ক্ৰিছ ল'কিৰ। মেচখনত মৃদুলে ২১-৫ৰ ব্যৱধানত জয়লাভ কৰে। ইফালে, দিনটোৰ পুৰুষৰ একক শাখাৰ দ্বিতীয়খন মেচত মৃদুলে ২১-১৯ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ ইয়ান মেকলানক। ইফালে, এদিন পূৰ্বে ভাৰতীয় মহিলা দলৰ হৈ সোণ লাভ কৰা অসমৰ নয়নমণি শইকীয়াই আজি ডাবলছত গ্ৰুপ মেচ খেলে। লাভলি চৌধুৰী আৰু নয়নমণিয়ে প্ৰথম মেচত নিউক ২৩-৬ ৰ ব্যৱধানত পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত দক্ষিণ আফ্ৰিকাৰ লগত ১৬-১৬ ত টাই খেলে।




# পুৰুষৰ একক শাখাৰ স্ক'ৱাছৰ ছেমিফাইনেলত পৰাস্ত সৌৰভ

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** ভাৰতৰ সৌৰভ ঘোষালে চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত নিউজীলেণ্ডৰ খেলুৱৈৰ বিৰুদ্ধে ৩-০ৰ ব্যৱধানত পৰাস্ত হৈছে। এতিয়া ব্ৰঞ্জ পদকৰ বাবে খেলিব সৌৰভে। উল্লেখ্য কোৱাৰ্টাৰ ফাইনেলত সৌৰভে ১১-৫, ৮-১১, ১১-৭, ১১-৩ ৰ ব্যৱধানত স্কটলেণ্ডৰ ল'বানক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে সৌৰভে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰিছিল। ইফালে, আজি হোৱা অন্য এখন মেচত ছোৱালীৰ শাখাত ভাৰতৰ সুনয়না কুৰুভিল্লাই পাকিস্তানৰ খেলুৱৈক ১১-২, ১১-৪, ১১-৫ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰপূৰ্বে তেওঁ ১১-৩, ১১-২, ১১-ৰ ব্যৱধানত শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ স্থান নিশ্চিত কৰে। মাত্ৰ ১২ মিনিটতে মেচত জয়ী হয় সুনয়না। উল্লেখ্য যে জ্যোৎস্না চিন্নাপ্পা চলিত ২২সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ একক শাখাৰ স্ক'ৱাছৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ পদক জয়ৰ দৌৰৰ পৰা ইতিমধ্যে আঁতৰি আহিছে।

## ভাৰোত্তোলনত ভাৰতৰ নৱমটো পদক লাভ

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ্ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। আজি ভাৰোত্তোলনত ভাৰতে আৰু এটা পদক লাভ কৰিবলৈ সক্ষম হয়। পুৰুষৰ ১০৯ কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ লাভপ্ৰীত সিঙে ব্ৰঞ্জ লাভ কৰে। তেওঁ স্নেচত ১৬৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৯২ কিলোগ্ৰাম উত্তোলন কৰি মুঠ ৩৫৫ কিলোগ্ৰাম উত্তোলনৰে ভাৰতক




ভাৰোত্তোলনত অষ্টমটো পদক দিয়ে। উল্লেখ্য যে ভাৰোত্তোলনত ইতিমধ্যে ভাৰতৰ হৈ মীৰাবাঈ চানু, জেৰেমি আৰু অচিন্তই সোণ লাভ কৰাৰ লগতে বিন্দিৰাণী দেৱী, সংকেট সাগৰ আৰু বিকাশ ঠাকুৰে ৰূপৰ পদক জয় কৰিছে। ইফালে, ভাৰতৰ হৰ্জিন্দৰ সিং আৰু গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

# জুডোত ভাৰতক তৃতীয়টো পদক দিলে তুলিকাই


**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত ২২সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতে জুডোত আজি আৰু এটা পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আজি মহিলাৰ ৭৮ কিলোগ্ৰাম শাখাত খেলা তুলিকা মানে নিউজীলেণ্ডৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰাৰ লগে লগে ভাৰতৰ পদক নিশ্চিত হয়। জুডোত এয়া ভাৰতৰ তৃতীয়টো পদক। উল্লেখ্য যে ইয়াৰপূৰ্বে এটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি পদক তালিকাত গুৰুত্বপূৰ্ণ অৰিহনা আগবঢ়াইছে ভাৰতীয় জুডুকাই। মহিলাৰ ৪৮ কিলোগ্ৰাম শাখাত খেলা এল সুশীলা দেৱীয়ে ৰূপ আৰু ৬০ কিলোগ্ৰাম শাখাত খেলা বিজয় কুমাৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ফাইনেলত প্ৰৱেশ কৰা সুশীলাক খিতাপৰ যুঁজত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাৰ মিচেলাই। ইফালে, ৬০ কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ বিজয় কুমাৰে ছেমিফাইনেলত পৰাস্ত হয় যদিও ব্ৰঞ্জৰ পদকৰ মেচত চাইপ্ৰাছৰ খেলুৱৈক পৰাস্ত কৰি দেশক গৌৰৱ দিয়ে। ব্ৰঞ্জ পদকৰ বাবে ভাৰতৰ সুচিকা তাৰিয়ালে ৫৭ কিলোগ্ৰাম শাখাত আৰু জেছলিন সিং ছাইনিয়ে ৬৬ কিলোগ্ৰাম শাখাত খেলিছিল যদিও পৰাস্ত হয়। উল্লেখ্য যে আজি ভাৰতৰ দীপক দেশৱালেও খেলিছিল যদিও কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ বিদায় লয়।



# জংঘলব্লকত ফুটবল প্ৰশিক্ষণ শিবিৰৰ সফল সমাপ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৩ আগষ্ট ঃ** মৰিয়নিৰ সমীপৰ জংঘলব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত আৰু বাহনী চাহ বাগিচা কৰ্তৃপক্ষৰ সহযোগত অনুষ্ঠিত হোৱা পোন্ধৰ দিনীয়া ফুটবল প্ৰশিক্ষণ শিবিৰৰ কালি সমাপ্তি হয়। জংঘলব্লক হাইস্কুলৰ খেলপথাৰত যোৱা ১৮ জুলাইৰ পৰা অনুষ্ঠিত হোৱা ফুটবল প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে ৰাজ্যিক ফুটবলাৰ খগেন শইকীয়াই। সহকাৰী হিচাপে আছিল প্ৰশিক্ষক ঋতু দাস আৰু জংঘলব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক, প্ৰাক্তন ফুটবলাৰ সুদীপ শইকীয়া। সামৰণিৰ দিনা প্ৰশিক্ষণ প্ৰশিক্ষাৰ্থীসকলৰ মাজত প্ৰীতিমূলক ফুটবল খেল অনুষ্ঠিত হয়। সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে, ক্ৰীড়া বিষয়া বিধান দাস উপস্থিত থাকি ফুটবল খেলুৱৈসকলক উদ্দেশ্য কৰি বক্তব্য প্ৰদান কৰে। ফুটবল প্ৰশিক্ষক বিধান দাসক উদ্যোক্তাসকলে সম্বৰ্ধনা জনায়। মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বক্তব্য প্ৰদান কৰি জংঘলব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ এনে কাৰ্যৰ শলাগ লয়। অনুষ্ঠানটোত বাহনী চাহ বাগিচাৰ কাৰ্যবাহী সঞ্চালক সমীৰেন্দ্ৰ নাথ ফুকন, দিব্যজ্যোতি শইকীয়া আদি ব্যক্তিসকল ভাষণ প্ৰদান কৰে। ক্ৰীড়া সংগঠক বিপুল শইকীয়া, যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক দ্বীপেন দাস, মৰিয়নি ক্ৰীড়া সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক দীপক দত্ত, নকছাৰী ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক বিজিত লাহন, বাহনি চাহ বাগিচাৰ পৰিচালক মনোজ বৰগোহাঁই, প্ৰাক্তন ফুটবলাৰ তথা কচুখাত গাঁও পঞ্চায়তৰ সভাপতি পবিত্ৰ শ্যাম, প্ৰাক্তন ফুটবলাৰ কৃষ্ণ শৰ্মা, প্ৰাক্তন ৰাজ্যিক মহিলা ফুটবলাৰ তথা ফুটবল প্ৰশিক্ষিকা বীনা চুড়ী কৰ্মকাৰ, গোলাঘাটৰ ঘিলাধাৰী মহিলা ফুটবল দলৰ প্ৰশিক্ষিকা ৰীণা কৰ্মকাৰ, কুশল কোঁৱৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিতুমণি ফুকন, জংঘলব্লক হাইস্কুলৰ প্ৰধান শিক্ষক ধৰ্মেশ্বৰ বৰুৱা, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কৰুণা গগৈ, সঞ্জয় সিঙৰ লগতে বহুকেইজন ব্যক্তিক চেলেং চাদৰ, গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। জংঘলব্লক হাইস্কুলৰ ছাত্ৰীসকলে পৰিৱেশন কৰা নৃত্য আৰু বাহনী চাহ বাগিচাৰ ঝুমুৰ দলে পৰিৱেশন কৰা ঝুমুৰ নৃত্যই অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বাহনী চাহ বাগিচাৰ পৰিচালক মনোজ বৰগোহাঁয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোতে গুৱাহাটীত অনুষ্ঠিত হোৱা যুৱ অলিম্পিক ক্ৰীড়া সমাৰোহত ১৫০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰা ধৰ্মেশ্বৰ গঞ্জুক সম্বৰ্ধনা জনোৱাৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা কে'বাগৰাকীও ছাত্ৰ ছাত্ৰীক অভিনন্দন জনোৱা হয়। ফুটবল প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলকো মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে ৰাজ্যিক কৃতি শিক্ষক শিক্ষক তথা সমাজকৰ্মী নগেন গগৈয়ে।

AN OCEAN OF OPPORTUNITIES
AWAITS THE AMBITIOUS



JOIN INDIAN NAVY

Indian Navy invites online applications from unmarried men & women candidates, to join as Short Service Commission Officers.

| Branch/Cadre | Educational Qualification | Vacancies | Born Between (Both Dates Inclusive) |
|---|---|---|---|
| SSC EXECUTIVE (Information Technology) | Minimum 60% marks in English in class X or XII and one of the undermentioned educational qualification with minimum 60% overall qualifying marks, in either or a combination of the following:- (a) MSc/BE/B Tech/M Tech (Computer Science/Computer Science & Engineering/ Computer Engineering/ Information Technology/Software Systems/Cyber Security/ System Administration & Networking/ Computer Systems & Networking Data Analytics/Artificial Intelligence) OR (b) MCA with BCA/ BSc (Computer Science/ Information Technology) | 50 | 02 Jan 1998 to 01 Jul 2003 |

Entry is open from 05 Aug 22.
The last date for submission of online application is 15 Aug 22.

For eligibility criteria and details, visit www.joinindiannavy.gov.in and Employment News dated 06 Aug 22.

Scan this QR Code to apply online

CBC 10701/13/0008/2223

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি